REFERENCE
Not to be lent out

মহাত্মা গান্ধীৰ জীৱন কাহিনী

মহাত্মা গান্ধীৰ জীৱন কাহিনী

GOVT. OF ASSAM

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী

প্ৰকাশক :
শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
হেপী ভিলা
গুৱাহাটী, অসম

প্ৰথম প্ৰকাশ :
আগষ্ট, ১৯৬৯

মূল্য : ৩·৫০

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

উচৰ্গা

গান্ধীবাদত পৰম বিশ্বাসী লব্ধ-প্ৰতিষ্ঠ সমাজকৰ্ম্মী
শ্ৰীবিমলাপ্ৰসাদ চলিহা দেৱৰ কৰকমলত
পৰম শ্ৰদ্ধাৰে এই পুথিখনি অৰ্পণ কৰিলো।

গুৱাহাটী
১।৮।৬৯

শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী

নিবেদন

মহাত্মা গান্ধী জন্মলাভ কৰাৰ এশ বছৰ পূৰ্ণ হ'ল। ১৯৬৯ চনৰ বছৰটো সমগ্ৰ বিশ্বতে মহাত্মা গান্ধীৰ শতবাৰ্ষিকী জন্মোৎসব হিচাবে পালন কৰিবলৈ লোৱা হৈছে। ভাৰতবৰ্ষত গান্ধীজীৰ আদৰ্শ আৰু বাণী প্ৰত্যেক পৰিয়ালতে পোৱাবলৈ অখিল ভাৰতীয় গান্ধী শতবাৰ্ষিকী জন্মোৎসব কমিটিয়ে প্ৰয়াস কৰিছে আৰু এই উদ্দেশ্যে বহুমুখী আঁচনিৰে যোৱা চাৰি বছৰ ধৰি প্ৰস্তুতি চলাই আহিছে।

মহাত্মা গান্ধীৰ আদৰ্শ আৰু বাণী বৰ্ত্তমানৰ নানা বিসঙ্গতিপূৰ্ণ সমাজত ব্যাপক প্ৰচাৰৰ তীব্ৰ প্ৰয়োজন হৈছে। সামাজিক, নৈতিক, অৰ্থ-নৈতিক, ধৰ্ম্মীয়, ৰাষ্টীয় আৰু আন্তৰ্ৰাষ্টীয় ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন সৰু বৰ সমস্যাৰ সমাধান সম্পৰ্কে মহাত্মা গান্ধীৰ চিন্তা আৰু বিচাৰ-ধাৰাৰ সমন্বিত অধ্যয়ন আৰু বৰ্ত্তমানৰ সমস্যাৰ সমাধানত তাৰ প্ৰযোগ সম্পৰ্কে আলোচনা—তাত্ত্বিক দিশৰ পৰা হলেও তাৰ প্ৰযোজনীয়তা কোনোৱে নুই কৰিব নোৱাৰে। ব্যবহাৰিক প্ৰযোজনীয়তাৰ দিশৰ পৰাও মহাত্মাৰ প্ৰদৰ্শিত পথ বিশ্বত অতুলনীয়।

মহাত্মা গান্ধীৰ মহান ব্যক্তিত্বৰ পৰশত অনুপ্ৰাণিত হৈ পদাঙ্ক অনুসৰণ কৰা লোকসকলৰ ভালেমানে ইতিমধ্যে ইহসংসাৰৰ পৰা বিদায় লৈছে। গান্ধীজীৰ সান্নিধ্যত আহিবলৈ নাইবা তেওঁৰ মহান ব্যক্তিত্বৰ পৰশ পাবলৈ সৌভাগ্য নোহোৱা বৰ্ত্তমানৰ উঠি অহা ডেকাচামে আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে গান্ধীজীৰ জীৱনী, আদৰ্শ আৰু বাণী অধ্যয়ন কৰি মহাত্মাৰ সমন্বিত জীৱন দৰ্শনৰ তাৎপৰ্য্য উপলব্ধি কৰাৰ প্ৰয়োজন হৈছে। এই প্ৰচেষ্টাত এই ক্ষুদ্ৰ পুথিখনে প্ৰাথমিক পাঠ হিচাবে ছাত্ৰ-ছাত্ৰীসকলৰ সমাদৰ পালে লিখকৰ শ্ৰম সাৰ্থক হব।

গুৱাহাটী | বিনীত
১।৮।৬৯ | শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী

মহাত্মা গান্ধীৰ জীৱন কাহিনী

(স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে)

বংশ পৰিচয় আৰু ল'ৰাকাল

মহাত্মা গান্ধীৰ আচল নাম মোহনদাস কৰমচাঁদ গান্ধী। ইং ১৮৬৯ চনৰ ২ অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰ বা সুদামাপুৰীত মোহনদাস কৰমচাঁদ গান্ধীয়ে জন্মগ্ৰণ কৰে। তেওঁৰ পিতাক কৰমচাঁদ গান্ধী পোৰবন্দৰৰ প্ৰধানমন্ত্ৰী আছিল। কৰমচাঁদ গান্ধী সত্যবাদী, সাহসী, দানী আৰু উদাৰ মনৰ লোক আছিল। কিন্তু তেওঁৰ অলপতে খং উঠিছিল। তেওঁৰ ধন-সম্পত্তিৰ প্ৰতি লোভ নাছিল আৰু পুতেক-হঁতলৈ বিশেষ কোনো সা-সম্পত্তি এৰি যোৱা নাছিল। কৰমচাঁদ গান্ধীৰ আন এটা নাম আছিল কাবা গান্ধী।

কৰমচাঁদ গান্ধীৰ পঢ়াশুনা বিশেষ নাছিল। তেওঁ মাত্ৰ গুজৰাটীৰ পঞ্চমমান শ্ৰেণীলৈহে পঢ়িছিল। ভূগোল আৰু ইতিহাস তেওঁ একো নাজানিছিল। কিন্তু সাংসাৰিক বিষয়ৰ বিপুল অভিজ্ঞতাই তেওঁক অতি জটিল সমস্যাৰ সমাধান কৰাত আৰু হাজাৰ হাজাৰ মানুহৰ নেতৃত্ব দিয়াত সামৰ্থ্য দিছিল। শাস্ত্ৰ আৰু ধৰ্ম্মৰ শিক্ষাও তেওঁৰ বিশেষ একো নাছিল কিন্তু হিন্দুৰ মঠ মন্দিৰ সঘনে দৰ্শন কৰি আৰু ধৰ্ম্ম-সম্পৰ্কীয় আলোচনা বিলোচনাত যোগদান কৰি পোৱা শিক্ষাই তেওঁক ধৰ্ম্মপ্ৰাণ আৰু সংযত কৰিছিল।

মোহনদাস কৰমচাঁদ গান্ধীৰ মাক পুতলীবাই অতি ধৰ্ম্মপৰায়ণা

আছিল। তেওঁ সাধুতা আৰু পৱিত্ৰতাৰ প্ৰতিমূৰ্ত্তি যেন আছিল। তেওঁৰ চৰিত্ৰই মোহনদাসৰ অন্তৰত গভীৰ ছাপ পেলাইছিল। নিত্য পূজা-পাতল আৰু প্ৰাৰ্থনা নকৰাকৈ খোৱা-বোৱা কৰাৰ কথা তেওঁ ভাবিবই নোৱাৰিছিল। হাভেলিৰ বিষ্ণুমন্দিৰ দৰ্শন তেওঁৰ নিত্যকৰ্ম্ম আছিল। তেওঁ কোনো বছৰতে চাতুৰ্মাস ব্ৰত পালন নকৰাকৈ নাছিল। তেওঁ কঠোৰ ব্ৰতবিলাকো পালন কৰিছিল আৰু অসুখ বিসুখ বা যিযেই নহওক লাগে, আৰম্ভ কৰিলে কোনো ব্ৰতকে শেষ নকৰাকৈ মাজতে এৰি নিদিছিল। এবাৰ চান্দ্ৰায়ন ব্ৰত আৰম্ভ কৰাৰ পিছত তেওঁৰ টান নৰিয়া হৈছিল। তেওঁ কোনোমতে ব্ৰত পালন ত্যাগ নকৰিলে আৰু নৰিয়া গাৰেই ব্ৰত সমাপণ কৰিলে। একে লেঠাৰিয়ে দুটা বা তিনিটা ব্ৰত পালন কৰি লঘোনে থকা তেওঁৰ কাৰণে কোনো কথাই নাছিল। চাতুৰ্মাস কালছোৱাত দিনে এসাজ খাই থকা তেওঁৰ অভ্যাসত পৰিণত হৈছিল। তাতো সন্তুষ্ট নেথাকি এবাৰ চাতুৰ্মাস ব্ৰতত তেওঁ এদিন বাদে এদিন সম্পূৰ্ণ লঘোনে থাকিছিল। আন এবাৰ চাতুৰ্মাসৰ সময়ত তেওঁ সঙ্কল্প ললে যে বেলিৰ মুখ নেদেখাকৈ তেওঁ আহাৰ গ্ৰহণ নকৰে। মোহনদাস প্ৰমুখ্যে সকলোবোৰ ল'ৰা-ছোৱালীয়ে আকাশলৈ মুখ কৰি বাহিৰত ৰহি থাকিছিল আৰু বেলি ওলালেই ল'ৰ গৈ মাকক খবৰ দিছিল। ভৰ বাৰিষা কালত মেঘে ঢাকি থকা আকাশত বেলিৰ মুখ নেদেখা জনাজাত কথা। আকাশত হঠাতে বেলিয়ে ভূমুকি মাৰিলেই মোহনদাসহঁতে দৌৰি গৈ মাকক খবৰ দিছিল আৰু মাকে নিজ চকুৰে বেলি ওলোৱা চাবলৈ বাহিৰলৈ আহিছিল। কিন্তু কেইবাদিনো মাক বাহিৰলৈ ওলাই অহাৰ আগতেই বেলি পুনৰ মেঘত লুকাইছিল আৰু বেলি নেদেখা বাবে তেওঁ নিৰাহাৰে থাকিব লগা হৈছিল। তেওঁ কেবল কৈছিল, "ঠিক আছে ; ঈশ্বৰে আজি মোক খাব দিব খোজা নাই।" এইদৰে কৈ তেওঁ পুনৰ নিজৰ কাম-কাজত মন দিছিল। পুতলীবাই সাংসাৰিক জ্ঞান আৰু বিচাৰ বুদ্ধিতো বিচক্ষণা আছিল আৰু ৰাজ্যৰ প্ৰশাসনীয় বিষয়বো সকলো খবৰ ৰাখিছিল।

এনে পিতা-মাতাৰ সন্তান হিচাবে মোহনদাস কৰমচাঁদ গান্ধী সকলোৰে পৰাই ধৰ্ম্ম, সংস্কৃতি আৰু নৈতিক জীৱনৰ পৰিবেশত ডাঙৰ দীঘল হৈছিল।

পঢ়াশালীত

মোহনদাস কৰমচাঁদ গান্ধীৰ শৈশৱকাল পোৰবন্দৰত অতিবাহিত হয়। তেওঁক পোৰবন্দৰৰ প্ৰাথমিক পঢাশালীত নাম লগাই দিয়া হৈছিল। এই সময়ছোৱাৰ কথা উল্লেখ কৰি মহাত্মা গান্ধীয়ে আত্ম-চৰিতত এইদৰে লিখিছে, 'মই কথমপিহে পূৰণৰ নেওতাকেইখন মুখস্থ কৰিব পাৰিছিলো। এই দিনবিলাকৰ কথা মোৰ বিশেষ মনত নাই, কিন্তু আন ল'ৰাবিলাকৰ লগত শিক্ষক সকলক নানান ধৰণৰ নাম দিয়া কথা মনত পৰে।"

মহাত্মাৰ সাতবছৰ বয়সতে পিতাকে পোৰবন্দৰ এৰি ৰাজকোটলৈ যায় আৰু তাত এখন প্ৰাইমেৰী স্কুলত তেওঁক নাম লগাই দিয়া হয়। প্ৰাইমেৰী স্কুলৰ পিচত মোহনদাসে নগৰৰ উপকণ্ঠৰ আন এখন স্কুলত পঢ়ে আৰু তাৰপৰা ১২ বছৰ বযসত হাইস্কুলত ভৰ্ত্তি হয়। তেওঁ কোনোদিনে মিছা কথা কোৱা নাছিল। তেওঁ আত্মচৰিতত লিখিছে, "এই সময়ছোৱাত কোনো দিনে শিক্ষকৰ ওচৰত নাইবা সহপাঠীসকলৰ ওচৰত মিছা কথা কোৱা মনত নপৰে। মই বৰ লাজকুৰীয়া আছিলো আৰু লগ-সঙ্গৰ পৰা আতৰত আছিলো। কিতাপ আৰু পাঠেই মোৰ একমাত্ৰ লগৰীয়া আছিল। ঘণ্টা পৰাৰ লগে লগে স্কুলত সোমোৱা আৰু ছুটীৰ লগে লগে দৌৰি ঘৰলৈ অহা মোৰ দৈনিক অভ্যাস আছিল। সঁচাকৈ মই দৌৰি অহাৰ দৰেযে আহিছিলো কাৰণ মোৰ কাৰো লগত কথা পতাৰ সাহস নহৈছিল। কোনোবাই মোক জোকাব বুলিও মোৰ ভয় লাগিছিল। হাইস্কুলত ভৰ্ত্তি হোৱাৰ প্ৰথম বছৰতে পৰীক্ষাৰ সময়ত হোৱা ঘটনা এটা উল্লেখযোগ্য। শিক্ষাবিভাগৰ পৰিদৰ্শক মিঃ গিলছ্‌ আমাৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহিছিল। তেওঁ আমাক পাঁচটা শব্দৰ বানান লিখিব দিছিল। তাৰে এটা শব্দ আছিল 'Kettle'. মোৰ এই শব্দটোৰ বানান ভুল হৈছিল। আমাৰ শিক্ষকজনে তেওঁৰ জোতাৰ আগেৰে বানানটো শুদ্ধকৈ লিখি দেখুৱাই দিছিল। মই কিন্তু তেওঁ দেখুৱাই দিয়া আখৰলৈ মন নকৰিলো। তেওঁ মোক ওচৰত বহা ছাত্ৰজনৰ ফলিৰ পৰা শব্দটোৰ বানানটো নকল কৰিবলৈ ইঙ্গিত দিয়াত মোৰ বৰ বেয়া লাগিছিল, কাৰণ যাতে আমি পৰীক্ষাত

নকল নকৰো, তাৰ প্ৰতি নজৰ দিয়াটোহে শিক্ষকজনৰ কৰ্ত্তব্য আছিল, আমাক নকল কৰাত উৎসাহ দিবলৈ নহয়। মই ছাত্ৰজনৰ ফলিলৈকো নাচালো। ফলত মোৰ বাহিৰে আন সকলো ছাত্ৰৰে আটাইকেইটা বানান শুদ্ধ হৈছিল; মইহে অকল ভুল কৰিছিলো। শিক্ষকজনে পিছত মোক মোৰ নিবুৰ্দ্ধিতাৰ কাৰণে বকিছিল কিন্তু কোনো ফল নধৰিলে। মই কোনোদিনেই নকলকৰা বিদ্যা শিকিব নোৱাৰিলো।

"এই কথাৰ কাৰণে কিন্তু শিক্ষকজনৰ প্ৰতি মোৰ শ্ৰদ্ধা মুঠেই কমা নাছিল। গুৰুজনৰ দোষ ত্ৰুটিৰ প্ৰতি নজৰ দিয়া মোৰ স্বভাব নাছিল। পিচত এই শিক্ষকজনৰ বহুত দোষ আৰু দুৰ্ব্বলতা মোৰ চকুত পৰিছিল কিন্তু মোৰ শ্ৰদ্ধা আৰু ভক্তি একেদৰেই আছিল। কাৰণ মই গুৰুজনৰ আৰু ডাঙৰৰ আদেশ পালন কৰিবলৈহে শিকিছিলো। তেওঁলোকৰ গুণ-দোষৰ বিচাৰ কৰিবলৈ মই শিকা নাছিলো আৰু সেইটো মোৰ স্বভাৱো নাছিল।

"এই সময়ছোৱাত হোৱা আৰু দুটা ঘটনা সদায় মোৰ মনত ভাঁহি থাকে। সাধাৰণতে স্কুলৰ পাঠ্যপুথি কেইখনৰ বাহিৰে আন বাহিৰা কিতাপ পঢ়িবলৈ মই ভাল নাপাইছিলো। দৈনিক পাঠ পঢ়া আৰু কৰিব দিয়া কামখিনি মই সদায় ঠিকমতে কৰিছিলো কিয়নো তাৰ পৰিবৰ্ত্তে শিক্ষকৰ শাস্তি পোৱাটো মই বাঞ্ছা নকৰিছিলো আৰু শিক্ষকক ফাঁকি দিবলৈযো মই নোৱাৰিছিলো। সেযেহে মই মন নাথাকিলেও জোৰকৈয়ে দৈনিক পাঠ তৈয়াৰ কৰিছিলো। গতিকে যেতিয়া মই দৈনিক পাঠখিনিয়ে ঠিকমত পঢ়ি অটাব নোৱাৰিছিলো, তেতিয়া আৰু বাহিৰা কিতাপ পঢ়াৰ প্ৰশ্নযেই নাছিল। কিন্তু পিতাই কিনি অনা কিতাপ এখনৰ প্ৰতি মোৰ আগ্ৰহ জন্মিল। এই কিতাপখন আছিল শ্ৰৱণৰ পিতৃভক্তি নাটক। মই কিতাপখন বৰ মনোযোগেৰে পঢ়িলো। সেই সময়তে ছবি দেখুৱাই ফুৰা মানুহৰ দল এটা আমাৰ ঠাইলৈ আহিছিল। মোক দেখুৱা ছবিবিলাকৰ ভিতৰত এখন আছিল শ্ৰৱণে অন্ধ মাক-বাপেকক কাপোৰৰ পটিৰে বান্ধি কান্ধত ওলোমাই লৈ তীৰ্থস্থান দেখুৱাই ফুৰা ছবি। এই কিতাপখনে আৰু এই ছবিখনে মোৰ মনত স্থায়ী আৰু গভীৰ সাঁচ বহুৱাইছিল। মই নিজকে কৈ উঠিছিলো—'তোমাৰ অনুকৰণীয় ই এটা পটন্তৰ।'

"ঠিক সেই সময়তে কোনো এটা যাত্ৰাদলে কৰা নাটক এখনৰ যাত্ৰা চাবলৈ পিতাৰ পৰা অনুমতি পাইছিলো। এই নাটকখন আছিল হৰিশ্চন্দ্ৰ আৰু নাটকখনৰ ভাওনা চাই মই অভিভূত হৈ পৰিছিলো। নাটকখন যিমানবাৰ চাওঁ মোৰ কেতিয়াও আমনি নালাগিছিল। কিন্তু মোকতো বাৰে বাৰে যাত্ৰা চাবলৈ অনুমতি নিদিযে। সকলো সময়তে এই নাটকখনৰ চিন্তা মোৰ মনলৈ আহিছিল আৰু মোৰ মনতে মই অসংখ্যবাৰ হৰিশ্চন্দ্ৰৰ ভাও লৈ অভিনয় কৰিছিলো। দিনে নিশাই মোৰ মনত এই প্ৰশ্নই উঠিছিল 'সকলো মানুহেই হৰিশ্চন্দ্ৰৰ দৰে সত্যবাদী নহয় কিয় ?' সত্যৰ পালন আৰু তাৰ বাবে সকলো প্ৰকাৰৰ অগ্নিপৰীক্ষাৰ সন্মুখীন হবলগীয়া হোৱা হৰিশ্চন্দ্ৰৰ আদৰ্শই মোক অনুপ্ৰাণিত কৰিছিল। মই হৰিশ্চন্দ্ৰৰ আখ্যান সঁচা ঘটনা বুলি আখৰে আখৰে বিশ্বাস কৰিছিলো। ইযাক সুমৰণ কৰি মই প্ৰায় সদায় কান্দিছিলো।

"হাইস্কুলত মই বৰ মূৰ্খ বুলি পৰিগণিত হোৱা নাছিলো। মই সদায় শিক্ষকসকলৰ মৰম চেনেহ পাইছিলো। প্ৰত্যেক বছৰে পঢ়াশুনাৰ প্ৰগতি আৰু চৰিত্ৰৰ প্ৰমাণ-পত্ৰ অভিভাৱকলৈ পঠোৱা নিয়ম আছিল। মই কেতিযাও বেযা প্ৰমাণ-পত্ৰ পোৱা নাছিলো। আনকি নই দ্বিতীয শ্ৰেণীৰ প্ৰমোচন পৰীক্ষাত পুৰস্কাৰো পাইছিলো। পঞ্চম আৰু ষষ্ঠমানৰ পৰীক্ষাত মই মাহিলী যথাক্ৰমে চাৰিটকীয়া আৰু দহটকীয়া বৃত্তিয়ো পাইছিলো আৰু ইযাৰ বাবে মোৰ যোগ্যতাতকৈ ভাগ্যহে বেচি সুপ্ৰসন্ন আছিল। কাৰণ এই বৃত্তি সকলো ছাত্ৰৰ বাবে মুকলি নাছিল; কাথিৱাৰৰ চোৰাথ মহকুমাৰ পৰা অহা ছাত্ৰসকলৰ ভিতৰত আটাইতকৈ ভাল ছাত্ৰকেইজনকহে এই বৃত্তি দিযা হৈছিল। সেইদিনত শ্ৰেণীৰ চল্লিশ বা পঞ্চাশজন ছাত্ৰৰ ভিতৰত চোৰাথৰ পৰা অহা ছাত্ৰসংখ্যা বৰ বেছি নাছিল।

"মোৰ যিমানদূৰ মনত পৰে মোৰ নিজৰ যোগ্যতাৰ ওপৰত মোৰ বৰ আস্থা নাছিল। মই পুৰস্কাৰ আৰু বৃত্তি পোৱা বাবে বৰ আচৰিত হৈছিলো। কিন্তু মই অতি সাৱধানে মোৰ চৰিত্ৰ আৰু সজ আচৰণ ৰক্ষা কৰি চলিছিলো। অতি সামান্য দোষৰ বাবেও মোৰ চকুপানী ওলাইছিল। জ্ঞাতে বা অজ্ঞাতে যি কোনো কাৰণতে শিক্ষকৰ

কোনো প্ৰকাৰ বকনি খাবলগীয়া হলে মই বৰ অনুতপ্ত হৈছিলো আৰু মোৰ অসহ্য লাগিছিল। এবাৰ শিক্ষকৰ বেত খোৱা মোৰ মনত আছে। সেই শাস্তিৰ দুখৰ বাবে মই বেয়া পোৱা নাছিলো কাৰণ মই শাস্তি পাবলগাই আছিল। মই কিন্তু খুব কান্দিছিলো। তেতিয়া মই প্ৰথম নে দ্বিতীয় শ্ৰেণীত পঢ়ো। সপ্তম মান শ্ৰেণীত পঢ়া সময়তো এনে এটা ঘটনা ঘটিছিল। তেতিয়া দোৰাবজী এডুলজী গিমি প্ৰধান শিক্ষক আছিল। তেওঁ ছাত্ৰসকলৰ বৰ প্ৰিয় আছিল। তেওঁ নিয়মানুবৰ্ত্তিতা ৰক্ষক, সুশৃঙ্খলাপ্ৰিয় আৰু বৰ ভাল শিক্ষক আছিল। ওপৰৰ শ্ৰেণীৰ ছাত্ৰসকলৰ বাবে ব্যাযাম আৰু ক্ৰিকেট খেলা তেওঁ বাধ্যতামূলক কৰিছিল। মই দুয়োটাকে বেয়া পাইছিলো। বাধ্যতামূলক কৰাৰ আগতে মই কোনোদিনে ব্যাযাম, ক্ৰিকেট বা ফুটবল আদি খেলিব নোৱাৰিছিলো আৰু কেতিযাও চেষ্টা কৰা নাছিলো। মোৰ লাজকুৰীয়া স্বভাৱৰ বাবে মই অকলশৰীয়া আছিলো আৰু তেতিযা বুজিছিলো যে মোৰ ভুল হৈছিল। মোৰ তেতিয়া আন এটা ধাৰণা আছিল যে ব্যাযাম বা শৰীৰ চৰ্চ্চাৰ লগত শিক্ষাৰ কোনো সম্বন্ধ নাই।

"মই অৱশ্যে এটা কথা এইখিনিতে ক'ব পাৰো যে ব্যাযামৰ পৰা আতৰত থাকিলেও মোৰ কোনো অপকাৰ হোৱা নাছিল। মুকলি বতাহ পোৱা ঠাইত খোজকাঢি ভ্ৰমণ কৰিলে উপকাৰিতা লাভ কৰিব পাৰি বুলি মই কিতাপত পঢ়িছিলো আৰু সেই অনুসৰি প্ৰতিদিনে খোজকাঢি দীঘলীয়া ভ্ৰমণ কৰাটো মই অভ্যাসত পৰিণত কৰিছিলো। সেই অভ্যাস মই এতিয়াও এৰা নাই। এই ভ্ৰমণৰ অভ্যাসে মোৰ আটিল শৰীৰিক গঠন দিছে।

ব্যায়ামৰ প্ৰতি মোৰ বিৰাগৰ কাৰণ আছিল পিতাক পৰিচাৰক হিচাবে শুশ্ৰূষা কৰাৰ একান্ত ইচ্ছা। স্কুল ছুটী হোৱা মাত্ৰকে মই দৌৰি ঘৰলৈ গৈছিলো আৰু পিতাক শুশ্ৰূষা কৰাত লাগিছিলো। বাধ্যতামূলক ব্যাযামে এই সেৱাৰ পথত মোক বাধা দিছিল। পিতাক যাতে মই সেৱা-শুশ্ৰূষা কৰিব পাৰো তাৰ বাবে মোক ব্যায়াম কৰাৰ পৰা অব্যাহতি দিবলৈ মই মিষ্টাৰ গিমিক অনুৰোধ কৰিছিলো। কিন্তু তেওঁ মোৰ আবেদন নুশুনিলে। এদিনাখন শনিবাৰে আমাৰ স্কুল পুৱা বহিছিল আৰু আবেলি চাৰিটা বজাত ব্যায়ামৰ বাবে স্কুললৈ যাবলগীয়া

হৈছিল। মোৰ ঘড়ী নাছিল আৰু ডাৱৰীয়া বতৰে মোক ঠগিলে। মই গৈ পোৱাৰ আগতে আন ল'ৰাবোৰ ঘৰাঘৰি গ'ল। পিচদিনা মিঃ গিমিয়ে হাজিৰাবহী চালে আৰু মই আগদিনা অনুপস্থিত থকাৰ গম পালে। মোক তেওঁ অনুপস্থিতিৰ কাৰণ সোধাত মই সঁচা কথাকে ক'লো। তেওঁ মোক বিশ্বাস নকৰিলে আৰু এক অনা নে দুই অনা (মোৰ ঠিক মনত নাই) জৰিমনা কৰিলে; মোক মিছাকথা কোৱা বুলি দোষী সাব্যস্ত কৰিলে। এইটোৱেই মোৰ মনত বৰ আঘাত দিছিল। মোৰ নিৰ্দ্দোষিতা কেনেকৈ প্ৰমাণ কৰিব পাৰি মই নাজানিছিলো। মই ধৰিব পাৰিছিলো যে সত্যবাদী লোক সাৱধানো হব লাগে। স্কুলত অসাবধান হৈ চলাৰ এইটোৱেই মোৰ প্ৰথম আৰু শেষ ঘটনা আছিল। মোৰ অস্পষ্টভাবে মনত পৰে যে এই জৰিমনা মোক পিচলৈ মাফ দিছিল আৰু পইচাখিনিও ঘূৰাই দিছিল। ব্যায়ামৰ পৰাও মই পিচলৈ অব্যাহতি পাইছিলো। পিতাই নিজে স্কুলৰ প্ৰধান শিক্ষকলৈ এখন চিঠি দিলে যে স্কুল ছুটীৰ পিচত মোক তেওঁক ঘৰত লাগে।

"যদিও ব্যায়াম অবহেলা কৰা বাবে মোৰ বিশেষ ক্ষতি হোৱা নাছিল, আন এটা বিষয় অবহেলা কৰা বাবে মই এতিয়াও শাস্তি ভুগি আছো। ক'ৰপৰা জানো মই এই ধাৰণাটো পাইছিলো যে ভাল হাতৰ আখৰ শিক্ষাৰ অপৰিহাৰ্য্য অঙ্গ নহয়।

"মোৰ স্কুলীয়া জীৱনৰ আৰু দুটা ঘটনা উল্লেখযোগ্য। মোৰ বিয়াৰ বাবে এটা বছৰ ক্ষতি হৈছিল। শিক্ষক সকলে কিন্তু মোক এই ক্ষতি পূৰণ কৰি এটা শ্ৰেণীৰ পাঠ্য নপঢ়াকৈয়ে ওপৰৰ শ্ৰেণীত যোগ দিবলৈ দিলে। এই সুবিধা অকল ভাল আৰু কঠোৰ পৰিশ্ৰমী ছাত্ৰসকলক হে দিয়া হৈছিল। গতিকে মই তৃতীয় শ্ৰেণীত ছয়মাহমানহে পঢ়িছিলো আৰু গৰমৰ বন্ধৰ আগে হোৱা পৰীক্ষাৰ পিছতে মোক চতুৰ্থ শ্ৰেণীলৈ প্ৰমোচন দিয়া হৈছিল। চতুৰ্থ শ্ৰেণীৰ পৰা প্ৰায় সকলোবোৰ বিষয়কে ইংৰাজীত পঢ়োৱা হৈছিল। মই বৰ টান পাইছিলো। জ্যামিতি এটা নতুন বিষয় আছিল আৰু এই বিষয়ত মই মুঠেই পাৰ্গত নাছিলো। ইংৰাজীৰ মাধ্যমেৰে পঢ়োৱাত ই মোৰ পক্ষে আৰু বেচি টান হৈ পৰিছিল। শিক্ষকজনে বিষয়টো বৰ ভালকৈয়ে পঢ়াইছিল, কিন্তু মই

বুজিপোৱা নাছিলো আৰু তেওঁক অনুসৰণ কৰিব নোৱৰিছিলো। মাজে মাজে মই হতাশ হৈ পৰিছিলো আৰু পুনৰ তৃতীয়মান শ্ৰেণীলৈ নামি যোৱাৰ কথা ভাবিছিলো। দুবছৰৰ পাঠ্যক্ৰম এবছৰতে শেষ কৰাটো মোৰ বাবে গধূৰ লাগিছিল। কিন্তু এনে কৰিলে অকল মোৰেই যে দুৰ্নাম হব এনে নহয়, শিক্ষকৰো অপযশ হ'ব। কাৰণ মোৰ যোগ্যতা বিবেচনা কৰি শিক্ষকজনে মোক প্ৰমোচন দিবলৈ অনুমোদন কৰিছিল। গতিকে এই দুই অপযশৰ ভয়ে মোক চতুৰ্থমান শ্ৰেণীতে থাকিবলৈ বাধ্য কৰালে। অৱশ্যে অধিক খাটি আৰু কষ্ট কৰি মই যেতিয়া ত্ৰয়োদশ উপপাদ্যলৈ (ইউক্লিডৰ) আহিলো, এই বিষযটো মোৰ কাৰণে অতি সহজ হৈ পৰিল। যিটো বিষযত অকল নিজৰ সাহস, যুক্তি আৰু বিচাৰবোধৰ প্ৰযোজন হয়, সি কেতিয়াও টান হ'ব নোৱাৰে। তেতিয়াৰে পৰা জ্যামিতিক মই সদায সহজ আৰু আনন্দদায়ক পাই আহিছো।"

"সংস্কৃত কিন্তু মোৰ বাবে আৰু টান সমস্যা হৈ পৰিছিল। জ্যামিতিত মুখস্থ কৰিব লগীযা একো নাছিল কিন্তু সংস্কৃত মোৰ এনেকুৱা লাগিছিল যেন সকলোকে মুখস্থ কৰিব লগা হয়। মই যেতিযা ষষ্ঠমান পালো মই সম্পূৰ্ণ হতাশ হ'লো। শিক্ষকজন বৰ কঠোৰ আৰু যেনে তেনে প্ৰকাৰে কাম আদায কৰা লোক আছিল আৰু মই ভাবিছিলো তেওঁ জোৰ কৰি হ'লেও ছাত্ৰসকলক শিকাবই। স্কুলত সংস্কৃত আৰু পাৰ্চীৰ শিক্ষক সকলৰ মাজত একপ্ৰকাৰৰ অৰিযাঅৰি চলি আছিল। পাৰ্চীৰ শিক্ষকজন নম্ৰ আৰু ঢিলা আছিল। ছাত্ৰসকলে কোৱাকুৱি কৰিছিল যে পাৰ্চী হেনো বৰ সহজ আৰু শিক্ষকজনো বৰ ভাল, ল'ৰাৰ প্ৰতি বিবেচক আৰু মৰমিযাল। সহজ বুলি কোৱা কথাষাৰে মোৰ লোভ জন্মালে আৰু এদিন গৈ মই পাৰ্চীৰ শ্ৰেণীত বহিলো। সংস্কৃতৰ শিক্ষকজনে মনত বৰ দুখ পালে। তেওঁ মোক ওচৰলৈ মাতি নি ক'লে 'তুমি যে এজন বৈষ্ণব পিতাৰ সন্তান সেই কথাটো তুমি কিয় পাহৰিলা? তুমি জানো তোমাৰ নিজৰ ধৰ্ম্মৰ ভাষাটো শিকিবলৈ ইচ্ছা নকৰা? তুমি যদি কিবা টান পইছা মোৰ ওচৰলৈ নাহা কিয়? মই তোমালোকক মোৰ শক্তি অনুসাৰে সংস্কৃত শিকাব খোজো। যিমানেই আগবাঢ়িবা সিমানেই ইয়াত সুন্দৰ আৰু আদৰ্শনীয় আৰু আকৰ্ষণীয় বস্তু পাবা।

তুমি হতাশ হ'ব নেলাগে। আকৌ আহি সংস্কৃত শ্ৰেণীত বহিবা।' এই মৰমে মোক লাজ লগালে। মই মোৰ শিক্ষকৰ মৰম অৱহেলা কৰিব নোৱাৰিলে। মই যদি সেই সামান্য সংস্কৃত তেতিয়া নিশিকিলোহেঁতেন এতিয়া মই আমাৰ পৱিত্ৰ শাস্ত্ৰবিলাকত মনোযোগ দিয়াত টান পালোহেঁতেন। প্ৰকৃততে এই ভাষাটো আৰু অলপ বেচি শিকিব নোৱাৰা বাবে এতিয়া মোৰ আক্ষেপ লাগে আৰু মই উপলব্ধি কৰিছো যে প্ৰত্যেক হিন্দু ল'ৰা আৰু ছোৱালীৰে সংস্কৃতৰ ভাল জ্ঞান থাকিব লাগে।"

মহাত্মা গান্ধী সৰুৰে পৰা সদায় সত্যবাদী আছিল আৰু কেতিয়াও সত্যৰ পৰা বিচলিত হোৱা নাছিল। ছাত্ৰহিচাবে তেওঁ কঠোৰ পৰিশ্ৰমী আছিল আৰু দৈনিক পাঠ খৰচি মাৰি শিকিছিল। সজ আচৰণ আৰু চৰিত্ৰৰ প্ৰতি তেওঁ সৰুৰে পৰা অতি সাৱধান আছিল আৰু সৰুৰে পৰা কেতিয়াও কোনো বেয়া কাম নকৰিছিল।

বিয়া

মাক-বাপেকে অতি কম বয়সতে মহাত্মা গান্ধীৰ বিয়া পাতি দিয়ে। সেই সময়ত বাল্যবিবাহৰ প্ৰচলন আছিল আৰু অতি কম বয়সতে ল'ৰা-ছোৱালীৰ বিয়া পাতি দিয়া হৈছিল। বিয়াৰ সময়ত মহাত্মা গান্ধীৰ বয়স আছিল মাত্ৰ তেৰ বছৰ আৰু ঘৈণীয়েক কস্তুৰবাও প্ৰায় সমবয়সীয়া আছিল।

সেইসময়ত কাথিৱাৰত দুটা ৰীতি প্ৰচলিত আছিল। বিয়া আৰু বিয়াৰ বাগদান বন্দবস্ত। বাগদান বন্দবস্তত ল'ৰা-ছোৱালীৰ মাক-বাপেকে বিয়া বন্দবস্ত কৰি প্ৰাথমিক প্ৰতিজ্ঞা ৰাখিছিল আৰু সুবিধা অনুসৰি ল'ৰা-ছোৱালীৰ বিয়া পাতি দিছিল। ই বিয়াৰ বন্দবস্তহে, বিয়া নহয়। গতিকে ল'ৰাটো ঢুকালে ছোৱালী বিধবা নহয় আৰু তদুপৰি এই বিয়াৰ বন্দবস্তও লৰচৰ হব নোৱাৰা বিধৰ নাছিল। বন্দবস্তৰ পিচতো মনোমালিন্য হলে বা আন তেনে কিবা কাৰণত বিয়া ভাঙিব পাৰিছিল। ই অৱশ্যে ল'ৰা-ছোৱালীৰ মাক-বাপেক বা অভিভাৱক সকলৰহে

সম্বন্ধ; বিয়াত আবদ্ধ হব ল'গা ল'ৰা বা ছোৱালীৰ তাত কোনো মতামত বা সম্পৰ্ক নাই। গান্ধীৰ বাবেও বিয়াৰ আগতে এটি এটিকৈ তিনিটি ছোৱালী ধৰা হৈছিল আৰু তাৰে দুটা ঢুকায়। তৃতীয়জনী ছোৱালী ঠিক কৰা সময়ত গান্ধীৰ বয়স হেনো মুঠেই সাত বছৰ হে হৈছিল। গান্ধীৰ ককায়েকৰ বিয়াও আগতে হৈ গৈছিল। গান্ধীৰ ঠিক ওপৰৰজন ককাযেক, প্ৰায় সমবয়সীয়া সম্বন্ধীয়া ককায়েক এজন আৰু গান্ধীৰ বিয়া বৰ ধুমধামেৰে একে সময়তে পতা হৈছিল।

ইমান কম বয়সতে বিয়া পতাত দৰা-কন্যাৰ দায়িত্ব, কৰ্ত্তৃত্ব আদি কোনো কথা নুঠিছিল। বিয়া মানে আছিল, বিয়া হোৱা ল'ৰা-ছোৱালীৰ নামত ধুম-ধাম, হৈ-চৈ, ভোজভাত, নতুন আৰু দামী কাপোৰ-কানি লোৱা, গায-গহনা লোৱা আৰু অচিনাকী সঙ্গী এজনৰ সঙ্গ লাভ— এযেই। মহাত্মা গান্ধীৰ তেৰ বছৰত হোৱা বিয়াৰ কথাও এয়েই আছিল। পিচত মহাত্মা গান্ধীযে বিযাৰ কথাবিলাক সুঁৱৰি ইমান কম বয়সতে ল'ৰাছোৱালীৰ বিয়া পাতি দিযা, সমাজৰ এই গৰ্হিত নীতিৰ কঠোৰ সমালোচনা কৰিছিল।

দুষ্ট বন্ধুৰ সঙ্গ

হাইস্কুলত পঢ়া সময়ত মহাত্মা গান্ধী বৰ লাজকুৰীয়া স্বভাৱৰ আছিল আৰু তেওঁৰ বন্ধু-বান্ধবৰ সংখ্যাও সৰহ নাছিল। এই তাকৰীয়া বন্ধুবৰ্গৰ মাজৰে দুজনৰ লগত তেওঁৰ সম্পৰ্ক বৰ ঘনিষ্ঠ আছিল। তাৰে এজনৰ লগত বন্ধুত্ব সৰহ দিন নিটিকিল কাৰণ আনজনৰ লগত বেচি হলি-গলি কৰা বাবে ইজনে গান্ধীৰ পৰা আঁতৰি গ'ল। এই পিচৰ জনৰ লগত হোৱা বন্ধুত্বকে গান্ধীজীয়ে তেওঁৰ জীৱনৰ শোকাবহ দুৰ্ঘটনা বুলি কৈছিল। বেয়া সঙ্গত পৰি ভাল ল'ৰাও বেযা হয আৰু মহাত্মা গান্ধীৰ বাল্যজীৱনৰ এই ঘটনাই তাৰ এটা উদাহৰণ। এই প্ৰসঙ্গত মহাত্মা গান্ধীয়ে লিখা আত্মচৰিতৰ পৰা তলৰ কথাখিনি তুলি দিয়া হ'ল।

"হাইস্কুলত পঢ়া কালত বিভিন্ন সময়ত হোৱা মোৰ তাকৰীয়া বন্ধু-বান্ধৱ সকলৰ ভিতৰত দুজনকে অন্তৰঙ্গ বন্ধু বুলিব পাৰি। তাৰে

এজনৰ লগত মোৰ বন্ধুত্ব বেছিদিন নিটিকিল। মই অৱশ্যে তেওঁৰ লগ এৰা নাছিলো, তেওঁহে মোক এৰিলে। ইজনৰ লগত বন্ধুত্ব কৰা বাবে তেওঁ মোক এৰিলে। পিচৰ জনৰ লগত হোৱা বন্ধুত্বকে মোৰ জীৱনৰ শোকাবহ দুৰ্ঘটনা বুলি গণ্য কৰো। এই বন্ধুত্ব বহুদিন চলিছিল। মই সংস্কাৰকৰ মনোভাৱেৰে তেওঁৰ লগত বন্ধুত্ব পাতিছিলো।

এই লগৰীযাজন প্ৰথমতে মোৰ ককাইদেউৰ বন্ধু আছিল। তেওঁলোক সহপাঠী আছিল। মই তেওঁৰ দুৰ্ব্বলতা আৰু বেযা স্বভাৱৰ কথা জানিছিলো কিন্তু মই তেওঁক মোৰ বিশ্বাসী বন্ধু হিচাবে লৈছিলো। মোৰ আই, ডাঙৰ ককাইদেউ আৰু পৰিবাৰেও মই বেযালোকৰ সঙ্গ লোৱা বুলি সাৱধান দিছিল। মই পৰিবাৰৰ সাৱধান বাণীলৈ ভ্ৰূক্ষেপ কৰা বিধৰ লোক নাছিলো। কিন্তু আইৰ আৰু ডাঙৰ ককাইদেউৰ সাৱধান বাণীৰ বিৰুদ্ধে যাবলৈ মোৰ সাহস নাছিল। তথাপি মই তেওঁলোকক বুজাইছিলো 'তোমালোকে দেখুৱা দোষবোৰ তেওঁৰ আছে বুলি মই জানো, কিন্তু তোমালোকে তেওঁৰ গুণখিনি নাজানা। তেওঁ মোক বেযা পথে নিব নোৱাৰে। মই তেওঁক ভাল পথলৈ আনিবৰ বাবেহে তেওঁৰ লগ লৈছো। তেওঁক যদি সৎপথলৈ ঘূৰাই আনিব পাৰো, তেওঁ এজন উৎকৃস্ট লোক হব বুলি মোৰ দৃঢ় বিশ্বাস। গতিকে মোৰ কাৰণে তোমালোকে উদ্বেগ প্ৰকাশ নকৰিবা; এযে মোৰ অনুৰোধ।' এই কথাত তেওঁলোকে সন্তুস্ট হৈছিল নে নাই নাজানো, কিন্তু তেওঁলোকে মোৰ কৈফিযৎ মানি লৈছিল আৰু মোৰ ইচ্ছাত বাধা নিদিছিল।

"এই বন্ধুজনৰ লগত প্ৰথম সান্নিধ্যত অহাৰ সময়ত ৰাজকৌটত তথাকথিত সংস্কাৰৰ ঢৌ এটা উঠিছিল। তেওঁ মোক খবৰ দিছিল যে আমাৰ বহুত শিক্ষকে মনে মনে মদ আৰু মাংস খোৱা কৰিছে। এই অভ্যাসত ধৰা ৰাজকোটৰ ভালেমান গণ্যমান্য লোকৰ নামো তেওঁ কৈছিল আৰু এই বিলাকৰ মাজত কিছুমান হাইস্কুলৰ ছাত্ৰ থকা বুলিও মোক জনাইছিল।

"মই বৰ আচৰিত হৈছিলো আৰু মনত বৰ আঘাত পাইছিলো। মই বন্ধুজনক ইযাৰ কাৰণ সুধিছিলো আৰু ইয়াৰ ব্যাখ্যা দি তেওঁ এইদৰে কৈছিল 'আমি মাংস নাখাওঁ কাৰণে আমি এটা দুৰ্ব্বল জাতি। ইংৰাজ

সকলে আমাৰ ওপৰত আধিপত্য কৰিব পাৰিছে কাৰণ তেওঁলোক মাংসভোজী। তুমি দেখিছা মই কেনে আটিল আৰু দৌৰত মই কিমান পাকৈত। মই মাংস খাওঁ কাৰণেহে এনে হব পাৰিছো। মাংসভোজী লোকৰ খহু, ফেঁাহোৰা আদি একো হব নোৱাৰে আৰু কেতিযাবা যদি সৰুসুৰা কিবাকিবি হয়ো, তেনেহলে সিও অতি সোনকালে গুচে। আমাৰ শিক্ষক সকল আৰু আন যিসকল লোকে মাংস খোৱাত ধৰিছে, তেওঁলোক মূৰ্খ নহয়। তেওঁলোকে ইযাৰ গুণাগুণ বুজে। তুমিও তেনে কৰা উচিত। চেষ্টা কৰি চোৱাত কোনো দোষ নাই। পৰীক্ষা কৰি চোৱাচোন, ই তোমাক কেনে শক্তি দিব।

"মাংস খোৱাৰ সপক্ষে এই যুক্তিবোৰ এদিনতে দিয়া হোৱা নাছিল। মোৰ বন্ধুজনে মোক পতিয়ন নিযাবলৈ বাৰে বাৰে কৈ থকা আৰু বিতং বিতংকৈ বুজাই দি সুদীৰ্ঘ আলোচনাব সাৰাংশহে ওপৰত কোৱা কথাখিনি হ'ব। মোব ডাঙৰ ভাইজনৰ ইতিমধ্যে অধোগতি হৈছিল। গতিকে তেওঁ বন্ধুজনৰ যুক্তিত সমৰ্থন দিছিল। এই বন্ধুজনৰ আৰু ককাইদেউৰ শাৰীৰিক গঠন আৰু হৃষ্টপুষ্টতাৰ তুলনাত মই বৰ নিশকতীয়া যেন আছিলো। তেওঁলোক দুযো বেচি বলী আৰু বেচি সাহসী আছিল। মোৰ বন্ধুজনৰ কথা আৰু বীৰত্বৰ কামে মোক মোহিত কৰিছিল। তেওঁ অসাধাৰণ বেগেৰে বহুদূৰলৈ দৌৰিব পাৰিছিল। খিযজাপ আৰু দীঘলজাপত তেওঁ বৰ পাকৈত আছিল। যি কোনো প্ৰকাৰ আৰু পৰিমাণৰ শাৰীৰিক শাস্তি তেওঁ সহ্য কৰিব পাৰিছিল। তেওঁ প্ৰায়ে মোৰ আগত বীৰত্বৰ কাৰ্য্য প্ৰদৰ্শন কৰিছিল। নিজৰ গাত নথকা গুণবোৰ আনৰ গাতে থকা দেখি তন্ময় হোৱাৰ দৰে বন্ধুজনৰ এনে শক্তি প্ৰদৰ্শনত মোৰ চমক লাগিছিল। লগে লগে তেওঁৰ দৰে শক্তিমন্ত হবলৈ মনত হাবিযাস জন্মিছিল। মই জপিযাব বা দৌৰিব নাজানিছিলোৱেই। মযো কিয তেওঁৰ দৰে বলী হ'ব নোৱাৰিম? তদুপৰি মই বৰ ভীৰু আছিলো। চোৰ, ভূত, সাপ আদিলৈ মোৰ বৰ ভয় আছিল। ৰাতি দুৱাৰৰ বাহিৰ হবলৈ মোৰ কোনোমতেই সাহস নহৈছিল। অন্ধকাৰ মোৰ পক্ষে আতঙ্কৰ বস্তু আছিল। অন্ধকাৰত মই কোনোমতেই শুব নোৱাৰিছিলো। কাৰণ অন্ধকাৰত এফালৰ পৰা ভূতে, এফালৰ পৰা চোৰে আৰু আনফালৰ পৰা সাপে মোক

আঙুৰি ধৰা যেন পাইছিলো। গতিকে মোৰ কোঠাত চাকি বা অন্য পোহৰ জ্বলি নাথাকিলে শুব নোৱাৰিছিলো। মোৰ বন্ধুজনে মোৰ এই দুৰ্ব্বলতাবোৰৰ কথা জানিছিল। তেওঁ মোক প্ৰায়ে কৈছিল যে তেওঁ জীয়াসাপ হাতেৰে ধৰিব পাৰে, চোৰৰ লগত ফেৰ পাতিব পাৰে আৰু ভূতত বিশ্বাস নকৰে।

"এই আটাইবোৰৰে প্ৰতিক্ৰিয়া মোৰ ওপৰত হ'ল। মই হাৰ মানিলো। মোৰ মনত লাহে লাহে এইভাৱে শিপাব ধৰিলে যে মাংস খোৱা ভাল, ই মোক বলী আৰু সাহসী কৰিব, আৰু যদি সমগ্ৰ দেশে মাংস খাবলৈ লয়, তেন্তে ইংৰাজবোৰক সহজে পৰাস্ত কৰিব পৰা যাব।

"তাৰ পিচত এই পৰীক্ষা আৰম্ভ কৰাৰ বাবে দিন ঠিক কৰা হ'ল। এই কামটো অতি গোপনে কৰিব লাগিব কাৰণ মোৰ আই-বোপাই নৈষ্ঠিক বৈষ্ণৱ আৰু মই তেওঁলোকৰ একান্ত অনুগত আছিলো। মই মাংস খোৱা কৰিলে যে মোৰ আই-বোপাইক প্ৰতাৰণা কৰা হব সেই কথাটো মই নাজানিছিলো বুলি কব নোৱাৰো। কিন্তু বন্ধুজনে সংস্কাৰ কৰাত দৃঢ়প্ৰতিজ্ঞ আছিল। কিবা জুতি লগা বস্তু খোৱাৰ প্ৰশ্ন ইযাত নাছিল। ইযাৰ যে কিবা এটা বিশেষ ভাল সোৱাদ আছে তাকো মই জনা নাছিলো। মই বলী আৰু সাহসী হব লাগিছিল আৰু মোৰ দেশবাসীও তেনে হোৱাতো মই ইচ্ছা কৰিছিলো। সংস্কাৰৰ উৎসাহে মোক বিবেক-বৰ্জ্জিত আৰু অন্ধ কৰিছিল। আৰু গোপনীযতাত নিশ্চিন্ত হৈ এই কাম পিতা-মাতাৰ পৰা লুকুৱাই ৰখাত সত্যৰ পৰা বিচলিত হব লগা নহয বুলি মনক পতিযন নিযাইছিলো।

"অৱশেষত সেই দিনটো আহিল। আমি নদীৰ পাৰৰ নিৰ্জ্জন ঠাই এডোখৰলৈ গ'লো আৰু তাতে মোৰ জীৱনৰ প্ৰথমবাৰৰ বাবে দেখিলো মাংস। লগত ৰুটিওৱালাৰ দোকানৰ পৰা নিয়া ৰুটিও আছিল। এই দুযোটা বস্তুকেই মই ভাল নাপাইছিলো। ছাগলীৰ মাংসখিনি চামৰাৰ দৰে টান আছিল। মই মুঠেই খাব নোৱাৰিলো। মোৰ গা বমি বমি লাগিছিল আৰু মই খোৱা বাদ দিছিলো।

"তাৰ পিচত বহুত ৰাতি মই বৰ অশান্তিত কটাইছিলো। ভযাবহ সপোনে মোক খেদি ফুৰিছিল। মোৰ টোপনি আহো আহো যেন হ'লেই এটা জীয়া ছাগলীয়ে মোৰ পেটত যেন চিঞৰিব ধৰিছিল

তেনে যেন লাগিছিল। মই তেতিয়া জাপমাৰি বিচনাৰ পৰা উঠিছিলো আৰু অনুতাপে মোৰ মন আগুৰি ধৰিছিল। তেতিয়া মই মনক বুজনি দিছিলো যে মাংস খোৱাতো মোৰ কৰ্ত্তব্য আৰু কৰ্ত্তব্যকাম কৰা বুলি পুনৰ বেচি প্ৰফুল্লিত হবলৈ চেষ্টা কৰিছিলো।

মোৰ বন্ধুজন কিন্তু ইমান সহজে এৰি দিয়া বিধৰ লোক নাছিল। তেওঁ তেতিয়া নানান উপাদেয় বস্তু লগত দি নতুন নতুন প্ৰণালীৰে সুস্বাদু কৰি মাংস ৰন্ধা আৰম্ভ কৰিলে। এতিয়া আৰু খোৱাৰ বাবে নদীৰ পাৰৰ নিৰ্জ্জন ঠাই বিচাৰি যোৱাৰ প্ৰযোজন নোহোৱা হ'ল; তাৰ পৰিবৰ্ত্তে চৰকাৰী দপ্তৰৰ চকী-মেজেৰে সুসজ্জিত 'ডাইনিং হল'ত খোৱাৰ ব্যবস্থা কৰা হ'ল। তাৰ সকলো বন্দবস্ত প্ৰধান ৰান্ধনিজনৰ লগত বন্ধুজনে কৰি ৰাখিছিল।

"লাহে লাহে পাউৰুটিৰ প্ৰতি মোৰ বিতৃষ্ণা কমি আহিল আৰু খাব পৰা হ'লো, ছাগলীৰ প্ৰতি হোৱা দয়া আৰু কৰুণাৰ দুৰ্ব্বলতা নোহোৱা হ'ল আৰু মাংসৰ তৰকাৰী আৰু মাংস তৃপ্তিৰে খাব পৰা হ'লো। এইদৰে প্ৰায এবছৰ চলিল। কিন্তু এই সময ছোৱাত মাংসভোজন মাত্ৰ ছদিনমানৰ বেছি হোৱা নাছিল। এই 'সংস্কাৰ'ৰ বাবে খৰচ কৰিববলৈ মোৰ সিমান পইচা নাছিল। গতিকে বন্ধুজনেই ইয়াৰ খৰচ বহন কৰিব লগা হৈছিল। এই পইচা তেওঁ কেনেকৈ জোগাৰ কৰিছিল মই ন'জানো। কিন্তু মোক যেতিযা মাংসভোজী কৰিবই লাগিব, যি কোনো উপাযেৰে তেওঁ পইচা জোগাৰ কৰিছিল। তথাপি তেওঁৰো বোধহয সম্বল সীমিত আছিল আৰু সেযেহে বাধ্য হৈ বোধকৰো এই ভোজনো মাজে সমযেহে হব লগাত পৰিছিল।

"যিদিনাই মই এই গুপুত ভোজনত প্ৰবৃত্ত হৈছিলো সিদিনাই মই ঘৰত আন বস্তু খোৱাটো টান হৈ পৰিছিল। আইযে স্বাভাবিকতেই মোক খাবলৈ মাতিছিল আৰু মোৰ কিয খাবলৈ ইচ্ছা যোৱা নাই তাৰ কাৰণ সুধিছিল। মই কৈছিলো যে মোৰ ভোক লগা নাই আৰু মোৰ হজমৰ কিবা গণ্ডগোল হৈছে। মই জানিছিলো যে মই মিছাকথা কৈছো আৰু আইক ফাঁকি দিছো। আৰু মই এইটোৱো জানিছিলো যে যদি আই আৰু পিতাই মই মাংস খাব ধৰা বুলি জানে, তেওঁলোকে মৰ্ম্মান্তিক দুখ পাব। এই কথাটোৱেই মোৰ বৰ অশান্তি

আৰু অস্বস্তিৰ কাৰণ হৈছিল। সেই কাৰণেই মই নিজে নিজে ঠিক কৰিছিলো যে যদিও মাংস খোৱাটো অতি প্ৰয়োজনীয়, আৰু দেশৰ খাদ্য সংস্কাৰ আনয়ন কৰাও প্ৰযোজনীয, তথাপি নিজৰ পিতামাতাক ফাঁকি দিয়া আৰু মিছা কোৱা মাংসাহাৰ নকৰাতকৈয়ো বেচি দোষণীয়। গতিকে তেওঁলোকৰ জীবিত কালত মাংস খোৱাটো বৰ্জ্জন কৰিব লাগিব। যেতিয়া তেওঁলোক আৰু নাথাকিব আৰু মই সম্পূৰ্ণ স্বাধীনভাৱে চলিব পাৰিম তেতিয়া মই দেখাদেখিকৈ মাংস খাম। কিন্তু সেইদিন নহালৈকে মই মাংস খোৱাৰ পৰা বিৰত থাকিব লাগিব।

"মোৰ এই সিদ্ধান্ত মই বন্ধুজনক জনাই দিলো আৰু তেতিয়াৰে পৰা মই মাংস স্পৰ্শ কৰা নাই।"

কুসঙ্গত পৰি মহাত্মা গান্ধীয়ে ল'ৰাকালত অখাদ্য খাইছিল আৰু তেনে আচৰণৰ সপক্ষে যুক্তি তৈযাৰ কৰি লৈছিল। অৱশ্যে অৱশেষত পিতামাতাক ফাঁকি দিব লগা হোৱাত আৰু মিছা কব লগা হোৱাত মনৰ অশান্তি আৰু অনুশোচনাত মাংস খোৱা এৰি দিছিল।

চুৰি

ল'ৰাকালত কুসঙ্গত পৰি মহাত্মা গান্ধী আন এটা কুঅভ্যাসৰ বশবৰ্ত্তী হৈছিল। তেওঁৰ বযস তেতিযা তেৰ কি চৈধ্য বছৰ। তেওঁৰ চুৰট খাবলৈ লোভ লাগিল আৰু প্ৰথমতে তেওঁৰ খুড়াকে খাই পেলাই দিয়া আধাপোৰা চুৰটৰ টুকুৰাবোৰ বুটলি নি মনে মনে চুৰটখোৱা আৰম্ভ কৰিলে। কিন্তু পেলাই দিয়া চুৰটৰ মূৰবিলাক হুপি হুপি হেপাহ নপলোৱাত চাকৰৰ জেপৰ পৰা পইচা চুৰ কৰি দোকানৰ পৰা চুৰট কিনি খাবলৈ ধৰিলে। আধাপোৰা চুৰটৰ মূৰবিলাক চুৰি কৰা আৰু জেপৰ পৰা পইচা চুৰি কৰা—এই কুঅভ্যাস সম্পৰ্কে মহাত্মাৰ আত্মচৰিতৰ পৰা কিছু অংশ তুলি দিযা হ'ল।

"মাংস খাবলৈ অভ্যাস কৰা সময়ছোৱাৰ আগে পিছে হোৱা মোৰ দোষ দুৰ্ব্বলতাৰ কথা জনাবলগীয়া আছে। তেতিয়া মোৰ বিয়া হৈছে। মোৰ এজন লগাভগা সম্বন্ধীয়া আৰু মোৰ দুয়োৰো চুৰট খোৱাৰ

হেপাহ লাগিছিল। চুৰট খোৱাৰ পৰা কিবা উপকাৰ হব ভাবি নাইবা তাৰ গোন্ধটো ভাল লাগি চুৰট খাবলৈ ইচ্ছা কৰিছিলো এনে নহয়। আমাৰ মুখৰ পৰা মেঘৰ দৰে ধোৱা আকাশলৈ উৰাই দি চুৰট খোৱাত এক প্ৰকাৰ আনন্দ কল্পনা কৰিছিলো। মোৰ খুড়াই চুৰট খাইছিল আৰু তেওঁৰ চুৰট খোৱা চাই আমিও তেওঁৰ দৰে চুৰট খাবলৈ ইচ্ছা কৰিছিলো। কিন্তু আমাৰ হাতত পইচা নাছিল। গতিকে আমি খুড়াই খাই দলিয়াই পেলোৱা চুৰটৰ টুকুৰাবিলাক চুৰ কৰিবলৈ ধৰিলো।

কিন্তু এই চুৰটৰ টুকুৰা সদায় পোৱা নগৈছিল আৰু তাৰপৰা বেচি ধোৱাও উলিযাব নোৱাৰিছিলো। গতিকে আমি চাকৰৰ জেপৰ পৰা খুচুৰা পইচা চুৰ কৰিব ধৰিলো আৰু তাৰে ভাৰতত তৈয়াৰী চুৰট কিনি খাব ধৰিলো। কিন্তু সমস্যা হ'ল এই চুৰটবোৰ ৰাখিম ক'ত! আমিতো ডাঙৰৰ আগত বা তেওঁলোকে জনাকৈ চুৰট খাব নোৱাৰো। তথাপি-এই চুৰি কৰা পইচাৰে কোনোমতে কেইসপ্তাহমান চলালো। ইতিমধ্যে আমি শুনিলো যে কিবা এবিধ সৰু গছৰ মূলটো চুৰটৰ দৰে খাব পাৰি। আমি তাক বিচাৰি উলিযালো আৰু তাৰে চুৰট খোৱা আৰম্ভ কৰিলো।

"কিন্তু এইবোৰ খাই আমি চুৰটখোৱা তৃপ্তি মুঠেই নাপালো। মুকলী-মূৰীযাকৈ খাব নোৱাৰি লুকাই চুৰকৈ খাব লগা হোৱাটোও আমাৰ কাৰণে বৰ বিৰক্তিকৰ হৈ উঠিল। ডাঙৰৰ অনুমতি নোহোৱাকৈ আমি একোকে কৰিব নোৱাৰা অৱস্থা আমাৰ অসহ্য হৈ উঠিল। অৱশেষত চৰম বিৰক্তিত আমি আত্মহত্যা কৰাকে ঠিক কৰিলো।

"কিন্তু আত্মহত্যা কৰো কেনেকৈ আৰু কি উপায়ে? আমি বিষ পাম ক'ত? আমি শুনিছিলো যে ধতুৰা গুটি খালে হেনো মানুহ মৰে। আমি ধতুৰাৰ গুটি বিচাৰি হাবিলৈ গলো আৰু কিছু সংগ্ৰহ কৰিলো। সন্ধ্যা সময়টোৱেই মঙ্গলজনক বুলি ঠিক কৰিলো। আমি কেদাৰজীৰ মন্দিৰলৈ গলো। মন্দিৰত জ্বলি থকা চাকিগছত ঘিউ দিলো আৰু বিগ্ৰহ দৰ্শন কৰি উঠি মান্দৰৰ আওহতীয়া নিৰ্জ্জন ঠাই এডোখৰত গৈ বহিলো। কিন্তু আমাৰ সাহস কমি আহিল। আমাৰ মনত নানাকথা খেলাব ধৰিলে। যদি আমি তৎক্ষণাৎ নমৰো তেন্তে কি হব? আমি এইদৰে আত্মঘাতী হোৱাৰ পৰানো কি লাভ হব? আমাৰ স্বাধীনতা নাই যদিও এইদৰে

তলতীয়া হৈ থকাৰে চেষ্টা নকৰো কিয়? কিন্তু এইদৰে ভাবি চিন্তি থকাৰ মাজতো আমি দুটা কি তিনিটামান ধতুৰা গুটি গিলিলোৱেই। আমাৰ আৰু বেচি খাবৰ সাহস নহ'ল। আমাৰ কাৰো আৰু মৰিবৰ ইচ্ছা নোহোৱা হ'ল। আমি আত্মহত্যাৰ সংকল্প বিসৰ্জ্জন দিলো আৰু ৰামজী-মন্দিৰলৈ গৈ মন শান্ত কৰাৰ সিদ্ধান্ত কৰিলো। মই বুজিলো আত্মহত্যা কৰা সহজ নহয়।

"আত্মহত্যাৰ চিন্তাৰ পৰিণতি হিচাবে অৱশেষত আমি চুৰটখোৱা অভ্যাস ত্যাগ কৰিলো আৰু চুৰট কিনাৰ বাবে চাকৰৰ জেপৰ পৰা পইচা চুৰ কৰা অভ্যাসো এৰি দিলো।

"তেতিয়াৰে পৰা ডাঙৰ হৈও মোৰ কেতিয়াও চুৰট খাবলৈ ইচ্ছা যোৱা নাই আৰু চুৰট খোৱা অভ্যাসটো মই সদায় আসুৰী, লেতেৰা আৰু অনিষ্টকাৰী হিচাবে গণ্য কৰি আহিছো। গোটেই পৃথিৱীতে ধূমপানৰ এই ইচ্ছাটো যে কিয হৈছে মই বুজিব নোৱাৰো। ধূমপান কৰা লোকেৰে ভৰা ৰেলগাড়ীৰ একে ডবাত যাবলগীয়া হলে মই সহ্য কৰিব নোৱাৰা হওঁ, মই উশাহ নোপোৱা হওঁ।

"কিন্তু কিছুদিনৰ পিচত এই চুৰিতকৈও আৰু বেচি গৰ্হিত চুৰিৰ অপৰাধ মই কৰিছিলো। মই খুচুৰা পইচা চুৰি কৰিছিলো বাৰ কি তেৰ বছৰ বয়সত, বোধহয আৰু কম বযসতেই। আনটো চুৰিৰ অপৰাধ মই কৰিছিলো মোৰ পোন্ধৰ বছৰ বয়সত। এইবাৰ মই মোৰ মাংস আহাৰী ডাঙৰ ভাইৰ বাজুৰ পৰা অলপ সোণ চুৰি কৰিছিলো। এই ভাইজনৰ প্ৰায় পচিশ টকামান ধাৰ হৈছিল। তেওঁৰ হাততপিন্ধা গোটা সোণৰ বাজু এডাল আছিল। তাৰপৰা মনে মনে অলপ সোণ কাটি নিয়াটো টান নাছিল।

"মই সোণ চুৰি কৰিলো আৰু ধাৰো মৰিল। কিন্তু মই এই অপৰাধ কোনোমতেই সহ্য কৰিব নোৱাৰিলো। মই আৰু কেতিয়াও চুৰি নকৰো বুলি শপথ খালো আৰু পিতাৰ ওচৰত এই অপৰাধ স্বীকাৰ কৰিবলৈ মনস্থ কৰিলো। কিন্তু মোৰ মুখেৰে কবৰ সাহস নাছিল। পিতাৰ মাৰ খাম বুলি ভয় কৰা নাছিলো। সেই ভয় মোৰ নাছিল। আমাৰ কাকো তেওঁ কেতিয়াও মাৰা বুলি মোৰ মনত নপৰে। মই তেওঁৰ মনত যি দুখ দিম তাৰ কথা ভাবিহে ভয় লাগিছিল। কিন্তু

মই অনুভৱ কৰিছিলো যে যিয়েই নহওক সাহসত ভৰ দিবই লাগিব আৰু চিধাচিধিভাবে স্বীকাৰ নকৰিলে মোৰ অন্তৰ শুদ্ধ নহব।

"অবশেষত মই ঠিক কৰিলো মোৰ গোটেই স্বীকাৰোক্তি লিখি পিতাক দিম আৰু অপৰাধ ক্ষমা কৰিবলৈ প্ৰাৰ্থনা জনাম। গোটেই কথাখিনি এখন কাগজত লিখি মই নিজে সেইখন পিতাৰ হাতত দিলো। এই চিঠিখনত মই অকল অপৰাধেই সম্পূৰ্ণকৈ স্বীকাৰ কৰি এৰা নাছিলো, এই অপৰাধৰ বাবে মোক উপযুক্ত শাস্তি দিবলৈকো খাটিছিলো, আৰু যাতে মোৰ অপৰাধৰ বাবে তেওঁ নিজে শাস্তি নলয় তাৰ বাবে প্ৰাৰ্থনা জনাই সামৰণি মাৰিছিলো। ভবিষ্যতে কেতিয়াও চুৰি নকৰো বুলি মোৰ প্ৰতিজ্ঞাও জনাইছিলো। স্বীকাৰোক্তিৰ কাগজখন পিতাৰ হাতত দিয়া সময়ত মোৰ গোটেই শৰীৰত কঁপনি উঠিছিল। সেই সময়ত তেওঁ ৰোগত শয্যাশায়ী হৈ আছিল। কাগজখন হাতত দি তক্তাপোচৰ বিপৰীত ফালে বহি পৰিলো।

"তেওঁ চিঠিখন ভালকৈ পঢ়িলে আৰু দুগালেদি চকুপানী বাগৰি আহি কাগজখন তিয়াই পেলালে। খন্তেকৰ বাবে চিন্তামগ্ন হৈ তেওঁ চকু মুদিলে আৰু পাচত কাগজখন ফালি পেলালে। চিঠিখন পঢ়িবলৈ তেওঁ শোৱাৰ পৰা উঠি বহিছিল। তেওঁ আকৌ শুই পৰিল। মই যদি চিত্ৰকৰ হ'লোহেঁতেন, গোটেই দৃশ্যটো ছবি আঁকি দেখুৱাব পাৰিলোহেঁতেন। মোৰ মনত ই একেবাবে জল্‌জল পট্‌পট হৈ ভাহি আছে।

"স্নেহৰ সেই চকুপানীয়ে মোৰ অন্তৰ ধুই নিকা কৰিলে আৰু মোৰ পাপ ধুই নিলে। এনে স্নেহ পোৱাৰ অভিজ্ঞতা থকা জনেহে এই স্নেহ কি বস্তু বুজিব পাৰিব।

"পিতাৰ এনে ধৰণৰ ক্ষমা তেওঁৰ বাবে স্বাভাবিক নাছিল। মই ভাবিছিলো যে তেওঁৰ খং উঠিব, টান টান কথা কব আৰু তেওঁৰ কপালত চপৰিযাব। কিন্তু তেওঁ অতি আচৰিতভাবে শান্ত হৈ থাকিল আৰু মোৰ বিশ্বাস এইটো মোৰ স্পষ্ট স্বীকাৰোক্তিৰ বাবেহে হৈছিল। শুদ্ধমনে কৰা স্পষ্ট স্বীকাৰোক্তি, লগতে তেনে অপৰাধ দুনাই নকৰাৰ প্ৰতিজ্ঞা, এনে স্বীকাৰোক্তি গ্ৰহণৰ অধিকাৰ থকা জনৰ আগত নিবেদন কৰাই আটাইতকৈ উত্তম আৰু পৱিত্ৰ অনুতাপ আৰু প্ৰায়শ্চিত্ত।

মই জানো মোৰ স্বীকাৰোক্তি মোৰ বিষয়ে পিতাক সম্পূৰ্ণ আশ্বস্ত আৰু নিৰাপদ কৰিলে আৰু মোৰ প্ৰতি তেওঁৰ স্নেহ বহুত বাঢ়িল।”

পিতাকৰ মৃত্যু

মহাত্মা গান্ধীৰ পিতাক কৰমচাঁদ গান্ধী বহুদিনৰ পৰা ভগন্দৰ ৰোগত ভুগি শয্যাশায়ী হৈ আছিল। মহাত্মাজীৰ মাক পুতলীবাঈ আৰু তেওঁ এই ৰোগৰ প্ৰধান শুশ্ৰূষাকাৰী আৰু পৰিচাৰক আছিল। মহাত্মা গান্ধী সদায় পিতাকৰ ঘাঁ ধুই দিয়া, নতুনকৈ কাপোৰ বন্ধা, ঔষধ খুওৱা, অনুপান আদি বিচাৰি আনি ঔষধ তৈয়াৰ কৰা আদি কাম কৰিছিল। প্ৰত্যেক দিন তেওঁ পিতাকৰ ভৰি মালিচ কৰি দিছিল আৰু টোপনি নোযোৱালৈকে নাইবা তেওঁক যাব নোকোৱালৈকে মালিচ কৰি থাকিছিল। তেওঁ এই কাম কৰি বৰ ভাল পাইছিল আৰু কেতিয়াও ইয়াক অবহেলা কৰা নাছিল। নিত্যকৰ্ম্মত কটোৱা সময়খিনিত বাহিৰে বাকী সময়ছোৱা স্কুলৰ কাম আৰু পিতাকৰ সেৱা-শুশ্ৰূষাত ভগাই লৈছিল। আনকি পিতাকে অনুমতি নিদিলে তেওঁ সান্ধ্য ভ্ৰমণৰ বাবেও বাহিৰ ওলাই নগৈছিল, আৰু মনে উচপিচাই থাকিলেও শুবলৈ নগৈছিল।

মহাত্মাজীৰ বয়স তেতিয়া ১৬ বছৰ। তেওঁৰ ঘৈণীয়েক কস্তুৰবা তেতিয়া গৰ্ভৱতী। অলপ সময় পালেই তেওঁ ঘৈণীয়েকৰ ওচৰত থাকিবলৈ বিচাৰিছিল। ইতিমধ্যে পিতাকৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফালে ঢাল খালে। খ্যাতনামা ডাক্তৰ, কবিৰাজ, হেকিম সকলোৱে পাৰ্য্যমানে নিজ নিজ চিকিৎসা পদ্ধতিৰে চেষ্টা কৰি চালে। এজন ইংৰাজ চাৰ্জ্জনে অস্ত্ৰ-চিকিৎসাৰ পৰামৰ্শ দিলে আৰু তাৰ দায়িত্ব গ্ৰহণ কৰিবৰ ইচ্ছাও প্ৰকাশ কৰিলে। কিন্তু গৃহচিকিৎসকজনে কৰমচাঁদৰ তেনে ভাটি বয়সত অস্ত্ৰ-চিকিৎসা ব্যবস্থা লাভজনক নহব বুলি মন্তব্য দিয়াত সকলোৱে তাতেই হয়ভৰ দিলে আৰু অস্ত্ৰ-চিকিৎসাৰ প্ৰস্তাব বাদ দিয়া হ'ল।

মহাত্মা গান্ধী কিন্তু এই অস্ত্ৰ-চিকিৎসাৰ পক্ষপাতী আছিল আৰু তেওঁৰ বিশ্বাস যে অস্ত্ৰ-চিকিৎসা কৰিলে ঘাঁটো সোনকালে শুকাল-

হৈঁতেন আৰু পিতাক হয়তো আৰু কিছুদিন বাচি থাকিলহেঁতেন। বোম্বাইত থকা এজন খ্যাতনামা অস্ত্র-চিকিৎসকৰ দ্বাৰা অস্ত্রোপচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু ভগবানৰ ইচ্ছা অন্যৰকম আছিল আৰু আসন্ন মৃত্যুৰ প্রতিষেধকেই বা ক'ত? অস্ত্রোপচাৰ বন্ধ কৰাত কৰমচাঁদ বোম্বাইৰ পৰা ঘৰলৈ উভতি আহিল আৰু তেওঁ ক্রমান্বয়ে দুৰ্ব্বল হৈ আহিবলৈ ধৰিলে। শৰীৰ দুৰ্ব্বল হলেও কৰমচাঁদ গান্ধীয়ে বৈষ্ণৱ আচৰণমতে স্নান-পূজা আদি বিচনাৰ পৰা উঠি গৈহে কৰিছিল আৰু বিচনাতে কৰিব দিলেও তেওঁ সন্মত নহৈছিল।

পিতাকৰ মৃত্যুৰ দিনটোৰ কথা উল্লেখ কৰি মহাত্মা গান্ধীৰ আত্ম-চৰিতত লিখা কথাৰ কিছু অংশ তলত তুলি দিয়া হ'লঃ

"সেই ভয়াবহ নিশাটো আহিল। মোৰ খুড়া সেই সময়ত ৰাজকোটত আছিল। মোৰ মনত পৰে, পিতাৰ অসুখ বেছি হোৱা শুনি তেওঁ ৰাজকোটৰ পৰা আহিছিল। দুয়ো ভায়েক পৰস্পাৰৰ প্রতি গভীৰভাবে আসক্ত আছিল। খুড়াই দিনৰ দিনটো পিতাৰ বিচনাৰ কাষত বহি থাকিছিল আৰু ৰাতিও আমাক শুবলৈ দি পিতাৰ বিচনাতে পিতাৰ কাষতে কাটি হৈ থাকিবলৈ ইচ্ছা কৰিছিল আৰু কাৰো বাধা নুশুনিছিল। কোনেও ভবা নাছিল যে সেই ৰাতিটোৱেই সাংঘাতিক ৰাতি হব। বিপদৰ ভয় অবশ্যে সদায়ে আছিল।

"তেতিয়া ৰাতি চাৰে দহ কি এঘাৰটা বাজিছে। মই মালিচ কৰি আছিলো। খুড়াই মোক আঁতৰাই দি তেওঁ পিতাৰ ওচৰত থাকিবলৈ ইচ্ছা কৰিলে। মই ভালেই পালো আৰু পোনেই শুবলৈ গ'লো। পৰিবাৰ তেতিয়া দুৰ্ঘোৰ টোপনিত। তেওঁক জগাই শুলো। পাঁচ কি ছয় মিনিট মানৰ পিচতে চাকৰজন আহি দুৱাৰত ঢকিয়াব ধৰিলে। মই চক খাই উঠি বহিলো। সি কলে 'উঠি আহা, দেউতাৰ খুব টান।' পিতাৰ টান বুলিতো জানোৱেই, কিন্তু সেই মুহূৰ্ত্তত খুব টান মানে কি হ'ল? মই জাপ মাৰি উঠি আহিলো। মই সুধিলো—'কি হৈছে? নকৱ কিয়?'

"উত্তৰ আহিল—দেউতা আৰু নাই।

"গতিকে সকলো শেষ। মই হাত মোচৰিবলৈ ধৰিলো। মোৰ অত্যন্ত দুখ, অনুতাপ আৰু বেজাৰ লাগিল। মই কিয় উঠি আহিছিলো,

—আৰু অলপ সময় মালিচ কৰি থাকিলে কিজানি মই শেষ মুহূৰ্ত্তত পিতাৰ পৰা আঁতৰি থাকিব লগীয়া নহ'লোহেঁতেন! মই শেষ মুহূৰ্ত্তত পিতাক নাপালো—এই দুখ মোৰ বৈ গ'ল।"

ধৰ্ম্ম শিক্ষা

মহাত্মা গান্ধীয়ে সৰুকালত ভূত-প্ৰেতলৈ বৰ ভয় কৰিছিল। ভূত, চোৰ আৰু সাপৰ ভয়ত তেওঁ আন্ধাৰ ঘৰত শুব নোৱাৰিছিল আৰু আন্ধাৰত বাহিৰলৈ ওলাব ভয় কৰিছিল। তেওঁলোকৰ ঘৰত ৰম্ভা নামেৰে এগৰাকী পৰিচাৰিকা আছিল। এই তিৰোতা গৰাকী বৰ ধৰ্ম্মপ্ৰাণা আছিল আৰু ল'ৰা মোহনদাসক বৰ মৰম কৰিছিল। গান্ধীজীয়েও এই তিৰোতাগৰাকীক শ্ৰদ্ধা আৰু বিশ্বাস কৰিছিল। ৰম্ভাই ল'ৰা মোহনদাসক শিকাইছিল যে ৰাম নাম ল'লে ভূত, প্ৰেত, চোৰ, সাপ আনি কোনোৱে একো অনিষ্ট কৰিব নোৱাৰে। ৰাম নামেই ঈশ্বৰৰ নাম আৰু ৰাম নাম শুনিলেই এই বিঘ্নকাৰী ভূত-প্ৰেত আদি পলাই পত্ৰং দিয়ে। মহাত্মা গান্ধীয়ে ৰম্ভাৰ কথাত দৃঢ় বিশ্বাস কৰিছিল আৰু তেতিয়াৰে পৰা অতি শ্ৰদ্ধা আৰু আত্মবিশ্বাসেৰে সদা সৰ্ব্বদায় ৰাম নাম জপ কৰিছিল। ৰম্ভাই সৰুতে মহাত্মা গান্ধীৰ অন্তৰত যি ধৰ্ম্মৰ বীজ ৰোপণ কৰিছিল সি সদায় বিপদকালৰ আশ্ৰয় আৰু সান্ত্বনা হিচাবে মহাত্মাৰ জীৱনত প্ৰভাৱ পেলাইছিল। আনকি জীৱনৰ অন্তিম মুহূৰ্ত্ততো ৰাম নাম লৈয়েই মহাত্মাই দেহত্যাগ কৰিছিল।

পৃথিবীৰ সকলো ধৰ্ম্মগ্ৰন্থৰ ভিতৰত ৰামায়ণ মহাকাব্যখনিক মহাত্মাই উৎকৃষ্ট ধৰ্ম্মগ্ৰন্থ বুলি মান কৰিছিল। বেমাৰৰ সময়ত কিছুকাল পিতাকে পোৰবন্দৰত কটাইছিল। তাত প্ৰত্যেক সন্ধিয়াত তেওঁ ৰামায়ণ পাঠ শুনিছিল। ৰামায়ণ পাঠ কৰিছিল মহান ৰামভক্ত বিল্বেশ্বৰৰ লধা মহাৰাজে। তেওঁৰ মাত অমৃত-বৰষা আছিল। তেওঁ সুৰ লগাই ৰামায়ণ গাইছিল আৰু অতি সহজ আৰু সৰল ভাষাত মাজে মাজে আখ্যানবিলাক ব্যাখ্যা কৰিছিল। তেওঁৰ হেনো কুষ্ঠৰোগ হৈছিল আৰু কোনো ঔষধপাতি ব্যৱহাৰ নকৰাকৈ অকল ৰাম নাম জপ

কৰি আৰু বিশ্বেশ্বৰৰ মন্দিৰৰ বিগ্ৰহ মহাদেৱক উছৰ্গা কৰা বেলপাতবোৰ পেলাই দিয়া ঠাইৰ পৰা বুটলি আনি আক্ৰান্ত অঞ্চলত প্ৰয়োগ কৰি আৰোগ্য হৈছিল। গভীৰ আৰু দৃঢ় বিশ্বাসে তেওঁক আৰোগ্য কৰিছিল বুলি জনাজাত আছিল। তেওঁ ৰামায়ণ গাই আত্মহাৰা হৈছিল আৰু শ্ৰোতা সকলকো আনন্দত বুৰাই ৰাখিছিল। তেতিয়া মহাত্মা গান্ধীৰ বয়স তেৰ বছৰ। এই ৰামায়ণ পাঠে মহাত্মাৰ মনত ৰামায়ণৰ প্ৰতি ভক্তি, শ্ৰদ্ধা আৰু বিশ্বাস জন্মাইছিল।

অসুখীয়া পিতাকৰ লগতে গান্ধীও ৰাজকোটলৈ আহে আৰু তাতে হিন্দুধৰ্ম্মৰ বিভিন্ন সম্প্ৰদায় আৰু আন আন ধৰ্ম্মৰ কথা জানিবলৈ সুযোগ পায়। অতি কম বয়সতে এইদৰে মহাত্মাই সকলো ধৰ্ম্মৰ প্ৰতি সন্মান কৰিব আৰু উদাৰ হবলৈ শিকে। মাক-পিতাকে হাভেলীত থকা বিখ্যাত বিষ্ণুমন্দিৰলৈ গৈছিল আৰু লগতে শিৱমন্দিৰ আৰু ৰামমন্দিৰো দৰ্শন কৰিছিল। তেওঁলোকে গান্ধী আৰু আন আন সৰু ল'ৰা-ছোৱালীবোৰকো বিষ্ণুমন্দিৰ দৰ্শনাৰ্থে লগত নিছিল আৰু সন্মান, ভক্তি আৰু শ্ৰদ্ধাৰে বিগ্ৰহক স্তুতি কৰিব শিকাইছিল। তেওঁলোকৰ ঘৰলৈ জৈন ভিক্ষু বা সন্ন্যাসীসকলো অহা-যোৱা কৰিছিল। এই জৈন সন্ন্যাসীসকলো সাধাৰণতে অজৈন লোকৰ হাতে নেখালেও তেওঁলোকৰ ঘৰত খাইছিল। এই সন্ন্যাসীসকলে পিতাকৰ লগত ধৰ্ম্ম চৰ্চ্চা কৰিছিল আৰু আন সাংসাৰিক বিষয়ো আলোচনা কৰিছিল।

মহাত্মা গান্ধীৰ পিতাকৰ বহুতো পাৰ্চী আৰু মুছলমান বন্ধুও আছিল। তেওঁলোকেও পিতাকৰ লগত নিজ নিজ ধৰ্ম্মৰ কথা পাতিছিল আৰু পিতাকে আগ্ৰহেৰে আৰু সন্মানেৰে সেই ধৰ্ম্মৰ কথাবিলাক শুনিছিল আৰু আলোচনা কৰিছিল। মহাত্মা গান্ধীযে সৰুতে পিতাকৰ শুশ্ৰূষা কৰিছিল। সেয়েহে অনবৰত পিতাকৰ লগত লাগি আছিল বাবে এই আলোচনা বিলোচনা বিলাকত সদায় উপস্থিত থাকিব পৰিছিল। তেওঁ আগ্ৰহেৰে সকলোবোৰ কথাবাৰ্ত্তা শুনি গৈছিল। এই আটাইবোৰে মহাত্মা গান্ধীক সকলো ধৰ্ম্মৰ প্ৰতি উদাৰ আৰু সহিষ্ণু হবলৈ শিকাইছিল।

সেই সময়ত অৰ্থাৎ মহাত্মা গান্ধীৰ সৰুকালত খৃষ্টিয়ান ধৰ্ম্মহে ইয়াৰ ব্যতিক্ৰম আছিল। মহাত্মা গান্ধীৰ সৰুতে খৃষ্টিয়ান ধৰ্ম্মৰ প্ৰতি

একপ্ৰকাৰ বেয়া ভাব জাগিছিল। ইয়াৰ এটা কাৰণ আছিল। সেই সময়ত খৃষ্টিয়ান পাদুৰীসকলে গান্ধীয়ে পঢ়া হাইস্কুলৰ ওচৰত আলিবাটৰ চক এটাত থিয় হৈ প্ৰায়ে হিন্দু ধৰ্ম্মৰ দেৱদেৱীসকলক বা হিন্দু-ধৰ্ম্মটোকে বেয়াভাবে নিন্দা কৰি বক্তৃতা দিছিল। এই কথা গান্ধীয়ে সহিব নোৱাৰিছিল। সেই একে সময়তে এজন প্ৰতিপত্তি থকা হিন্দুলোকে হিন্দুধৰ্ম্ম এৰি খৃষ্টিযান ধৰ্ম্ম গ্ৰহণ কৰিছিল। চহৰত এই কথাটো মুখে মুখে প্ৰচলিত হৈছিল যে নিজধৰ্ম্ম ত্যাগ কৰি খৃষ্টিযান ধৰ্ম্মত দীক্ষিত হওঁতে তেওঁ গোমাংস আৰু মদ খাব লগা হৈছিল, আৰু নিজ পোছাক-পৰিচ্ছদ সলাব লাগিছিল। তেতিয়াৰে পৰা এই মানুহজনে ইউৰোপীযান লোকৰ দৰে সাজপাৰ পিন্ধি পশ্চিমীয়া ঢঙেৰে ফুৰাচকা কৰিবলৈ ললে আৰু মূৰত চাহাবী টুপীও ল'লে। গান্ধীয়ে আৰু শুনিছিল যে নতুনকৈ ধৰ্ম্মগ্ৰহণ কৰা লোকসকলে ইতিমধ্যেই পূৰ্ব্ব-পুৰুষৰ ধৰ্ম্ম, আচাৰ, ৰীতি-নীতি আৰু জন্মভূমিকো নিন্দা কৰাত লাগি গৈছে আৰু তেনে কৰি আমোদ পায। এই সকলোবোৰ কাৰণতে মহাত্মা গান্ধীযে সৰুতে খৃষ্টিযান ধৰ্ম্মক দেখিব নোৱাৰিছিল। খৃষ্টিযান ধৰ্ম্মই মানুহৰ মনত বিদেশী চাল-চলন, ৰীতি-নীতি আদি জগাইছিল আৰু নিজদেশৰ পুৰুষানুক্ৰমে চলি অহা সকলোকে আনকি নিজ জন্মভূমিকো ঘৃণা কৰিব শিকাইছিল বুলি মহাত্মা গান্ধীযে সৰুতে ভাবিছিল।

মহাত্মা গান্ধীযে সৰুতে ধৰ্ম্মৰ প্ৰতি প্ৰকৃততে কেনে মনোভাৱ পোষণ কৰিছিল সেই সম্পৰ্কে আত্মচৰিতত লিখা কেইশাৰীমান কথা তুলি দিযা হ'ল।

"কিন্তু প্ৰকৃততে যদিও মই আন সকলো ধৰ্ম্মৰ প্ৰতি সহিষ্ণু আৰু উদাৰ হবলৈ শিকিছিলো, ইযাৰ পৰা এইটো ধৰি লব নালাগে যে ঈশ্বৰত মোৰ কোনো জীৱন্ত বিশ্বাস আছিল।

"কিন্তু এটা কথাই মোৰ অন্তৰত গভীৰ ছাপ পেলাইছিল আৰু মোৰ মনত দকৈ শিপাইছিল আৰু এইটো আছিল মোৰ একান্ত বিশ্বাস যে নৈতিকতাই সকলো বস্তুৰ ভেটি আৰু সত্যই সকলো নৈতিকতাৰ সাৰবস্তু। তেতিয়াৰে পৰাই সত্যই মোৰ একমাত্ৰ লক্ষ্য। দিনে দিনে ইয়াৰ প্ৰসাৰতা বাঢ়িব লাগিছে আৰু মোৰ সত্যৰ সংজ্ঞাও প্ৰতিদিনে ব্যাপক হৈ যাব লাগিছে।

"গুজৰাটী কবিতা এফাকিয়ে মোৰ মন আৰু অন্তৰ মোহিত কৰিছিল। ইয়াৰ সাৰমৰ্ম্ম বা শিক্ষা হ'ল—বেয়াৰ প্ৰতিকাৰ ভালেৰে কৰিবা—বেয়া কৰিলে ভাল কৰি তাৰ প্ৰতিদান দিবা। ই মোৰ জীৱনৰ পথ-প্ৰদৰ্শক নীতি হৈ আহিছে। ইয়াৰ প্ৰতি মই এনেভাৱে আসক্ত হ'লো যে মই এই শিক্ষাৰ ভালেমান পৰীক্ষা চলালো। সেই বিতোপন আৰু চমৎকাৰ শাৰী কেইটা এই।—

এবাটি পানীৰ সলনি দিবা এসাজ ভাল আহাৰ,
মৰমসনা মাতষাৰিৰ বাবে কৰিবা নত হৈ নমস্কাৰ,
পইচা এটা দিলে তোমাক বিনিময়ত স্বৰ্ণমুদ্ৰা দিবা,
তোমাৰ জীৱন ৰক্ষাৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিবা,
সদাশয় লোকে কথাই কামে এইদৰে চলে।
প্ৰতি ক্ষুদ্ৰ সেৱাই দহগুণ পুৰস্কাৰ দিয়ে।
প্ৰকৃত মহান জনে সমগ্ৰ মানবকে এক বুলি ভাবে,
অসৎ কৰ্ম্মৰ প্ৰতিদান দিযে সৎকৰ্ম্ম কৰি সানন্দে।

উচ্চশিক্ষাৰ বাবে ইংলণ্ডলৈ যাত্ৰা

মহাত্মা গান্ধীয়ে ১৮৮৭ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয। সেই সময়ত প্ৰবেশিকা পৰীক্ষাৰ কেন্দ্ৰ মাত্ৰ বোম্বাই আৰু আহমেদাবাদতহে আছিল। কাথিৱাৰৰ দুখীয়া পৰিয়ালৰ ল'ৰাবিলাকে সাধাৰণতে কম খৰচতে চলিব পৰা আহমেদাবাদ কেন্দ্ৰতেই পৰীক্ষা দিছিল। মহাত্মা গান্ধীয়েও ঘৰৰ দুখীযা অৱস্থাৰ বাবে আহমেদাবাদতে পৰীক্ষা দিছিল আৰু প্ৰথম বাৰৰ বাবে জীৱনত ৰাজকোটৰ পৰা আহমেদাবাদলৈ গৈছিল ; সিবাৰো তেওঁ অকলেহে গৈছিল।

অভিভাৱকসকলে ইচ্ছা কৰিছিল গান্ধীয়ে কলেজত পঢ়ক। ভাবনগৰত এখন আৰু বোম্বাইত এখন কলেজ আছিল। ভাবনগৰত পঢ়িলে খৰচ কমতেই হব ভাবি গান্ধীয়ে তাৰ সমলদাস কলেজত নাম লগালে। কলেজত ভৰ্ত্তি হৈ গান্ধী বৰ বিপাণ্ডত পৰিছিল। অধ্যাপকসকলৰ বক্তৃতা তেওঁ বুজিব পৰা নাছিল আৰু কলেজৰ পঢ়া বৰ টান পাইছিল।

অধ্যাপকসকলে অৱশ্যে প্ৰথম শ্ৰেণীৰ ভাল শিক্ষকেই আছিল। প্ৰথম তিনিমাহৰ মূৰকত বন্ধত গান্ধীয়ে ঘৰলৈ আহিল।

মাবজী দাবে নামেৰে এজন চতুৰ আৰু পণ্ডিত ব্ৰাহ্মণ গান্ধী-পৰিয়ালৰ বন্ধু আৰু উপদেষ্টা আছিল। গান্ধীৰ দেউতাক ঢুকুৱাৰ পিচতো তেওঁ গান্ধী-পৰিয়ালৰ লগত বন্ধুতা আৰু সম্পৰ্ক ৰক্ষা কৰি আছিল। গান্ধীৰ কলেজ বন্ধৰ সময়ত মাবজী দাবে তেওঁলোকৰ ঘৰলৈ আহিছিল আৰু ককায়েকৰ লগত গান্ধীৰ পঢ়াশুনাৰ খা-খবৰ লৈছিল। সমলদাস কলেজত ভৰ্ত্তি হোৱা শুনি তেওঁ কৈছিল, "দিনকাল সলনি হৈ আহিছে। তদুপৰি উপযুক্তভাৱে শিক্ষা-দীক্ষা নাপালে তোমালোকৰ কোনোৱে পিতাৰাৰ পদ লাভ কৰিব নোৱাৰিবা। এই ল'ৰাটিয়ে পঢ়াশুনা কৰি আছে যেতিয়া তেৱেঁই পিতাৰাৰ পদ পাব পাৰে বুলি তোমালোকে ভৰষা কৰিব পাৰা। বি॰ এ উপাধি পাবলৈ তেওঁৰ চাৰি পাঁচ বছৰ লাগিব আৰু বি. এ. পাছ কৰিলেও হয়তো ষাঠি টকীয়া চাকৰি এটাৰ যোগ্যতা পাব, কিন্তু সেই বিদ্যাৰে দেৱান হব নোৱাৰিব। মোৰ ল'ৰাটিৰ দৰে যদি আইন পঢে তেন্তে আৰু কিছু বছৰ লাগিব আৰু ইতিমধ্যে দেৱান পদৰ আশা কৰা আইন পাছ কৰা প্ৰাৰ্থী বহু ওলাব। বেৰিষ্টাৰ হৈ বিলাতৰ পৰা উভটি অহা সেই ল'ৰাটোলৈ চোৱাচোন। তেওঁ কেনে জাক-জমকতাৰে চলিবলৈ লৈছে। তেওঁ ইচ্ছা কৰিলেই দেৱান পদ পাব। মই হলে এই বছৰতেই মোহনদাসক বিলাতলৈ পঠাবলৈ পৰামৰ্শ দিওঁ। কেবলৰামৰ বন্ধু বিলাতত আছে। তেওঁ সেই বন্ধুসকললৈ চিঠি-পত্ৰ দি মোহনদাসক চা-চিনাকি কৰি দিব পাৰিব আৰু তেওঁ তাত কোনো অসুবিধা নেপাব।"

মহাত্মা গান্ধীয়ে বিলাতলৈ যাব পৰাৰ সম্ভাৱনা দেখি বৰ আনন্দিত হ'ল। মাবজী দাবেই তেওঁক বিলাতলৈ যাবৰ ইচ্ছা আছে নেকি বুলি সোধাত গান্ধীয়ে তৎক্ষণাৎ ইচ্ছাৰ কথাৰ প্ৰকাশ কৰে। তেওঁ কলেজৰ পঢ়া বৰ টান পাইছিল আৰু বিলাতলৈ যাব পাৰিলেই যেন ৰক্ষা পৰে তেনে ভাব লৈছিল। কিন্তু ককায়েক বৰ বিমোৰত পৰিল। মোহনদাসক বিলাতত পঢ়াবলৈ টকা কেনেকৈ জোগাৰ কৰিব তাৰ কোন উপায় তেওঁ ভাবি পোৱা নাছিল। তাৰোপৰি চেমনীয়া মোহনদাসক অকলে বিলাতলৈ পঠিওৱা উচিত হব নে নহয় সেই চিন্তাতো তেওঁ পৰিছিল।

মহাত্মাৰ মাক আৰু বেচি চিন্তিত হৈছিল। তেওঁ গান্ধীক ইমান দূৰলৈ পঠিওৱাৰ কথা ভাবিবই নোৱাৰিছিল। তেওঁ সকলো খুটি-নাটি কথা সম্বন্ধে খা-খবৰ লবলৈ ধৰিলে। তেওঁক কোনোৱে কৈছিল যে ডেকা ল'ৰা বিলাতলৈ গ'লে নষ্ট হৈ যায়; কোনোৱে কৈছিল, সিহঁতে মাংস খাবলৈ লয়, কোনোৱে কৈছিল তাত মদ নাখালে থাকিবই নোৱাৰে। এইবোৰ কথা শুনি মহাত্মাৰ মাকৰ মনত বৰ আশঙ্কা জন্মিছিল। তেওঁ মোহনদাসক এই সকলোবোৰ কথা জনালে আৰু তাত কেনেকৈ চলিব সুধিলে। মোহনদাসে মাকক ক'লে, "আই, তুমি মোক বিশ্বাস কৰিব নোৱাৰা নেকি? মই তোমাৰ আগত কেতিয়াও মিছা নকওঁ। মই প্ৰতিজ্ঞা কৰিলো, এই বস্তুবোৰ মই কেতিযাও হাতেৰে স্পৰ্শ নকৰো। যদি তাত কিবা বিপদৰ কথা থাকিলহেঁতেন, তেনেহলে যোশীজীয়ে মোক যাব ক'লেহেঁতেন নে?" মাবজী দাবেক তেওঁলোকে যোশীজী বুলিছিল।

মাকে ক'লে, "মই তোমাক বিশ্বাস কৰো। কিন্তু বিদেশত কি কৰিবা তাক মই কেনেকৈ বিশ্বাস কৰো? মই ভাবিচিন্তি একো ঠিক কৰিব পৰা নাই। মই বাৰু বেচাৰজী স্বামী আৰু দুই এজনক সুধি-পুচি চাওঁচোন।" বেচাৰজী স্বামী বনিয়া আছিল। তেওঁ জৈন ধৰ্ম্ম গ্ৰহণ কৰি জৈন সন্ন্যাসী হৈছিল। তেৰোঁ যোশীজীৰ দৰে গান্ধী-পৰিয়ালৰ শুভাকাঙ্ক্ষী আৰু উপদেষ্টা আছিল। বেচাৰজী স্বামীৰ আগত গান্ধীয়ে অতি নিষ্ঠা আৰু দৃঢ়তাৰে প্ৰতিজ্ঞা কৰিলে যে তেওঁ বিলাতত কেতিযাও মদ আৰু মাংস আদি স্পৰ্শ নকৰে। ইয়াৰ পিচত মাকে গান্ধীক বিলাতলৈ যোৱাৰ অনুমতি দিলে।

উচ্চশিক্ষাৰ বাবে বিলাতলৈ যাব ওলোৱাত গান্ধীৰ সম্মানাৰ্থে তেওঁ পঢ়া হাইস্কুলত বিদায় সম্ভাষণ জনাবলৈ এখন সভা পাতিছিল। সেই সময়ত ৰাজকোটৰ দৰে ঠাইৰ পৰা ডেকা ল'ৰা বিলাতলৈ যাব ওলোৱা কথাটো বৰ অসাধাৰণ আছিল। গান্ধীয়ে তেওঁক জনোৱা সম্ভাষণৰ উত্তৰত কবলৈ কেইশাৰীমান কথা লিখি লৈ গৈছিল। কিন্তু কবলৈ উঠি তেওঁ একো কবই নোৱাৰিলে। এই কথা উল্লেখ কৰি মহাত্মা গান্ধীয়ে আত্মচৰিতত এইদৰে লিখিছে "মই ধন্যবাদ জনাবলৈ কেইটামান কথা লিখি নিছিলো। কিন্তু মই পঢ়িবই নোৱাৰিলো। মোৰ এতিয়াও

মনত আছে যে পঢ়িবলৈ উঠাৰ লগে লগে মোৰ মুৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে আৰু গোটেই গাতে কঁপনি উঠিল।”

মাকৰ আৰু ওচৰৰ আত্মীয়-স্বজনৰ সন্মতি আৰু আশীৰ্ব্বাদ লৈ মোহনদাসে কেইদিনমান আগতে জন্মপোৱা শিশুটিৰে সৈতে ঘৈণীয়েকক থৈ বোম্বাইলৈ যাত্ৰা কৰিলে। কিন্তু জুন জুলাই মাহত মহাসাগৰ বৰ উগ্ৰ হৈ থকাৰ বাবে বন্ধু-বান্ধৱৰ উপদেশ মতে সাগৰ যাত্ৰা নবেম্বৰলৈ স্থগিত ৰাখিব লগীয়াত পৰে। মহাত্মা গান্ধীৰ মাক আৰু পৰিয়ালৰ লোকসকলে সন্মতি দিলেও মহাত্মাৰ জ্ঞাতি-কুটুমসকলে তেওঁ বিলাতলৈ যোৱা কথাটো ভাল নাপাইছিল। আনকি তেওঁলোকে বাধাৰো সৃষ্টি কৰিছিল। এই সম্পৰ্কে মহাত্মা গান্ধীয়ে আত্মচৰিতত লিখা কথাৰ পৰা তলৰ কথা খিনি উঠাই দিয়া হ'ল।

“ইতিমধ্যে আমাৰ জাতিৰ লোকসকলে মোৰ বিলাতলৈ যোৱা কথালৈ আন্দোলন লগালে। আমাৰ জাতীয় লোকৰ এখন সাধাৰণ সভা পাতি তাত হাজিৰ হবলৈ মোক মাতি পঠালে। মই গ'লো। মোৰযে কেনেকৈ মনলৈ হঠাতে সাহস আহিল কবই নোৱাৰো। নিৰ্ভয় মনেৰে আৰু কোনো সঙ্কোচ নোহোৱাকৈ মই সভাত উপস্থিত হ'লো। আমাৰ সম্প্ৰদায়ৰ সভাপতি শেঠজন আমাৰ পৰিয়ালৰ দূৰ সম্পৰ্কীয় লোক আৰু পিতাৰ লগত তেওঁৰ বৰ সদ্ভাৱ আছিল। তেওঁ মোক ক'লে “আমাৰ সম্প্ৰদায়ৰ মতে তুমি বিলাতলৈ যাব ওলোৱা কথাটো সমৰ্থনীয় নহয়। আমাৰ ধৰ্ম্মমতে জাহাজেৰে বিলাতলৈ যোৱা নিষিদ্ধ। আমি এইটোও শুনিছো যে তালৈ গৈ মানুহে বাধ্য হৈ ইউৰোপীয় লোকৰ লগত খোৱা-বোৱা কৰিব লগীয়াত পৰে।”

তাৰ উত্তৰত মই কৈছিলো, “বিলাতলৈ যোৱাটো আমাৰ ধৰ্ম্মৰ নিষিদ্ধ বুলি মই মুঠেই নেভাবো। মই উচ্চ শিক্ষাৰ বাবেহে তালৈ যাবলৈ ওলাইছো। আৰু আপোনালোকে ভয় কৰা তিনিওটা বস্তুৰ পৰা আঁতৰত থাকিম বুলি মই আইৰ ওচৰত প্ৰতিজ্ঞা কৰিছো। মোৰ বিশ্বাস আছে যে এই প্ৰতিজ্ঞাই মোক নিৰাপদে ৰাখিব।”

শেঠে উত্তৰ দিলে, “কিন্তু আমি তোমাক কৈছো, তাত আমাৰ ধৰ্ম্মৰক্ষা কৰি চলাটো সম্ভৱ নহয়। তোমাৰ পিতাৰাৰ লগত মোৰ কেনে সম্পৰ্ক আছিল জানা। গতিকে তুমি মোৰ কথা শুনিবই লাগিব।”

মই ক'লো, "মই সেই সম্বন্ধে জানো। আৰু আপুনি মোৰ গুৰুজন। কিন্তু এই ক্ষেত্ৰত মোৰ উপায় নাই। মই বিলাতলৈ যোৱাৰ সিদ্ধান্ত সলনি কৰিব নোৱাৰো। মোৰ পিতাৰ বন্ধু আৰু উপদেষ্টা পণ্ডিত ব্ৰাহ্মণ এজনে মই বিলাতলৈ যাব ওলোৱাত কোনো দোষ নাই বুলি কৈছে আৰু তেখেতে আপত্তিও কৰা নাই। আই আৰু ককাইদেৱেও মোক সম্মতি দিছে।"

"কিন্তু তুমি আমাৰ সম্প্ৰদায়ৰ আদেশ অবমাননা কৰিবা নেকি?"

"মই সঁচাকৈয়ে নিৰুপায়। মই ভাবো আমাৰ সম্প্ৰদায়ে এই বিষয়ত একো হকাবাধা কৰিব নেলাগে।"

এই কথাত শেঠৰ বৰ খং উঠিল। তেওঁ মোক তৰ্জ্জন-গৰ্জ্জন কৰিব ধৰিলে। মই নিৰ্ব্বিকাৰ হৈ বহি থাকিলো। শেষত শেঠে হুকুম দিলে, "আজিৰ পৰা এই ল'ৰাজনক জাতিচ্যুত বুলি ধৰা হব। যিয়েই তেওঁক সহায় কৰে নাইবা জাহাজলৈ গৈ বিদায় সম্ভাষণ জনায়, তেওঁ দণ্ডনীয় হব আৰু তেনে লোকৰ প্ৰত্যেককে পাঁচশিকি কৰি জৰিমনা কৰা হব।"

এই হুকুমে মোক টলাব নোৱাৰিলে। মই শেঠৰ পৰা বিদায় লৈ গুচি আহিলো। কিন্তু মোৰ মনত চিন্তা হৈছিল ককাইদেৱে বা আকৌ কিদৰে এই হুকুম গ্ৰহণ কৰে। সৌভাগ্যৰ কথা যে তেওঁ অচল অটল হৈ থাকিল আৰু মোলৈ এখন চিঠি লিখিলে যে তেওঁ শেঠৰ হুকুম যিয়েই নহওক, মোক বিলাতলৈ যোৱাৰ অনুমতি দিছে।

'জুনাগড়ৰ উকিল শ্ৰীত্ৰ্যম্বকাৰী মজুমদাৰৰ লগত একে কেবিনতে মোৰ কাৰণে জাহাজত ঠাইৰ বন্দবস্ত কৰা হৈছিল। মোৰ বন্ধুসকলে মোক সহায়-সাৰথি কৰিবলৈকো তেওঁক অনুৰোধ কৰিছিল। তেওঁ এজন অভিজ্ঞ, বয়সীয়াল আৰু সংসাৰৰ বহু কথা জনা লোক আছিল। মই আনহাতে সংসাৰৰ কোনো অভিজ্ঞতা নথকা ওঠৰ বছৰীয়া এজন অপৈণত ডেকা। শ্ৰীমজুমদাৰে মোৰ কাৰণে কোনো চিন্তা নকৰিবলৈ মোৰ বন্ধুসকলক কৈছিল।

অৱশেষত মই ৪ চেপ্তেম্বৰত বোম্বাইৰ পৰা বিলাত অভিমুখে ৰাওনা হ'লো।

জাহাজত

বিলাতলৈ যাত্ৰা কৰা সময়ত গান্ধীজীৰ ওঠৰ বছৰ বয়স আছিল। তেওঁ প্ৰবেশিকা পাছ কৰিলেও ইংৰাজী কোৱা অভ্যাস নাছিল। জাহাজত শ্ৰীমজুমদাৰৰ বাহিৰে আটাইবোৰ যাত্ৰী ইংৰাজ আছিল। তেওঁ এই যাত্ৰীসকলৰ লগত কথা-বাৰ্ত্তা কব নোৱাৰিছিল। যাত্ৰীসকলে তেওঁৰ লগত কথা পাতিব খুজি যিবিলাক মন্তব্য দিছিল সেইবোৰৰ বেচিভাগেই তেওঁ নুবুজিছিল আৰু দুই এটা কথা বুজিলেও উত্তৰ দিব নোৱাৰিছিল। কোৱাৰ আগতে প্ৰতিটো বাক্য কিদৰে কব তাক মনত জুকিযাই লব লগা হৈছিল আৰু ইতিমধ্যে একো নমতা বাবে মন্তব্য এটা দি মানুহবিলাক আঁতৰিযেই আহিছিল।

মহাত্মা গান্ধী জাহাজত আন এটা অসুবিধাত পৰিছিল। তেওঁ খোৱা-বোৱাত কাটা-চামুচ ব্যৱহাৰ কৰিব নাজানিছিল আৰু পৰিবেশন তালিকাত থকা খাদ্যৰ কোন কোন বিধ মাংস নোহোৱা তাকো সুধিবলৈ তেওঁৰ সাহস নাছিল। সেইকাৰণে তেওঁ খোৱাঘৰৰ মেজত কেতিয়াও নাখাইছিল আৰু নিজৰ কেবিনত অকলে অকলে খাইছিল। গান্ধীজীযে লগত লৈ অহা মিঠাই আৰু শুকান ফলমূলেই তেওঁৰ আহাৰৰ ঘাই-বস্তু আছিল। শ্ৰীমজুমদাৰৰ কোনো অসুবিধা নাছিল আৰু তেওঁ সকলোৰে লগত মিলা-মিছা কৰিছিল। তেওঁ অতি সহজভাৱে জাহাজৰ ডেকলৈ গৈ ঘূৰা-ফিৰা কৰিছিল কিন্তু গান্ধীজী গোটেই দিনটো কেবিনতে লুকাই থকাৰ দৰে থাকিছিল আৰু যেতিয়া ডেকত মানুহ নাথাকেই বা দুই এজন হে থাকে তেতিয়াহে তেওঁ তালৈ গৈছিল। শ্ৰীমজুমদাৰে গান্ধীজীক সকলো যাত্ৰীৰ লগত কথা-বতৰা পাতিবলৈ সদায় জোৰ কৰিছিল। তেওঁ গান্ধীক কৈছিল যে উকীল হবলৈ হলে বেচি কথা কোৱা অভ্যাস কৰিব লাগে আৰু তেওঁৰ নিজৰ ওকালতি জীৱনত অভিজ্ঞতাৰ কথাৰে গান্ধীজীক পতিয়ন নিয়াবলৈ নানা কথা কৈছিল। শ্ৰীমজুমদাৰে গান্ধীক সুবিধা পালেই ইংৰাজী কবলৈ উপদেশ দিছিল আৰু ভুল-চুকৰ বাবে আওকান কৰিবলৈ কৈছিল কাৰণ বিদেশী ভাষা কওঁতে ভুল-চুক হোৱাটো দেখাদেখি কথা। কিন্তু এইবিলাক কথাইও গান্ধীজীৰ লাজকুৰীয়া স্বভাৱ পৰিবৰ্ত্তন কৰিব নোৱাৰিলে।

এজন ইংৰাজ যাত্ৰীয়ে গান্ধীৰ লাজকুৰীয়া স্বভাৱ লক্ষ্য কৰিছিল। তেওঁ গান্ধীৰ ওচৰলৈ আহি বৰ মৰমেৰে কথাবাৰ্ত্তা আৰম্ভ কৰিলে। এই যাত্ৰীজন গান্ধীতকৈ বয়সীয়াল আছিল। তেওঁ গান্ধীয়ে কি খায়, ক'ৰ পৰা আহিছে, এতিয়া কি কৰে, কলৈ যাব, তেওঁ কিয় ইমান লাজকুৰীয়া আদি নানা কথাৰ বকলা মেলিলে। গান্ধীয়ে কিয় খোৱা কোঠালীলৈ খাব নাহে, তাৰো কাৰণ সুধিলে আৰু খোৱা কোঠালীলৈ আহি সকলোৰে লগত মিলামিছা কৰিবলৈ উপদেশ দিলে। গান্ধীয়ে যেতিয়া মাংস নোখোৱা কথা কলে, তেতিয়া এই যাত্ৰীজনে খুব হাঁহিলে আৰু মৰমসনা মাতেৰে কলে—"আমি এতিয়া লোহিত সাগৰত। এতিয়ালৈ বাৰু ঠিকেই আছে। কিন্তু বিস্কে উপসাগৰ পালে তোমাৰ মত সলনি কৰিব লাগিব। ইংলণ্ডত ইমান ঠাণ্ডা যে মাংস নাখালে তাত বোধহয় থকাই সম্ভৱ নহয়।"

তেওঁ আৰু কলে, "মোক বিশ্বাস কৰা, এইবোৰ গোকাট মিছা কথা। মই জনাত মাংস নোখোৱা কোনো লোকেই তাত নাই। মই মদ খাওঁ, কিন্তু দেখিছাই নহয় মইতো তোমাক মদ খাবলৈ কোৱা নাই। কিন্তু মই ভাবো তুমি মাংস খাব লাগিব। মাংস নোখোৱাকৈ তুমি তাত থাকিব নোৱাৰিবা।"

গান্ধীয়ে কলে—"আপোনাৰ সজ পৰামৰ্শৰ বাবে ধন্যবাদ। কিন্তু মই আইৰ ওচৰত মাংস স্পৰ্শ নকৰো বুলি প্ৰতিজ্ঞা কৰি আহিছো আৰু এতিয়া মাংস খোৱাৰ কথা ভাবিবই নোৱাৰো। তাত যদি মাংস নোখোৱাকৈ থকা সম্ভৱ নহয়, তেন্তে তাত থাকিবৰ বাবে মাংস খোৱাতকৈ বৰং মই ভাৰতলৈ উভতিয়েই যাম।" গান্ধীৰ এনে দৃঢ় কথাত সেই যাত্ৰীজনে এই সম্পৰ্কে আৰু কেতিয়াও তেওঁক একো কোৱা নাছিল।

তেওঁলোকৰ জাহাজ বিস্কে উপসাগৰ পালে। কিন্তু গান্ধীয়ে মদ বা মাংস খোৱাৰ কোনো প্ৰয়োজন অনুভৱ নকৰিলে। এইদৰে গৈ তেওঁলোকৰ জাহাজ চাউথাম্পটন্ বন্দৰ পালে আৰু যাত্ৰাৰ ওৰ পৰিল। মহাত্মা গান্ধীয়ে আত্মচৰিতত দিয়া বৰ্ণনাৰ পৰা কেই শাৰীমান তুলি দিয়া হ'ল।—

"আমি চাউথাম্পটন্ পালো, আৰু মোৰ যিমানদূৰ মনত পৰে

সিদিনা আছিল শনিবাৰ। জাহাজত মই কলা পোচাক পিন্ধিছিলো। মোৰ বন্ধুসকলে মোৰ বাবে জোগাৰ কৰি দিয়া বগা ফ্লানেলৰ পোচাক-যোৰা জাহাজ এৰি মাটিত নামোতে পিন্ধিম বুলি থৈ দিছিলো। মই ভাবিছিলো বগা পোচাকে মোক ভালকৈ শুৱাব আৰু যেতিয়া জাহাজৰ পৰা নামো মই সেই বগা পোচাকযোৰা পিন্ধিয়েই নামিছিলো। তেতিয়া চেপ্তেম্বৰ মাহ যায় যায়। মই দেখো যে সেই অগণন লোকৰ মাজত মইহে মাথোন বগা পোচাক পিন্ধা লোক। আন আন যাত্রীসকলক দেখি ময়ো তেনে কৰিব লাগে বুলি ভাবি মোৰ কাপোৰ-কানি সহ মালপত্র আৰু বাকচৰ চাবি পর্য্যন্ত সকলো গ্রীণলেণ্ড এণ্ড কোম্পানীৰ মানুহৰ হাতত চমজাই দিছিলো। গতিকে পোচাক পৰিবৰ্ত্তনৰো কোনো উপায় নাছিল।

"জাহাজত থাকোঁতেই আমাক কোনোবাই লণ্ডনৰ ভিক্টোৰিযা হোটেলত থাকিবলৈ কৈছিল। শ্রীমজুমদাৰ আৰু মই তালৈ গলো। বগা পোচাক পিন্ধা মানুহ একমাত্র মযেই হব লগা হোৱাত লাজত মই মৰি গৈছিলো আৰু সেই পোচাক পিন্ধি থাকিব লগা হোৱাত মোৰ অসহ্য বোধ হৈছিল। আৰু হোটেলত গৈ যেতিযা শুনিলো যে গ্রীণলেণ্ড কোম্পানীৰ পৰা বস্তুবোৰ পিচদিনাহে পোৱা হব, তেতিয়া মনটো আৰু বেয়া লাগিছিল।

"মই চাউথাম্পটনৰ পৰা ডাঃ মেহতালৈ টেলিগ্রাম কৰিছিলো আৰু তেওঁ সিদিনাই গধূলি আমাৰ হোটেললৈ আহিছিল। তেওঁ মোক অতি আন্তৰিকতাৰে আদৰণি জনালে। মোক বগা ফ্লানেলৰ পোচাকত দেখি তেওঁ হাঁহিলে। আমি কথা-বতৰা হৈ থাকোঁতে মই এনেযে তেওঁৰ নোমেৰে তৈয়াৰী টুপীটো হাতত ললো আৰু টুপীটো কিমান নৰম আৰু নিমজ চাবলৈ লাৰিচাৰি থাকোঁতে হাতখন ওলোটাফালৰ পৰা বুলালো আৰু নিমজ নোমবিলাক বিশৃঙ্খল হৈ হালিজালি পৰিল। ডাঃ মেহতাই টুপীটোৰ অৱস্থা দেখি মোৰ ফালে অলপ খঙেৰেই চালে আৰু তেনে কৰিবলৈ হাক দিলে। কিন্তু অপকাৰটো কৰিলোৱেই। এই ঘটনাটোৱেই মোৰ বাবে ভবিষ্যতলৈ সাবধান বানী হল আৰু ডাঃ মেহতাই ইউৰোপীয় ভদ্রতাৰ প্রথম পাঠ পঢ়ুৱালে। তেওঁ কলে—"আনৰ বস্তু স্নচুবা। আমি ভাৰতবৰ্ষত কৰাৰ দৰে লোকৰ

লগত প্ৰথম পৰিচয় হওঁতেই প্ৰশ্ন নুসুধিবা, ডাঙৰকৈ কথা নকবা। আমি ভাৰতত কৰাৰ দৰে মানুহক কেতিয়াও 'চাৰ' বুলি সম্বোধন নকৰিবা। চাকৰ-নাকৰ আৰু তলতীয়া কৰ্ম্মচাৰীয়েহে গৰাকীক বা ওপৰৱালাক সেইদৰে সম্বোধন কৰে।" এইদৰে তেওঁ মোক ভালেমান নতুন কথা শিকালে। তেওঁ আৰু কৈছিল যে হোটেলত বৰ খৰচ আৰু সেইবাবে মোক কোনো মানুহৰ ঘৰত থকাৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিছিল।

"শ্ৰীমজুমদাৰ আৰু মোৰ হোটেলত থকা বৰ সমস্যা হৈ পৰিছিল। তাত থকাটো বৰ ব্যয়-বহুলো আছিল। মাল্টাৰ পৰা একে জাহাজতে অহা এজন সিন্ধি ভদ্ৰলোকৰ সৈতে শ্ৰীমজুমদাৰৰ বন্ধুত্ব গঢ়ি উঠিছিল। লণ্ডন নগৰ তেওঁৰ অপৰিচিত নাছিল আৰু তেওঁ আমাৰ বাবে থকা ঠাইৰ বন্দোবস্ত কৰিবলৈ গাত ললে। আমি ভালেই পালো। গতিকে সোমবাৰে আমাৰ মাল-বস্তু খিনি আহি পোৱাৰ লগে লগে হোটেলৰ দেনা পৰিশোধ কৰি এই সিন্ধি বন্ধুজনে ভাড়া কৰা ঠাইলৈ যাবলৈ গলো। মোৰ মনত আছে হোটেলত মোৰ বিল তিনি পাউণ্ড হৈছিল আৰু ইমান দিব লগা হোৱাত মই চকখাই উঠিছিলো। আৰু ইমান টকা দিও অনাহাৰে আছিলো। মই তাৰে কোনো বিধ খাদ্যই খাব নোৱাৰিছিলো আৰু একোৱে মুখত নালাগিছিল। পৰিবেশন কৰা খাদ্যৰ এবিধ খাব নোৱাৰিলে আনবিধ দিবলৈ কৈছিলো কিন্তু দাম দুয়োবিধৰে ভৰিব লগা হৈছিল। প্ৰকৃততে এই গোটেই সময় চোৱাত মই বোম্বাইৰ পৰা অনা বস্তুৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল।

"নতুন কোঠালী কেইটালৈ গৈও মই শান্তি পোৱা নাছিলো। মোৰ মনলৈ অনবৰত মোৰ দেশৰ, মোৰ ঘৰৰ আৰু আইৰ মৰম চেনেহৰ কথাবোৰ ভাঁহি আহিছিল। নিশা মোৰ দুই চকুৱেদি পানী ওলাই গাল তিয়াই দিছিল আৰু ঘৰৰ নানা স্মৃতিযে মনত ভুমুকি মাৰি টোপনি কাটি লৈ গৈছিল। মোৰ এই দুৰ্গতিৰ কথা কাকো জনাবও নোৱাৰিছিল। জনালেওতো একো লাভ নহয়। কিহে মোক সান্ত্বনা দিব পাৰিব ভাবি পোৱা নাছিলো। সকলো বস্তুৱেই মোৰ আচহুৱা লাগিছিল। ইংৰাজী চালচলন আৰু ভদ্ৰতাৰ প্ৰতি মই সম্পূৰ্ণ অজ্ঞ আছিলো আৰু সততে সাৱধানে চলিব লগীয়া হৈছিল। নিৰামিষ

আহাৰৰ সংকল্পই মোৰ আৰু অসুবিধাৰ সৃষ্টি কৰিছিল। যি কেইবিধ বস্তু খাব পাৰিছিলো তাৰো একো সোৱাদ পোৱা নাছিলো। এইদৰে মই 'শচলা' আৰু 'চেৰিবদিচ'ৰ মাজত পৰাৰ দৰে উভয় সঙ্কটত পৰিছিলো। ইংলণ্ডত মই থাকিব নোৱাৰা হৈছিলো আৰু ভাৰতলৈ উভতি অহাৰো চিন্তা কৰিব নোৱাৰাত পৰিছিলো। মোৰ অন্তৰাত্মাই যেন সকিয়াই দিছিল—আহিলোৱেই যেতিয়া, তিনি বছৰকাল ইয়াত থাকি মোৰ উদ্দেশ্য পূৰ্ণ কৰিবই লাগিব।

ছাত্ৰ হিচাবে লণ্ডনত

লণ্ডন পাযেই গান্ধী আৰু মজুমদাৰে ভিক্টোৰিয়া হোটেলত শনিবাৰৰ পৰা সোমবাৰলৈ আছিল। সোমবাৰেই ব্যযবহুল ভিক্টোৰিয়া হোটেল এৰি সিন্ধী বন্ধুজনে ঠিক কৰি দিয়া ভাড়া-ঘৰলৈ তেওঁ গ'ল। গান্ধীৰ খা-খবৰ লবলৈ ডাঃ মেহটা সেই সোমবাৰেই ভিক্টোৰিযা হোটেললৈ গৈ গম পালে যে তেওঁলোকে হোটেল এৰি আন ঠাইলৈ গৈছে। নতুন বাসস্থানৰ ঠিকনা লৈ ডাঃ মেহটা গান্ধীৰ খা-খবৰ লবলৈ আহিল। কিন্তু নতুন ঘৰটো আৰু আচবাববোৰ চাই চিতি তেওঁৰ ভাল নালাগিল। তেওঁ গান্ধীক ক'লে, "ইয়াত নহব। আমি ইংলেণ্ডলৈ অকল পঢ়াশুনা কৰিবৰ বাবেই নাহো; ইংৰাজ সকলৰ আচাৰ-ব্যৱহাৰ আৰু জীৱন-যাপনৰ ব্যৱস্থা আদিৰো অভিজ্ঞতা লবলৈ আহো। আৰু তাৰ বাবে কোনো এটা পৰিয়ালৰ লগত থাকিবলৈ লোৱা ভাল। তাকে কৰাৰ আগতে সম্প্ৰতি তুমি মোৰ বন্ধু এজনৰ লগত থাকা। মই তোমাক তেওঁৰ তালৈ লৈ যাম।"

ডাঃ মেহটাৰ প্ৰস্তাৱত সন্মতি দি গান্ধী সেই বন্ধুজনৰ লগত থাকিবলৈ গ'ল। তেওঁ গান্ধীৰ সকলো যা-যোগান ধৰিছিল আৰু বৰ মৰম কৰি ৰাখিছিল। তেওঁ গান্ধীক নিজৰ ভায়েকৰ দৰে মৰম কৰিছিল আৰু ইংৰাজসকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সামাজিক ভদ্ৰতা আদি শিকাইছিল আৰু ইংৰাজী কোৱাৰ অভ্যাস কৰাইছিল। কিন্তু খোৱা-বোৱাৰ বিষয়লৈ জটিল সমস্যাৰ উদ্ভৱ হৈছিল। নিমখ বা মছলা আদি নিদিয়াকৈ সিজোৱা শাক-পাচলিত গান্ধীয়ে তৃপ্তি নাপাইছিল।

ঘৰৰ গৃহিণীয়ে গান্ধীক কিদৰে খুৱাব তাকে ভাবি সদায় বিমোৰত পৰিছিল। প্ৰাতঃভোজনত ওটমিলৰ লুঠুৰি জাতীয় বস্তু থাকিছিল, আৰু গান্ধীয়ে তাক যথেষ্ট পৰিমাণে খাব পাৰিছিল। কিন্তু মধ্যাহ্ন আৰু ৰাতিৰ ভোজনত গান্ধীৰ প্ৰায় লঘোনে থকাৰ উপক্ৰম হৈছিল। বন্ধুজনে অহৰহ মাংস খোৱা কৰিবলৈ তেওঁক নানা বুজনিৰে পৰামৰ্শ দিছিল আৰু জোৰ কৰিছিল। কিন্তু গান্ধীয়ে মাকৰ ওচৰত কৰি অহা সঙ্কল্পৰ কথা কৈ তৰ্কত যোগ নিদি মনে মনে থাকিছিল। দুপৰীয়াৰ আৰু ৰাতিৰ আহাৰত পালেং শাক, ৰুটি আৰু ফল-মূলৰ মিঠা আচাৰ থাকিছিল। কিন্তু পেটত ভোক থাকিলেও আৰু বেচিকৈ খাব পাৰিলেও লাজ আৰু সঙ্কোচত গান্ধীয়ে দুই টুকুৰা ৰুটিৰ বেচি খুজিব নোৱাৰিছিল আৰু তাতকৈ বেচি বিচৰাটোকে অন্যায বুলি ভাবিছিল। এই দুই সাজৰ কোনোটোতে গাখীৰৰ ব্যৱস্থা নাছিল। এই বন্ধুজনে গান্ধীৰ ওপৰত অতি বিৰক্ত হৈ এবাৰ এইদৰে কৈছিল, "তুমি মোৰ নিজৰ ভাই হোৱা হ'লে তালি-টুপলি বন্ধাই তোমাক নিজৰ ঘৰলৈ পঠাই দিলোহেঁতেন। ইয়াৰ প্ৰকৃত অৱস্থা আৰু পৰিবেশৰ একো নজনাকৈ অশিক্ষিতা মাৰাৰ ওচৰত কৰা প্ৰতিজ্ঞাৰ কি মূল্য থাকিব পাৰে? ই একো প্ৰতিজ্ঞাই হব নোৱাৰে। ইয়াক খামোচ মাৰি ধৰি থাকিলে ইযাত তোমাৰ একো লাভ হব নোৱাৰে। তুমি মাংস খাইছিলা বুলি আৰু খাই ভাল পাইছিলা বুলি স্বীকাৰ কৰিছা। যি ঠাইত তাক খোৱাৰ একো প্ৰয়োজন নাছিল তাতে তুমি খাইছিলা আৰু যি ঠাইত খোৱাটো একান্ত প্ৰয়োজনীয় তাত হলে নাখাবা। কি আচৰিত।"

কিন্তু গান্ধীযে কোনো মতে মনৰ দৃঢ়তা শিথিল নকৰিলে। দিনে ৰাতি বন্ধুজনে এই বিষযে গান্ধীৰ লগত তৰ্ক কৰিছিল। কিন্তু গান্ধীয়ে সকলো যুক্তি না, না কৰি উৰাই দিছিল। তেওঁ যিমানেই বেচি তৰ্ক কৰে গান্ধী সিমানেই আঁকোৰ-গোজালি হৈ ৰয়। যাঁতে সকলো জোৰ-জবৰদস্তি, তৰ্কজাল আৰু প্ৰলোভনৰ পৰা নিজক ৰক্ষা কৰি চলিব পাৰে তাৰ বাবে গান্ধীয়ে নিতৌ ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছিল আৰু তাৰ দ্বাৰাই মনৰ বল পাইছিল। ঈশ্বৰ সম্পৰ্কে কোনো স্পষ্ট ধাৰণা নাছিল যদিও সৰুতে ৰম্ভাই গান্ধীৰ অন্তৰত

যি বিশ্বাসৰ বীজ ৰোপণ কৰিছিল সেই বিশ্বাসেই গান্ধীজীৰ দৈনন্দিন জীৱনত প্ৰেৰণা যোগাইছিল।

গান্ধীয়ে তেতিয়াও লণ্ডনত নিয়মিত পঢ়াশুনা আৰম্ভ কৰিব পৰা নাছিল। ভাৰতত থাকোতে গান্ধীয়ে কেতিয়াও কোনো বাতৰি কাকত পঢ়া নাছিল। লণ্ডনলৈ আহি বাতৰি কাকত পঢ়া অভ্যাস কৰিছিল আৰু সদায় নিয়মিত ভাৱে পঢ়িছিল। তাৰ কাৰণে এঘণ্টাতকৈ বেচি সময় নালাগিছিল। তেওঁ এনেযে বাটে ঘাটে ঘূৰি ফুৰা অভ্যাস কৰিছিল। এদিন নিৰামিষ আহাৰ পৰিবেশন কৰা ভোজনালয় বিচাৰি ওলাল। ঘূৰিপকি ফেৰিংদন ষ্ট্ৰীটত নিৰামিষ ভোজনালয় এখন বিচাৰি উলিযালে। সৰু ল'ৰা-ছোৱালীযে অন্তৰেৰে ভালপোৱা বস্তু পালে যেনেদৰে উল্লাসিত হয, গান্ধীযেও এই নিৰামিষ ভোজনালয খন পাই তেনে আনন্দ পালে। ভোজনালয খনৰ প্ৰবেশ পথত কিছুমান কিতাপ বিক্ৰীৰ বাবে সজাই থোৱা আছিল। তাৰ ভিতৰত ছল্টে নামেৰে লিখক এজনে লিখা 'নিৰামিষ আহাৰৰ কথা' নামৰ কিতাপ এখন গান্ধীয়ে দেখিলে। তৎক্ষণাৎ এক চিলিং দাম দি সেই কিতাপ-খন কিনি লৈ তেওঁ ভোজনালয়ৰ ভিতৰলৈ সোমাই গ'ল আৰু লণ্ডনত সোমোৱাৰ পিচৰে পৰা এসাজ তেওঁ অতি তৃপ্তিৰে পেট ভৰাই খালে। ভগবানে যেন তেওঁক সহায কৰিলে।

ছল্টৰ সেই কিতাপখন আদিৰ পৰা অন্তলৈকে গান্ধীয়ে পঢ়িলে আৰু সেই দিন ধৰি তেওঁ নিজ ইচ্ছাৰেই নিৰামিষাহাৰী হ'ল। ইমান দিনে তেওঁ যেন মাকৰ ওচৰত কৰি অহা প্ৰতিজ্ঞাৰ বাবেহে নিৰামিষাহাৰী হৈ আছিল। ছল্টৰ কিতাপখন পঢ়াৰ পিচত নিৰামিষ আহাৰ সম্পৰ্কে তেওঁৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় জন্মিল আৰু আত্মবিশ্বাস আৰু মনৰ দৃঢ়তাৰে নিৰামিষভোজী হ'ল। মাকৰ ওচৰত প্ৰতিজ্ঞা কৰা দিনটো তেওঁৰ পবিত্ৰ দিন যেন লাগিল। নিৰামিষ ভোজন প্ৰচাৰ কৰাটোৱেই তেওঁ তেতিয়াৰ পৰা ব্ৰত হিচাবে ললে।

বন্ধুজনে কিন্তু গান্ধীৰ বাবে চিন্তা আৰু ব্যস্ততা এৰি দিয়া নাছিল। এদিন তেওঁ গান্ধীক থিয়েটাৰ চাবলৈ লগ ধৰিলে। থিয়েটাৰ আৰম্ভ হোৱাৰ আগতে তেওঁলোকে হলবৰ্ণ নামৰ ভোজনালয় এখনত খাই-বই লোৱাৰ কথা আছিল। এই ভোজনালয়খনলৈ গান্ধীক নিয়াৰু তেওঁৰ

উদ্দেশ্য আছিল যে অন্ততঃ ভদ্রতাৰ খাতিৰত গান্ধীয়ে খোৱা-বোৱা সম্বন্ধে কোনো প্রশ্ন কৰিব নোৱাৰিব। সেইখন উচ্চমানবিশিষ্ট ভোজনালয় আছিল আৰু খোৱাঘৰত বহুত লোক উপস্থিত আছিল। সেই মানুহবোৰৰ মাজত দুয়ো এখন মেজত বহিল। প্রথমতে চুপ আহিল। এই চুপ কিহেৰে তৈয়াৰ কৰিছে তাক জানিবৰ বাবে গান্ধীৰ মনত খুদুৱনি লাগিল কিন্তু বন্ধুজনক তেওঁ সুধিবৰ সাহ নহ'ল। তেওঁ সেইবাবে পৰিচাৰক জনক মাতিলে। বন্ধুজনে গান্ধীয়ে পৰিচাৰকজনক ইঙ্গিতেৰে মতা দেখি কঠুৱা মাতেৰে কি হৈছে সুধিলে। গান্ধীয়ে সেমেনা-সেমেনিকৈ সেই চুপ শাক-পাচলিৰ চুপ হয়নে নহয় জানিবলৈ পৰিচাৰকজনক মাতিছে বুলি ক'লে। বন্ধুজনে খঙেৰে কৈ উঠিল— "তুমি ভদ্র ব্যৱহাৰ কৰিব নোৱাৰা, ইযাৰপৰা গুছি যোৱা। আনকোনো ঠাইত খাই আহি মোৰ বাবে বাহিৰত বৈ থাকিবা।" এই কথাত গান্ধী সকাহ পালে আৰু আনন্দমনেৰে তাৰপৰা ওলাই গ'ল। ওচৰতে এখন নিৰামিষ ভোজনালয আছিল। কিন্তু সেইখন ইতিমধ্যে বন্ধ হৈ গৈছে। গতিকে সেই নিশা গান্ধীযে একো নাখালে। বন্ধুজনৰ লগত তেওঁ থিয়েটাৰ চাবলৈ গ'ল কিন্তু ভোজনালযত কৰা ব্যবহাৰ সম্পৰ্কে তেওঁক একো নকলে। গান্ধীৰ পক্ষেও কবলৈ একোৱেই নাছিল। দুই বন্ধুৰ সেইটোৱেই শেষ কাজিয়া আছিল। ইয়াৰ বাবে কিন্তু তেওঁলোকৰ সদ্ভাব বা বন্ধুত্বৰ কোনো হানি হোৱা নাছিল। অন্তৰৰ সবল বিশ্বাসেৰে আৰু মৰমেৰে গান্ধীৰ ভালৰ বাবে কৰা চেষ্টাৰ বাবে বন্ধুজনলৈ তেওঁৰ শ্ৰদ্ধা বাঢ়িছিলহে।

ইয়াৰ পিচত গান্ধীয়ে এই বন্ধুজনক আৰু বিৰক্ত নকৰিবলৈ স্থিৰ কৰিলে। নিৰামিষভোজী হোৱাৰ ক্ষতিপূৰণ হিচাবে তেওঁ ভদ্রসমাজৰ আন আচাৰ ব্যৱহাৰ ৰীতি-নীতি আচৰণ কৰি বন্ধুজনক সন্তোষ দিবলৈ সিদ্ধান্ত কৰিলে। এই উদ্দেশ্যে তেওঁৰ বাবে অতি অসম্ভব হ'লেও সম্পূৰ্ণভাবে এজন ইংৰাজ ভদ্রলোক হোৱাৰ চেষ্টাত গান্ধী মনপুতি লাগিল আৰু তাৰ বাবে যথেষ্ট খৰছো কৰিলে।

বোম্বাইৰ ফেচনেৰে তৈয়াৰ কৰা তেওঁ পিন্ধি থকা পোছাকবোৰ ইংৰাজ সমাজত গান্ধীৰ খাপ নোখোৱা যেন লাগিল আৰু তেওঁ আৰ্মি এণ্ড নেভি ষ্টোৰৰ পৰা নতুন পোছাক কেইযোৰামান আনিলে।

সেই সময়ত অত্যন্ত দামী ১৯ চিলিঙেৰে গান্ধীয়ে এটা চিমনি পট টুপি কিনিলে। লণ্ডনৰ প্ৰচলিত ধুনপেচৰ কেন্দ্ৰ বণ্ড ষ্ট্ৰীটত দহ পাউণ্ড খৰছ কৰি এযোৰ সান্ধ্য-পোছাক তৈয়াৰ কৰাই আনিলে। উদাৰ মনৰ মৰমিয়াল ককায়েকৰ পৰা জেপঘৰীৰ বাবে দুই লোৰিয়া এডাল সোণৰ হাৰ খুজি নিলে। দোকানতে বান্ধি থোৱা ডিঙিত মৰা টাই তেওঁৰ মনত নলগা হ'ল আৰু নিজে ডিঙিত বন্ধা কৌশল শিকি ললে। ভাৰতত থাকোতে আয়না চোৱা বিলাসিতাৰ কথা যেন আছিল আৰু চুলিকটা বা ডাঢ়ি খুৰোৱা দিনৰ বাহিৰে আন সময়ত আয়না চোৱাটোৱে তেওঁলোকৰ ঘৰত নিষিদ্ধ যেন আছিল। লণ্ডনত সেই সময়ত কিন্তু গান্ধীয়ে প্ৰত্যেক দিনে অন্ততঃ দহ মিনিট সময় ডিঙিত বন্ধা টাইটো ঠিক হৈছে নে নাই আৰু চুলিৰ শেওতা ঠিক হৈছে নে নাই তাকে চাই এখন প্ৰকাণ্ড আয়নাৰ সমুখত বহি কটাইছিল। গান্ধীৰ চুলিবোৰ মুঠেই লাহি নাছিল আৰু চুলিখিনি ঠিক ঠাইত ৰাখিবৰ বাবে ফণি আৰু বুৰুজেৰে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। প্ৰত্যেকবাৰ টুপিটো সোলোকালেই চুলিৰ ভাজবোৰ ঠিক কৰিবলৈ হাতখন আপোনা-আপুনি মূৰলৈ যোৱা হ'ল আৰু ভদ্ৰসমাজত বহিলেই হাতখন আপোনা-আপুনি টাইডাল ঠিক কৰাত লাগি যোৱা হ'ল।

ইমানবোৰ কৰিও গান্ধীৰ ভাব হ'ল তেওঁ যেন সম্পূৰ্ণভাবে এজন ইংৰাজ ভদ্ৰলোক হবলৈ আৰু ভালেমান খুটিনাটি কথা শিকিব লাগিব। তেওঁক কোনোবাই কৈছিল যে মাৰ্জিত ভদ্ৰলোক হবলৈ নাচ শিকিব লাগে, ফৰাচী ভাষা জানিব লাগে আৰু বক্তৃতা দিব পাৰিব লাগে। ফৰাচী অকল ওচৰত থকা ফ্ৰান্স দেশৰ ভাষাই নহয়, ই সমগ্ৰ ইউৰোপতে বুজি পোৱা ভাষা আৰু ফৰাচী জানিলে ইউৰোপ ভ্ৰমণত কোনো অসুবিধা নহয়। গান্ধীৰ ইউৰোপ ভ্ৰমণৰ হাবিয়াস আছিল আৰু সেইবাবে ফৰাচী শিক্ষাৰ আগ্ৰহ আৰু বাঢ়িল। নাচ শিকিবৰ বাবে নাচ শিকোৱা স্কুলত গান্ধীয়ে ৩ পাউণ্ড দি নাম লগালে আৰু তিনি সপ্তাহত ৬টা পাঠ ললে। কিন্তু তাল মান আৰু সুৰ মিলাই খোজ মিলোৱা তেওঁৰ অসম্ভব কাম যেন লাগিল। তেওঁ পিয়ানোৰ সুৰ অনুসৰণ কৰিব নোৱাৰিছিল আৰু সেইবাবে খোজবো তাল ৰাখিব নোৱাৰিছিল। কিন্তু তেওঁৰ দুৰাশাই বাটৰ পোৱালি মেলিলে। পশ্চিমীয়া সঙ্গীত চৰ্চ্চা কৰিবলৈ

তেওঁ ভায়োলিন শিকিবলৈ থিৰ কৰিলে। ৩ পাউণ্ড খৰছ কৰি এখন ভায়োলিন কিনিলে আৰু শিকোৱা বানচৰ বাবদ আৰু বহুত বেচি খৰছ কৰিলে। বক্তৃতা দিয়া শিকাবলৈ তেওঁ আৰু এজন শিক্ষকৰ ওচৰলৈ গ'ল আৰু তাতো এক গিনি দি ভৰ্ত্তি হ'ল। এই শিক্ষকজনে গান্ধীক বেলে লিখা 'ষ্ট্যাণ্ডার্ড ইলকুচনিষ্ট' নামৰ কিতাপখন পাঠ্য পুথি হিচাবে লবলৈ ক'লে আৰু গান্ধীয়ে কিতাপখন কিনি আনিলে আৰু পিটৰ বক্তৃতা এটাৰে পাঠ আৰম্ভ কৰিলে। এইদৰে গান্ধীয়ে মাৰ্জ্জিত ইংৰাজ ভদ্ৰলোক হবলৈ নাচ, সঙ্গীত, ফৰাচী ভাষা আৰু বক্তৃতা দিয়া শিকাত লাগিল আৰু তাৰ বাবে শিক্ষকক দিয়া বানচকে ধৰি ভালেমান খৰছ কৰিলে। কিন্তু এই কেইটাৰ শিক্ষাত গান্ধীয়ে বিশেষ একো শিকিব নোৱাৰিলে আৰু লাহে লাহে তেওঁৰ মনত আত্ম-বিশ্লেষণে ঠাই ললে। তেওঁৰ মনত প্ৰশ্নৰ উদয় হ'ল—"এইবোৰ কৰাৰ কি প্ৰযোজন? মইতো ইংলণ্ডত আজীৱন কাল থাকিবলৈ অহা নাই। তেন্তে ইংৰাজী বক্তৃতা দিয়া শিকাৰ নাইবা ইংৰাজীতে কথা কোৱাৰ আদপ-কায়দা শিকাৰ মোৰ কি প্ৰযোজন? নাচ শিক্ষাই মোক কি ভদ্ৰলোক কৰিব? মইতো ভাৰততো ভায়োলিন শিকিব পাৰিম। মই এজন ছাত্ৰ আৰু মই অধ্যয়নতহে লগা উচিত। মই বেৰিষ্টাৰৰ যোগ্যতা আৰ্জ্জন কৰিবলৈহে ইয়ালৈ আহিছো আৰু তাৰ বাবেহে মই চেষ্টা কৰিব লাগে। মোৰ যদি স্বভাব চৰিত্ৰই মোক ভদ্ৰলোক কৰি তোলে সি ভালৰেই কথা। মোক ভদ্ৰলোক বনোৱাৰ এই অপচেষ্টা মই পৰিহাৰ কৰা উচিত।

"এইবোৰ আৰু এনেকুৱা চিন্তাই মোক জুমুৰি দি ধৰিলে। এই-বোৰ কথা বৰ্ণাই মই বক্তৃতা দিয়া শিকোৱা শিক্ষকজনলৈ এখন চিঠি লিখিলো আৰু বক্তৃতাৰ পাঠ লবলৈ নোযোৱাটো থিৰ কৰাৰ বাবে মোক ক্ষমা কৰিবলৈ অনুৰোধ কৰিলো। মই মাত্ৰ দুটা কি তিনিটা পাঠহে লৈছিলো। নাচ শিকোৱা শিক্ষক জনলৈকো এনে এখন চিঠি দিলো আৰু ভায়োলিন শিকোৱা শিক্ষয়িত্ৰী গৰাকীৰ ওচৰলৈ মই নিজে গ'লো আৰু যি দামতে পাৰে ভায়োলিনখন বেচি দিবলৈ তেওঁক ধৰিলো। তেওঁ মোৰ প্ৰতি সহানুভূতিশীল আছিল আৰু মই তেওঁক কৈছিলো যে মই ভুল আদৰ্শ লৈছো। তেওঁ মোৰ সিদ্ধান্তত সমৰ্থন জনালে আৰু মনৰ এই পৰিবৰ্ত্তনৰ বাবে উৎসাহ দিলে।

"মোৰ এই বিভ্ৰম অৱস্থা বোধহয় তিনিমাহমান আছিল। পোছাক-পৰিচ্ছদত পৰিপাটি হোৱা অভ্যাস অৱশ্যে বহু বছৰলৈ থাকিছিল। কিন্তু ইয়াৰ পিছৰ পৰাই মই ছাত্ৰ হলো।"

পৰিবৰ্ত্তন

মহাত্মা গান্ধীয়ে এই সময়ছোৱাত যদিও নাচ শিক্ষা, সঙ্গীত শিক্ষা আদিত মন দিছিল তথাপি তেওঁ স্বেচ্ছাচাৰী বা আমোদ প্ৰমোদত গা ঢালি দিয়া বিধৰ হৈ উঠা নাছিল। তেওঁ যেতিযাই যি কৰিছিল ভাবি-চিন্তিহে কৰিছিল আৰু খৰছৰ ফালে সদায় চকু ৰাখিছিল। তেওঁ কিভাবে জীৱন-যাপন কৰিব তাৰ প্ৰতি সদায় নজৰ ৰাখিছিল আৰু এফালে খৰছ বঢালে আনফালে খৰছ কমোৱাৰ চেষ্টা কৰিছিল। সেই-কাৰণে পৰিয়ালৰ লগত থকাৰ পৰিবৰ্ত্তে নিজৰ পছন্দ মতে কোঠা ভাৰা কৰি থকাৰ সিদ্ধান্ত কৰিলে আৰু ইঠাইৰ পৰা সিঠাইলৈ ঘৰ বদলাই থাকিব ধৰিলে। ইযাত তেওঁৰ অভিজ্ঞতাও বাঢ়িছিল আৰু কম খৰছতে চলাৰ উপায উলিযাইছিল। কোঠা ভাৰা লওঁতে সদায তেওঁ নিজৰ কৰ্ম্মক্ষেত্ৰৰ যাতে ওচৰ হয় সেইটো বিবেচনা কৰিছিল আৰু যাতে থকা ঠাইৰ পৰা কাম কৰা ঠাইলৈ খোজকাটি আধাঘণ্টাত যাব পাৰে সেই-দৰে থকা ঠাই নিৰ্ব্বাচন কৰিছিল। এইদৰে খোজকাঢ়ি অহা-যোৱা কৰি যান-বাহনত ভৰিব লগা খৰছ বচাইছিল। ইয়াৰ আগতে তেওঁ এঠাইৰ পৰা আন এঠাইলৈ যাবলগা হ'লে কিছু বাট যান-বাহনত আৰু কিছু বাট খোজ কাঢ়ি গৈছিল। নতুন ব্যৱস্থা অনুসৰি খোজকঢ়াৰ লগত মিতব্যয়িতাও সংযোগ হ'ল আৰু খৰছ বচোৱাৰ উপৰিও দিনে আঠ দহ মাইল তেওঁ খোজ কাঢ়িছিল। এইদৰে দীঘলীযা খোজকঢ়াই তেওঁৰ শৰীৰ কোনো-প্ৰকাৰ বেমাৰ আজাৰ হব নিদিয়াকৈ ৰাখিছিল আৰু লণ্ডনত থকা কালছোৱাত এদিনো তেওঁৰ কোনো অসুখ-বিসুখ হোৱা নাছিল। শৰীৰো বেচ আটিল হৈছিল।

গান্ধীয়ে দুটা কোঠালী ভাড়া কৰি থাকিবলৈ ল'লে। তাৰে এটা বহাঘৰ আৰু আনটো শোৱা কোঠা কৰি ল'লে।

এই পৰিবৰ্ত্তনে গান্ধীৰ খৰছ আধা কমালে। বেৰিষ্টাৰি পৰীক্ষাৰ

বাবে বৰ বেচি পঢ়াশুনা কৰিব নালাগিছিল। গতিকে গান্ধীৰ সময় আৰু অবসৰ যথেষ্ট আছিল। কাৰ্য্যকৰী ভাবে এই সময়ৰ কেনেকৈ সদ্ব্যৱহাৰ কৰিব পাৰি তাৰ চিন্তা তেওঁ কৰিব ধৰিলে। গান্ধী ইংৰাজীত বৰ দুৰ্ব্বল আছিল আৰু তাৰ বাবে সদায় বিমোৰত পৰিছিল। বেৰিষ্টাৰি পৰীক্ষা পাছ কৰাৰ উপৰিও আন কোনো বিষয়ৰ অধ্যয়ন কৰি উপাধি এটা লোৱাৰ কথা তেওঁৰ মনত খেলালে। এই উদ্দেশ্যে তেওঁ অক্সফোর্ড আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পাঠ্য তালিকা আনি ভাবি-গুণি চালে। কিন্তু দেখিলে যে এই দুই বিশ্ববিদ্যালয়ৰ কোনো এটা পাঠ্যক্ৰম-ললেই তাত গৈ থাকিব লাগিব আৰু হিচাব কৰি অহাতকৈ বহুত বেচি কাল ইংলণ্ডত থাকিব লাগিব আৰু খৰছো বহুত বেচি হব। যদি সঁচাকৈয়ে কোনো এটা কঠিন পৰীক্ষা পাছ কৰাৰ ইচ্ছা কৰিছে তেন্তে তেওঁক লণ্ডনৰ মেট্ৰিক পৰীক্ষা দিবলৈ এজন বন্ধুৱে পৰামৰ্শ দিলে। লণ্ডন বিশ্ব-বিদ্যালয়ৰ মেট্ৰিক পৰীক্ষা যথেষ্ট কঠিন আৰু ইয়াৰ বাবে সাজু হবলৈ যথেষ্ট পৰিশ্ৰম কৰিব লাগিব আৰু ভালেমান কথা শিকাও হব। গান্ধীৰ এই পৰামৰ্শ ভাল লাগিল। কিন্তু এই পৰীক্ষাৰ পাঠ্যক্ৰম আনি চাই তেওঁৰ ভয় লাগিল। লেটিন আৰু আন এটা আধুনিক ভাষা অনিবাৰ্য্য পাঠ্য। তেওঁ লেটিনৰ একো নাজানে, লেটিনৰ পৰীক্ষা দি তেওঁ কেনেকৈ পাছ কৰিব ভাবি ভয় লাগিল। কিন্তু বন্ধুজনে লেটিন শিকাৰ পৰা বহুত লাভ হব, উকীলৰ বাবে লেটিন জনা বৰ আৱশ্যক, লেটিন জানিলে আইনৰ কিতাপ বুজাত বৰ সহজ হব, ৰোমৰ আইন গোটেই লেটিনতে লিখা, আৰু লেটিন জানিলে ইংৰাজি ভালকৈ জানিব পাৰি ইত্যাদি কৈ তেওঁক উৎসাহিত কৰিলে। গান্ধীয়েও যিমানেই টান নহওক লাগিলে লেটিন শিকিবলৈ মনস্থ কৰিলে। ফৰাচী শিকিবলৈ তেওঁ আগতেই আৰম্ভ কৰিছিল, গতিকে লেটিন আৰু ফৰাচী এই দুটা ভাষা লৈ মেট্ৰিকুলেচন পৰীক্ষা দিবলৈ তেওঁ সিদ্ধান্ত কৰিলে। লণ্ডন বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেচন পৰীক্ষা প্ৰতি ৬ মাহৰ মূৰে মূৰে হৈছিল। গান্ধীয়ে পৰীক্ষালৈ মাত্ৰ ৫ মাহ থাকোতে বেচৰকাৰী মেট্ৰিকুলেচন শ্ৰেণী এটাত ভৰ্ত্তি হ'ল আৰু মনপুতি পঢ়াত লাগিল। এই কেইমাহৰ ভিতৰত যাতে পৰীক্ষাৰ আটাইবোৰ বিষয়ৰ পাঠ্য প্ৰস্তুত কৰিব পাৰে তাৰ বাবে তেওঁ নিজাকৈ পঢ়াৰ ৰুটিন কৰি ল'লে আৰু অলপ সময়ো

অথলে যাব নোৱাৰাকৈ গোটেই দিনটোৰে কাৰ্য্যসূচী প্ৰস্তুত কৰি চলিব ধৰিলে, কিন্তু একান্ত চেষ্টা কৰা সত্বেও লেটিন আৰু ফৰাচীত আগবাঢ়িব নোৱাৰিলে আৰু পৰীক্ষাত আন সকলো বিষয়ত কৃতকাৰ্য্য হৈও লেটিনত পাছ কৰিব নোৱাৰিলে। পৰীক্ষাত ফেল হৈ তেওঁৰ দুখ লাগিল কিন্তু হতাশ নহ'ল। পুনৰ পৰীক্ষা দিবৰ বাবে পঢ়া আৰম্ভ কৰিলে। লেটিন লাহে লাহে ভাললগা হৈ আহিল। আগৰ বাৰ পৰীক্ষাত বিজ্ঞানৰ বিষয় হিচাবে ৰসায়ন লৈছিল। ৰসায়ন গান্ধীয়ে ভাল পালেও তাৰ কোনো প্ৰাযোগিক ব্যৱস্থা নথকাত অকল কিতাপ পঢ়ি কথাবিলাক আয়ত্ত্ব কৰিবলৈ আগ্ৰহ নোহোৱা হ'ল। ভাৰতত ৰসায়ন অনিবাৰ্য্য বিষয় আছিল আৰু সেইকাৰণে গান্ধীয়ে লণ্ডনৰ মেট্ৰিকুলেচন পৰীক্ষাৰ বাবেও ৰসায়নকে এটা বিষয় হিচাবে লৈছিল। কিন্তু পিচৰবাৰৰ পৰীক্ষাৰ বাবে গান্ধীযে ৰসায়নৰ সলনি পদাৰ্থ বিজ্ঞানৰ তাপ আৰু পোহৰ বিষয় ললে। এই বিষয়টো সহজ বুলি কোৱা শুনিছিল আৰু পঢ়িও গান্ধীয়ে সহজকে পাইছিল। এইদৰে তেওঁ দ্বিতীয়বাৰ পৰীক্ষা দিবৰ বাবে সাজু হ'ল।

ইতিমধ্যে গান্ধীযে আৰু সৰল জীৱন যাপন কৰিবলৈ মনস্থ কৰিলে। তেওঁ অনুভব কৰিলে যে তেওঁ লণ্ডনত তেতিয়া যিভাবে চলিছে সি তেওঁৰ পৰিযালৰ আৰ্থিক অবস্থাৰ লগত সঙ্গতি নাখায়। কি কষ্ট কৰি ককায়েকে তেওঁৰ পঢ়া খৰছ যোগাইছে তাকে ভাবি তেওঁৰ মনত দুখ লাগিল। ইমান কষ্ট কৰি মৰমৰ ককাযেকে নিয়মিত ভাবে যোগাই থকা পইচা অনাবশ্যক কাৰণত খৰছ নকৰিবলৈ তেওঁ সংকল্প কৰিলে। তেওঁ দেখিলে যে যিবিলাক ছাত্ৰই মাহে আঠ পাউণ্ডৰ পৰা পোন্ধৰ পাউণ্ড পৰ্য্যন্ত খৰছ কৰে সেইবিলাক ছাত্ৰই বৃত্তিৰ সুবিধা পায়। কিন্তু তেওঁ ককায়েকৰ কষ্টোপাৰ্জ্জিত ধন খৰছ কৰিহে পঢ়িছে। তেওঁ আৰু দেখিলে যে বহুত ছাত্ৰই অতি কঠোৰ জীৱন যাপন কৰিও পঢ়িছে। বহুত ছাত্ৰই তেওঁতকৈও অতি কম খৰছত চলা তেওঁ দেখিলে। আনকি এজন ছাত্ৰই অপৰিষ্কাৰ বস্তি এলাকাত সপ্তাহত মাত্ৰ দুই চিলিং ভাড়াত কোঠা এটা লৈ লকহাৰ্টৰ সস্তীয়া ককোৱা ৰুমত সাজে মাত্ৰ দুই পেনি খৰচ কৰি ৰুটি আৰু ককোৱা খাইও চলিছে। গান্ধীয়ে অৱশ্যে তেওঁক অনুকৰণ কৰিব

নোৱাৰিলেও দুটা কোঠাৰ সলনি এটা কোঠা লৈ মাজে মাজে ঘৰতে নিজে ৰান্ধি খোৱাৰ ব্যৱস্থা কৰি খৰছ কমোৱাৰ চেষ্টা কৰিলে। এই ব্যৱস্থাই তেওঁৰ মাহিলী খৰছ চাৰি পাঁচ পাউণ্ডমান কমালে। এটা ৰূম লৈ আৰু এটা ষ্টোভ কিনি প্ৰাতঃভোজন নিজে ৰান্ধি খোৱা কৰিলে। দুপৰীয়াৰ আহাৰ বাহিৰত খাই ৰাতিৰ সাজো ঘৰতে নিজে ৰান্ধি খোৱা কৰিলে। এইদৰে চলাত তেওঁৰ খৰছ দৈনিক এক চিলিং আৰু তিনি পেনি হৈছিল। এই সময় ছোৱাতে তেওঁ পৰীক্ষাৰ বাবে অধিক পঢ়িব লগা হৈছিল আৰু তেওঁ কৈছিল, "এইদৰে সৰল জীৱন যাপন কৰোতে মই অধিক সময় পাইছিলো আৰু পৰীক্ষাত পাছ কৰিব পাৰিলো। এইদৰে চলাত মোৰ জীবন দুৰ্ব্বহ হৈছিল বুলি কোনোৱে যেন নাভাবে। বৰং এই পৰিবৰ্ত্তনে মোক ভালকৈ সুজিছিল। মোৰ ঘৰৰ আৰ্থিক অৱস্থাৰ লগতো ই খাপ খোৱা আছিল। মোৰ জীৱন বেচি সত্যপূৰ্ণ হৈছিল আৰু আত্মাই বিমল আনন্দ পাইছিল।

"মোৰ খৰছৰ আৰু জীৱন পদ্ধতিৰ পৰিবৰ্ত্তন কৰাৰ লগে লগে খোৱা-লোৱাতো পৰিবৰ্ত্তন আনিছিলো। ঘৰৰ পৰা পোৱা মিঠাই আৰু মছলা খোৱা বন্ধ কৰিছিলো। মনৰ গতি সলনি হোৱাৰ লগে লগে মছলাৰ প্ৰতি আগ্ৰহ নোহোৱা হ'ল আৰু মছলা নোহোৱাকৈ সিজোৱা শাক-পাচলি এতিয়া তৃপ্তিৰে খাব পৰা হলো। ৰিচমণ্ডত থাকোতে কিন্তু মছলা নিদিয়াকৈ সিজোৱা পালেং শাক আদি খাবই নোৱাৰিছিলো। এইদৰে খাদ্যৰ ওপৰত চলোৱা পৰীক্ষাৰ পৰা মই শিকিছিলো যে খাদ্যবস্তুৰ সোৱাদ জিভাৰ নহয়, ই মানসিক প্ৰবৃত্তিৰ ওপৰতহে বেচি নিৰ্ভৰ কৰে।

"অৰ্থনৈতিক বিবেচনা অৱশ্যে সদায় মোৰ মনত আছিল। সেই সময়ত চাহ আৰু কফি খোৱা শৰীৰৰ বাবে অনিষ্টকৰ বুলি মতবাদ এটা প্ৰচলিত আছিল আৰু চাহ কফিৰ পৰিবৰ্ত্তে ককোৱা খোৱাটো সমৰ্থিত আছিল। মোৰ এই বিশ্বাস জন্মিছিল যে যি বস্তুৱে শৰীৰ পুষ্ট কৰে তেনে বস্তুহে খোৱা উচিত। মই চাহ আৰু কফি খাব এৰি দিলো আৰু ককোৱা খোৱাত ধৰিলো। মোৰ খাদ্যৰ ওপৰত ভালেমান পৰীক্ষা প্ৰমাণ চলালো, যেনে এসময়ত শ্বেতসাৰযুক্ত বস্তু খোৱা এৰি দিলো, আন এসময়ত ৰুটি আৰু ফলমূল খোৱা কৰিলো,

আন এবাৰ পনীৰ, গাখীৰ আৰু কণী খাই থকা কৰিলো। শেষৰ পৰীক্ষাটো মন কৰিবলগীয়া। ই অৱশ্যে এপষো নিটিকিল। যিজন সংস্কাৰকে শ্বেতসাৰবিহীন খাদ্যৰ হকে ওকালতি কৰিছিল তেওঁ কণী খোৱাটো বৰ প্ৰশংসা কৰিছিল আৰু কণী যে মাংস নহয় তাক দৃঢ়ভাবে প্ৰত্যয় নিয়াব চেষ্টা কৰিছিল। কণী খোৱাত যে কোনো জীৱক অনিষ্ট কৰা নহয় সেইটো অৱশ্যে দেখ দেখ কথা। গতিকে মোৰ মাংস নোখোৱা সংকল্প থকা স্বত্বেও মই কণী খাবলৈ ললো। অবশ্যে মোৰ সংকল্পৰ নতুন এটা ব্যাখ্যা দিয়াৰ প্ৰয়োজন নাছিল। মোৰ এই সংকল্প লোৱাত আইৰ ব্যাখ্যা মই জানিছিলো আৰু সি মোৰ মনতে আছিল। মই জানিছিলো যে আইৰ মাংসৰ সংজ্ঞাত কণীও পৰে। আৰু মই আইৰ ওচৰত লৈ অহা সংকল্প আৰু প্ৰতিজ্ঞাৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰাৰ লগে লগে কণী খোৱা আৰু এই নতুন পৰীক্ষা চলোৱা বন্ধ কৰিলো।

"নিৰামিষ-ভোজীৰ ধৰ্ম্ম গ্ৰহণ কৰি পৰম উৎসাহেৰে মই থকা অঞ্চলটোত নিৰামিষ-ভোজী সঙ্ঘ এটা স্থাপন কৰিবলৈ ঠিক কৰিলো। প্ৰথমতে কিছুদিন এই সঙ্ঘটো ভালেই চলিল কিন্তু কেইমাহ মানৰ ভিতৰতে ইয়াৰ সামৰণি পৰিল। কাৰণ মোৰ স্থান পৰিবৰ্ত্তন কৰা স্বভাব অনুসৰি মই সেই অঞ্চল এৰি আন এটা অঞ্চললৈ গ'লো। কিন্তু এই তাকৰীয়া সময়ৰ বাবে হ'লেও এই সঙ্ঘ চলোৱা অভিজ্ঞতাই মোক অনুষ্ঠান সংগঠন কৰা আৰু চলোৱা সম্পৰ্কে অলপ শিক্ষা দিলে।

"নিৰামিষ সঙ্ঘৰ কাৰ্য্য-পালিকালৈ মই নিৰ্ব্বাচিত হৈছিলো আৰু মই প্ৰত্যেকখন মিটিঙতে উপস্থিত থাকিছিলো। কিন্তু সদায় মই মুখ বন্ধ কৰি থাকিছিলো। দক্ষিণ আফ্ৰিকালৈ আহিহে মোৰ এই লাজ ভয় কিছু আঁতৰাব পাৰিছিলো যদিও কোনো দিনেই সম্পূৰ্ণকৈ জয় কৰিব পৰা নাছিলো। প্ৰস্তুত নোহোৱাকৈ বা আগেয়ে সাজু হৈ নহাকৈ কথা কোৱা মোৰ পক্ষে অসম্ভব আছিল। অচিনাকী মানুহৰ আগত কথা কবলৈ মোৰ বৰ সংকোচ লাগিছিল আৰু নমতাকৈ থাকিব পাৰিলে কেতিয়াও মুখ নেমেলিছিলো।

"দি এথিকস্ অব ডায়েট' নামৰ কিতাপৰ লিখক মিঃ হাওয়াৰ্ডে মোক নিৰামিষ আহাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে কবলৈ এখন মিটিঙলৈ

মাতিছিল। শ্ৰীমজুমদাৰৰ লগত মই তালৈ গৈছিলো। প্ৰস্তুত নকৰাকৈ মই কথা কোৱা অসম্ভব আছিল। গতিকে মই কেইশাৰীমান কথা লিখি লৈ গৈছিলো। কিন্তু তাকো থিয় হৈ উঠি পঢ়িব নোৱাৰিলো। মিঃ মজুমদাৰেহে মোৰ হৈ পঢ়ি মোক অব্যাহতি দিছিল। মোৰ এই অসামৰ্থ্যৰ বাবে পিছত বৰ লাজ লাগিছিল।

"আৰু এবাৰ মই ইংলণ্ড এৰাৰ আগে আগে লগৰীয়া নিৰামিষ-ভোজী বন্ধুসকলক এখন ভোজনালয়ত এটা পাৰ্টি দিয়াৰ বন্দবস্ত কৰিছিলো। তাতে মই তেওঁলোকক আদৰণি জনাই দুষাৰ কথা কব লাগিছিল। এইটোৱে মোৰ প্ৰথম বক্তৃতা আছিল। তাত কিন্তু মই বহুত কম বুলি ভাবি-চিন্তি সাজু হৈ থাকিও কবৰ সময়ত সকলো পাহৰিছিলো আৰু কেৱল 'আপোনালোকে মোৰ নিমন্ত্ৰণ গ্ৰহণ কৰি ইয়ালৈ অহা বাবে ধন্যবাদ জনাইছো' বুলি কৈয়ে ধহি পৰিছিলো। অবশ্যে মাজে সময়ে এইদৰে হাঁহিয়াতৰ পাত্ৰ হব লগা হলেও মোৰ এই লাজকুৰীয়া স্বভাব আৰু সংকোচে মোক বিশেষ একো অসুবিধা দিয়া নাছিল। বৰং প্ৰকৃততে ই মোৰ পক্ষে বৰ সুবিধাজনক হে আছিল। যদিও এসময়ত কথা কব নোৱাৰা বাবে মই বৰ বিৰক্তি বোধ কৰিছিলো, এতিয়া ই আনন্দহে দিয়ে। ইযাৰ আটাইতকৈ ডাঙৰ উপকাৰ হ'ল ই মোক চিন্তা নিয়ন্ত্ৰণৰ অভ্যাস গঢ়ি দিছে। কম কথা কোৱা মানুহে কথা কওঁতে কেতিয়াও চিন্তাহীন নহয়। তেওঁ প্ৰত্যেকটো শব্দ জুখি মাখি কব পাৰে। মোৰ এই সংকোচ মোৰ পক্ষে ঢাল বা ৰক্ষাকবচহে হৈছে। ই মোক ডাঙৰ হোৱাত সহায কৰিছে। ই মোক সত্যান্বেষণত সহায় কৰিছে।"

ধৰ্ম্মৰ লগত পৰিচয়

ইংলণ্ডত থকাৰ দ্বিতীয় বছৰৰ শেষৰ ফালে মহাত্মা গান্ধীৰ দুজন থিয়চফিষ্টৰ লগত পৰিচয় হয়। এই থিয়চফিষ্ট দুজন ভাই-ককায়েক আছিল আৰু তেওঁলোকে বিয়া-বাৰু কৰোৱা নাছিল। তেওঁলোকে গান্ধীৰ লগত গীতা সম্পৰ্কে আলোচনা কৰিছিল। তেওঁলোকে চাৰ এডুইন আৰ্ণল্‌ডে কৰা গীতাৰ অনুবাদ 'চঙ্গ চিলিশ্চিয়াল্‌' কিতাপখন

পঢ়িছিল আৰু তেওঁলোকৰ লগত মূল সংস্কৃত গীতাখন পঢ়িবলৈ গান্ধীক অনুৰোধ কৰিছিল। এই সম্পৰ্কে মহাত্মা গান্ধীয়ে আত্মচৰিতত লিখা কথাৰ কেইশাৰীমান তুলি দিয়া হ'ল ঃ

"তেওঁলোকে মোক মূল গীতাখন পঢ়িবলৈ মাতিলে। মোৰ বৰ লাজ লাগিছিল। কাৰণ এই পবিত্ৰ কবিতাটো মই সংস্কৃততো পঢ়া নাই আৰু গুজৰাটীতো পঢ়া নাছিলো। মই তেওঁলোকক কব লগা হৈছিলো যে মই গীতাখন পঢ়া নাই, কিন্তু তেওঁলোকৰ লগত অতি আনন্দেৰে গীতা পঢ়িম বুলি কথা দিছিলো। যদিও সংস্কৃতৰ জ্ঞান মোৰ নাম-মাত্ৰহে আছিল, তথাপি অনুবাদ কৰোতে ঠিক হৈছে নে নাই, নাইবা শ্লোকৰ প্ৰকৃত অৰ্থ প্ৰকাশ কৰিব পাৰিছে নে নাই; সেইখিনি বুজিব পাৰিম বুলি আশা কৰিছিলো। মই তেওঁলোকৰ লগত গীতাপাঠ কৰিবলৈ ল'লো। দ্বিতীয় অধ্যায়ৰ তলত দিয়া শ্লোককেইটাই মোৰ মনত গভীৰ সাঁচ বহুৱাইছিল আৰু সেই শ্লোককেইটা এতিয়াও মোৰ কাণত বাজি আছে। শ্লোককেইটা হ'ল—

'ধ্যাযতো বিষযান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে॥
ক্ৰোধাদ্ভবতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥'

এই কিতাপখন মোৰ অমূল্য সম্পদ যেন লাগিল। সেই দিন ধৰি এই ধাৰণা ক্ৰমাৎ মোৰ আৰু দৃঢ় হৈ আহিছে আৰু আজি মই উপলব্ধি কৰিছো যে সত্যৰ জ্ঞান পাবলৈ এইখনেই শ্ৰেষ্ঠ গ্ৰন্থ। নিৰানন্দ আৰু বিমৰ্ষৰ মুহূৰ্ত্তত এই গ্ৰন্থই মোক অমূল্য আশ্ৰয় আৰু সান্ত্বনা দি আহিছে।

"এই ভায়েক দুজনাই মোক এডুইন আৰ্ণল্ডে লিখা 'দি লাইট অৱ এছিয়া' নামৰ কিতাপখন পঢ়িবলৈ পৰামৰ্শ দিছিল। মই তেতিয়ালৈকে চাৰ এডুইন আৰ্ণল্ডক 'দি চঙ্গ চিলিশ্চিয়াল'ৰহে লিখক বুলি জানিছিলো। এই কিতাপখন বৰ আগ্ৰহেৰে পঢ়িলো। আনকি ভাগবদ্গীতাতকৈও বেচি আগ্ৰহেৰে পঢ়িলো। এবাৰ আৰম্ভ কৰিলে শেষ নকৰাকৈ এৰিব নোৱাৰিছিলো। এই কিতাপখনত ভগবান বুদ্ধৰ বাণী পদ্যত লিখা হৈছিল। এই ভায়েক দুজনাৰ উপদেশ মতে মেডাম

ব্লাভৎস্কীৰ ‘কী টু থিওচফি’ নামৰ কিতাপখনো পঢ়িছিলো। এই কিতাপখনে মোক হিন্দুধৰ্ম্মৰ গ্ৰন্থবিলাক পঢ়িবলৈ প্ৰেৰণা যোগাইছিল আৰু হিন্দুধৰ্ম্ম কেৱল অন্ধবিশ্বাসৰ সমষ্টি বুলি সেই কালত ভাৰতবৰ্ষত মিছনাৰীবিলাকে গাই ফুৰা কথা সম্পূৰ্ণভাবে মনৰ পৰা দলিয়াই দিব পৰা কৰিছিল।

“প্ৰায় সেই সময়তে নিৰামিষ বোৰ্ডিং ঘৰ এখনত মাঞ্চেষ্টাৰৰ পৰা অহা এজন সম্ভ্ৰান্ত খৃষ্টিয়ান লোকক লগ পালো। তেওঁ মোক খৃষ্টিয়ান ধৰ্ম্ম সম্পৰ্কে ভালেমান কথা ক’লে। ৰাজকোটত খৃষ্টিয়ান মিছনাৰী সকলে ৰাজপথৰ চাৰিআলিত হিন্দুধৰ্ম্মৰ বিৰুদ্ধে নানা অকথ্য ভাষাৰে দিয়া বক্তৃতাৰ কথা মই তেওঁক ক’লো। সেইবোৰ শুনি তেওঁ দুখ কৰিলে। তেওঁ কৈছিল, ‘মই নিৰামিষ ভোজী। মই মদ নাখাওঁ। বহুত খৃষ্টিয়ানে অবশ্যে মাংস খায, মদো খায, কিন্তু মাংস খোৱা বা মদ খোৱা কোনোটোৱেই আমাৰ ধৰ্ম্মশাস্ত্ৰৰ বিধান নহয়। তুমি লাগে বাইবেলখন পঢ়ি চোৱা। অনুগ্ৰহ কৰি বাইবেলখন যেনে তেনে পঢ়া।’ মই তেওঁৰ উপদেশ গ্ৰহণ কৰিলো, তেওঁ মোক বাইবেল এখন যোগাৰ কৰি দিলে। মই বাইবেল পাঠ আৰম্ভ কৰিলো কিন্তু বোধহয় অল্ড টেষ্টামেণ্টখন পঢ়ি শেষ কৰিব নোৱাৰিলো। কিন্তু নিউ টেষ্টামেণ্টখন পঢ়ি মোৰ মনত সম্পূৰ্ণ বেলেগ ধাৰণা হৈছিল। ‘দি চাৰমন অন দি মাউণ্ট’ অধ্যায়টোৱে মোৰ অন্তৰত গভীৰ চাপ পেলাইছিল। মই ইয়াৰ তাৎপৰ্য্য গীতাৰ লগত তুলনা কৰি চাইছিলো। ‘দি চাৰমন অন দি মাউণ্ট’ৰ “কিন্তু মই তোমাক কওঁ, তুমি অন্যায়ৰ প্ৰতিৰোধ নকৰিবা। তোমাৰ সোঁগালত কোনোবাই মাৰিলে, আনখনো পাতি দিবা। যদি কোনোৱে তোমাৰ কোটচোলাটো লৈ যায তেওঁক তোমাৰ দীঘল কোটচোলাটোও নিব দিবা”—এই কথা কেইশাৰীয়ে মোৰ অন্তৰত অতি আনন্দ দিছিল আৰু সমল ভট্টৰ ‘এবাটি পানীৰ সলনি দিবা এসাজ ভাল ভাত’ ইত্যাদি কথাখিনি মোৰ মনত ভাহি উঠিছিল। মোৰ ডেকা মনেৰে গীতাৰ বাণী, ‘লাইট অব এচিয়া’ আৰু ‘দি চাৰমন অন দি মাউণ্ট’ৰ শিক্ষা একত্ৰিত কৰি চাবলৈ চেষ্টা কৰিছিলো। ত্যাগেই যে শ্ৰেষ্ঠ ধৰ্ম্ম এই কথাটোৱে মোৰ অন্তৰ অভিভূত কৰিছিল।

“ধৰ্ম্মৰ লগত এই সামান্য পৰিচিত হোৱাতকৈ বেচি একো সেই

সময়ত কৰিব নোৱাৰিছিলো। পৰীক্ষা ওচৰ চাপি অহাৰ কাৰণে পৰীক্ষাৰ পঢ়াতে ব্যস্ত থাকিবলগা হোৱাত আন বিষয়ে পঢ়াশুনা কৰিবলৈ সময় নোহোৱা হৈছিল। কিন্তু মই ধৰ্ম্মৰ পুথি যিমান পাৰো পঢ়িবলৈ আৰু পৃথিবীৰ সকলো মূল ধৰ্ম্ম সম্পৰ্কে আৰু বেচিকৈ জানিবলৈ আশা পোষণ কৰিছিলো।”

বেৰিষ্টাৰ গান্ধী

ভাৰতবৰ্ষলৈ প্ৰত্যাবৰ্ত্তন

মহাত্মা গান্ধী বেৰিষ্টাৰী পৰীক্ষা পাছ কৰিলে আৰু ১৮৯১ চনৰ ১০ জুন তাৰিখে তেওঁক বেৰিষ্টাৰৰ চনদ দিয়া হয়। ১১ জুন তাৰিখে তেওঁ উচ্চ-ন্যায়ালয়ত বেৰিষ্টাৰ হিচাবে নাম ৰেজিষ্টাৰ কৰে আৰু ১২ জুন তাৰিখে ঘৰমুৱা হৈ জাহাজত উঠিল। মহাত্মা গান্ধী বেৰিষ্টাৰী পঢ়িবলৈ বিলাতলৈ গৈছিল আৰু সেই উদ্দেশ্য পূৰণ হোৱা মাত্ৰেই এদিনো পলম নকৰি স্বদেশলৈ যাত্ৰা কৰিলে।

মহাত্মা গান্ধী আইন পৰীক্ষা পাছ কৰিলেও ওকালতি কৰিবলৈ বৰ অসহায় বোধ কৰিছিল। তেওঁ নিজে লিখা আত্মচৰিতৰ এই কথাখিনি পঢ়িলেই তেওঁৰ মনৰ অৱস্থা ভালকৈ বুজিব পাৰি ঃ

“আইন পঢ়িলেও মোৰ অসহায় ভাব আৰু ভয়ৰ অন্ত নাছিল। ওকালতি কৰিবলৈ যোগ্যতা হৈছে বুলি মোৰ অনুভৱ হোৱা নাছিল। মই আইনবোৰ পঢ়িছিলো কিন্তু ওকালতি কেনেকৈ কৰিব লাগে শিকা নাছিলো। তাৰ উপৰি ভাৰতীয় আইনৰ মই একো পঢ়া নাছিলো। হিন্দু আইন আৰু মুছলমান আইনৰ বিষযে মোৰ কোনো ধাৰণাই নাছিল। আৰ্জ্জি এখন কেনেকৈ মুচাবিদা কৰিব লাগে তাকো নাজানিছিলো। মই সম্পূৰ্ণ অসহায় বোধ কৰিছিলো। এই ব্যবসায় কৰি যে মই পেটৰ ভাত মোকোলাব পাৰিম তাৰ প্ৰতি মোৰ ডুৰ্ঘোৰ সন্দেহ হৈছিল।

“ককাইদেউ মোক আগবঢ়াই নিবলৈ বোম্বাই বন্দৰলৈ আহিছিল। আইক দেখা কৰিবলৈ মই উৎকণ্ঠিত হৈ আছিলো। মই ইংলণ্ডত

থাকোতেই আই ঢুকাল। ককাইদেৱে আইৰ মৃত্যুৰ বাতৰি মোক দিয়া নাছিল। বিদেশত এই শোকাবহ বাতৰি মোক দিবলৈ তেওঁ ইচ্ছা নকৰিলে। এই বাতৰি পাই মই মৰ্ম্মাহত হৈছিলো। ই মোৰ প্ৰতি প্ৰচণ্ড আঘাত স্বৰূপ হৈছিল। আনকি পিতাৰ মৃত্যুতকৈও মই বেচি শোক পাইছিলো। মোৰ ভালেমান আশা-আকাঙ্ক্ষা চূৰমাৰ হৈ গৈছিল। কিন্তু মোৰ মনত আছে এই মৰ্ম্মাহত শোকৰ বাতৰি পাইও মই কোনো উচ্ছৃঙ্খল বাহ্যিক অভিব্যক্তি হব দিয়া নাছিলো। আনকি মই চকুৰ পানীও সম্বৰণ কৰিব পাৰিছিলো আৰু যেন একোৱেই হোৱা নাই এইভাবে গ্ৰহণ কৰিব পাৰিছিলো।

"মোৰ বিদেশলৈ সাগৰ যাত্ৰা সম্পৰ্কে জ্ঞাতিসকলৰ মাজত হোৱা গণ্ডগোল তেতিয়াও চলি আছিল। ইয়াকে লৈ জ্ঞাতিসকলৰ মাজত দুটা দলৰ সৃষ্টি হৈছিল। এটা দলে মোক তেওঁলোকৰ মাজত পুনৰ স্থান দিছিল আৰু আনটো দলে মোক সমাজচ্যুত কৰি ৰাখিছিল। মোক এঘৰীয়া কৰি থোৱা দলটোত স্থান পাবলৈ মই কোনো চেষ্টা কৰা নাছিলো। এই দলটোৰ মুৰব্বীসকলৰ প্ৰতিও মোৰ কোনো অভিমান বা খং নাছিল। এওঁলোকৰ কেইজনমানে মোক ঘৃণাৰ চকুৰে চাইছিল কিন্তু মই তেওঁলোকৰ অনুভূতিক কোনো প্ৰকাৰে ক্ষুণ্ণ নকৰিবলৈ সাবধানে চলিছিলো। তেওঁলোকৰ ব্যৱস্থামতে মোৰ শহুৰ, শাহু, ভনী, ভনীজোৱাইকে ধৰি কোনো মিতিৰ-কুটুম বা সম্পৰ্কীয় লোকে মোক নিমন্ত্ৰণ বা আদৰ-অভ্যৰ্থনা কৰিব নোৱাৰিব আৰু ময়ো আনকি তেওঁলোকৰ ঘৰত পানী এটুপিও খোৱা নাছিলো। তেওঁলোকে গোপনে এই বাধা-নিষেধৰ বিপৰীতে মোক মাতি বুলি নিবলৈ ইচ্ছা কৰিছিল। কিন্তু যি কাম প্ৰকাশ্যে কৰিব নোৱাৰি তেনে কোনো কাম গোপনে কৰিবলৈ মই ভাল নাপাইছিলো। গতিকে মই তেওঁ-লোকৰ গোপন অনুৰোধ কেতিয়াও ৰক্ষা কৰা নাছিলো।

"মই এইদৰে অতি সাবধানে চলা আৰু আচৰণ কৰাৰ পৰিণতি হিচাবে মই জ্ঞাতিসকলৰ পৰা কেতিয়াও কোনো প্ৰকাৰৰ বিৰক্তি বা আহুকাল পোৱা নাছিলো। বৰং সমাজচ্যুত কৰি ৰখা লোকসকলৰ সৰ্ব্বসাধাৰণৰ পৰা মই মৰম-স্নেহ আৰু উদাৰতাহে পাইছিলো। সমাজৰ বাবে মোৰ পৰা কোনো প্ৰতিদান নিবিচৰাকৈ মোৰ কাজ-

কামত তেওঁলোকে সহায়হে কৰিছিল। মোৰ সম্পূৰ্ণ বিশ্বাস যে মোৰ অপ্ৰতিৰোধ আচৰণৰ বাবেহে এই ভাল কথাবিলাক হব পাৰিছিল। মই যদি সমাজভুক্ত হবৰ বাবে আন্দোলন কৰিলোহেঁতেন, মই যদি সমাজখনক আৰু দল উপদলত বিভক্ত কৰিবলৈ চেষ্টা কৰিলোহেঁতেন, মই যদি জ্ঞাতিসকলক খুচিয়াই উত্তেজিত কৰিলোহেঁতেন, তেওঁলোকে নিশ্চয় মোৰ ওপৰত প্ৰতিশোধমূলক ব্যৱস্থা ললেহেঁতেন আৰু মই আন্দোলনৰ চাকনৈয়াত নিমজ্জিত হ'লোহেঁতেন।

"ৰাজকোটত ওকালতি ব্যবসায় আৰম্ভ কৰিলে মই নিশ্চয় হাঁহিয়াতৰ পাত্ৰ হ'লোহেঁতেন। যোগ্য উকীল এজনৰ সমানো মোৰ ওকালতিৰ জ্ঞান নাছিল, অথচ মই আশা কৰিছিলো তেওঁলোকে পোৱা বায়নাৰ দহগুণ! কোনো মক্কেল ইমান মূৰ্খ নহয় যে মোক তেওঁলোকে মোকৰ্দ্দমাত নিযুক্ত কৰিব।

"উচ্চ-ন্যায়ালয়ৰ অভিজ্ঞতা অৰ্জ্জন আৰু ভাৰতীয় আইন অধ্যয়ন কৰাৰ সুযোগ লৈ যি মোকৰ্দ্দমাই পাওঁ তাকে লৈ বোম্বাই উচ্চ-ন্যাযালয়ত ওকালতি আৰম্ভ কৰিবলৈ মোক বন্ধু-বান্ধবসকলে পৰামৰ্শ দিলে। মই তেওঁলোকৰ পৰামৰ্শ গ্ৰহণ কৰি বোম্বাইলৈ গ'লো। কিন্তু কোনো আয় উপাৰ্জ্জন নোহোৱাকৈ দিনে দিনে বাঢ়ি যোৱা খৰচ মোকোলাব নোৱাৰি বোম্বাইত মোৰ পক্ষে চাৰি পাচ মাহতকৈ বেচিদিন থকা অসম্ভব আছিল। সেই সময়তে মই জনৈক মামীবাইৰ মোকৰ্দ্দমা এটা লওঁ। ই এটা সৰু মোকৰ্দ্দমা আছিল। মোক ক'লে, 'আপুনি এই মোকৰ্দ্দমা জোগাৰ কৰি দিয়া দালালজনক কিছু কমিচন দিব লাগিব।' মই দৃঢ়তাৰে অস্বীকাৰ কৰিলো, মই কোনো কমিচন নিদিলো কিন্তু মোকৰ্দ্দমাটো পালো। ই এটা সহজ মোকৰ্দ্দমা আছিল। মোৰ বায়না ত্ৰিশ টকা ল'লো। এই মোকৰ্দ্দমাটোত এদিনৰ বেচি নালাগে। নিম্ন-আদালতত এয়ে আছিল মোৰ প্ৰথম মোকৰ্দ্দমা। মই বাদীৰ সাক্ষীক জেৰা কৰিব লাগিছিল। মই থিয় হ'লো, কিন্তু মোৰ সাহসে এৰা দিলে। মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে আৰু মোৰ ধাৰণা হ'ল যেন গোটেই আদালত খনেই ঘূৰিব ধৰিছে, কি প্ৰশ্ন সুধিব লাগে একোৱেই মোৰ মনত নপৰা হ'ল। বিচাৰকে নিশ্চয় মোৰ অৱস্থা দেখি হাঁহিছিল আৰু আন উকীলসকলে এই দৃশ্য আমোদজনক ভাবে উপভোগ কৰিছিল।

মই একো নেদেখা হ'লো। মই বহি পৰিলো আৰু মোক উকীল ধৰা লোকজনক মই মোকৰ্দ্দমা চলাব নোৱাৰো বুলি ক'লো আৰু শ্ৰীপেটেলক উকীল ধৰিবলৈ ক'লো। মোক দিয়া বায়নাৰ টকা ঘূৰাই নিবলৈ ক'লো। তেওঁলোক শ্ৰীপেটেলক ৫১৲ টকা দি উকীল নিযুক্ত কৰিলে। তেওঁৰ কাৰণে অৱশ্যে এই মোকৰ্দ্দমা ল'বাৰ ধেমালিৰ দৰে আছিল।

"মই লৰালৰিকৈ আদালতৰ পৰা ওলাই গ'লো। মোকৰ্দ্দমাত মোৰ মক্কেল জিকিল নে হাৰিল জানিবৰ নহ'ল। মোৰ নিজৰ ওপৰতে বৰ লাজ লাগিছিল আৰু মোকৰ্দ্দমা চলাব পৰা যথেষ্ট সাহস গোটাব নোৱাৰালৈকে মই কোনো মোকৰ্দ্দমা নলবলৈ থিৰ কৰিলো। গতিকে মই শিক্ষকৰ কাম এটা লোৱাৰ কথা চিন্তা কৰিলো। মোৰ ইংৰাজীৰ জ্ঞান ভালেই আছিল আৰু কোনো এখন স্কুলত মেট্ৰিকুলেচন পৰ্য্যায়-লৈকে ছাত্ৰক ইংৰাজী শিকাবলৈ ভাল পালোহেঁতেন। ইয়াৰ দ্বাৰা মই অন্ততঃ খৰছৰ কিছুভাগ যোগাৰ কৰিব পাৰিলোহেঁতেন। বাতৰি কাকত এখনত বিজ্ঞাপন দেখিলো 'দিনে এঘণ্টাকৈ শিকাবৰ বাবে এজন ইংৰাজী শিক্ষক লাগে। দৰমহা ৭৫৲ টকা।' এই বিজ্ঞাপন প্ৰখ্যাত হাইস্কুল এখনৰ আছিল। মই এই পদৰ বাবে প্ৰাৰ্থী হ'লো আৰু দেখা কৰিবৰ বাবে মোক মাতিলে। বৰ আশা কৰি তালৈ গ'লো কিন্তু মই স্নাতক নহয় বুলি অধ্যক্ষ গৰাকীয়ে মোক চাকৰি দিব নোৱাৰে বুলি ক'লে। মই ক'লো, 'মই দেখোন দ্বিতীয় ভাষা হিচাবে লেটিন লৈ লণ্ডনৰ মেট্ৰিকুলেচন পৰীক্ষা পাছ কৰিছো।' অধ্যক্ষ গৰাকীযে ক'লে, 'হয়, কিন্তু আমাক স্নাতক এজনহে লাগে।'

"তাত আৰু কোনো উপায় নাছিল। মই বৰ হতাশ হ'লো। ককাইদেৱো বৰ চিন্তিত হ'ল। আমি দুয়ো ভাবি-চিন্তি এই সিদ্ধান্ত-লৈ আহিলো যে বোম্বাইত থাকি আৰু সময় নষ্ট কৰাৰ কোনো প্ৰয়োজন নাই। হতাশ হৈ বোম্বাই এৰি মই ৰাজকোটলৈ গুচি আহিলো আৰু তাতে ওকালতি আৰম্ভ কৰিলো। ইয়াত মোৰ একাহিচাবে ভালেই চলিছিল। আৰ্জ্জি, দৰখাস্ত, আপীল আদিৰ মুচাবিদা কৰি দি গড হিচাবে মাহে তিনিশ টাকা মান ৰোজগাৰ হৈছিল। ইয়াত অৱশ্যে মোৰ নিজৰ যোগ্যতাতকৈ সহায় আৰু প্ৰভাবেহে বেচি কাম কৰিছিল। মোৰ ককাইদেউৰ লগত অংশীদাৰ হিচাবে চলা

বন্ধুজনৰ ওকালতি ব্যবসায় স্থায়ী আৰু ভাল আছিল। তেওঁ দৰ্কাৰী জটিল বুলি ভবা দৰখাস্ত-পাতিৰ কাগজবোৰ আন ডাঙৰ বেৰিষ্টাৰলৈ পঠাইছিল আৰু দুখীয়া মক্কেল সকলৰ দৰখাস্ত-পাতিৰ মুচাবিদা -কৰা কামবোৰ মোৰ ভাগত পৰিছিল।"

এইদৰে গান্ধীয়ে ওকালতি জীৱন আৰম্ভ কৰিছিল।

প্ৰথম আঘাত আৰু থকা-খুন্দা

গান্ধীৰ ককাযেক সেই সময়ত পোৰবন্দৰৰ ভূতপূৰ্ব্ব ৰাণাচাহাবৰ চেক্ৰেটৰী আৰু উপদেষ্টা আছিল। এই ৰাণাচাহাবে তেতিয়া শাসন-ভাৰ পোৱা নাছিল। গান্ধীৰ ককাযেকে ৰাণাচাহাবৰ চেক্ৰেটৰী আৰু উপদেষ্টা হিচাবে ভুল আৰু অনুচিত পৰামৰ্শ দিয়া বুলি তেওঁৰ বিৰুদ্ধে কেতবোৰ অভিযোগ চলি আছিল। বিষয়টো পলিটিকেল এজেণ্টৰ হাতলৈ গৈছিল আৰু সেই বিষযাজনে গান্ধীৰ ককায়েকৰ প্ৰতি যুক্তিহীনভাবে বিৰূপ মনোভাব লৈ আছিল। বিলাতত থাকোতে এই বিষয়াজনৰ লগত গান্ধীৰ পৰিচয় হৈছিল আৰু একপ্ৰকাৰ বন্ধুত্বও গঢ়ি উঠিছিল। এই বন্ধুত্বৰ খাতিৰত প্ৰকৃত কথাটো বুজাই দি তেওঁৰ বিৰুদ্ধে মিছাকৈ পোষণ কৰি থকা বেয়াভাব পলিটিকেল এজেন্টৰ পৰা আঁতৰ কৰিব পাৰি নেকি ভাবি চাবলৈ ককায়েকে গান্ধীক কলে আৰু এবাৰ লগ ধৰি চাবলৈ গান্ধীক ধৰিলে। গান্ধীয়ে কিন্তু কথাটো ভাল নাপালে। ইংলণ্ডত হোৱা পৰিচয় আৰু সামান্য বন্ধুত্বৰ সুযোগ লৈ বিষয়াজনক খাতিৰ কৰাটো তেওঁৰ অনুচিত যেন লাগিল। ককায়েক যদি সঁচাকৈ দোষী তেন্তে কৈ কি লাভ হব, আৰু যদি সঁচাকৈ নিৰ্দ্দোষী তেন্তে নিৰ্দ্দোষিতা প্ৰমাণ কৰিবলৈ দৰ্খাস্ত এখন নিয়মমতে দি অভিযোগৰ সমুখীন হোৱাই ভাল বুলি ভাবিলে। কিন্তু ককায়েকে এই পৰামৰ্শ সমৰ্থন কৰিব নোৱাৰিলে। তেওঁ ক'লে, "তুমি কাথিৱাড় এতিয়াও চিনাই নাই আৰু জগতখনো বুজি পোৱা নাই। ইয়াত প্ৰতিপত্তি আৰু প্ৰভাবেহে কাম কৰে। তুমি মোৰ ভাই হৈ উদাসীন হৈ থকা উচিত হোৱা নাই আৰু যেতিয়া তোমাৰ লগত

পৰিচয় থকা বিষয়াজনক মোৰ হৈ এবাৰ কৈ মোৰ উপকাৰ কৰিব পাৰা তাকে নকৰিলে তোমাৰ কৰ্ত্তব্য অবহেলা কৰা হব।"

অবশেষত গান্ধীয়ে ককায়েকক এৰাব নোৱাৰি ইচ্ছাৰ বিৰুদ্ধেও সেই বিষয়াজনক লগ ধৰিবলৈ গ'ল। কিন্তু এইদৰে বিষয়াজনৰ ওচৰ চপাতো তেওঁৰ আত্মসন্মান আৰু বিবেকৰ বিপৰীতে কাম কৰিবলৈ যোৱা যেন লাগিল। গান্ধীয়ে বিষয়াজনৰ দৰ্শন বিচাৰিলে আৰু তেওঁক মাতিলে। গান্ধীয়ে তেওঁৰ লগত বিলাতত হোৱা পৰিচয়ৰ কথা উল্লেখ কৰিলে কিন্তু তাৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি তেওঁ তৎক্ষণাত উপলব্ধি কৰিলে যে কাথিৱাড় ইংলণ্ড নহয় আৰু একেজন মানুহ হ'লেও ছুটীত থকা বিষয়াজন পদত অধিষ্ঠিত বিষযাজনতকৈ সম্পূৰ্ণ বেলেগ। পলিটিকেল এজেণ্টজনে তেওঁৰ লগত হোৱা পৰিচয় স্বীকাৰ কৰিলে সচা কিন্তু পৰিচয়ৰ কথা উল্লেখ কৰাটোৱেই যেন অপৰাধহে হ'ল। তেওঁ কঠুৱাভাৱে ক'লে, "আপুনি বোধহয় সেই পৰিচয়ৰ অপব্যৱহাৰ কৰিব অহা নাই, নহয জানো ?" এই কথাষাৰেই তেওঁৰ দাম্ভিক আৰু কঠোৰ মনোবৃত্তি প্ৰকাশ কৰিলে আৰু তেওঁ চকুমুখো ঘোপা কৰি ললে। তথাপিও গান্ধীয়ে বক্তব্য কথাৰ পাতনি মেলিলে। চাহাব অধৈয্য হ'ল। ককায়েকৰ নামটো শুনা মাত্ৰকে তেওঁ গৰ্জ্জি উঠিল— "আপোনাৰ ভাই এজন চক্ৰান্তকাৰী লোক। মই আপোনাৰ আৰু কোনো কথাই শুনিব নোখোজো। মোৰ সময় নাই। যদি ভায়েকৰ কিবা কবলগীয়া আছে তেন্তে তেওঁক নিয়মমতে আবেদন কৰিব কব।" এই উত্তৰ শুনাৰ পিচতো গান্ধীয়ে ককায়েকৰ কথাটো আকৌ কবলৈ চেষ্টা কৰিলে কিন্তু চাহাব উঠিল আৰু ক'লে, "আপুনি এতিয়া যাব পাৰে।" এই উত্তৰেই যথেষ্ট আছিল তথাপি গান্ধীয়ে কব চেষ্টা কৰিলে—

……—"অনুগ্ৰহ কৰি মোক কথাটো শুনকচোন, মোক শেষ কৰিব দিয়ক।" এইবাৰ তেওঁৰ খং আৰু চৰিল। চাহাবজনে পিয়ন এটাক মাতি গান্ধীক উলিয়াই দিবলৈ ক'লে। তেতিয়াও গান্ধীয়ে ইতস্ততঃ কৰি থকাত পিয়নজন আহি তেওঁৰ কান্ধত ধৰি কোঠালীটোৰ পৰা বাহিৰ কৰি দিলে।

গান্ধী খঙে অপমানে জৰ্জ্জৰিত হৈ গুছি আহিল। তেওঁ তৎক্ষণাত এই সম্পৰ্কে এইদৰে চিঠি এখন লিখি পলিটিকেল এজেণ্টজনলৈ, পঠালে

"আপুনি মোক অপমান কৰিলে আৰু আপোনাৰ পিয়নৰ হতুৱাই মোক মাৰপিট কৰালে। আপুনি যদি ইয়াৰ ক্ষতিপূৰণ নকৰে তেতিয়াহলে মই আপোনাৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ বাধ্য হ'ম।"

গান্ধীৰ এই চিঠি পাই তৎক্ষণাত পলিটিকেল এজেণ্টজনে তেওঁৰ অশ্বাৰোহী পুলিচজনৰ হাতত গান্ধীলৈ এই মৰ্ম্মে উত্তৰ দি পঠিয়ালে "আপুনি মোক বেয়া ব্যৱহাৰ কৰিছিল। মই আপোনাক যাব কোৱা সত্বেও যোৱা নাছিল। পিয়নজনক মাতি আপোনাক ওলাই যোৱা বাট দেখুৱাই দিবলৈ কোৱাৰ বাহিৰে মোৰ অন্য উপায নাছিল। পিয়নজনে আপোনাক যাব কোৱাতো আপুনি নলৰিল। গতিকে তেওঁ আপোনাক বাহিৰ কৰি পঠাবলৈ নিম্নতম প্ৰয়োজনীয় বল প্ৰয়োগ কৰিবলগীয়া হৈছিল। আপোনাৰ ইচ্ছামতে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।"

এই চিঠিখন জেপত লৈ গান্ধীযে লাজে অপমানে ঘৰলৈ আহিল আৰু ককাযেকক সকলো ক'লে। ককায়েকৰ অত্যন্ত দুখ লাগিল আৰু কিহেৰে গান্ধীক সান্ত্বনা দিব ভাবি নোপোৱা হ'ল। এই চাহাবৰ বিৰুদ্ধে কিবা গোচৰ উত্থাপন কৰিব পাৰি নেকি তেওঁ লগৰীযা উকীল বন্ধুসকলৰ লগত পৰামৰ্শ কৰিলে। সেই সমযত চাৰ ফিৰোজচাহ মেহটা কিবা মোকৰ্দ্দমা সংক্ৰান্তত বোম্বাইৰ পৰা আহি ৰাজকোটত আছিল। বন্ধু-বান্ধৱ সকলে গান্ধীক বিখ্যাত বেৰিষ্টাৰ মেহটাৰ লগত এই সম্পৰ্কে পৰামৰ্শ হবলৈ ক'লে। কিন্তু ওচৰ চাপি পৰামৰ্শ হবলৈ গান্ধীৰ সাহসে নুকুলাল। তেওঁৰ নিচিনা তলৰ বেৰিষ্টাৰ এজনে কি সাহেৰে মেহটাক দেখা কৰিব?—গান্ধীয়ে বন্ধুসকলক ক'লে। গতিকে যিজন উকীলে মেহটাক মোকৰ্দ্দমা চলাবলৈ আনিছিল তেওঁৰ জৰিয়তে তেওঁৰ উপদেশ প্ৰাৰ্থনা কৰি সকলো কাগজ-পত্ৰ মেহটালৈ পঠাই দিলে। মেহটাই কাগজ-পত্ৰবোৰ চাই ক'লে— "গান্ধীক কৰা এনে ঘটনা বহু উকীল আৰু বেৰিষ্টাৰৰ হৈ থকা সাধাৰণ অভিজ্ঞতা। তেওঁ অলপাতেহে বিলাতৰ পৰা আহিছে আৰু তেজো গৰম হৈ আছে। তেওঁ বৃটিশ বিষয়াক জনা নাই। তেওঁ যদি কিছু উপাৰ্জ্জন কৰিব খোজে আৰু শান্তিৰে থাকিব বিচাৰে তেন্তে এই কাগজ-পত্ৰবোৰ ফালি পেলাব কৰা আৰু এই অপমান উদৰস্থ কৰিব লাগিব। এই চাহাবজনৰ বিৰুদ্ধে গোচৰ কৰি তেওঁৰ একো লাভ নহব বৰং তাৰ পৰিবৰ্ত্তে

তেওঁৰ সৰ্ব্বনাশ মাতি অনাহে হব। তেওঁক কবা এতিয়াও তেওঁ জীৱন চিনিব বহুত বাকী।”

এই পৰামৰ্শ বিহৰ দৰে তিতা হ’লেও গান্ধীয়ে তাক নামানি অন্যথা কৰাৰ উপায় নাছিল। এই অপমান সহ্য কৰিব লগা হ’ল যদিও তেওঁৰ উপকাৰো হ’ল। ভবিষ্যতে যাতে কেতিয়াও এইদৰে ঠগ খাবলগীয়া পৰিস্থিতিত নপৰে আৰু বন্ধুতাৰ সুযোগ লৈ কোনো অনুগ্ৰহ আশা নকৰে তাৰ বাবে মন বান্ধিলে। এই আঘাতটোৱে গান্ধীৰ জীৱনৰ গতি অন্যফালে ঘোৱাই দিলে। ইযাৰ পিচত কোনো পৰিস্থিতিয়ে তেওঁৰ মনৰ এই দৃঢ়তা শিথিল কৰা নাছিল।

এই ঘটনাটোৱে গান্ধীৰ মনত নানা চিন্তাৰ জোঁৱাৰ তুলিছিল। এই বিষয়াজনৰ ওচৰলৈ যোৱাটো যে তেওঁৰ ভুল হৈছিল তাৰ বাবে অনুতাপ কৰিছিল কিন্তু বিষযাজনৰ অভদ্ৰতা, দম্ভালি, অধৈৰ্য্য আৰু খঙৰ পৰিমাণ এই ভুলৰ লগত কোনো সঙ্গতি নাছিল। অপমান কৰি ঘৰৰ পৰা বাহিৰ কৰি দিবলগীযা দোষ তেওঁ কৰা নাছিল। ই আছিল ক্ষমতাৰ মাদকতা। গান্ধীযে এই আচৰণ কোনোমতেই অন্তৰেৰে মানি লব নোৱাৰিলে আৰু অন্তৰাত্মাই গুমৰি থাকিল। এই অন্যাযৰ প্ৰতিকাৰৰ অৰ্থে আইনৰ সহায লব বুলি জনোৱাৰ পিছত একো নকৰাকৈ আহিব গান্ধীয়ে টান পালে। কিন্তু এই পৰিস্থিতিত সম্প্ৰতি কিবা কৰিবৰো পথ বিচাৰি নাপালে।

ইতিমধ্যে গান্ধীযে দেশৰ ক্ষুদ্ৰ ৰাজনীতিৰ কথাবিলাক জানিব ধৰিলে। কাথিৱাড় কেবাখনো সৰু সৰু ৰাজ্যৰ সমষ্টি আছিল। ইয়াত চক্ৰান্ত, ষড়যন্ত্ৰ আদিযেহে ক্ষুদ্ৰ ৰাজনীতি পৰিচালনা কৰিছিল। ৰজাসকলে আনৰ সহায সদায় আশা কৰিছিল আৰু তোষামোদকাৰীৰ কথাত পতিযন গৈ কাম কৰিছিল। আনকি চাহাবৰ পিয়নজনকো খাতিৰ কৰিব লগীয়া হৈছিল, চাহাবৰ চিৰস্তাদাৰ জনেই সৰ্বেসৰ্ব্বা আছিল আৰু চাহাবতকৈও তেওঁৰহে ক্ষমতা বেচি আছিল কাৰণ চাহাবে এই চিৰস্তাদাৰৰ কথামতেহে কাম কৰিছিল। চাহাবে চিৰস্তা-দাৰৰ চকুৰেহে দেখিছিল আৰু তেওঁৰ কাণেৰেহে শুনিছিল আৰু চিৰস্তাদাৰৰ কথাৰেহে সকলো কথা বুজিছিল। গতিকে চিৰস্তাদাৰৰ ইচ্ছাই আইন আছিল আৰু চিৰস্তাদাৰৰ উপাৰ্জ্জন চাহাবৰ উপাৰ্জ্জনতকৈ

বহুত বেচি বুলি মানুহে কোৱা-মেলা কৰিছিল। ই অলপ অতিৰঞ্জিত হ'লেও এইটো সঁচা আছিল যে চিৰস্তাদাৰে যি বেতন পাইছিল তাতকৈ বহুত বেচি টকা খৰছ কৰি চলিছিল। ৰজাসকল যেন এই চিৰস্তাদাৰৰ তলতীয়াহে, বহুত সময় তেনেদৰে চলিছিল।

এইবোৰ দেখিশুনি গান্ধীৰ মনত বৰ বেজাৰ লাগিল। দেশৰ গোটেই পৰিবেশটোৱেই তেওঁৰ বিৰুদ্ধে উঠা যেন লাগিল আৰু এই বিষাক্ত পৰিবেশত কাল কটোৱাই তেওঁৰ সমস্যা হৈ উঠিল। তেওঁ বৰ নিৰুৎসাহ হৈ পৰিল। তেওঁৰ মনৰ মতিগতি আৰু নিৰুৎসাহ ভাব লক্ষ্য কৰি ককায়েকো বৰ চিন্তিত হ'ল। কিবা এটা ভাল চাকৰি-বাকৰি পালেও এনে কপটতাপূৰ্ণ পৰিবেশৰ আঁতৰত থাকিব পাৰিলেহেঁতেন। কিন্তু মন্ত্ৰীপদ বা বিচাৰকৰ পদ কুটবুদ্ধি খটুৱাব নোৱাৰিলে পোৱাৰ অবকাশ নাছিল। বৰ চাহাবৰ লগত কাজিয়া কৰাৰ পিচত ভালভাবে ওকালতি কৰাও টান হৈ পৰিল। এনে পৰিস্থিতিত ভাবি-চিন্তি গান্ধী বৰ বিমোৰত পৰিছিল।

এনে সময়তে পোৰবন্দৰৰ মেমন ব্যৱসায় প্ৰতিষ্ঠান এটাই গান্ধীৰ ককায়েকলৈ এই প্ৰস্তাৱ দি চিঠি এখন লিখিলে—"দক্ষিণ আফ্ৰিকাত আমাৰ ব্যৱসায় আছে। আমাৰ এইটো এটা ডাঙৰ ব্যৱসায় প্ৰতিষ্ঠান। আদালতত আমাৰ ৪০ হাজাৰ পাউণ্ডৰ এটা ডাঙৰ মোকৰ্দ্দমা আছে। এই মোকৰ্দ্দমাটো বহুদিন ধৰি চলি আছে। তাত থকা ডাঙৰ ডাঙৰ উকীল বেৰিষ্টাৰ কেইবাজনো আমি নিয়োগ কৰিছো। আপুনি যদি ভায়েক গান্ধীক তালৈ পঠায় তেন্তে তেওঁৰো উপকাৰ হব আৰু আমাৰো সহায় হব। তেওঁ আমাৰ উকীলসকলক আমাতকৈ ভালকৈ বুজাব পাৰিব আৰু পৃথিবীৰ নতুন ঠাই এখনো দেখিব আৰু নতুন নতুন মানুহৰ লগত পৰিচয় হবও পাৰিব।"

এই চিঠি পাই গান্ধীযে কিমানদিনৰ বাবে তেওঁৰ প্ৰয়োজন হব আৰু তেওঁৰ বায়না আদি কি দিব সুধি পঠালে। তাৰ উত্তৰত তেওঁক সেই ব্যৱসায় প্ৰতিষ্ঠানটোৱে জনালে যে তেওঁক এবছৰৰ বেচি নালাগে আৰু প্ৰথম শ্ৰেণীৰ অহা-যোৱা ভাড়া আৰু থকা-মেলাৰ সকলো সা-সুবিধা দিয়াৰ উপৰিও ১০৫ পাউণ্ড দিব।

এই উত্তৰ পাই গান্ধীয়ে ভাবি চালে। যদিও তালৈ ওকালতি

কৰিব যোৱাৰ পৰিবৰ্ত্তে সেই ব্যৱসায় প্ৰতিষ্ঠানৰ চাকৰি কৰিব যোৱাৰ দৰেহে আছিল, তথাপি গান্ধীয়ে কিছুদিনৰ বাবে ভাৰতৰ পৰা আঁতৰি থকাৰ সুযোগ গ্ৰহণ কৰিবলৈ মনস্থ কৰিলে। তাৰ উপৰিও ঘৰ-সংসাৰ চলোৱাৰ বাবে ককায়েকক যদি ১০৫ পাউণ্ড দিও সহায় কৰিব পাৰে সিও এটা ডাঙৰ কাম হব। এইদৰে ভাবি-চিন্তি আৰু দাম-দৰ নকৰি গান্ধীয়ে সেই প্ৰস্তাবতে সন্মত হৈ দক্ষিণ আফ্ৰিকালৈ যোৱাৰ সিদ্ধান্ত কৰিলে।

দক্ষিণ আফ্ৰিকাত মহাত্মা গান্ধী

১৮৯৩ চনৰ এপ্ৰিল মাহত গান্ধী জাহাজেৰে দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰিলে। জাহাজৰ কেপ্টেইনজনৰ লগত গান্ধীৰ ভাল বন্ধুত্ব গঢ়ি উঠিছিল। এই কেপ্টেইনজনৰ লগত জাহাজত গান্ধীয়ে দাবা খেল শিকিছিল আৰু দাবা খেলি সময় কটাইছিল। তেৰদিন মান যোৱাৰ পিচত প্ৰথম বন্দৰ লামুত জাহাজ চাপিল। এই বন্দৰত জাহাজখন তিনি চাৰি ঘন্টামান ৰোৱাৰ কথা। গান্ধীয়ে বন্দৰটো চাবলৈ জাহাজৰ পৰা নামি আহিল। কেপ্টেইনজনে কিন্তু গান্ধীক বেচি পলম নকৰিবলৈ সাৱধান কৰি দিছিল কিয়নো এই বন্দৰত কিমান সময় জাহাজ লাগি থাকিব পাৰে তাৰ কোনো নিশ্চয়তা নাই। ঢৌ আৰু সোঁত প্ৰবল হ'লেই জাহাজ বন্দৰৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু জাহাজ এৰি দিব লগাত পৰে। গান্ধীয়ে জাহাজৰ পৰা নামি ডাক-ঘৰলৈ গ'ল আৰু তাত ভাৰতীয় কেৰাণী কেইজন-মানক লগ পাই আনন্দেৰে কথা-পাতি থাকিল। ইতিমধ্যে ঢৌ আৰু পানীৰ সোঁত কোবাল হোৱাত জাহাজ পাৰৰ পৰা আঁতৰি গ'ল আৰু জাহাজ এৰি দিয়াৰ যোগাৰ কৰিলে। জাহাজ এবাৰ প্ৰথম সুহুৰি মাৰিলেই। গান্ধীয়ে লৰালৰিকৈ আহি জাহাজ এৰাৰ সময় হোৱা দেখি বিমোৰত পৰিল। নাও এখনত উঠি জাহাজৰ কাষলৈ আহিব যিমানেই চেষ্টা কৰে জাহাজৰ কাষ পাওঁ পাওঁ হওঁতেই আকৌ ঢৌৱে কোবাই নাওখন আঁতৰ কৰি পেলায়। গান্ধী বৰ

বিমোৰত পৰিল। এজন বন্ধুৱে গান্ধীৰ বাবে আন এখন নাও অনালে। ইতিমধ্যে জাহাজৰ চিৰি তুলি পেলালে। কেপ্টেইনজনে গান্ধীৰ দুৰৱস্থা দেখি আৰু পাঁচমিনিট জাহাজ ৰখাৰ হুকুম দিলে আৰু অৱশেষত এডাল ৰচিৰে গান্ধীক নাওখনৰ পৰা জাহাজত তুলিলে। গান্ধীৰ লগত পাৰলৈ নামি যোৱা ডেকৰ যাত্ৰী কেইবাজনো জাহাজত উঠিবই নোৱাৰিলে। জাহাজ এৰি দিলে। গান্ধীয়ে কেপ্টেইনজনৰ সাবধান বাণীলৈ ভালকৈ মন নকৰা বাবে লাজ পালে। ইয়াৰ পিচত মোম্বাচা, জাঞ্জিবৰ আৰু মোজাম্বিক বন্দৰ পাৰহৈ গৈ মে মাহৰ শেষত জাহাজ নাটাল পালেগৈ।

এই নাটাল বন্দৰেই ডাৰ্বান। গান্ধীক আগবঢাই নিবলৈ সেই প্ৰতিষ্ঠানৰ বিখ্যাত মহাজন আবদুল্লা শেঠ জাহাজ ঘাটলৈ আহিছিল। গান্ধীয়ে লক্ষ্য কৰিছিল যে বন্ধুবান্ধৱক লগ পাবলৈ বন্দৰলৈ অহা মানুহবোৰে ভাৰতীয় লোকসকলৰ প্ৰতি সম্মানজনক ব্যৱহাৰ কৰা নাছিল। শেঠ আব্দুল্লাৰ লগত পৰিচয় থকা লোক সকলেও কথা-বতৰা পাতোঁতে তেওঁৰ প্ৰতি দেখুওৱা অবজ্ঞাৰ ভাব গান্ধীৰ চকুত পৰিছিল। দক্ষিণ আফ্ৰিকাৰ মাটি গছকিবলৈ নৌ পাওঁতেই জাহাজৰ পৰাই ভাৰতীয় লোকৰ প্ৰতি কৰা অবজ্ঞা আৰু অভদ্ৰ আচৰণ দেখি গান্ধীৰ চকুত বৰকৈ বাজিছিল। শেঠ আব্দুল্লা এনে ব্যৱহাৰৰ প্ৰতি অভ্যস্ত আছিল। গান্ধীৰ পোছাক-পৰিচ্ছদ তাত বাস কৰা ভাৰতীয় সকলতকৈ বেলেগ আছিল। ডিঙিত বুটাম মৰা কোট আৰু মূৰৰ পাগুৰিৰে গান্ধীক মানুহবিলাকে কৌতূহলেৰে চাইছিল আৰু এই আচহুৱা ভাব মানুহবিলাকৰ চকুত ফুটি উঠিছিল।

দুদিনমান পিছত শেঠ আব্দুল্লাই গান্ধীক ডাৰ্বানৰ আদালত দেখুৱা-বলৈ লৈ গ'ল। আদালতত শেঠে গান্ধীক ভালেমান মানুহৰ লগত পৰিচয় কৰি দিলে। গান্ধীয়ে আদালতত শেঠ আব্দুল্লাহতৰ এটৰ্ণীৰ ওচৰতে বহিল। আদালতৰ হাকিমজনে আচৰিত ভাবে একেথৰে গান্ধীৰ ফালে চাই থাকিল আৰু অবশেষত গান্ধীক পাগুৰিটো খহাই লবলৈ আদেশ দিলে। গান্ধীয়ে মূৰৰ পাগুৰি সোলোকাবলৈ মান্তি নহ'ল আৰু আদালতকে এৰি গুচি আহিল। দক্ষিণ আফ্ৰিকাতো গান্ধীৰ ভাগ্যত সংগ্ৰামেই আছিল। আদালতত ভাৰতীয় লোকক মূৰত

পাগুৰি ৰাখিবলৈ নিদিয়া অন্যায় ব্যৱস্থা আক্ৰমণ কৰি গান্ধীয়ে বাতৰি কাকতত প্ৰৱন্ধ লিখিলে আৰু সিদিনা আদালতত হোৱা ঘটনাৰ প্ৰতিবাদ কৰিলে। এই কথালৈ কাগজে-পত্ৰই বাদানুবাদ চলিল। কোনোৱে গান্ধীক সমৰ্থন কৰিলে, কোনোৱে গান্ধীৰ এই দাবী ধৃষ্টতা বুলি ইতিকিং কৰিলে। আদালতত হোৱা পাগুৰি সংক্ৰান্ত ঘটনাটোৱে অতি সোনকালে গান্ধীক দক্ষিণ আফ্ৰিকাত চিনাকি কৰি তুলিলে আৰু গান্ধী এচাম লোকৰ পৰা অবাঞ্ছিত অতিথিৰ আখ্যা পালে। গান্ধীযে কিন্তু পাগুৰি নেৰিলে আৰু দক্ষিণ আফ্ৰিকাত থকা কালছোৱাৰ শেহলৈকে পাগুৰি পিন্ধিয়েই থাকিল।

প্ৰিটোৰিয়া যাত্ৰা

ডাৰ্বানত আব্দুল্লা শেঠৰ লগত থাকি গান্ধীয়ে তাত থকা প্ৰতিপত্তি-শীল আৰু নেতৃস্থানীয় ভাৰতীয় লোকসকলৰ লগত পৰিচিত হ'ল আৰু অতি কম সময়তে ঘনিষ্ঠতালৈ আহিল। শ্বেতাঙ্গ লোকসকলে ভাৰতীয় লোকসকলৰ প্ৰতি কৰা ঘৃণা, অৱজ্ঞা আৰু অসৎ আচৰণৰ বাবে গান্ধীৰ মনত বৰ আঘাত লাগিল আৰু তেওঁৰ মন বিদ্ৰোহী হবলৈ আৰম্ভ কৰিলে।

ইতিমধ্যে আব্দুল্লা শেঠৰ উকীলে তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠানৰ মোকৰ্দ্দমা সংক্ৰান্তত তেওঁক বা তেওঁৰ প্ৰতিনিধিক প্ৰিটোৰিয়ালৈ মাতি পঠালে। আব্দুল্লা শেঠে গান্ধীক প্ৰিটোৰিয়ালৈ গৈ মোকৰ্দ্দমা সম্পৰ্কে সহায় কৰিবলৈ ক'লে। গান্ধীয়ে তেওঁলোকৰ কৰ্ম্মচাৰীসকলৰ পৰা মোকৰ্দ্দমাটোৰ সকলো বিবৰণ আৰু তথ্যপাতি বুজি লৈ প্ৰিটোৰিয়ালৈ যাবলৈ সাজু হ'ল।

ডাৰ্বানত মাত্ৰ সাতদিন থাকি গান্ধী প্ৰিটোৰিযালৈ যাত্ৰা কৰিলে। তেওঁৰ বাবে ৰেলৰ প্ৰথমশ্ৰেণীৰ ডবাৰ টিকট লোৱা হৈছিল। ৰেলত ৫ চিলিং অতিৰিক্ত মাছুল দি প্ৰথমশ্ৰেণীৰ যাত্ৰীসকল একোখন বিচনা লব পাৰিছিল। গান্ধীয়ে কিন্তু বিচনাৰ বাবে অতিৰিক্ত ৫ চিলিং খৰছ কৰিবলৈ ইচ্ছা নকৰিলে আৰু বিচনা নল'লে। আব্দুল্লা শেঠে বিচনা

বুক কৰিবলৈ জোৰ কৰা স্বত্বেও গান্ধী মান্তি নহ'ল। আব্দুল্লা শেঠে গান্ধীক ক'লে যে নাটাল ভাৰতবৰ্ষ নহয়, ই এখন বেলেগ দেশ আৰু তাৰ পৰিবেশ, আচৰণ সকলো ভাৰততকৈ বেলেগ। গতিকে সাবধানে চলা উচিত। তেওঁ আৰু ক'লে যে ভগবানৰ কৃপাত তেওঁলোকৰ পইচাৰ অভাব নাই আৰু গান্ধীয়ে যেন কটকিনা ভাবে নচলে। তথাপি গান্ধীয়ে বিচনাৰ বাবে অতিৰিক্ত ৫ চিলিং দি বিচনা ভাৰা কৰিবলৈ অমান্তি হ'ল।

ৰাতি ন-মান বজাত গাড়ী নাটালৰ ৰাজধানী মাৰিজবাৰ্গ পালে। ৰেলৰ কৰ্ম্মচাৰী এজনে গান্ধীক বিচনা লাগিব নেকি বুলি সোধাত তেওঁ নালাগে বুলি ক'লে। তাৰ পিচতে এজন যাত্ৰী আহি গান্ধীৰ মূৰৰপৰা ভৰিলৈকে নিৰীক্ষণ কৰিলে। প্ৰথম শ্ৰেণীৰ ডবাত 'ক'লা' মানুহ এজন দেখি তেওঁ বিৰক্ত আৰু আচৰিত হ'ল। ডবাৰপৰা নামি গৈ কেইজনমান ৰেলৰ কৰ্ম্মচাৰীক লগত লৈ যাত্ৰীজন পুনৰ ডবাটোলৈ আহিল। আন এজন ৰেল কৰ্ম্মচাৰী গান্ধীৰ ওচৰলৈ গ'ল আৰু গান্ধীক সেই ডবাৰ পৰা নামি মালগাড়ীৰ ডবাত উঠিবলৈ ক'লে। গান্ধীয়ে প্ৰতিবাদ কৰি ক'লে যে তেওঁ সেই ডবাৰ পৰা নামি নাযায় আৰু তেওঁৰ প্ৰথম শ্ৰেণীৰ টিকেট আছে। কৰ্ম্মচাৰীজনে খঙেৰে ক'লে, "প্ৰথম শ্ৰেণীৰ টিকেট থাকিলেও একো নহয়। ভালে ভালে কৈছো, মালগাড়ীৰ ডবালৈ যোৱা। তুমি তালৈ যাবই লাগিব!" গান্ধীয়ে ক'লে, "ডাৰ্বানত মোক প্ৰথম শ্ৰেণীৰ ডবাত ভ্ৰমণ কৰিবলৈ অনুমতি দিয়া হৈছে। মই ইয়াতেই যাম।" কৰ্ম্মচাৰী জনে ক'লে, "তুমি ইয়াত যাব নোৱাৰা। এই ডবা এৰি যোৱা। নহ'লে পুলিচক মাতি ইয়াৰ পৰা গতিয়াই দিম।" গান্ধীয়ে ক'লে, "গতিয়াই দিব পাৰা, মই স্বইচ্ছাই ইয়াৰ পৰা নাযাওঁ—"

কৰ্ম্মচাৰীজনে কনিষ্টবল এজন লগত লৈ আহিল। এই কনিষ্টবল জনে গান্ধীৰ হাতত ধৰি ডবাৰ পৰা চোচৰাই বাহিৰলৈ লৈ গ'ল। তেওঁৰ মালপত্ৰবোৰো বাহিৰলৈ দলিয়াই দিলে। গান্ধীয়ে কিন্তু সিহঁতে দেখুৱাই দিয়া গাড়ীৰ ডবাত নুঠিল আৰু গাড়ী এৰি দিলে। তেওঁ ষ্টেচনৰ জিৰণি ঘৰটোলৈ গ'ল আৰু ঠেৰেঙা লগা জাৰত বহি থাকিল। তেওঁৰ লগত মাত্ৰ হাতমোনাটোহে আছিল। গৰম কোটটোও বিচনাপত্ৰৰ লগত মেৰাই থোৱা আছিল। প্ৰথম শ্ৰেণীৰ ডবাৰ পৰা বাহিৰলৈ উলিয়াই

দিয়া গান্ধীৰ মালপত্ৰবোৰ তাতেই পৰি থাকিল। গান্ধীয়ে সেইবোৰ সামৰি লোৱা নাছিল আৰু গাড়ী যোৱাৰ পিছত ষ্টেচনৰ কৰ্ম্মচাৰীয়ে মালপত্ৰবোৰৰ দাযিত্ব লৈছিল। গতিকে পুনৰ অপমান পাব বুলি ভয় কৰি গৰম কোটটো তাৰ পৰা খুজি আনিবলৈ তেওঁ ইচ্ছা নকৰিলে। দক্ষিণ আফ্ৰিকাৰ ওখ ঠাইবোৰ অতিপাত ঠাণ্ডা। সেই সময়টো তাতে আছিল শীতকাল। গতিকে গান্ধীয়ে গাত পিন্ধি থকা কাপোৰেৰে জাৰত কঁপি কঁপি বহি থাকিল। আনকি জিৰণিঘৰৰ কোঠাটোত পোহৰৰ ব্যৱস্থাও নাছিল। মাজনিশা আন এজন যাত্ৰী আহি তেওঁৰ সৈতে কথাবতৰা হবৰ মন কৰিছিল কিন্তু গান্ধীৰ কথা কবলৈ ভাল নালাগিল আৰু মনৰ অৱস্থাও ভাল নাছিল।

ঠেৰেঙালগা জাৰত কঁপি কঁপি বহি থাকি গান্ধীয়ে আকাশ পাতাল ভাবিব ধৰিলে। তেওঁৰ মনলৈ নানা প্ৰশ্ন আহিল। তেওঁ এই পৰিস্থিতিত কি কঁৰা উচিত হব? তেওঁৰ অধিকাৰ সাব্যস্তৰ বাবে সংগ্ৰাম কৰিব নে ভাৰতলৈ উভতি যাব? নে অপমানলৈ মন নকৰি প্ৰিটোৰিয়ালৈ গৈ মোকৰ্দ্দমাটো শেষ কৰি ভাৰতলৈ যাব নে তাৰ পিছতো এই অন্যায় আৰু অত্যাচাৰৰ প্ৰতিকাৰ কৰিব? এনে প্ৰশ্নবোৰ তেওঁৰ মনলৈ আহিল। ভাবিচিন্তি তেওঁ সিদ্ধান্ত কৰিলে যে ইযাৰ প্ৰতিকাৰ নকৰি ভাৰতলৈ গুচি যোৱাটো কাপুৰুষালি হব। তেওঁ পোৱা অপমান আৰু দুৰ্ব্যৱহাৰ বৰ্ণ-বৈষম্য মহাব্যাধিৰ বাহ্যিক লক্ষণমাত্ৰহে বুলি তেওঁ নিৰ্ণয় কৰিলে আৰু এই ব্যাধি প্ৰশমন কৰিবলৈ চেষ্টা কৰোতে ভুগিবলগীয়া দুখ-কষ্ট সহ্য কৰিবলৈ সাজু হ'ল। বৰ্ণ-বৈষম্যৰ বাবে কৰা অন্যায় আৰু দুৰ্ব্যৱহাৰৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ সংকল্প ল'লে। এইদৰে ভাবি-চিন্তি সিদ্ধান্ত লৈ পিচৰখন গাড়ীতে প্ৰিটোৰিয়ালৈ যোৱাৰ ঠিক কৰিলে।

ৰাতিপুৱা গান্ধীয়ে ৰেলবিভাগৰ জেনেৰেল মেনেজাৰলৈ সকলো কথা জনাই এখন দীঘলীয়া টেলিগ্ৰাম কৰিলে আৰু আব্দুল্লা শেঠকো টেলিগ্ৰাম যোগে সকলো কথা জনালে। আব্দুল্লা শেঠে টেলিগ্ৰাম পাই জেনেৰেল মেনেজাৰক দেখা কৰিলে। জেনেৰেল মেনেজাৰে ৰেল কৰ্ম্মচাৰী সকলৰহে পক্ষ ল'লে আৰু তেওঁলোকৰ আচৰণৰ বিসঙ্গতি একো নাই বুলি মন্তব্য কৰিলে। তথাপি তেওঁ গান্ধীয়ে যাতে গন্তব্য-স্থান ভালে ভালে পাব পাৰে তাৰে ব্যৱস্থা কৰিবলৈ ষ্টেচন মাষ্টৰক

জনাই দিয়া বুলি আব্দুল্লা শেঠক ক'লে। আব্দুল্লা শেঠে মাৰিজবাৰ্গৰ ভাৰতীয় লোকসকললৈ আৰু আন আন ঠাইৰ বন্ধুসকললৈ গান্ধীক লগ ধৰি খা-খবৰ লবলৈ আৰু প্ৰয়োজনীয় সা-সুবিধা কৰি দিবলৈ বাতৰি পঠালে। সদাগৰসকলে গান্ধীক দেখা কৰিবলৈ ষ্টেচনলৈ গ'ল আৰু সকলোৱে নিজৰ নিজৰ ভোগ কৰা লঘু লাঞ্ছনাৰ কাহিনী গান্ধীক বৰ্ণনা কৰিলে। ভাৰতীয় লোকে প্ৰথম শ্ৰেণীত বা দ্বিতীয় শ্ৰেণীত ভ্ৰমণ কৰিলেই ৰেলকৰ্ম্মচাৰী আৰু সহযাত্ৰীসকলৰ পৰা অপমান, দুৰ্ব্যৱহাৰ, লাঞ্ছনা পোৱাটো স্বাভাৱিক কথা হৈ পৰিছে বুলি তেওঁলোক জনালে। এইদৰে গোটেই দিনটো গান্ধীয়ে ভাৰতীয় লোকসকলৰ দুখ-দুৰ্গতিৰ কাহিনী শুনি কটালে। সন্ধ্যাৰ গাড়ী আহিল। তাত গান্ধীৰ বাবে এটা বাৰ্থ ৰিজাৰ্ভ কৰা আছিল। গান্ধীয়ে যদিও ডাৰ্বানত বিচনা ভাড়া কৰিবলৈ অসম্মত হৈছিল, মাৰিজবাৰ্গত বিচনা ভাড়াৰ টিকেট এটাও কিনিলে।

গাড়ী গৈ ৰাতিপুৱা চাৰ্লচটাউন পালে। সেই সময়ত চাৰ্লচটাউন আৰু জোহান্সবাৰ্গৰ মাজত ৰেল চলাচলৰ ব্যৱস্থা নাছিল। এই পথছোৱা ঘোঁৰাৰ গাড়ীৰে যাব লাগিছিল আৰু মাজতে এৰাতি ষ্টেন্দাৰটনত কটাব লাগিছিল। ঘোঁৰাৰ গাড়ীৰ বাবেও গান্ধীৰ টিকট আছিল আৰু আব্দুল্লা শেঠে ঘোঁৰাগাড়ী পৰিবহন সংস্থাৰ এজেণ্টজনলৈ গান্ধীক সা-সুবিধা কৰি দিবৰ বাবে তাৰ বাৰ্ত্তাও পঠাইছিল।

কিন্তু চাৰ্লচটাউনত যেতিয়া গান্ধীয়ে ঘোঁৰাৰ গাড়ীৰ ষ্টেচনলৈ গ'ল তাৰ এজেণ্টজনে গান্ধীক 'ক'লা' আৰু অচিনাকি মানুহ দেখি এৰি যাবলৈ চেলু বিচাৰি ক'লে যে তেওঁৰ টিকট ৰদ কৰা হৈছে। গান্ধী মাৰিজবাৰ্গত এদিন বৈ যাব লগা হোৱাত যদিও নিয়মমতে টিকট বলবৎ থাকেই তথাপি এজেণ্টজনে সেই চেলু লৈ গান্ধীক ঠাই নিদিবলৈ চেষ্টা কৰিছিল। কিন্তু গান্ধীয়ে তাৰ যথাযথ উত্তৰ দিয়াত এজেণ্টজনৰ কথা চুটি হ'ল যদিও গাড়ীৰ ভিতৰত বগা যাত্ৰীৰ লগত এই ক'লা কুলিজনক কেনেকৈ বহিব দিব সি সমস্যা হৈ উঠিল। গাড়ীৰ ওপৰত চহিচজন বহা ঠাইৰ দুকাষে দুজন বহিব পৰা ঠাই আছিল আৰু সাধাৰণতে গাড়ীৰ নায়কজন তাৰ এটা চিটত বহিছিল। সিদিনা তেওঁ ভিতৰত বহি গান্ধীক গাড়ীচালকৰ কাষত থকা চিট এটাত বহিব দিলে। ই যদিও

দেখ দেখ অন্যায় আৰু অপমানজনক আছিল তথাপি গান্ধী এই অপমান সহ্য কৰি যোৱাই ভাল বুলি বিবেচনা কৰিলে। টিকটৰ বলত ভিতৰত বহিবলৈ জোৰ কৰিলে হয়তো অপমানিত হোৱাৰ উপৰিও তেওঁক তাতে এৰি থৈ ঘোঁৰাগাড়ী গুচি যাব আৰু তেওঁ পুনৰ বিপদত পৰিব আৰু যথা সময়ত গৈ প্ৰিটোৰিয়া নাপাবও পাৰে। গতিকে গান্ধীয়ে অন্তৰে অন্তৰে খঙত গুজৰি গুমৰি থাকিলেও বাধ্য হৈ চহিচজনৰ লগতে উঠি বহিল। যাত্ৰা আৰম্ভ হ'ল। তিনিমান বজাত গাড়ী গৈ পাৰ্দেকোফ নামৰ ঠাই পালে। গাড়ীৰ নায়কজনে চুৰুট খাবলৈ আৰু বোধহয় মুকলি বতাহত জুৰ লবলৈ গান্ধীক বহিব দিয়া ঠাইখিনিত বহিবলৈ ইচ্ছা কৰিলে। তেওঁ চহিচজনৰ পৰা এডোখৰ ফটাছিটা আৰু ময়লা থৈলাৰ কাপোৰ আনি ভৰি থোৱা ঠাইত পাৰি দি তাতে গান্ধীক বহিবলৈ ক'লে। দক্ষিণ আফ্ৰিকাত ভাৰতীয় লোকসকলক বিশেষকৈ মজদুৰ শ্ৰেণীৰ লোক-সকলক 'চামি' বুলি মাতিছিল। এই 'চামি' বোধহয় 'স্বামী'ৰ অপভ্ৰংশ বা বিকৃত মাত। নায়কজনে সেইদৰে ফটা বস্তাৰ কাপোৰ ভৰিদানত পাৰি দি গান্ধীক ক'লে, "চামি তুমি ইয়াত বহা, মই কাষত বহিব লাগে।" এই অপমান গান্ধীয়ে সহ্য কৰিব নোৱাৰিলে। তেওঁ ভয়ত আৰু খঙত কঁপি উঠিল আৰু ক'লে, "তুমিযেই মোক ইয়াত বহুৱাইছিলা। মই আচলতে ভিতৰতহে বহিব পাব লাগিছিল। সেই অপমান মই সহ্য কৰিছো। এতিয়া তুমি বাহিৰত বহি চুৰুট খাব লাগে বাবে মোক তোমাৰ ভৰিৰ কাষত বহিব দিছা! মই তাত কেতিয়াও নবহো, ভিতৰত বহিব লাগিলে হয়তো ইয়াৰ পৰা যাব পাৰো।" গান্ধীয়ে এই বাক্য কেইটা কোনোমতে জোটাই গোঠাই কব ধৰোতেই মানুহজনে গান্ধীক আক্ৰমণ কৰিলে আৰু খুব জোৰেৰে কাণদুখন মলিবলৈ ধৰিলে। তেওঁ গান্ধীৰ হাতত ধৰি তললৈ নমাই দিবলৈ ঠেলিব ধৰিলে। গান্ধীয়ে চহিচ বহা বাকচটোৰ ৰেলিঙত খুব জোৰেৰে ধৰিলে আৰু কোনোমতেই তাৰপৰা হাতৰ খামোচ এৰি দিয়া নাছিল। তেওঁৰ হাতৰ হাড় ভাঙি যাব যেন লাগিছিল তথাপি এৰি দিয়া নাছিল। মানুহজনে মুখেৰে গালি-শপনি পাৰিব ধৰিলে আৰু হাতেৰে টানি আজুৰিও নমাব নোৱাৰি গাৰ বলেৰে গান্ধীক কিল, ভুকু, গোৰ মাৰিব ধৰিলে। মানুহজনে আজুৰি আছে আৰু গান্ধীয়ে ৰেলিঙত ধৰি মাৰ খাই আছে—এই দৃশ্য

যাত্ৰীসকলে চাই আছিল। মানুহজন হৃষ্টপুষ্ট শকত আৰু বলী; গান্ধী আছিল দুৰ্ব্বল আৰু ক্ষীণ। যাত্ৰীসকলৰ পুতৌ হ'ল আৰু কোনোৱে কোনোৱে চিঞৰি কব ধৰিলে—"মানুহজনক কিয় মাৰিছা; এৰি দিয়া। তেওঁৰ কোনো দোষ নাই, তেওঁ ঠিকেই কৈছে, যদি তেওঁ তাত থাকিব নোৱাৰে, আমাৰ লগত আহিব দিয়া, ইয়াতে বহিব।" মানুহজনে খঙেৰে ক'লে, "ভয় নাই, নমৰে।" কিন্তু তাৰ বোধহয় লাজ লাগিল আৰু গান্ধীক মাৰিব এৰিলে। গান্ধীৰ হাতখন এৰি দিলে আৰু কিছু সময় গালি পাৰি থাকিল আৰু চহিচজনৰ সিকাষে বহি অহা হটেনটট্ (আদিম অধিবাসী) চাকৰজনক পা-দানত বহিব দি সেই খালি হোৱা ঠাইত নায়কজন বহিল। যাত্ৰিবিলাক নিজ নিজ ঠাইত বহিল আৰু গাড়ী যাব ধৰিলে। গান্ধীৰ বুকুৰ কঁপনি তেতিয়াও মাৰ যোৱা নাছিল আৰু তেওঁ জীয়াই জীয়াই গন্তব্যস্থান পাব নে নোপায় সন্দেহ হৈছিল। মানুহজনে তেতিয়াও চকু পকাই গান্ধীৰ ফালে চাইছিল আৰু গালি-শপনি পাৰি আঙুলি জোকাৰি জোকাৰি গৰ্জিছিল—'ষ্টেন্দাৰটন পাওঁচোন, দেখিবি কি কৰো, তোক সুদাই নেৰিছো'।—ইত্যাদি। গান্ধী টলকা মাৰি গৈছিল আৰু মনে মনে ভগবানক প্ৰাৰ্থনা কৰিছিল যেন এই দুৰ্ব্বৃত্তহঁতৰ পৰা ৰক্ষা পায়।

আন্ধাৰ হওঁ হওঁ সময়ত তেওঁলোকৰ গাড়ী গৈ ষ্টেন্দাৰটন পালে। যিমানেই পলম হৈছে গান্ধীৰ মনত নানা চিন্তা আৰু ভয় লাগিছিল। কিন্তু ষ্টেন্দাৰটন ষ্টেচনত গাড়ী ৰোৱা মাত্ৰেই ভালেমান ভাৰতীয় লোক আগবাঢ়ি আহি গান্ধীক আদৰণি জনালে আৰু ভাৰতীয় লোক সকলক দেখি গান্ধী বৰ আশ্বস্ত হ'ল। তেওঁলোকে আবদুল্লা শেঠৰ পৰা তাৰবাৰ্ত্তা পাইছিল আৰু গান্ধীক ইছা শেঠৰ গদীলৈ আগবঢ়াই নিব আহিছিল। গান্ধীয়ে তেওঁলোকৰ লগত আনন্দ মনেৰে ইছা শেঠ হাজীচুমাৰৰ দোকানলৈ গ'ল।

গান্ধীয়ে বাটত হোৱা সকলো ঘটনা বৰ্ণাই ঘোঁৰাগাড়ী পৰিবহন সস্থাৰ এজেণ্টজনলৈ এখন চিঠি লিখিলে আৰু গাড়ীৰ নায়কজনে দিয়া ভাবুকিৰ কথাও উনুকিয়ালে। যাতে পিছদিনা তেওঁক গাড়ীৰ ভিতৰত ঠাই দিয়া হয় তাৰ প্ৰতিশ্ৰুতি বিচাৰিও চিঠিত উল্লেখ কৰা 'হল আৰু যাতে এইদৰে লাঞ্ছিত আৰু অপমানিত হব নালাগে তাৰো

আশ্বাস বিচাৰিলে। তাৰ উত্তৰত এজেণ্টজনে গান্ধীলৈ লিখি পঠালে যে পিচদিনা পুৱা এখন ডাঙৰ গাড়ী দিয়া হব আৰু তাৰ নায়ক হিচাবে আন এজন লোকক পঠিওৱা হব। যিজন লোকৰ বিৰুদ্ধে অভিযোগ দিয়া হৈছে তেওঁক পঠিওৱা নহব আৰু গান্ধীক গাড়ীৰ ভিতৰত আন যাত্ৰীৰ লগত ঠাই দিয়া হব। এই চিঠি পাই গান্ধী কিছু পৰিমাণে আশ্বস্ত হ'ল। গান্ধীয়ে তেওঁক মাৰপিট আৰু অপমান কৰা মানুহজনৰ বিৰুদ্ধে গোচৰ দিবৰ ইচ্ছা নাছিল আৰু এই বিষয়ে তেওঁ আৰু আগ নাবাঢ়িল।

পিচদিনা পুৱা ইছা শেঠৰ মানুহ গৈ গান্ধীক গাডীত তুলি দি আছিল আৰু তেওঁক গাড়ীৰ ভিতৰত এটা ভাল চিট দিয়া হৈছিল। গান্ধী নিৰাপদে গৈ ৰাতি জোহান্সবাৰ্গ পালে।

ষ্টেন্দাৰটন এখন সৰু গাওঁ আৰু জোহান্সবাৰ্গ এখন ডাঙৰ নগৰ। আব্দুল্লা শেঠে জোহান্সবাৰ্গ লৈকো টেলিগ্ৰাম কৰিছিল আৰু গান্ধীকো মহম্মদ কছম কমাৰুদ্দিনৰ দোকানৰ নাম আৰু ঠিকনা দিছিল। তেওঁলোকৰ মানুহ ঘোঁৰাগাড়ীৰ ষ্টেচনলৈ আহিছিল কিন্তু মানুহজনক গান্ধীও নেদেখিলে আৰু মানুহজনেও গান্ধীক চিনিব নোৱাৰিলে। গতিকে কাকো নেদেখি গান্ধী হোটেল এখনলৈ যোৱাকে থিৰ কৰিলে। তাত থকা হোটেল কেইবাখনৰো তেওঁ নাম ঠিকনা জানি লৈছিল। গাড়ী এখন লৈ তেওঁ গ্ৰেণ্ড হোটেললৈ গ'ল। মেনেজাৰজনক দেখা কৰি তেওঁৰ বাবে এটা ৰূম দিবলৈ ক'লে। মেনেজাৰজনে গান্ধীক ভৰিৰ পৰা মূৰলৈ চাই লৈ বিনীতভাবে তাত আটাইবোৰ ৰূম ভৰ্ত্তি হৈ আছে আৰু ঠাই নাই বুলি ক'লে। তাৰ পৰা ওলাই গান্ধীয়ে কচোৱানজনক মহম্মদ কছম কমৰুদ্দিনৰ দোকানলৈ লৈ যাব ক'লে। কমৰুদ্দিনৰ দোকানত আব্দুল গণি শেঠক তেওঁৰ বাবে অপেক্ষা কৰি বৈ থকা পালে আৰু তেওঁক সাদৰে আদৰণি জনালে। হোটেলত মেনেজাৰজনে কোৱা কথা আৰু তাত থাকিব নিদিয়া কথা জনালত আব্দুল গণি শেঠে প্ৰাণখুলি হাঁহি হাঁহি ক'লে, "আপুনি হোটেলত ঠাই পাব বুলি কেনেকৈ ভাবিব পাৰিছিল?"

গান্ধীয়ে সুধিলে—"কিয় পাব নোৱাৰি?"

তেওঁ ক'লে—"ইয়াত দিনচেৰেক থাকিলে আপুনি নিজেই জানিব

পাৰিব। চাওক, আপুনি কালি প্ৰিটোৰিয়ালৈ যাব লাগিব। আপুনি তৃতীয় শ্ৰেণীৰ গাড়ীতহে যাব লাগিব। ট্ৰান্সভালৰ অৱস্থা নাটালতকৈও বেয়া। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ গাড়ীৰ টিকট ভাৰতবাসীক কেতিয়াও দিয়া নহয়।"

গান্ধীযে ৰেলবিভাগৰ নিয়ম-কানুনবোৰ অনাই পঢ়ি চালে। তাত তেওঁ খুত থকা পালে। ট্ৰান্সভালৰ পুৰণি আইনবোৰৰ ভাষা নিৰ্দ্দোষ আৰু পৰিষ্কাৰ নহয়। ৰেলবিভাগৰ আইন আৰু বিধানৰ ভাষা আৰু বেচি গোলমলীয়া পালে। তেওঁ শেঠক ক'লে, "মই প্ৰথম শ্ৰেণীৰ গাড়ীতে যাব ইচ্ছা কৰো। আৰু যদি তাত যাব নোৱাৰো তেন্তে প্ৰিটোৰিয়া যেতিয়া ইযাৰ পৰা মাত্ৰ সাতত্ৰিশ মাইল মই এখন ঘোঁৰাগাড়ী লৈ যোৱাই ভাল দেখো।" শেঠ আব্দুল গণিযে এই ব্যৱস্থাত অধিক সময আৰু অধিক টকা খৰচ কৰিব লাগিব বুলি ক'লে, কিন্তু তেওঁ প্ৰথম শ্ৰেণীত যাবলৈ ইচ্ছা কৰা গান্ধীৰ প্ৰস্তাৱটো সমৰ্থন কৰিলে। গান্ধীয়ে ষ্টেচন মাষ্টৰলৈ চিঠি এখন লিখি পঠালে। তাত তেওঁ লিখিলে যে তেওঁ এজন 'বেৰিষ্টাৰ আৰু তেওঁ সদায় প্ৰথম শ্ৰেণীৰ ডবাত ভ্ৰমণ কৰে। তেওঁ অতি কম সময়তে প্ৰিটোৰিয়া পাব লাগে আৰু যিহেতু তেওঁৰ চিঠিৰ উত্তৰলৈ অপেক্ষা কৰিবৰ সময় নাই, তেওঁ নিজে গৈ ষ্টেচনত লগ ধৰিব আৰু এটা প্ৰথম শ্ৰেণীৰ টিকট পাব বুলি আশা কৰি যাব। চিঠিৰ উত্তৰ নিজে গৈ লব বোলা কথা খিনিৰ অন্তৰালত এটা অভিপ্ৰায় আছিল। গান্ধীযে ভাবিছিল যদি ষ্টেচন মাষ্টৰক লিখি উত্তৰ দিবলৈ কোৱা হয তেন্তে নিশ্চয 'কুলি বেৰিষ্টাৰ'ক প্ৰথম শ্ৰেণীৰ টিকট দিব নোৱাৰে বুলি জনাব। গতিকে পৰিপাটিকৈ ইংৰাজী পোছাক পিন্ধি নিজে গৈ ষ্টেচন মাষ্টৰক প্ৰথম শ্ৰেণীৰ টিকট এটাৰ বাবে কৈ মেলি চাবলৈ তেওঁ ঠিক কৰিছিল। তেওঁ ফ্ৰককোট আৰু নেকটাই পিন্ধি ষ্টেচনৰ টিকট দিযা ঘৰলৈ গৈ চভৰেইন এটা উলিয়াই প্ৰথম শ্ৰেণীৰ টিকট এটা খুজিলে। ষ্টেচন মাষ্টৰে গান্ধীক সুধিলে—"আপুনি মোলৈ চিঠি এখন দিছিল নেকি?" গান্ধীয়ে ক'লে—"হয়, অনুগ্ৰহ কৰি মোক টিকট এটা দিয়ক। মই আজিয়েই প্ৰিটোৰিয়া পাব লাগে।" ষ্টেচন মাষ্টৰজনে হাঁহি মাৰি ক'লে—"মই ট্ৰান্সভালৰ লোক নহয়। মই ওলন্দাজ। মই আপোনাৰ

মনৰ ভাব বুজিছো, আপুনি নিশ্চয় মোৰ সহানুভূতি পাব। মই বাৰু আপোনাক টিকট এটা দিম কিন্তু এটা চৰ্ত্ত আছে। যদি গাৰ্ডে আপোনাক তৃতীয় শ্ৰেণীৰ ডবালৈ যাব কয়, আপুনি মোক বিপদত পেলাব নোৱাৰিব। অৰ্থাৎ আপুনি ৰেল কৰ্তৃপক্ষৰ বিৰুদ্ধে গোচৰ দিব নোৱাৰিব। আপোনাৰ যাত্ৰা শুভ হওক, মই কামনা কৰিলো। মই জানিছো আপুনি এজন সদাশয় ভদ্ৰলোক।" এই কথাখিনি কৈ তেওঁ এটা টিকট দিলে। গান্ধীয়ে তেওঁক ধন্যবাদ দিলে আৰু তেওঁৰ কথা ৰাখিব বুলি প্ৰতিশ্ৰুতি দিলে।

শেঠ আব্দুল গণিয়ে গান্ধীক বিদায় সম্ভাষণ জনাবলৈ ষ্টেচনলৈ আহিছিল। গান্ধীয়ে প্ৰথম শ্ৰেণীৰ টিকট পোৱা বুলি জানি তেওঁ আচৰিত হ'ল আৰু আনন্দও পালে। তথাপি তেওঁ গান্ধীক সাৱধান কৰি ক'লে—"আপুনি নিৰাপদে প্ৰিটোৰিযা পালে বৰ সন্তোষ পাম। কিন্তু মোৰ ভয় হৈছে গাৰ্ডজনে প্ৰথম শ্ৰেণীত আপোনাক শান্তিৰে যাব নিদিব আৰু গাৰ্ডে দিলেও তাৰ যাত্ৰীবোৰে আপোনাক শান্তিৰে নেৰিব।"

গান্ধীয়ে প্ৰথম শ্ৰেণীৰ গাড়ীত বহিল আৰু গাড়ী এৰি দিলে। জাৰ্মিষ্টন নামে ষ্টেচনত গাৰ্ডজনে টিকট পৰীক্ষা কৰিবলৈ আহিল। গান্ধীক প্ৰথম শ্ৰেণীৰ ডবাত দেখি তেওঁৰ খঙে মূৰৰ চুলি পালেগৈ আৰু আঙুলি জোকাৰি গান্ধীক তৃতীয় শ্ৰেণীৰ ডবা এটালৈ যাবলৈ নিৰ্দ্দেশ দিলে। গান্ধীয়ে তেওঁক প্ৰথম শ্ৰেণীৰ টিকটটো দেখুৱালে। গাৰ্ডজনে গৰ্জি উঠিল, "টিকট থাকিলে একো নহয়, তৃতীয় শ্ৰেণীৰ গাড়ীলৈ নামি যোৱা।"

সেই ডবাত মাত্ৰ এজন ইংৰাজ যাত্ৰী আছিল। তেওঁ গাৰ্ডজনক দবিযালে—"কিয় ভদ্ৰলোকজনক বিৰক্ত কৰিছে? দেখা নাই নেকি তেওঁৰ প্ৰথম শ্ৰেণীৰ টিকট আছে। তেওঁ মোৰ লগত যোৱাত মোৰ কোনো আপত্তি নাই।" গান্ধীৰ ফালে চাই সেই যাত্ৰীজনে ক'লে —"আপুনি নাযাব, বহি থাকক।" গাৰ্ডজনে ভোৰভোৰাই উঠিল "আপুনি যদি কুলি এটাৰ লগত যাব ইচ্ছা কৰে মোৰ কি হ'ল?" এইদৰে কৈ গাৰ্ডজন আঁতৰি গ'ল। ৰাতি আঠমান বজাত গাড়ী গৈ প্ৰিটোৰিয়া পালে। বাটত গান্ধীয়ে আন একো আমনি পাবলগা নহ'ল।

প্ৰিটোৰিয়াত প্ৰথম দিন

প্ৰিটোৰিয়া ষ্টেচনত নামি গান্ধীয়ে দেখিলে যে তেওঁক আগবঢ়াই নিবলৈ দাদা আব্দুল্লাৰ এটৰ্ণিৰ ফালৰপৰা কোনো মানুহ অহা নাই। ষ্টেচনত মানুহ-দুনুহ বৰ বেচি নাছিল। প্ৰিটোৰিয়াৰ বাট-পথ গান্ধীয়ে একো নাজানে, তাতে ৰাতিৰ আন্ধাৰ। তেওঁ ষ্টেচনৰ পৰা যাত্ৰীসকল ওলাই যোৱা বাট চাই থাকিল আৰু শেহত প্ৰায় অকলশৰীয়া হোৱাত টিকট লোৱা মানুহজনৰ ওচৰলৈ গৈ টিকটটো দি ৰাতিটো কটাবলৈ কোনো হোটেল বা আন কোনো ঠাইৰ সন্ধান দিব পাৰিব নেকি সঙ্কোচভাবে সুধিলে। মানুহজনে অতি ভদ্ৰভাবেই কথা পাতিলে যদিও তেওঁৰ কথা-বতৰাৰ পৰা গম পোৱা গ'ল যে তেওঁ বিশেষ একো সহায় কৰিব নোৱাৰিব। তেওঁলোকৰ ওচৰতে আমেৰিকান নিগ্ৰো এজন আছিল আৰু গান্ধীৰ অৱস্থা দেখি তেওঁ মাত লগালে, "মই দেখিছো আপুনি এই ঠাইৰ একেবাৰেই অপৰিচিত লোক। আপোনাৰ বন্ধু-বান্ধৱ বা চা-চিনাকি লোক কোনো নাই। আপুনি যদি মোৰ লগত আহে তেন্তে মই আপোনাক হোটেল এখনলৈ লৈ যাব পাৰো। তাৰ গৰাকীজন আমেৰিকান আৰু তেওঁৰ লগত মোৰ সদ্ভাব আৰু চিনাকি আছে। তেওঁ আপোনাক ৰাখিবলৈ সম্মত হব পাৰে।"

প্ৰিটোৰিয়া অঞ্চলৰ বৰ্ণ-বৈষম্যৰ উৎকট পৰিবেশত গান্ধীক শ্বেতকায লোকৰ দ্বাৰা পৰিচালিত হোটেল আদিত থাকিব দিয়া টান আৰু থাকিব দিলেও বৈষম্যমূলক আচৰণৰ বাবে লাজ আৰু অপমান পাব লাগিছিল। গতিকেই গান্ধীৰ মনত সন্দেহ উপজিল। তথাপি ৰাতি আন একো ব্যৱস্থা নেদেখি সেই নিগ্ৰোজনক ধন্যবাদ দি তেওঁৰ লগতে ওলাল। তেওঁ গান্ধীক জনচন নামৰ মানুহ এজনৰ ঘৰতে থকা হোটেললৈ লৈ গ'ল। জনচনক এফলীয়াকৈ মাতি আনি নিগ্ৰোজনে গান্ধীক সেই হোটেলত ৰাখিবলৈ অনুৰোধ কৰিলে। হোটেলৰ গৰাকী জনচনে গান্ধীক ৰাখিবলৈ সম্মত হ'ল কিন্তু ক'লে যে গান্ধীয়ে তেওঁৰ কোঠাতে খোৱা-বোৱা কৰিব লাগিব, খোৱা ঘৰত আনৰ লগত খাব নোৱাৰিব। তেওঁ গান্ধীক ক'লে—"বিশ্বাস কৰিব মোৰ কোনো বৰ্ণ-বিদ্বেষ নাই। কিন্তু মোৰ আলহীসকল ইউৰোপৰ লোক। আপোনাক খোৱা ঘৰত খাব

দিলে আলহীসকলে বেয়া পাব পাৰে আৰু তেওঁলোক গুছি যাব পাৰে।” গান্ধীয়ে ক'লে—“ৰাতিটোৰ বাবে আশ্ৰয় দিয়া কাৰণেই আপোনাক ধন্যবাদ দিছো। মই সম্প্ৰতি অলপ অচৰপ জানিব পাৰিছো আৰু আপোনাৰ অসুবিধাবোৰ বুজিব পাৰিছো। মোৰ থকা কোঠাতে খাবলগা হোৱা বাবে অকণো বেজাৰ নাপাওঁ। কালিমানে আন কিবা ব্যৱস্থা কৰি লব পাৰিম বুলি আশা ৰাখিছো।” গান্ধীক হোটেলৰ কোঠা এটাত থাকিবলৈ দিলে। হোটেলত ভালেমান আলহী আছিল। গান্ধীযে অকলে কোঠাত বহি ৰাতিৰ আহাৰ অনালৈ বাট চাই আছিল। এনেতে হোটেলৰ মালিক মিষ্টাৰ জনচন সেই কোঠালৈ আহি গান্ধীক ক'লে—“মই আপোনাক ইয়াতে খাব লাগিব বুলি কবলগা হোৱাত লাজেই পাইছো। মই হোটেলৰ আন আলহীসকলৰ লগত আপোনাৰ কথা পাতিলো আৰু আপোনাক খোৱা ঘৰত খাব দিলে তেওঁলোকৰ কিবা আপত্তি আছে নেকি সুধিলো। আপুনি খোৱা ঘৰত খালে তেওঁলোকৰ কোনো আপত্তি নাই বুলি জনাইছে আৰু যিমান দিন ইচ্ছা আপোনাক ইযাত ৰাখিব দিছে। গতিকে দয়া কৰি খোৱা ঘৰলৈ আহি তাতে খাওকহি আৰু যিমানদিন ইচ্ছা আপুনি ইযাত থাকিব পাৰিব।”

গান্ধীযে হোটেলৰ মালিকজনক পুনৰ ধন্যবাদ দিলে আৰু খোৱা ঘৰলৈ গৈ তাতে তৃপ্তিৰে ৰাতিৰ সাজ খালে।

পিছদিনা পুৱা গান্ধীযে আব্দুল্লা শেঠৰ এটৰ্ণি মিঃ এ. ডব্লিউ. বেকাৰক দেখা কৰিলে। আব্দুল্লা শেঠে বেকাৰক গান্ধীৰ সম্পৰ্কে সকলো কথা জনাইছিল। গতিকে তেওঁ সাদৰ অভ্যৰ্থনা জনোৱাত গান্ধী অলপো আচৰিত হোৱা নাছিল। মিঃ বেকাৰে গান্ধীৰ সকলো প্ৰকাৰৰ খা-খবৰ লৈ ক'লে, “বেৰিষ্টাৰ হিচাবে আপোনাৰ বিশেষ কাম নাই। আমি খুব ভাল উকীলকে মোকৰ্দ্দমাত নিযুক্ত কৰিছো, মোকৰ্দ্দমাটো বৰ জটিল আৰু বহুদিনীযা। গতিকে আমাৰ মক্কেলৰ পৰা জানিব লগীয়া খা-খবৰ সংগ্ৰহ কৰা কামতে আপোনাক লাগিব। এতিয়াৰ পৰা আপোনাৰ জৰিয়তেহে মোকৰ্দ্দমা সংক্ৰান্ত তথ্য-পাতি আৰু খা-খবৰ লম। গতিকে মোৰ কাৰণে সুবিধাই হব। আপোনাৰ বাবে এতিয়াও থকা ঠাইৰ বন্দোবস্ত কৰিব পৰা নাই। আপুনি আহি

পোৱাৰ পিছত ব্যৱস্থা কৰাই ভাল হব বুলি ভাবিলো। ইয়াত বৰ্ণ-বৈষম্য ভয়াবহ, গতিকে আপোনালোকৰ দৰে মানুহৰ বাবে থকা ঠাই যোগাৰ কৰা সহজ নহয়। মই এগৰাকী দুখীয়া তিৰোতাক জানো। তেওঁ ৰুটিৱালা এজনৰ পৰিবাৰ। তেওঁ আপোনাক ৰাখিব পাৰে বুলি ভাবিছো। তেওঁৰ উপাৰ্জ্জনো অলপ বাঢ়িব। বলকচোন, তাৰ পৰাই খবৰ কৰি আহো।”

এইদৰে আলোচনা কৰি দুয়ো সেই তিৰোতাগৰাকীৰ ঘৰলৈ গ'ল। মিঃ বেকাৰে গান্ধীয়ে মুশুনাকৈ তিৰোতা গৰাকীৰ লগত কথাবাৰ্ত্তা পাতিলে আৰু তিৰোতা গৰাকীয়ে সপ্তাহত ৩৫ চিলিঙৰ বন্দোবস্ত কৰি গান্ধীক আলহী হিচাবে ৰাখিবলৈ সম্মত হ'ল।

প্ৰিটোৰিয়াত ভাৰতীয় লোকৰ সমস্যা

প্ৰিটোৰিয়াত থকা কালত গান্ধীৰ লগত কেইবাজনো বিশিষ্ট লোকৰ বন্ধুত্ব গঢ় উঠিছিল। বিশেষকৈ মিষ্টাৰ বেকাৰ এটৰ্ণিৰ জৰিয়তে খৃষ্টিযান মিচনাৰী কেইগৰাকীমানৰ লগত বন্ধুত্ব গঢ়ি উঠিছিল। কিন্তু দক্ষিণ আফ্ৰিকাত, বিশেষকৈ প্ৰিটোৰিয়া অঞ্চলত বৰ্ণ-বৈষম্যৰ ৰূপ ইমান উৎকট আছিল যে ভাৰতীয় লোকে তাত সন্মানেৰে জীৱন নিৰ্ব্বাহ কৰা অসম্ভৱ হৈ উঠিছিল। গান্ধীও তাত কম নিৰ্য্যাতিত হোৱা নাছিল।

প্ৰিটোৰিয়াত থাকি গান্ধীয়ে ট্ৰান্সভাল আৰু অৰেঞ্জ ফ্ৰী ষ্টেটত ভাৰতীয় সকলৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থা সম্পৰ্কে অধ্যয়ন কৰিবলৈ সুযোগ পাইছিল। এই অধ্যয়নে গান্ধীৰ জীৱনত সুদূৰ পৰিণামী পৰিবৰ্ত্তনৰ সূচনা কৰে।

গান্ধীয়ে প্ৰিটোৰিয়াত থকা ভাৰতীয় লোকসকলৰ এখন সভা আহ্বান কৰিলে আৰু ট্ৰান্সভালৰ পৰিস্থিতি সম্পৰ্কে তেওঁলোকক সজাগ কৰি দিলে। সদুপায়ে ব্যবসায় কৰা, চাফ-চিকুনতা, সজ আচৰণ আৰু আত্মমৰ্য্যাদা সংৰক্ষণ সম্পৰ্কে তেওঁ প্ৰিটোৰিয়াত থকা ভাৰতবাসী সকলক ভালকৈ বুজাই দিলে। এই সভাই ভাৰতীয়সকলৰ মনত এটা

নতুন বল আৰু উদ্যম আনি দিলে আৰু গান্ধীক তেওঁলোকৰ অভাব, অভিযোগ আৰু তেওঁলোকৰ প্ৰতি কৰা অবিচাৰ, অন্যায় আদি সম্পৰ্কে তথ্য-পাতি দিবলৈ গাত ল'লে।

১৮৮৫ চনত ট্ৰান্সভালত এখন অন্যায় আৰু কঠোৰ আইন প্ৰবৰ্ত্তন কৰা হয়। ইয়াক ১৮৮৬ চনত সামান্য সংশোধন কৰা হয়। এই আইনৰ বিধান মতে প্ৰত্যেক ভাৰতবাসী ট্ৰান্সভালত সোমোৱা বাবে বছৰে তিনি পাউণ্ড কৰ চৰকাৰক দিব লাগিব। আছুতীয়াকৈ থোৱা অঞ্চলৰ বাহিৰে আন কোনো ঠাইতে ভাৰতীয় লোকে মাটি লব নোৱাৰিব, আৰু সেই আছুতীযাকৈ ৰখা অঞ্চলতো মাটিৰ দখলহে দিয়া হৈছিল, স্বত্ব-স্বামিত্ব বা সম্পূৰ্ণ স্বত্ব নাপাইছিল। তেওঁলোকৰ ভোটাধিকাৰ নাছিল। এই বিশেষ আইন এচিযাবাসী সকলৰ বাবে প্ৰণযন কৰা হৈছিল আৰু সকলো কৃষ্ণকায লোকৰ ওপৰত এই আইন প্ৰযোগ কৰিছিল। এই আইন অনুসৰি অনুমতি-পত্ৰ নোলোৱাকৈ ভাৰতবাসীযে ৰাজপথৰ খোজ কাঢ়ি ফুৰা বাটত ফুৰিব নোৱাৰে আৰু ৰাতি ৯ বজাৰ পিছত বাহিৰ ওলাব নোৱাৰে। এই বিধান উলাই কৰিলে পুলিচে গ্ৰেপ্তাৰ কৰিছিল আৰু নানাভাবে অত্যাচাৰ আৰু অপমান কৰিছিল।

গান্ধী এই আইনৰ কবলত পৰি লাঞ্ছিত হৈছিল। গান্ধীয়ে তেওঁৰ বন্ধু মিষ্টাৰ কোটিচৰ লগত ফুৰিছিল আৰু তেওঁলোকে ৰাতি দহ বজামানলৈকে ফুৰিছিল। যদি গান্ধীক পুলিচে গ্ৰেপ্তাৰ কৰে তেতিযা হ'লে কি হব? এই আশঙ্কা লৈ গান্ধীতকৈও মিঃ কোটিচ বেচি চিন্তিত হৈছিল। তেওঁৰ সাক্ষাতত গান্ধীক কেনেকৈ অপমানিত হবলৈ দিযে এই লৈ তেওঁ উদ্বেগ বোধ কৰিছিল। কোটিচে তেওঁৰ নিগ্ৰো চাকৰ বিলাকক অনুমতি-পত্ৰ দিছিল আৰু তাৰ বলত সিহঁতে ৰাজপথত ওলোৱা সোমোৱা কৰিব পাৰিছিল। কিন্তু কোটিচে সেইদৰে গান্ধীক কেনেকৈ অনুমতি-পত্ৰ দিযে? গৰাকীহে ভৃত্যক এই অনুমতি-পত্ৰ দিব পাৰিছিল আৰু গান্ধীযে ইচ্ছা কৰিলেও মিঃ কোটিচেই দিব নোৱাৰিলেহেঁতেন, কাৰণ ই-জাল কৰাৰ দৰে অপৰাধ হব। আনহাতে গান্ধী অপমানিত হোৱাটোও তেওঁৰ সহ্য নহব। ভাবিচিন্তি মিঃ কোটিচ আৰু তেওঁৰ দুই-এজন বন্ধুৱে গান্ধীক চৰকাৰী এটৰ্ণি ডক্টৰ ক্ৰুজৰ ওচৰলৈ লৈ গ'ল। কথা-বতৰাত ওলাই পৰিল যে ডক্টৰ ক্ৰুজ আৰু

গান্ধী একে ইনৰ বেৰিষ্টাৰ। একে বিদ্যালয়ৰ ছাত্ৰ হিচাবে তেওঁ-লোকৰ মাজত সৌহাৰ্দ্দ্য গঢ়ি উঠিল আৰু ৰাতি ৯ বজাৰ পিছত বাহিৰত থাকিবপৰা অনুমতি-পত্ৰ গান্ধীক দিবলৈ তেওঁৰ বৰ কেনেবা কেনেবা লাগিল। তেওঁ গান্ধীৰ এনে পৰিস্থিতিৰ বাবে দুখ প্ৰকাশ কৰিলে আৰু পাৰপত্ৰৰ সলনি এখন চিঠি দিলে যাতে গান্ধীয়ে পুলিচৰ কোনো হকাবধা নোগোৱাকৈ সকলো সময়তে বাহিৰত ওলোৱা সোমোৱা কৰিব পাৰে। গান্ধীয়ে এই চিঠিখন সকলো সময়তে তেওঁৰ লগত ৰাখিছিল।

কিন্তু ৰাজপথৰ খোজকাঢ়ি ফুৰা বাটত চলাফুৰা নিষিদ্ধ কৰা বিধান গান্ধীৰ বাবে বিপদজনক হৈছিল। সন্ধ্যৰে পৰাই গান্ধীৰ খোজকাঢ়ি ফুৰা অভ্যাস আছিল আৰু তেওঁ ভালেখিনি সময় খোজকাঢ়ি ফুৰিছিল। প্ৰিটোৰিযাতো তেওঁ সদায় প্ৰেছিডেণ্ট ষ্ট্ৰীটেৰে মুকলি ঠাই ডোখৰলৈ খোজকাঢ়ি গৈছিল, এই ৰাস্তাটোতেই প্ৰেছিডেণ্ট ক্ৰুগাৰৰ ভৱন আছিল। প্ৰেছিডেণ্টৰ ভৱনটো বৰ জাকজমকতাপূৰ্ণ নাছিল আৰু ই সেই অঞ্চলত থকা আনবোৰ ঘৰৰ দৰেই আছিল। কেবল সেই ভৱনৰ আগত পুলিচ প্ৰহৰী থকাৰ বাবেহে বিশেষ বিষযাৰ ভৱন হিচাবে বুজিব পৰা হৈছিল। গান্ধীয়ে সদায় এই প্ৰহৰীৰ কাষেৰেই অহা-যোৱা কৰিছিল আৰু কেতিয়াও আগে কোনো বাধা নিষেধ পোৱা নাছিল। প্ৰহৰীৰ দাযিত্বত থকা পুলিচবিলাক মাজে মাজে সলনি হৈছিল। আনদিনাৰ দৰে এদিন গান্ধী সেই বাটেৰে গৈ থাকোতে পহৰাদাৰী পুলিচজনে কোনো কথা বা সতৰ্ক নকৰাকৈ আনকি খোজকাঢ়ি ফুৰা বাট এৰি যাবলৈ নোকোৱাকৈয়ে গান্ধীক গোৰমাৰি দি ফুটপাথৰ পৰা বগৰাই চোচোৰাই নি ৰাস্তা পোৱালেগৈ। গান্ধীয়ে কোনো কথাকে কবলৈ নাপালে। তেওঁ মৰ্ম্মান্তিক আঘাত পালে। পুলিচজনৰ তেনে অন্যায আচৰণ সম্পৰ্কে কিবা কবলৈ পোৱাৰ আগতে সেই ঠাইত মিষ্টাৰ কোটিচ উপস্থিত হ'ল আৰু তেওঁ ঘোঁৰাৰ পৰা নামি গান্ধীক ক'লে—"গান্ধী, মই সকলো দেখিছো। আপুনি এই মানুহজনৰ বিৰুদ্ধে আদালতত গোচৰ দিযক, মই আনন্দেৰে আপোনাৰ সাক্ষী হম। আপোনাক এইদৰে অসভ্য ভাবে আচৰণ কৰা বাবে মই সঁচাকৈ বৰ দুখ পাইছো।" তাৰ উত্তৰত গান্ধীয়ে কলে—"আপুনি দুখ পোৱাৰ কাৰণ নাই।

বেচেৰা এই মানুজনৰ কি দোষ, সি কি জানে? সকলো বৰ্ণকায় লোকেই তাৰ বাবে একে। মোক যিদৰে ব্যৱহাৰ কৰিলে সেইদৰে সি সকলো নিগ্ৰোকে ব্যৱহাৰ কৰে। তাক সেইদৰে কৰিব দিয়া হৈছে। মোৰ ব্যক্তিগত অভিযোগলৈ কেতিয়াও আদালতলৈ নাযাও বুলি মই সিদ্ধান্ত লৈছো। গতিকে এই মানুহজনৰ বিৰুদ্ধে মই কোনো গোচৰ নিদিওঁ।

কোটিচে ক'লে, "আপোনাৰ নিচিনা মানুহে অৱশ্যে সেইদৰেই কব। কিন্তু আপুনি কথাটো আকৌ ভাবি চাওঁক। আমি এনে মানুহবোৰক শিক্ষা দিয়া উচিত।" তেওঁ তেতিয়া সেই পুলিচজনৰ ওচৰলৈ গৈ তাক ধমকি দি গালাগালি কৰিলে। তেওঁলোকে ওলন্দাজ ভাষা কৈছিল গতিকে গান্ধীয়ে কথাখিনি বুজি নাপালে। পুলিচজন বুৱাৰ জাতীয় লোক আছিল। পুলিচজনে গান্ধীৰ ওচৰলৈ আহি ক্ষমা খুজিলে। গান্ধীয়ে তাক আগেয়ে ক্ষমা কৰিছে কাৰণ সি নিজ দায়িত্বত তেনে কৰা নাই, আইন অনুসৰিহে বিধান পালন কৰিছিল।

কিন্তু ইয়াৰ পিছত গান্ধীয়ে সেই বাটকে এৰিলে। কাৰণ আকৌ আন পুলিচ আহি পহৰাত থাকিলে তেওঁৰ বিষয়ে একো নাজানি পুনৰ দুৰ্ব্যৱহাৰ কৰিব পাৰে। অনাহকতে আকৌ এটা গোৰ খোৱাৰ আৱশ্যক নাই। তেওঁ আন বাটেৰে ফুৰিব ল'লে।

দক্ষিণ আফ্ৰিকাত সেই পৰিস্থিতিত কোনো ভাৰতীয় লোকেই আত্ম-সম্মান আৰু আত্মমৰ্য্যাদা ৰাখি থাকিব নোৱাৰা অৱস্থা আছিল। গান্ধীয়ে এইবোৰ দেখি শুনি অতি চিন্তিত হ'ল আৰু এই অবিচাৰ অন্যায় আৰু অত্যাচাৰ কেনেকৈ ৰোধ কৰিব পৰা যায় সেই চিন্তাই তেওঁৰ মনত বাহ ল'লে।

দাদা আব্দুল্লাৰ মোকৰ্দ্দমা

গান্ধীয়ে দক্ষিণ আফ্ৰিকালৈ গৈছিল দাদা আব্দুল্লা শেঠৰ চলি থকা মোকৰ্দ্দমাটো পৰিচালনা কৰিবলৈ। তেওঁ প্ৰিটোৰিয়ালৈ গৈ সেই মোকৰ্দ্দমা সম্পৰ্কে তথ্য-পাতি অধ্যয়ন কৰিলে। মোকৰ্দ্দমাত আব্দুল্লা

শেঠৰ পক্ষে যথেষ্ট বলবান যুক্তি আছিল আৰু তেওঁ জয়ী হোৱাটো নিশ্চিত আছিল। দক্ষিণ আফ্রিকাৰ ভাৰতীয় লোকৰ ওপৰত চলি থকা অন্যায় অবিচাৰৰ কথা লক্ষ্য কৰি গান্ধীয়ে চিন্তা কৰিছিল এই মোকৰ্দ্দমা কেনেকৈ মিতমাত কৰি দুই পক্ষৰ মাজত সৌহাৰ্দ্দ্য আৰু বন্ধুত্ব অটুত ৰাখিব পাৰি। মোকৰ্দ্দমাৰ উভয় পক্ষই আত্মীয় আৰু একে নগৰৰে অধিবাসী লোক। এই মোকৰ্দ্দমা কিমান দিন যে চলিব তাকো সঠিককৈ কোৱা টান আৰু চূড়ান্ত নিষ্পত্তি হোৱালৈকে দুয়োপক্ষই যুঁজি খাস্তাং হব আৰু তিক্ততা বাঢ়িব। গতিকে গান্ধীয়ে দুয়ো পক্ষক মিলাই দিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰিব ধৰিলে। তেওঁৰ চেষ্টা অৱশেষত সফল হ'ল আৰু দুয়োপক্ষক সম্মত কৰাই মোকৰ্দ্দমাটো আপোচে মিতমাত কৰালে। মিতমাতৰ চৰ্ত্তসমূহ দুয়োপক্ষৰ বাবে সন্মানজনক হোৱাত তেওঁলোকো সন্তুস্ট হ'ল আৰু গান্ধীয়ে অপৰিসীম আনন্দ পালে। মোকৰ্দ্দমাটো মীমাংসা কৰাৰ সাফল্য সম্পৰ্কে গান্ধীয়ে এইদৰে কৈছিল—"মোৰ আনন্দ অপাৰ আছিল। মই আইন ব্যবসায়ৰ প্ৰকৃত মৰ্ম্ম শিকিছিলো। মই মানুহৰ প্ৰকৃতিৰ উৎকৃষ্ট ফালটো বিচাৰি চাব শিকিছিলো আৰু তাৰে মানুহৰ অন্তৰত সোমাব শিকিছিলো। মই উপলব্ধি কৰিছিলো যে আইনজীৱিৰ প্ৰকৃত কাম হ'ল বাদবিসম্বাদ আৰু কাজিয়া-পেচাল আঁতৰ কৰি দি পক্ষ দুটাক ওচৰ চপাই আনি পুনৰ মিলাই দিয়া। এই শিক্ষাই মোৰ মনত এনেদৰে শিপাইছিল যে মোৰ কুৰি বছৰীয়া ওকালতি জীৱনৰ কালছোৱাত শ শ মোকৰ্দ্দমা আদালতৰ বাহিৰত আপোচ মীমাংসাৰে নিষ্পত্তি কৰি দিয়াত মনোনিবেশ কৰিছিলো। ইয়াৰ দ্বাৰা মোৰ একো হানি হোৱা নাছিল। আত্মাইও শান্তি পাইছিল আৰু টকা-পইচাৰো হানি হোৱা নাছিল।"

মানুহে পাঙে ঈশ্বৰে ভাঙে

মোকৰ্দ্দমাৰ কাম শেষ হ'লত গান্ধীয়ে প্ৰিটোৰিয়া এৰি ডাৰ্বানলৈ আহিল আৰু ঘৰলৈ উভটি আহিবৰ বাবে যা-যোগাৰ কৰিব ধৰিলে। কিন্তু আব্দুল্লা শেঠে বিদায় সভা পাতি বিদায় নিদিয়াকৈ গান্ধীক

আহিব নিদিলে। গান্ধীক বিদায় সম্বৰ্দ্ধনা জনাবলৈ ছিদেনহামত তেওঁ এখন ভোজসভাৰ আয়োজন কৰিলে। গোটেই দিনটো তাতে কটোৱাৰ ব্যৱস্থা কৰা হৈছিল। গান্ধীয়ে খবৰৰ কাগজ এখনত পাত লুটিয়াই থাকোতে হঠাতে তাৰ একোণত দিয়া বাতৰি এটা চকুত পৰিল। বাতৰিটোৰ শিতান আছিল—'ভাৰতীয়ৰ ভোটাধিকাৰ'। বাতৰিটো সেই সময়ত বিধানসভাত উত্থাপন কৰা বিল এখনৰ সম্পৰ্কে আছিল আৰু এই বিলেৰে নাটাল বিধান সভালৈ সদস্য নিৰ্ব্বাচনত ভাৰতীয় লোকক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিবলৈ বিচৰা হৈছিল। এই বিল সম্পৰ্কে গান্ধীয়ে একো নাজানিছিল আৰু সিদিনা সেই সভাত উপস্থিত থকা লোকসকলেও একো নাজানিছিল। গান্ধীয়ে শেঠ আব্দুল্লা প্ৰমুখ্যে নেতৃস্থানীয় লোকসকলক ইযাৰ বিষযে সোধাত তেওঁলোকে ক'লে—"আমি এইবোৰৰ কি ভূ পাম? আমি কেৱল আমাৰ ব্যৱসায সংক্ৰান্ত কথাৰ বিষযে অলপ অচৰপ জানো।" গান্ধীয়ে ঘৰলৈ উভটিবৰ বাবে সকলো ঠিকঠাক কৰি ঘৰমুৱা অৱস্থাত থকা কাৰণে অলপ ইতস্ততঃ কৰি ক'লে—"এই বিল যদি আইনত পৰিণত হয তেন্তে ই আমাৰ অৱস্থা অতি শোচনীয কৰি তুলিব। ই আমাৰ আত্মসন্মানৰ মূৰতে কুঠাৰাঘাত কৰিছে।" উপস্থিত অতিথিসকলে তেওঁলোকৰ আলোচনা শুনি আছিল। তাৰ বাবে এজনে গান্ধীক কৈ উঠিল—"এতিয়া কি কৰিব লাগে মই কওঁ নে? আপুনি এই জাহাজত ঘৰলৈ উভটি যোৱাটো বন্ধ কৰক। ইযাত আৰু এমাহ থাকক। আপুনি যেনেকৈ চলাব আমি তেনেকৈ ইযাৰ বিৰুদ্ধে সংগ্ৰাম কৰিম।" আটায়ে এই কথাত হযভৰ দি গান্ধীক আৰু কিছুদিন তাত থাকি তেওঁলোকক দিহা-পৰামৰ্শ দি চলাবলৈ জোৰ দি ধৰিলে।

এনে অৱস্থাত গান্ধীৰ পক্ষে নাটাল এৰি অহা অসম্ভৱ হৈ উঠিল। এই বিলৰ পৰিণাম সম্পৰ্কে গভীৰ ভাবে আলোচনা হ'ল আৰু ভোজমেলৰ ঠাইতে দক্ষিণ আফ্ৰিকাৰ ভাৰতীয লোকৰ সাম্য অধিকাৰ সংৰক্ষণ কৰিবলৈ আগন্তুক আন্দোলনৰ সংগ্ৰাম কমিটি গঠন কৰাৰ আলোচনা-বিলোচনা হ'ল। গান্ধীৰ ভাৰতলৈ প্ৰত্যাবৰ্ত্তন স্থগিত ৰ'ল। দলে দলে ভাৰতীয় লোকসকলে তেওঁক আগুৰি ধৰি তেওঁলোকৰ নেতৃত্ব লবলৈ জোৰ কৰিব ধৰিলে আৰু গান্ধীয়ে আন্দোলনৰ গুৰি

ধৰিব লগাত পৰিল। সেই বিল যাতে বিধান সভাই আইনত পৰিণত নকৰে তাৰ বাবে ৰাতিযেই আবেদন তৈয়াৰ কৰি হাজাৰ হাজাৰ ভাৰতীয় লোকৰ চহী লৈ বিধান সভাৰ অধ্যক্ষলৈ পঠিওৱা হ'ল। অধ্যক্ষই দুদিনৰ বাবে সেই বিলৰ আলোচনা স্থগিত ৰাখিব বুলি গান্ধীক জনালে। এই দুদিনৰ ভিতৰতে বিলখনৰ বিৰোধিতা কৰি সবল যুক্তি ডাঙি ধৰি গান্ধীয়ে দীঘলীয়া আৰ্হি এখন সদস্যসকললৈ আৰু বাতৰি কাকতলৈ পঠালে। এই প্ৰতিবাদে বেচ আলোড়নৰ সৃষ্টি কৰিছিল আৰু বিভিন্ন মহলত বিভিন্ন প্ৰতিক্ৰিয়া হৈছিল। কোনো কোনো বাতৰি কাকতে প্ৰতিবাদ সমৰ্থন কৰি প্ৰবন্ধ লিখিছিল আৰু কোনো কোনো সদস্যই এই প্ৰতিবাদৰ যুক্তিত পতিয়নো গৈছিল। কিন্তু অবশেষত গান্ধীয়ে ভবামতেই বিধান সভাত বিলখন পাছ হ'ল আৰু আইনত পৰিণত হ'ল।

গান্ধীয়ে এই আইন যাতে কাৰ্য্যকৰী নহয় তাৰ বাবে যথোচিত ব্যৱস্থা লবলৈ সিদ্ধান্ত ল'লে আৰু এই আন্দোলন বহুদিন ধৰি চলাই যাব লাগিব বুলি সহকৰ্ম্মীসকলক জনালে। এই আন্দোলন চলাই যাবলৈ এটা স্থায়ী সন্থা সংগঠন কৰাৰো সিদ্ধান্ত ল'লে। দলে দলে স্বেচ্ছাসেৱক আগবাঢ়ি আহিল। দক্ষিণ আফ্ৰিকাত থকা বিভিন্ন সম্প্ৰদায় আৰু বিভিন্ন ধৰণৰ লোকসকলে সকলো ভেদাভেদ পাহৰি একে ভাৰতমাতৃৰ সন্তান হিচাবে একগোট হৈ গান্ধীৰ নেতৃত্বত নিজৰ সম্মান, মৰ্য্যাদা আৰু অধিকাৰ সাব্যস্ত কৰিবলৈ সকলো পণ কৰি আগ-বাঢ়ি আহিল। সেই বছৰতে মে মাহৰ ২২ তাৰিখে স্থায়ী সন্থা হিচাবে নাটাল ভাৰতীয় কংগ্ৰেছ মহাসভা প্ৰতিস্থাপিত হয় আৰু এই কংগ্ৰেছৰ জৰিয়তে আন্দোলন চলাই যাবলৈ দৃঢ়প্ৰতিজ্ঞ হয়। গান্ধীৰ আচনিমতে নাটাল ভাৰতীয় কংগ্ৰেছ মহাসভাৰ সংবিধান আৰু নিয়মাবলী ৰচনা কৰা হয় আৰু দলে দলে লোক এই কংগ্ৰেছৰ সভ্য আৰু স্বেচ্ছাসেৱক হিচাবে যোগ দিয়ে।

তিনি পাউণ্ডৰ টেক্স

নাটালত ব্যৱসায় কৰা ইয়োৰোপীয় ব্যৱসায়ীসকলে তাত চেনি উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা দেখিলে। কুঁহিয়াৰৰ খেতি আৰু চেনি উৎপাদনৰ বাবে শ্ৰমিকৰ প্ৰয়োজন। নাটালৰ জুলুবিলাকৰ দ্বাৰা তেনে কাম পোৱা সম্ভৱ নাছিল। গতিকে এই সদাগৰসকলে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি ভাৰতীয় শ্ৰমিক দক্ষিণ আফ্ৰিকালৈ নিয়াৰ ব্যৱস্থা কৰিছিল। ১৮৬০ চনৰ পৰাই ভাৰতীয় শ্ৰমিক নাটাললৈ যাব ধৰিলে। এই শ্ৰমিকসকলে চুক্তিবদ্ধ হৈ তালৈ গৈছিল আৰু এই চুক্তিৰ চৰ্ত্তসমূহ এনেধৰণৰ আছিল—এই শ্ৰমিকসকলে নাটালত পাঁচ বছৰ কাম কৰিব বুলি চুক্তিত চহী কৰিব লাগিছিল বা 'গিৰমিট' দিব লাগিছিল। এই পাঁচ বছৰৰ ম্যাদৰ অন্তত শ্ৰমিকসকলে ইচ্ছা কৰিলে তাত নিগাজীকৈ স্বাধীনভাবে বসবাস কৰিব পাৰিব আৰু মাটিৰ ওপৰত সম্পূৰ্ণ স্বত্ব লাভ কৰিব। এই প্ৰলোভনত শ্ৰমিকসকল তালৈ 'গিৰমিট' দিও গৈছিল।

কিন্তু কঠোৰ পৰিশ্ৰমী ভাৰতীয় শ্ৰমিকসকলে চাহাব মালিকসকলে আশা কৰাতকৈ বহুত বেচি অবদান দক্ষিণ আফ্ৰিকাক দিছিল। তেওঁলোকে প্ৰচুৰ শাক-পাচলি উৎপাদন কৰিছিল, ভাৰতৰ পৰা নি বিধে বিধে নতুন শাক-পাচলিৰ খেতি কৰিছিল আৰু বজাৰত অপৰিমিত নতুন নতুন ধৰণৰ শাক-পাচলি ওলোৱাত নাটালত উৎপাদিত শাক-পাচলিও সস্তা হৈছিল। তেওঁলোকে অকল খেতি-বাতি কৰিয়েই ক্ষান্ত নাছিল। তেওঁলোকে ব্যৱসায়তো হাত দিছিল, মাটিবাৰী কিনিছিল, গিৰমিট দিয়া বনুৱাৰ পৰা ওপৰলৈ উঠি ঘৰ আৰু মাটিৰো মালিক হৈছিল। তেওঁলোকৰ পিছে পিছে ভাৰতীয় ব্যৱসায়ীসকলে তালৈ যাব ধৰিলে আৰু ব্যৱসায় আৰম্ভ কৰি অতি সোনকালে প্ৰতিপত্তিশালী ব্যৱসায়ী হৈ উঠিল।

এইবোৰ দেখি শুনি শ্বেতকায় মহাজন ব্যৱসায়ীসকল শঙ্কিত হ'ল। ভাৰতৰ পৰা বনুৱা আমদানী কৰা সময়ত এই বনুৱাসকলৰ ব্যৱসায়িক বুদ্ধি আৰু তৎপৰতাৰ কথা তেওঁলোকে ভাবিব পৰা নাছিল। চুক্তিৰ অন্তত এই বনুৱাসকলে স্বাধীনভাবে খেতি-বাতি কৰি থকালৈকে

তেওঁলোকে সহিব পাৰিছিল কিন্তু যেতিয়া এই ভাৰতীয় বনুৱাসকলে আৰু তেওঁলোকৰ লগত অহা ব্যৱসায়ীসকলে ব্যৱসাযতো প্রতিযোগিতা আৰম্ভ কৰিলে তেতিয়া ইয়োৰোপীয় ব্যৱসাযীসকলে আৰু নাটালত উপনিৱেশ পাতি থকা ইয়োৰোপীয়সকলে সহ্য কৰিব নোৱাৰা হ'ল। ভাৰতীয় লোকসকলৰ প্রতি বিদ্বেষ আৰম্ভ হ'ল আৰু ভাৰতীয় লোকে শ্বেতকাযসকলৰ হাতত নানা অপমান লাঞ্ছনা আৰু অবিচাৰ ভোগ কৰিবলগীয়া হ'ল। শ্বেতকাযসকলৰ একচেতীয়া স্বাৰ্থ সংৰক্ষণ কৰিবলৈ আইন প্রণযন কৰিও ভাৰতীয় লোকৰ স্বাভাবিক অধিকাৰ খৰ্ব্ব কৰিবলৈ উদ্যত হ'ল। আইনৰ জৰিযতে ভাৰতীয় লোকৰ ভোটাধিকাৰ নোহোৱা কৰা আৰু চুক্তিবদ্ধ শ্রমিক হৈ অহা ভাৰতীয় লোকসকলৰ ওপৰত টেক্স লগোৱা আদি কাৰ্য্যই এই বিদ্বেষৰ চৰম পৰিণতি হৈছিল। ভাৰতীয় শ্রমিকসকলক চুক্তিৰ ম্যাদ উকলি নোযোৱাতেই ভাৰতলৈ ঘূৰাই পঠিওৱা সম্পৰ্কেও ভাৰত চৰকাৰৰ লগত আলোচনা হৈছিল, কিন্তু ভাৰত চৰকাৰ মান্তি নোহোৱাত যাতে চুক্তিৰ ম্যাদৰ অন্তত ভাৰতলৈ উভটি যাবলৈ বাধ্য হয তাৰ বাবে বছৰি ২৫ পাউণ্ড টেক্স লগাবলৈ প্রস্তাৱ কৰিলে। এই প্রস্তাৱ লৈ নাটালৰ শ্বেতকায-সকলৰ প্রতিনিধি দল এটাও ভাৰতলৈ গ'ল আৰু তেতিয়াৰ ভাইচৰয লৰ্ড এলগিনৰ লগত আলোচনা কৰি বছৰি ২৫ পাউণ্ডৰ পৰিবৰ্ত্তে জনমূৰী তিনি পাউণ্ড টেক্স লগোৱাৰ সন্মতি লৈ আহি ইযাক আইনত পৰিণত কৰে। লৰ্ড এলগিনে নাটালৰ শ্বেতকায লোকসকলৰ স্বাৰ্থৰ বাবে ভাৰতীয লোকৰ স্বাৰ্থ মষিমূৰ কৰা কোনোমতেই যুক্তিযুক্ত নাছিল। বছৰি ২৫ পাউণ্ড টেক্স লগোৱা প্রস্তাৱৰ বিৰুদ্ধে গান্ধীৰ নেতৃত্বত নাটাল কংগ্রেছে দুৰ্গোৰ প্রতিবাদ কৰিছিল আৰু জনমূৰী তিনি পাউণ্ড টেক্সৰো প্রতিবাদত আন্দোলন কৰিবলৈ প্রস্তুত হ'ল। কংগ্রেছে এই টেক্স বাতিল কৰিবলৈ তীব্র আন্দোলন চলাইছিল আৰু এই আন্দোলন নোহোৱাহেঁতেন, দক্ষিণ আফ্রিকাত থকা ভাৰতবাসী-সকলে এই জঘন্য টেক্স কিজানি আজিও দি থাকিবলগীয়া হ'লহেঁতেন ; এই ব্যৱস্থা ভাৰতৰ বাবেই লাজৰ কথা হৈ থাকিলহেঁতেন।

ইতিমধ্যে গান্ধীৰ দক্ষিণ আফ্রিকাত থকা কাল তিনি বছৰ পাৰ হৈ গ'ল। তেওঁ দক্ষিণ আফ্রিকাৰ নাটালৰ চুপ্রীম কোৰ্টৰ বেৰিষ্টাৰ

হিচাবে ৰেজিষ্টাৰি হৈ তাতে ওকালতি কৰিব আৰম্ভ কৰিছিল। ওকালতি গান্ধীৰ বাবে দক্ষিণ আফ্ৰিকাত থকাৰ অজুহাতৰ নিচিনাহে হৈছিল। তেওঁৰ বেচি ভাগ সময় ভাৰতীয় লোকসকলৰ স্বাৰ্থ সংৰক্ষণ আৰু অধিকাৰ সাব্যস্ত কৰা আন্দোলনৰ কামতে গৈছিল। আব্দুল্লা শেঠৰ মোকৰ্দ্দমা পৰিচালনা কৰিব যোৱাৰ তিনি বছৰৰ মূৰত ১৮৯৬ চনত গান্ধীয়ে ৬ মাহৰ বাবে ভাৰতলৈ ওলাল। তেওঁৰ ওকালতি ব্যৱসায় ক্ৰমাৎ ভাল হৈ আহিছিল আৰু তাৰ ভাৰতীয লোকসকলে কোনোমতেই তেওঁক এৰা দি আহিবলৈ নিদিছিল। গতিকে গান্ধীয়ে ভাৰতলৈ আহি ল'ৰা-তিৰোতা লৈ নাটাললৈ আহি স্থায়ীভাবে থকাৰ মন কৰিলে। দক্ষিণ আফ্ৰিকাৰ ভাৰতবাসীৰ শোচনীয় পৰিস্থিতি সম্পৰ্কে ভাৰতত প্ৰকাশ কৰি জনমত গঠন কৰাও গান্ধীৰ ভাৰতলৈ অহাৰ আন এটা উদ্দেশ্য আছিল। তিনি পাউণ্ড টেক্স তেতিযাও কেঁচা ঘাঁৰ দৰেই আছিল আৰু ইযাক উঠাই দিব নোৱাৰালৈকে গান্ধীৰ মনত শান্তি নাছিল।

ভাৰতলৈ যাত্ৰা

১৮৯৬ চনৰ মাজভাগত গান্ধীয়ে এচ্ এচ্ পনগোলা নামে জাহাজত ভাৰত অভিমুখে যাত্ৰা কৰিলে। এই জাহাজখন কলিকতালৈ আহিছিল। জাহাজত গান্ধীয়ে উৰ্দ্দু আৰু তামিল ভাষা শিকিবলৈ ল'লে। দক্ষিণ আফ্ৰিকাত থকা মুছলমানসকলৰ লগত কথা পাতিবলৈ উৰ্দ্দু আৰু মাদ্ৰাজৰ পৰা যোৱা লোকসকলৰ লগত কথা-বতৰা হবলৈ তামিলৰ প্ৰযোজন উপলব্ধি কৰি গান্ধীয়ে জাহাজত পোৱা সময়খিনিতে দুয়োটা ভাষা শিকাত লাগিল আৰু জাহাজৰ সহযাত্ৰী এজনৰ সহায়ত কাম চলাব পৰাকৈ দুয়োটা ভাষা শিকিলে।

২৪ দিনৰ মূৰত জাহাজ আহি কলিকতা বন্দৰত চাপিল আৰু সিদিনাই গান্ধীযে ৰেলেৰে বোম্বাই অভিমুখে যাত্ৰা কৰিলে। বাটত এলাহাবাদ ষ্টেচনত গাড়ী ৪৫ মিনিট থামিছিল। গান্ধীয়ে এই সময়খিনিতে নগৰখনত এপাক মাৰি চাই আহো বুলি ওলাই গ'ল। তেওঁ কিবা

এটা দৰৱ কিনিবলৈ দৰবৰ দোকান এখনত সোমাল। কম্পাউণ্ডাৰজনে টোপনিয়াই আছিল আৰু দৰবখিনি দিওঁতে ইমান পলম কৰিলে যে গান্ধীয়ে আহি দেখে গাড়ী ষ্টেচন এৰি গুছি গৈছে। তেওঁ গোটেই দিনটো এলাহাবাদতে কটাব লগাত পৰিল। এলাহাবাদৰ বিখ্যাত সাংবাদিক এজনৰ লগত দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় লোকৰ অৱস্থা সম্পৰ্কে কথা-বতৰা পাতি সময় নিয়াই পুনৰ বোম্বাই অভিমুখে যাত্ৰা কৰিলে।

গান্ধীয়ে বোম্বাইত নৰৈ পোনে পোনেই ৰাজকোটলৈ গ'ল আৰু দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ দুৰ্দ্দশা সম্পৰ্কে পুস্তিকা এখন লিখিবলৈ আৰম্ভ কৰিলে। পুস্তিকাখন লিখি প্ৰকাশ কৰোতে এমাহ-মান লাগিল। ইযাৰ বাকলিটো সেউজীয়া ৰঙৰ আছিল আৰু পিচত ই সেউজীয়া পুস্তিকা নামেৰেই জনাজাত হ'ল। গান্ধীয়ে এই কিতাপ-খনত ইচ্ছা কৰিয়েই দক্ষিণ আফ্ৰিকাৰ ভাৰতবাসীৰ অৱস্থাৰ সংযত ছবিহে ডাঙি ধৰিছিল। কিতাপখনৰ দহ হাজাৰ সংখ্যা ছপাই ভাৰতৰ আটাইবোৰ বাতৰি কাকতলৈ আৰু প্ৰতেক ৰাজনৈতিক দলৰ নেতৃস্থানীয় লোকলৈ পঠোৱা হৈছিল। এই প্ৰবন্ধটোৰ সাৰাংশ ৰযটাৰ বাতৰি প্ৰতিষ্ঠানে ইংলণ্ডলৈ কেবোল যোগে পঠাইছিল আৰু সেই সাৰাংশৰ চমু টোকা এটা লণ্ডনৰ ৰয়টাৰ অফিচে নাটাললৈ পঠাইছিল। এই কেবোল বাৰ্ত্তা ছপোৱাত তিনিশাৰীমানহে হৈছিল। নাটালত ভাৰতীয় লোকৰ প্ৰতি কৰা আচৰণ সম্পৰ্কে গান্ধীয়ে যি ছবি ডাঙি ধৰিছিল লণ্ডনৰ পৰা নাটাললৈ পঠোৱা তাৰ সংক্ষিপ্ত বিৱৰণী অতি চমু হ'লেও অতিৰঞ্জিত আকাৰত আছিল আৰু ভাষাও গান্ধীৰ লিখা আকাৰত নাছিল। নাটালত ইযাৰ প্ৰতিক্ৰিয়া সুদূৰ-প্ৰসাৰী হৈছিল আৰু গান্ধী তাৰ বাবে নগুৰনাস্তি হব লগাত পৰিছিল। ইতিমধ্যে ভাৰতৰ প্ৰায়বোৰ বাতৰি কাকততে এই পুস্তিকাৰ বিষয়বস্তু প্ৰকাশিত হৈছিল আৰু ইযাৰ বিশদভাবে আলোচনাৰ হৈছিল।

এই পুস্তিকাবিলাক পঠাবলৈ কাগজেৰে মুৰিওৱা আদিত দৰমহা দি কৰাবলৈ হলে ভালেখিনি খৰছ পৰিলেহেঁতেন। গান্ধীয়ে ওচৰৰ সৰু সৰু ল'ৰাবিলাকৰ লগ ল'লে আৰু স্কুল নথকাদিনত পুৱা দুঘণ্টা বা তিনিঘণ্টা এনেয়ে কাগজ মেৰোৱা আদি কাম কৰিবলৈ ক'লে।

ল'ৰাবিলাকে আনন্দেৰে কামত লাগি গ'ল আৰু অতি কম সময়ৰ ভিতৰতে কিতাপবিলাক ডাকত দিবলৈ সাজু কৰি দিলে। ল'ৰা-ছোৱালীক স্বেচ্ছাসেৱক হিচাবে নিয়োগৰ প্ৰথমে ইয়াতেই গান্ধীয়ে অভিজ্ঞতা পায় আৰু সেই ল'ৰাৰে কেইজনমান পিচত গান্ধীৰ বিশ্বস্ত সহকৰ্ম্মী হৈ পৰে। এই কিতাপবিলাক প্ৰচাৰ হোৱাৰ লগে লগে ভাৰতত, বিশেষকৈ ডাঙৰ ডাঙৰ নগৰবিলাকত দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় লোকৰ নিৰ্য্যাতন সম্পৰ্কে এটা আলোড়নৰ সৃষ্টি হয। গান্ধীযে এই চহৰবোৰত ৰাজহুৱা সভা পাতি জনমত সংগঠনৰ বাবে কাৰ্য্যসূচী হাতত ল'লে। প্ৰথমে বোম্বাই নগৰত এখন ডাঙৰ সভাৰ আযোজন কৰিলে আৰু সেই সভা কৃতকাৰ্য্যতাৰে হৈ যোৱাৰ পিছত এই প্ৰশ্ন সম্পৰ্কে আলোচনাৰ বাবে পুনা, মাদ্ৰাজ আৰু কলিকতাত ৰাজহুৱা সভা পাতিলে। কলিকতাত থাকোতে গান্ধীয়ে ডাৰ্বানৰ পৰা এই মৰ্ম্মে কেবোল বাৰ্ত্তা পালে—"পাৰ্লামেণ্ট জানুৱাৰীত বহিব, সোনকালে ঘূৰি আহক।"

গান্ধীযে ১৮৯৬ চনৰ ডিচেম্বৰ মাহত পুনৰ দক্ষিণ আফ্ৰিকা অভিমুখে যাত্ৰা কৰিলে। এইবাৰ গান্ধীযে ঘৈণীয়েক, ল'ৰা দুটা আৰু তেওঁৰ বিধবা ভনীযেকৰ একমাত্ৰ ল'ৰা এটাক লৈ সপৰিযালে জাহাজেৰে ডাৰ্বানলৈ ওলাল। একে সময়তে আন এখন জাহাজো ডাৰ্বানলৈ যাত্ৰা কৰিলে আৰু দুয়োখন জাহাজত প্ৰায ৮০০ মান যাত্ৰী দক্ষিণ আফ্ৰিকালৈ গৈছিল।

দক্ষিণ আফ্ৰিকালৈ প্ৰত্যাবৰ্ত্তন

১৮৯৬ চনৰ ১৮ ডিচেম্বৰত এই জাহাজ দুখন ডাৰ্বান পালে। ডাক্তৰে ভালকৈ পৰীক্ষা কৰি নোচোৱালৈকে দক্ষিণ আফ্ৰিকাৰ কোনো বন্দৰতে যাত্ৰীসকলক জাহাজৰ পৰা পাৰলৈ উঠিব দিয়া নহৈছিল। যাত্ৰীসকলৰ কোনো লোকক কোনো সংক্ৰামক ৰোগত আক্ৰান্ত হোৱা পালে এটা নিৰ্দ্দিষ্ট সময়ৰ বাবে পাৰৰ পৰা দূৰৈত লঙ্গৰ নমাই পানীৰ মাজতে জাহাজখন ৰখাই থোৱা হৈছিল। গান্ধী

আৰু যাত্ৰীসকলক লৈ অহা জাহাজ দুখন বোম্বাই বন্দৰ এৰোতে তাত প্লেগ বেমাৰ দেখা দিছিল আৰু সেই কাৰণে এই জাহাজ দুখনক এটা নিৰ্দ্দিষ্ট সময় পাৰ নোহোৱালৈকে পাৰলৈ আহিব নিদিব বুলি আশঙ্কা কৰা হৈছিল। ডাক্তৰ আহি যাত্ৰীসকলক পৰীক্ষা কৰিলে। তেওঁ আৰু পাঁচ দিন জাহাজ পাৰত লগাব নোৱাৰে বুলি আদেশ দিলে। তেওঁৰ মতে প্লেগৰ বীজাণু শৰীৰত প্ৰবেশ কৰাৰ পৰা ৰোগৰ লক্ষণ প্ৰকাশ পাবলৈ ২৩ দিন অন্ততঃ লাগে আৰু বোম্বাই বন্দৰ এৰাৰ পৰা ২৩ দিনৰ মূৰতহে জাহাজৰ যাত্ৰীক পাৰলৈ আহিব দিয়া উচিত হব। গতিকে জাহাজ দুখন আৰু পাঁচদিন পানীৰ মাজতে থাকিব লগা হ'ল।

জাহাজ দুখন পাৰত চপাবলৈ নিদিয়াৰ কাৰণ অকল ৰোগৰ ভয়েই নাছিল। ডাৰ্বানত থকা শ্বেতকায় লোকসকলে এই দুখন জাহাজত অহা বৰ্ণকায় ভাৰতীয লোকসকলক নামিব নিদি পুনৰ ভাৰতলৈ ওভোটাই পঠাব লাগে বুলি আন্দোলন কৰি আছিল। গতিকে জাহাজ পাৰত লগাব নিদিযাৰ আন এটা কাৰণও আছিল এই আন্দোলন। দাদা আব্দুল্লাৰ লোকসকলে গান্ধীক এই সম্পৰ্কে চহৰত ঘটি থকা সকলো খা-খবৰ জনাই থাকিছিল, শ্বেতকায লোকসকলে প্ৰতিদিনে চহৰত বিৰাট বিৰাট সভা পাতিছিল আৰু জাহাজত অহা ভাৰতীয় লোকসকলক ডাৰ্বানত নামিব নিদি ভাৰতলৈ ওভোটাই পঠাবলৈ দাবী কৰিছিল। তেওঁলোকৰ দাবী মানি নল'লে তাৰ পৰিণাম ভযাবহ হব বুলিও ভয় দেখুৱাইছিল। দাদা আব্দুল্লাই কোম্পানীৰ মালিকসকলক সন্মত কৰাবলৈকো নানা চেষ্টা চলাইছিল, কিন্তু তেওঁলোক কোনোমতেই সন্মত নহ'ল আৰু তেওঁলোকে জাহাজ পাৰত চপাবলৈ টানি ধৰিলে। শ্বেতকায় লোক-সকল সংখ্যাত সৰহ, ধন আৰু ক্ষমতাত গৰ্ব্বিত আৰু চৰকাৰৰ দ্বাৰা সকলো প্ৰকাৰৰ সহায আৰু সমৰ্থন পাইছিল। আনহাতে মাত্ৰ এমুঠি ভাৰতবাসী আৰু তেওঁলোকৰ প্ৰতি সহানুভূতিশীল কেইজনমান ইংৰাজ বন্ধুৱে এই বিৰাট শ্বেতকায জনতাৰ লগত কেনেকৈ ফেৰ মাৰিব, ফলত ভাৰতীয় লোকসকলে নানা নিৰ্য্যাতন সহ্য কৰিব লগা হৈছিল। গান্ধীক এই আটাইবোৰ খবৰ জনাই থকা হৈছিল।

জাহাজত সময় কটাবলৈ নানা খেল-ধেমালিৰ আয়োজন কৰা হৈছিল

আৰু গান্ধীয়ে এই বিলাকত আগ ভাগ লৈছিল, কিন্তু গান্ধীৰ অন্তৰত সদায় ডাৰ্বানৰ পথত চলি থকা উত্তেজনা আৰু উৎপীড়নৰ কথাই বৰ আঘাত দিছিল আৰু চিন্তিত কৰি তুলিছিল। এই আন্দোলন আৰু উৎপীড়নৰ কেন্দ্ৰ আছিল গান্ধী নিজেই। দক্ষিণ আফ্ৰিকাৰ ইংৰাজ আৰু আন শ্বেতকায় লোকসকলৰ গান্ধীৰ বিৰুদ্ধে দুটা প্ৰবল অভিযোগ আছিল। প্ৰথমটো হৈছে গান্ধীয়ে ভাৰতত থকা কালত নাটালৰ শ্বেতকায়সকলৰ বিৰুদ্ধে নানা প্ৰকাৰৰ মিছা আৰু অতিৰঞ্জিত বাতৰি পৰিবেশন কৰি তেওঁলোকক গৰিহনা দিছে আৰু বদনামী কৰিছে। গোটেই বিশ্বৰ আগতে দক্ষিণ আফ্ৰিকাৰ শ্বেতকায় লোকসকলক হেয় কৰিবলৈ গান্ধীয়ে প্ৰবন্ধ আদি লিখিছে আৰু প্ৰচাৰ কৰিছে। গতিকে গান্ধীৰ ওপৰত এই লোকসকল খঙত উত্তেজিত হৈ আছিল। দ্বিতীয়তে, এই শ্বেতকায় লোকসকলে বিশ্বাস কৰিছিল যে নাটাল ভাৰতীয় লোকেৰে প্লাবিত কৰিবৰ বাবেই গান্ধীয়ে লগত এই দুই জাহাজ ভাৰতীয় লোকক নাটালৰ বাসিন্দা কৰিবলৈ লৈ আহিছে।

কিন্তু এই অভিযোগবিলাক একেবাৰেই অসত্য আৰু ভিত্তিহীন আছিল। গান্ধীয়ে কোনো লোককে নাটাললৈ লৈ যোৱা নাছিল আৰু জাহাজত যোৱা লোকসকলৰ কাকো চিনিও পোৱা নাছিল। জাহাজ এৰা সময়ত বোম্বাইত তেওঁক দেখা কৰিব অহা আত্মীয় লোক কেইজন-মানৰ বাহিৰে জাহাজত উঠা লোকসকলৰ লগত তেওঁৰ অকণো পৰিচয় নাছিল। ভাৰতত থকা কালত গান্ধীয়ে দক্ষিণ আফ্ৰিকাৰ শ্বেতকায সকলৰ সম্পৰ্কে নাটালত নাইবা দক্ষিণ আফ্ৰিকাৰ আন ঠাইত নোকোৱা কোনো কথাকেই ভাৰতত কোৱা নাছিল। ভাৰতত কোৱা বা লিখা কথাৰপ্ৰতিটোৱেই তেওঁ আগেযে দক্ষিণ আফ্ৰিকাত কৈ যোৱা বা প্ৰকাশ কৰা কথাহে আছিল। ৰাজহুৱা সভাবিলাকত গান্ধীৰ বিৰুদ্ধে উত্তেজনা পূৰ্ণ বক্তৃতা আদিৰে শ্বেতকায লোকসকলে মানুহৰ মনত বৰ্ণ-বৈষম্যৰ এটা অপ্ৰীতিকৰ পৰিবেশ জগাই তুলিছিল। এইদৰে দিনবোৰ যাব ধৰিলে।

বোম্বাই বন্দৰ এৰাৰ পৰা তেইশদিন পাৰ হৈ যোৱাৰ পিচদিনা জাহাজ দুখন পোতাশ্ৰয়ত সোমাবলৈ দিয়া হ'ল আৰু যাত্ৰীসকলোকো জাহাজৰ পৰা নামিবলৈ অনুমতি দিয়া হ'ল। জাহাজ দুখন আহি ঘাটত লাগিল আৰু যাত্ৰীসকল জাহাজৰ পৰা নামিবলৈ ধৰিলে। কিন্তু

নাটাল মন্ত্রীসভাৰ সদস্য মিষ্টাৰ এস্কোম্বে গান্ধী অহা জাহাজখনৰ কেপ্টইনজনলৈ এটা বার্ত্তা পঠালে যে ডার্বানৰ শ্বেতকায় লোকসকল গান্ধীৰ বিৰুদ্ধে বৰ উত্তেজিত হৈ আছে; গান্ধী আৰু তেওঁৰ লোকসকলৰ জীৱন নিৰাপদ নহয়। গতিকে গান্ধী আৰু তেওঁৰ পৰিয়ালবর্গক সন্ধিয়া আন্ধাৰ হোৱাৰ পিছতহে জাহাজৰ পৰা নামিবলৈ উপদেশ দিব লাগে আৰু সন্ধিয়া বন্দৰৰ চুপাৰিন্টেণ্ডেন্ট মিষ্টাৰ টেটামে তেওঁলোকক জাহাজৰ পৰা নি তেওঁলোকৰ ঘৰত থৈ অহাৰ বন্দোবস্ত কৰা হৈছে।

জাহাজৰ কেপ্টেইনজনে এই বার্ত্তাটো গান্ধীক জনালে আৰু গান্ধীয়েও সেই উপদেশ মানি চলিবলৈ থিৰ কৰিলে। কিন্তু তাৰ আধাঘণ্টামান সময়ৰ পিছতে ডার্বানত থকা ভাৰতীয় লোক-সকলৰ উকীল আৰু হিতাকাঙ্খী মিষ্টাৰ লাফ্টন জাহাজৰ কেপ্টেইন্ জনৰ ওচৰলৈ আহি ক'লে—"গান্ধীৰ কোনো আপত্তি নাথাকিলে মই তেওঁক মোৰ লগত লৈ যাব ইচ্ছা কৰো। এই জাহাজ কোম্পানীৰ আইন উপদেষ্টা হিচাবে মই আপোনাক জনাইছো; আপুনি মিষ্টাৰ এস্কোম্বেৰ কথা শুনিবলৈ বাধ্য নহয।" তাৰ পিছত মিষ্টাৰ লাফ্টন গান্ধীৰ ওচৰলৈ গৈ ক'লে, "আপুনি যদি ভয নকৰে তেন্তে মই ভাবিছো শ্রীমতী গান্ধী আৰু ল'ৰা-ছোৱালী কেইটা ৰুস্তমজীৰ ঘৰলৈ গাড়ীৰে যাওক আৰু আমি দুযো তেওঁলোকৰ পিছে পিছে খোজকাঢ়ি গৈ থাকো। ৰাতি চোৰৰ দৰে আপুনি নগৰত সোমাব—এই কথাটো মই ভাল পোৱা নাই। কোনোবাই আপোনাক আঘাত কৰিব বুলি ভয় কৰাৰ কোনো কাৰণ মই দেখা নাই। এতিয়া সকলো শান্ত হৈ গৈছে, শ্বেতকায় লোকসকল এতিয়া দিহাদিহি গৈছে। যিয়েই নহওক লাগিলে আপুনি মনে মনে চোৰৰ দৰে ৰাতি নগৰত সোমোৱাটো ঠিক নহব।" এই প্রস্তাবত গান্ধী তৎক্ষণাৎ সন্মত হ'ল। শ্রীমতী কস্তুৰবা গান্ধী আৰু ল'ৰা-ছোৱালী কেইটা নিৰাপদে মটৰেৰে ৰুস্তমজীৰ ঘৰলৈ গুছি গ'ল। জাহাজৰ কেপ্টইনৰ অনুমতি লৈ গান্ধীয়ে মিষ্টাৰ লাফ্টনৰ লগত জাহাজৰ পৰা পাৰলৈ নামিল। ৰুস্তমজীৰ ঘৰ জাহাজ ঘাটৰ পৰা দুমাইলমান দূৰ আছিল। জাহাৰৰ পৰা নমা মাত্রকে চেমনীয়া ডেকা ল'ৰা কেইজনমানে গান্ধীক চিনি পালে আৰু গান্ধী, গান্ধী বুলি চিঞৰ-বাখৰ লগালে। তৎক্ষণাৎ আৰু কিছুমান মানুহ দৌৰি আহিল আৰু গান্ধী, গান্ধী বুলি

জোৰেৰে চিঞঁৰিবলৈ ধৰিলে। লাহে লাহে জনতা বাঢ়িব বুলি মিষ্টাৰ লাফ্‌টনৰ ভয় লাগিল আৰু ৰিক্‌সা এখন মাতিলে। গান্ধীয়ে কোনো দিনে ৰিক্‌সাত উঠা নাছিল আৰু ৰিক্‌সাত উঠিব তেওঁ ভাল নাপাইছিল। এয়ে তেওঁৰ ৰিক্‌সাত উঠাৰ প্ৰথম অভিজ্ঞতা হ'লহেঁতেন। কিন্তু সেই চেমনীয়া ল'ৰা কেইটাই গান্ধীক ৰিক্‌সাত উঠিব নিদিলে। ৰিক্‌সা চলোৱা মানুহজনকো জীৱন নাশ কৰিব বুলি ভয় দেখুৱালে। ফলত ৰিক্‌সাৱালাই একে কোবেই তাৰপৰা পলাই পত্ৰং দিলে।

গান্ধী আৰু লাফ্‌টন লাহে লাহে আগবাঢ়ি যোৱাৰ লগে লগে জনতাৰ ভিৰ বাঢ়ি আহিল আৰু আগবাঢ়ি যোৱা অসম্ভৱ হৈ উঠিল। তেওঁলোকে প্ৰথমে লাফ্‌টনক ধৰিলে আৰু জোৰেৰে আঁতৰাই নি গান্ধীক অকলশৰীয়া কৰি পেলালে। ততালিকে চাৰিওফালৰ পৰা গান্ধীৰ ওপৰত শিলগুটি, ইটাৰ টুকুৰা, পচাকণী আদি বৰষুণ পৰাদি পৰিব ধৰিলে। কোনোবা এজনে গান্ধীৰ মুৰৰ পৰা পাগুৰিটো আজুৰি লৈ গ'ল আৰু বাকীবোৰে গান্ধীক চৰ, ঘোচা, লাথি, গোৰ মাৰিব ধৰিলে। গান্ধীৰ মুৰ আচন্দ্ৰাই কৰিলে আৰু কোনোমতে ওচৰৰ ঘৰ এটাৰ ৰেলিঙত ধৰি ঘন ঘনকৈ উশাহ লবলৈ ধৰিলে। মানুহবোৰ খেদি আহি পুনৰ ঘোচা, গোৰ শোধাব ধৰিলে আৰু গান্ধী মুৰ্চ্ছিত হৈ পৰিল।

ডাৰ্বানৰ পুলিচ চুপাৰিণ্টেণ্ডেটৰ ঘৈণীযেক হঠাৎ সেই বাটেদি গৈ আছিল। তেওঁ গান্ধীৰ ওপৰত কৰা অত্যাচাৰ দেখিবলৈ পালে। তেওঁ গান্ধীক আগৰ পৰাই জানিছিল। সেই সাহসী তিৰোতা গৰাকী তৎক্ষণাৎ জনতাৰ মাজলৈ সোমাই পৰিল আৰু তেওঁৰ ছাতিটো মেলি লৈ গান্ধীক আবৰি ধৰিলে। তিৰোতা গৰাকী এইদৰে সাহসেৰে আগবাঢ়ি গৈ গান্ধী আৰু জনতাৰ মাজত সোমাই পৰাত জনতাৰ উন্মত্ততা কিছু কমিল আৰু পুলিচ চুপাৰিণ্টেণ্ডেণ্টৰ ঘৈণীযেক মিছেচ আলেকজেণ্ডাৰৰ গাত মাৰ নপৰাকৈ গান্ধীক মাৰিব নোৱাৰাত পৰিল। ইতিমধ্যে এজন ভাৰতীয় যুৱকে এই ঘটনাটো দেখি দৌৰি গৈ থানাত খবৰ দিলে। পুলিচ চুপাৰিণ্টেণ্ডেণ্ট মিষ্টাৰ আলেকজাণ্ডাৰে তৎক্ষণাৎ কেইজনমান পুলিচক গান্ধীক আগুৰি লৈ তেওঁৰ ঘৰত থৈ আহিবলৈ ঘটনাস্থলীলৈ পঠাই দিলে। পুলিচ কেইজন তৎক্ষণাৎ তালৈ গ'ল আৰু জনতাক ছত্ৰভঙ্গ কৰাই গান্ধীক লগত লৈ

আহিল। পুলিচ থানা বাটতে পৰিছিল আৰু থানাৰ চুপাৰিণ্টেণ্ডেণ্টে গান্ধীক থানাতে আশ্রয় লবলৈ পৰামর্শ দিলে। গান্ধীয়ে তেওঁ কৰা সহায়ৰ বাবে কৃতজ্ঞতা জনালে। কিন্তু তেওঁ থানাত আশ্রয়প্রার্থী হিচাবে থাকিবলৈ ভাল নাপালে। চুপাৰিণ্টেণ্ডেণ্টৰ অনুৰোধৰ প্রতি বিনীতভাবে অসম্মতি জনাই গান্ধীয়ে ক'লে, "তেওঁলোক নিশ্চয় এতিয়া-মানে শান্ত হৈছে আৰু তেওঁলোকৰ নিজৰ ভুল বুজিব পাৰিছে। তেওঁলোকৰ সততাত মোৰ বিশ্বাস আছে।" থানাত থাকিব নোখোজাত পুলিচৰ দল এটাই গান্ধীক আগবঢ়াই নি ৰুস্তমজীৰ ঘৰত থৈ আহিল গৈ। গান্ধীৰ সর্ববশৰীৰ ঠেতেলা হৈ গৈছিল যদিও বাহিৰত বৰ বেচি জখম হোৱা নাছিল। জখম হোৱা ঠাইত জাহাজৰ চিকিৎসকজনে খুব ভালকৈ ধুই-পখালি দৰব-পাতি লগাই দিলে আৰু সকলোৱে তেওঁৰ শুশ্রূষাত ব্যস্ত হৈ পৰিল।

ভিতৰত অবস্থা শান্ত হ'লেও ৰুস্তমজীৰ ঘৰটোৰ বাহিৰত ভালেমান শ্বেতকায় লোক আহি জুম বান্ধিলে আৰু তেওঁৰ ঘৰটো ঘেৰাও কৰি ধৰিলে। ৰাতি বাঢ়ি অহাৰ লগে লগে জনতাৰ সংখ্যা বাঢ়িব ধৰিলে আৰু জনতাই 'আমাক গান্ধীক লাগিবই, গান্ধীক বাহিৰ কৰি দিয়া' আদি ধ্বনি কৰি চিঞৰ-বাখৰ লগালে।

দূৰদর্শী পুলিচ চুপাৰিণ্টেণ্ডেণ্টজনে এনে এটা পৰিস্থিতি হব পাৰে বুলি অনুমান কৰি আগৰ পৰাই সাজু হৈ আছিল আৰু জনতাৰ মাজলৈ গৈ পৰিস্থিতি আয়ত্বাধীন কৰি ৰাখিবৰ বাবে এটা নতুন বুদ্ধি সাজিলে। জনতাক ভয় খুৱাই শান্ত কৰি ৰখাৰ পৰিবর্তে তেওঁলোকৰ কথাতে হয়ভৰ দি নানা খুহুতীয়া কথা পাতি কোনো অপ্রীতিকৰ ঘটনা হব নিদিয়াকৈ ৰাখি সময় নিয়াব ধৰিলে। গোপনে তেওঁ গান্ধীলৈ এইদৰে বার্তা পঠিয়ালে—"আপুনি যদি আপোনাৰ বন্ধুৰ ঘৰ-বাৰী আৰু সা-সম্পত্তি ৰক্ষা কৰিবলৈ বিচাৰে আৰু যদি আপোনাৰ পৰিয়ালৰ লোকসকলৰ নিৰাপত্তা বিচাৰে তেন্তে মই দিয়া মতে ভেশচন কৰি তৎক্ষণাৎ তাৰপৰা আঁতৰি যাওক।"

পুলিচ চাহাবৰ পৰামর্শ মতে গান্ধীয়ে ভাৰতীয় পুলিচ কনিষ্টবলৰ পোছাক পিন্ধিলে আৰু মূৰত পাগুৰিৰ পৰিবর্তে ঘূৰণীয়া টুপিৰদৰে কৰি মাদ্রাজী গামোচা এখন মূৰত মেৰিয়াই ললে। গান্ধীৰ লগত

পুলিচ বিভাগৰ দুজন ডিটেকটিভ বিষয়া থাকিল। এজনে ভাৰতীয ব্যৱসায়ীৰ দৰে পোছাক পিন্ধিলে আৰু ভাৰতীয় লোক বুলি পৰিচিত হবলৈ মুখত ৰং সানি ললে, আনজন বিষযাও ভেশচন কৰি গান্ধীক সেই অবস্থাত ৰুস্তমজীৰ ঘৰৰ পিচেৰে পলুৱাই নি দোকান এখনৰ গলিৰ ৰাস্তাৰে জনতাৰ কাযেৰেই নি তাত সাজু কৰি থোৱা মটৰ এখনত তুলি থানালৈ লৈ গ'ল। থানাত গান্ধীৰ বাবে থকা-মিলাৰ সকলো বন্দোৱস্ত কৰি থোৱা আছিল। গান্ধীযে পুলিচ চাহাব আৰু এই বিষযা দুজনক কৃতজ্ঞতা জনালে।

জনতাৰ কাষেৰে আত্মগোপন কৰি আঁতৰি যোৱাৰ সময়তো পুলিচ চাহাবজনে নিজে খুহুতীযা গীত লগাই দি জনতাৰ সৈতে উচ্চস্বৰে গাই থকা গান্ধীয়ে শুনিছিল। 'বুঢা গান্ধীক ওলোমাই থোৱা টেঙা আপেলৰ ডালত—' সুৰ লগাই এই গীত মিস্টাৰ আলেকজাণ্ডাৰে জনতাৰ সৈতে গাই থকা গান্ধীৰ কাণত পৰিছিল।

গান্ধীযে নিৰাপদে পুলিচ থানা পোৱা বাতৰি দিযাৰ পিছত পুলিচ চাহাব জনে জনতাক খবৰটো এইদৰে দিলে—"মিছা হ'ল, আপোনা-লোকৰ চিকাৰে ওচৰৰ দোকান এখনেৰে কৰবালৈ পলাই গ'ল। ইয়াত আৰু ৰখি থাকি কি হব? আপোনালোক এতিযা ঘৰাঘৰি যোৱাহে ভাল।" এই খবৰটো শুনি কিছুমানৰ খং উঠিল, কিছুমানে আমোদতে হাঁহিলে আৰু আন কিছুমানে কথাটোকে বিশ্বাস নকৰিলে। তেতিযা পুলিচ চাহাবে ক'লে, "বাৰু যদি আপোনালোকে মোৰ কথাত বিশ্বাস কৰা নাই তেন্তে আপোনালোকে এজন বা দুজন লোক বাচি দিয়ক, মই তেওঁলোকক লগত নি ঘৰটো দেখুৱাওঁ; তেওঁলোকে যদি গান্ধীক বিচাৰি পায মই নিশ্চয গান্ধীক আপোনালোকক দিম, আৰু যদি আপোনালোকে গান্ধীক বিচাৰি নাপায় তেন্তে আপোনালোক ইয়াৰপৰা সকলো আঁতৰি যাব লাগিব। আপোনালোকৰ নিশ্চয ৰুস্তমজীৰ ঘৰটো ধ্বংস কৰাৰ বা গান্ধীৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীক অপকাৰ কৰাৰ কাৰো ইচ্ছা নাই।"

ৰুস্তমজীৰ ঘৰটো তালাচ কৰিবলৈ জনতাই কেইজনমান প্ৰতিনিধি বাচি দিলে। তেওঁলোকে উভটি আহি জনালে যে ঘৰটোত ক'তো গান্ধী নাই। এই হতাশাজনক বাতৰি পাই জনতা লাহে লাহে ঘৰমুৱা

হ'ল। বেচি ভাগেই পুলিচ চাহাবৰ বুদ্ধি আৰু কৌশলৰ শলাগ ল'লে আৰু কিছুমানে পুলিচ চাহাবক খঙত খালি-শপনি পাৰি আঁতৰি গ'ল।

উপনিবেশবোৰৰ দায়িত্বত থকা চেক্রেটৰী অৱ ষ্টেট চেম্বাৰলেনে গান্ধীক উৎপীড়ন কৰা লোকসকলৰ বিৰুদ্ধে গোচৰ তৰিবলৈ নাটাল চৰকাৰক কেবোল যোগে পৰামৰ্শ দিছিল। মন্ত্রীপৰিষদৰ সদস্য এস্কোম্বেই গান্ধীক মাতি পঠালে আৰু গান্ধীয়ে আহত হব লগা হোৱাত গভীৰ দুখ প্রকাশ কৰিলে। তেওঁ গান্ধীক কৈছিল, "বিশ্বাস কৰক, আপোনাৰ শৰীৰত সামন্য আঘাত পোৱাটো মই সহ্য কৰিব নোৱাৰো আৰু এই ঘটনাৰ বাবে মই মৰ্ম্মান্তিক বেজাৰ পাইছো। লাফ্‌টনৰ কথামতে পৰিস্থিতিৰ সমুখীন হবলৈ যোৱাৰ অধিকাৰ আপোনাৰ নিশ্চয় আছে, কিন্তু মোৰ পৰামৰ্শ মতে কাম কৰাহেঁতেন এনে অমঙ্গলীযা ঘটনা নঘটিলহেঁতেন। আপোনাক মাৰপিট কৰা মানুহবিলাকক যদি চিনাক্ত কৰিব পাৰে তেন্তে মই সিহঁতক গ্রেপ্তাৰ কৰি বিচাৰৰ বাবে আদালতলৈ পঠাব থিৰ কৰিছো আৰু মিষ্টাৰ চেম্বাৰলেনেও তাকে ইচ্ছা কৰে বুলি মোক জনাইছে।" তাৰ উত্তৰত গান্ধীয়ে এইদৰে কৈছিল, "মই কাৰো বিৰুদ্ধে গোচৰ দিব ইচ্ছা কৰা নাই। মই অৱশ্যে তাৰ কেইজনমান লোকক চিনাক্ত কৰিব পাৰিম কিন্তু তেওঁলোকক শাস্তি দি কি লাভ? তদুপৰি মোক মাৰপিট কৰা লোকসকলক মই দোষ নিদিওঁ। তেওঁলোকৰ মনত এনে এটা ধাৰণা জন্মাই দিয়া হৈছে যে মই নাটালবাসী শ্বেতকায় লোকসকলৰ বিৰুদ্ধে ভাৰতত অতিৰঞ্জিত আৰু অনিষ্টকৰ বিবৃতি দিছো। এই মানুহবোৰে সেইবোৰ কথাত বিশ্বাস কৰিলে তেওঁলোকৰ খং উঠাটো স্বাভাবিক। মোক বেয়া নেপাব, ইয়াৰ বাবে নেতৃস্থানীয় লোকসকল আৰু আপোনালোকহে দায়ী। আপোনালোকে ৰাইজক ঠিক পথেৰে পৰিচালিত কৰিব পাৰিব লাগিছিল। কিন্তু আপোনালোকে ৰয়টাৰে পৰিবেশন কৰা বাতৰিতহে বিশ্বাস কৰিলে আৰু ধৰি ল'লে যে মই অতিৰঞ্জিত কৰি কথাবোৰ কৈ ফুৰিছো। মই কাৰো বিৰুদ্ধে গোচৰ নিদিওঁ। মই এই বিষয়ত নিশ্চিত যে যেতিয়া মানুহবোৰে প্রকৃত কথাৰ সম্ভেদ পাব তেতিয়া তেওঁলোকৰ এই আচৰণৰ বাবে তেওঁলোকে নিজেই দুখ বোধ কৰিব।"

এই বিবৃতি শুনি মিষ্টাৰ এস্কোম্বে অতিশয় আনন্দিত হ'ল। তেওঁ পুনৰ গান্ধীক ক'লে—"এই কথাখিনি মোক লিখিত ভাবে জনোৱাত আপোনাৰ আপত্তি আছে নেকি? কাৰণ এই বিষয়ে মই মিষ্টাৰ চেম্বাৰলেনক সবিশেষ জনাব লাগিব। আপুনি লৰালৰিকৈ মোক লিখিত বিবৃতি দিব নালাগে। এই বিষয়ে ইচ্ছা কৰিলে সিদ্ধান্ত লোৱাৰ আগতে আপুনি মিষ্টাৰ লাফ্‌টন আৰু আন আন বন্ধু-বান্ধৱৰ লগতো পৰামৰ্শ কৰিব পাৰে। মই অৱশ্যে স্বীকাৰ কৰিব লাগিব যে আপুনি যদি কাৰো বিৰুদ্ধে গোচৰ নিদিয়ে তেন্তে ই মোক পৰিস্থিতি আয়ত্বাধীন কৰি শান্তি অনাত সহায় কৰিব আৰু আপোনাৰো সুনাম যথেষ্ট বৃদ্ধি হব।" গান্ধীয়ে ক'লে, "আপোনাৰ পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো। মোৰ কাৰো লগত পৰামৰ্শ কৰাৰ প্ৰযোজন নাই। মই আপোনাৰ ওচৰলৈ অহাৰ আগতেই ঠিক কৰি আহিছোঁ। মোক মাৰপিট কৰা কোনো লোকৰ বিৰুদ্ধেই মই কোনো গোচৰ নিদিওঁ—ই মোৰ দৃঢ় মত। মোৰ সিদ্ধান্ত এই মুহূৰ্ত্ততেই মই আপোনাক লিখিত ভাবে দিব পাৰো।"

ইযাকে কৈ গান্ধীয়ে সেই মুহূৰ্ত্ততে প্ৰযোজনীয আটাইখিনি কথা লিখি দিলে।

জাহাজ ঘাটত লাগিবৰ দিনাই 'দি নাটাল এডভাৰ্টাইজাৰ' কাগজৰ প্ৰতিনিধি এজনে গান্ধীক সাক্ষাৎ কৰে। প্ৰতিনিধিজনে গান্ধীক অসংখ্য প্ৰশ্ন সুধিছিল আৰু তাৰ যথাযথ উত্তৰ দি গান্ধীযে তেওঁৰ বিৰুদ্ধে উথাপন কৰা আটাইবোৰ অভিযোগকে উত্তমভাবে খণ্ডন কৰিব পাৰিছিল। বাতৰি কাকতৰ প্ৰতিনিধিজনৰ লগত হোৱা সাক্ষাৎকাৰ আৰু মাৰপিট কৰা লোকসকলৰ বিৰুদ্ধে কোনো গোচৰ দিবলৈ অমান্তি হোৱা কথাই ডাৰ্বানত থকা ইযোৰোপীযসকলৰ মাজৰ গভীৰ প্ৰভাব বিস্তাৰ কৰিলে আৰু তেওঁলোকে গান্ধীৰ প্ৰতি কৰা অসৎ আচৰণৰ বাবে লজ্জিত হ'ল। বাতৰি কাকতে প্ৰবন্ধ-পাতি লিখি গান্ধীৰ নিৰ্দ্দোষিতা প্ৰমাণ কৰিলে আৰু বিক্ষুব্ধ জনতাৰ অপ্ৰীতিকৰ আচৰণৰ বাবে গৰিহণা দিলে। প্ৰকৃত ঘটনাৰ উমান নোলোৱাকৈ জধে-মধে কৰা এই অত্যাচাৰ অবশেষত গান্ধীৰ বাবে আৰু গান্ধীয়ে অনুসৰণ কৰা উদ্দেশ্যৰ বাবে আশীৰ্ব্বাদ স্বৰূপহে হৈ পৰিল। এই

ঘটনাই দক্ষিণ আফ্রিকাত থকা ভাৰতীয় লোকৰ মৰ্য্যাদা বঢ়ালে আৰু গান্ধীৰ বাবে কাম কৰা সহজ হৈ পৰিল। তিনি চাৰিদিন মানৰ ভিতৰত গান্ধী সম্পূৰ্ণ সুস্থ হ'ল আৰু তেওঁ নিজৰ ঘৰলৈ গ'ল। এই ঘটনাই গান্ধীৰ সন্মান ভাৰতীয় আৰু আফ্রিকাবাসী শ্বেতাঙ্গসকলৰ মাজত বহুতখিনি বঢালে আৰু তেওঁ থিতাপি লাগি আগৰদৰে কাম-কাজত লাগিল আৰু তেওঁৰ ওকালতি ব্যবসায়ো বাঢ়িল।

সৰল জীৱন

গান্ধীয়ে কাপোৰ ধুব দিয়া ধোবাজনে কাপোৰ দিয়াত বৰ অনিয়মীয়া আছিল। আদালতলৈ যাওঁতে কোট-কামিজ সদায় পৰিষ্কাৰ আৰু বেৰিষ্টাৰে কামিজৰ লগত লগোৱা কলাৰ খম্‌খমীয়া হোৱাটোৱেই নিয়ম। ধোবাই সময় মতে কাপোৰ নিদিয়াৰ কাৰণে গান্ধীয়ে আদালতৰ পোছাকৰ উপযোগী কামিজ আৰু কলাৰ তিনি ডজন মান ৰাখিব লগীয়া হৈছিল। কলাৰ সদায় পৰিবৰ্ত্তন কৰিব লাগে আৰু কামিজো সদায় নবদলালেও এদিন বাদে বাদে বদলাব লাগে। গতিকে ইমানবোৰ কাপোৰ ধোবাৰে ধুৱাব লগা হোৱাত মাহৰ মূৰত ধোবাৰ খৰছ যথেষ্ট বেছি হৈছিল। ধোবাই কাপোৰ ধোৱাৰ খৰছ আৰু সময়মতে কাপোৰ নিদিয়াত কাপোৰৰ সংখ্যা বঢ়াব লগা খৰছ গান্ধীৰ মনত অমিতব্যয়ী আৰু অনৰ্থক যেন লাগিল। নিজে কাপোৰ ধুই ল'লে উভয় দিশৰে পৰা খৰছ কমাব পৰা হয়। গতিকে গান্ধীয়ে নিজে কাপোৰ ধুই লোৱা ঠিৰাং কৰি কাপোৰ ধুবৰ বাবে প্ৰয়োজনীয় আচবাব আৰু বয়বস্তু কিনি ললে। কাপোৰ ধোৱাৰ প্ৰণালী শিকিবৰ বাবে তেওঁ এখন কিতাপো কিনিলে আৰু কাপোৰ ধোৱাৰ কৌশল নিজেও অধ্যয়ন কৰিলে আৰু ঘৈণীয়েককো শিকালে। কাপোৰ-কানিবোৰ নিজে ধোৱাৰ ব্যৱস্থা কৰাত তেওঁৰ কাম কিছু বাঢ়িল যদিও এই নতুন কামত হাত দি তেওঁ আনন্দও পালে। কাপোৰ ধোৱাৰ অভিজ্ঞতা সম্পৰ্কে এটা আমোদজনক কথা গান্ধীয়ে আত্ম-চৰিতত এইদৰে লিখিছে—

"মই নিজে প্ৰথমদিনা কলাৰটো ধুই পিন্ধা কথা কেতিয়াও নাপাহৰো। মই কলাৰটোত প্ৰয়োজনতকৈ অধিক মাৰ দিছিলো। লোহাৰ ইস্ত্ৰীটোও ভালকৈ গৰম হব দিয়া নাছিলো আৰু কলাৰটো পুৰি যোৱাৰ ভয়ত বেচিকৈ হেঁচাও দিয়া নাছিলো। ফলত যদিও কলাৰটো বেচ খমখমীয়া হৈছিল, থেপ্‌থেপীয়াকৈ দিয়া মাৰবোৰ খহি এৰি এৰি পৰিছিল। মই সেই কলাৰটো পিন্ধি আদালতলৈ গ'লো। সেইটো সেইদৰে পিন্ধি গৈ মোৰ বন্ধুসকলে মোক বিদ্ৰূপ কৰাৰ সমল যোগাইছিলো। মই অৱশ্যে তেতিয়াই ঠাট্টা বিদ্ৰূপলৈ উদাসীন হব শিকিছিলো। মই তেওঁলোকক কৈছিলোঁ, 'হেৰি, এয়া মোৰ নিজৰ কলাৰ নিজে ধুই লোৱাৰ প্ৰথম অভিজ্ঞতা আৰু সেই কাৰণে মাৰবোৰ ঢিলা হ'ল। কিন্তু মই তালৈ একো মনেই কৰা নাই। আনহাতে আপোনালোককতো ই তামচা-ধেমালিৰ খোৰাক যোগাইছে।'

"এজন বন্ধুৱে সুধিলে, 'কিন্তু নিশ্চয় ইয়াত লণ্ড্ৰীৰ অভাব নাই।" মই ক'লো, 'লণ্ড্ৰীৰ বিল বহুত বেছি হয়। কলাৰ এটা ধোৱাত যিমান লয তাৰে কলাৰটো প্ৰায কিনিবই পাৰি। আনহাতে ধোবাই কাপোৰ দিব দিব বুলি সদায আশাপালি ধোবাৰ ওপৰতেই নিৰ্ভৰ কৰি থাকিব লগীয়া হয়। মোৰ নিজৰ কাপোৰ মই নিজে ধুই লোৱাকেহে পছন্দ কৰো।" এইদৰে গান্ধীয়ে নিজে কাপোৰ ধোৱাৰ ব্যৱস্থা কৰি ধোৱাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হোৱা অৱস্থাৰ হাত সাৰিল।

সেইদৰে গান্ধীযে নাপিতৰ ওপৰতো নিৰ্ভৰ কৰিব এৰি দিলে। নাপিতৰ কামো তেওঁ নিজে কৰা হ'ল। ইংলণ্ডলৈ যোৱা সকলো লোকেই নিজে দাঢ়ি খুৰাব শিকে আৰু দাঢ়ি খুৰাবলৈ নাপিতৰ ওচৰলৈ নাযায। কিন্তু চুলি কোনোৱে নিজে নাকাটে। চুলি কাটিবৰ বাবে সদায নাপিতৰ প্ৰয়োজন হয। কিন্তু গান্ধীয়ে দক্ষিণ আফ্ৰিকাত নিজে নিজৰ চুলি কাটিবলৈ শিকিলে। প্ৰিটোৰিযাত তেওঁ এদিন এজন ইংৰাজ নাপিতৰ ওচৰলৈ চুলি কাটিবলৈ গৈছিল। সেই ইংৰাজ নাপিতজনে গান্ধীৰ চুলিটো নাকাটিলেই, বৰং নানা ঠাট্টা-বিদ্ৰূপ কৰি দোকানৰ পৰা পঠাই দিলে। গান্ধীৰ মনত বৰ আঘাত লাগিল। সেই দিনাই তেওঁ এখন কেচি কিনি আনিলে আৰু আয়না চাই নিজে চুলি কাটিলে। আগ ফালৰ চুলিখিনি একপ্ৰকাৰ ভালে বেয়াই

কাটিলে, কিন্তু পিছ মূৰৰ চুলিখিনি কাটোতে খলপাখলপি হ'ল আৰু দেখাত বেয়া হ'ল। এইদৰে চুলি কাটি আদালতলৈ গ'লত লগৰ উকীলবোৰে হাঁহিত বাগৰি পৰিল। দুই এজনে ঠাট্টা কৰি সুধিলে, “গান্ধী, আপোনাৰ চুলিৰ কি হ'ল? নিগনিয়ে খালে নিশ্চয়?”

গান্ধীয়ে উত্তৰ দিলে, “নহয়, আপোনালোকৰ বগা নাপিতে মোৰ ক'লা চুলি চুই গৌৰৱ লাঘৱ নকৰে। গতিকে মোৰ চুলি মই নিজে কাটিব লৈছো। ভালেই হওক বা বেয়াই হওক কোনো কথা নাই।”

গান্ধীৰ এই উত্তৰত উকীলসকল আচৰিত হোৱা নাছিল; কাৰণ গান্ধীক ইতিমধ্যে তেওঁলোকে চিনিব আৰম্ভ কৰিছিল। বগা নাপিত-জনে গান্ধীৰ চুলি কাটিব সন্মত নোহোৱাত গান্ধীয়ে মানুহজনক বেয়া পোৱা নাছিল। কাৰণ ক'লা মানুহৰ চুলি কাটিলে তেওঁ তেওঁৰ গ্ৰাহক-বোৰ হেৰুৱালেহেঁতেন। নিজৰ মানুহবোৰৰ কথাও তেওঁৰ মনলৈ আহিছিল। আমিওতো আমাৰ নাপিতক অস্পৃশ্য ভাইসকলৰ চুলি কাটিব নিদিওঁ। দক্ষিণ আফ্ৰিকাৰ এই শিক্ষা গান্ধীয়ে নিজৰ পাপৰ প্ৰায়শ্চিত্ত বুলি মানি লৈছিল আৰু তাৰ বাবে তেওঁৰ মনত কোনো ক্ষোভ নাছিল।

দক্ষিণ আফ্ৰিকাত ওকালতি কৰা কালত এইদৰে সৰল জীৱন-যাপন কৰি গান্ধীয়ে আৰ্ত্তজনৰ সেৱা-শুশ্ৰূষালৈকেও মন দিছিল। সৰুৰে পৰা গান্ধীৰ চিকিৎসক হবলৈ বৰ ধাউতি আছিল কিন্তু কালক্ৰমত তেওঁ উকীলহে হব লগাত পৰিল। তথাপি তেওঁৰ অন্তৰত চিকিৎসকৰ মনোবৃত্তি আছিল আৰু সুবিধা পালেই আৰ্ত্তজনক সেৱা-শুশ্ৰূষা কৰি তৃপ্তি পাইছিল। এদিন কুষ্ঠৰোগী এজন তেওঁৰ ঘৰলৈ আহিল। মানুহজনক ভাত এসাজ খুৱাই বিদায় দিবলৈ তেওঁ টান পালে। ৰোগীজনক তেওঁৰ ঘৰতে ৰাখিলে আৰু নিজে সেৱা-শুশ্ৰূষাৰ ভাৰ ল'লে। কিছুদিন এইদৰে তেওঁৰ ঘৰত ৰাখি শেহত ৰোগীজনক ভাৰতীয় লোকৰ বাবে খোলা হাস্পতাল এখনত ভৰ্ত্তি কৰাই দিয়ে।

গান্ধীয়ে জনগণৰ সেৱাৰ বাবে স্থায়ী ব্যৱস্থা এটা স্থাপন কৰাৰ কথা চিন্তা কৰি আছিল। স্থায়ী কিবা এটা কৰিব নোৱাৰালৈকে তেওঁ শান্তি পোৱা নাছিল। পাৰ্চী সদাগৰ ৰুস্তমজীৰ দানেৰে গান্ধীয়ে এখন সৰু হাস্পতাল খুলিলে আৰু চেইণ্ট আইদান মিছনৰ সৰবৰহী

ডাক্তৰ বুথৰ তত্ত্বাবধানত ইয়াৰ কাম আৰম্ভ কৰিলে। গান্ধীয়ে নিজে কম্পাউণ্ডাৰ আৰু নাৰ্চৰ কাম কৰিবলৈ গাত ল'লে। প্ৰত্যেক দিনে ৰাতিপুৱা গান্ধীয়ে এই হাস্পতালত নিয়মিত ভাবে কিছু সময় ৰোগী সকলক ঔষধ-পাতি দিয়া আৰু শুশ্ৰূষাৰ কাম কৰিছিল। এই কামৰ দ্বাৰাই গান্ধী ভাৰতীয় গিৰমিট দিয়া বনুৱাসকলৰ অন্তৰত সোমাই পৰিছিল আৰু দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় লোকৰ অতি আপোন হৈ উঠিছিল। গান্ধীয়ে ডাক্তৰৰ ব্যৱস্থাপত্ৰ মতে ঔষধ দিয়া আৰু ৰোগীৰ সেৱা-শুশ্ৰূষা কৰা সম্পৰ্কে কিতাপ-পত্ৰও অধ্যয়ন কৰিছিল আৰু ধাত্ৰী-বিদ্যাও শিকিছিল। নিজৰ ঘৰত তেওঁ ডাক্তৰ, কম্পাউণ্ডাৰ, ধাত্ৰী, শুশ্ৰূষাকাৰী, সকলো হৈছিল আৰু অতি নিষ্ঠাৰে কামবোৰ কৰি অভিজ্ঞ লোকৰদৰেই কৃতকাৰ্য্য হৈছিল।

ডাৰ্বানত ওকালতি কৰি থকা কালত গান্ধীৰ ঘৰতে তেওঁৰ অফিচত কাম কৰা কেৰাণী কেইজনমান থাকিছিল। তেওঁলোকৰ ভিতৰত হিন্দুও আছিল, খৃষ্টিয়ানো আছিল; তেওঁলোকৰ কেইজনমান গুজৰাটী আৰু কেইজনমান তামিলী লোক আছিল। গান্ধীযে তেওঁলোক সকলোকে নিজৰ অতি আপোন আৰু পৰিয়ালৰ লোক হিচাবে ব্যৱহাৰ কৰিছিল। এই লোক কেইজনৰ এজন তথাকথিত অস্পৃশ্য জাতিৰ আছিল আৰু পিছত খৃষ্ট ধৰ্ম্মত দীক্ষিত হৈছিল।

গান্ধীযে ডাৰ্বানত লোৱা ঘৰটো পশ্চিমীযা ধৰণে নিৰ্ম্মিত আছিল আৰু কোঠাবিলাকৰ পৰা মযলা পানী আদি বাহিৰলৈ উলিয়াই দিব পৰা নলা আদিৰ ব্যৱস্থা নাছিল। গতিকে শোৱা কোঠাবিলাকত একোটা চৰিযা বা তেনেধৰণৰ পাত্ৰ ৰখাৰ ব্যৱস্থা আছিল। এই চৰিয়াবোৰ পৰিষ্কাৰ কৰাৰ ভাৰ গান্ধীয়ে নিজে নাইবা তেওঁৰ সহধৰ্ম্মিণীয়ে লৈছিল আৰু চাকৰ-বাকৰ বা জামাদাৰক নিদিছিল। সেই ঘৰকে নিজৰ ঘৰ হিচাবে মানিচলা লোকসকলে ৰাতি ব্যৱহাৰ কৰা চৰিয়াবোৰ নিজে নিজে পৰিষ্কাৰ কৰিছিল কিন্তু নতুনকৈ অহা খৃষ্টিয়ান কেৰাণীজনে কি কৰিব লাগে তাৰ বিশেষ ভু পোৱা নাছিল।

তেওঁৰ বিচনাপত্ৰ ঠিকঠাক কৰা আৰু শোৱা কোঠাৰ চৰিয়া পৰিষ্কাৰ কৰা আদি কাম গান্ধীয়ে বা কস্তুৰবাঈ কৰিবলগা হৈছিল। কস্তুৰবাঈ ঘৰৰ আন সকলোৰে শৌচ-পেচাবৰ চৰিয়াবোৰ কোনোমতে

চাফ কৰিছিল কিন্তু 'অস্পৃশ্য' লোকজনৰ শৌচ-পেচাবৰ চৰিয়া পৰিষ্কাৰ কৰা কথাটো লৈ তেওঁৰ বৰ অসহ্য হৈছিল আৰু তাক কোনোমতেই কৰিব নোৱাৰিছিল। তেওঁ সেই চৰিয়া নিজে পৰিষ্কাৰ কৰাৰ কথা ভাবিব নোৱাৰিছিল আৰু গান্ধীয়ে পৰিষ্কাৰ কৰাটোও মানি লৈ সহ্য কৰিব নোৱাৰিছিল। গান্ধীয়ে কৰা কাৰণে কস্তুৰবাঈও অতি বেজাৰ মনেৰে কৰিবলগা হৈছিল আৰু ইয়াকে লৈ দুয়োৰো মাজত উখনা-উখনি লাগিছিল। অস্পৃশ্য লোকৰ শৌচ-পেচাবৰ চৰিযা পৰিষ্কাৰ কৰিবলগা হোৱাত কস্তুৰবাঈ খঙতে কান্দিছিল আৰু অন্তৰৰ বিদ্রোহ অথচ স্বামীৰ কঠোৰ শাসন মানি এই অপ্রিয কাম কৰিবলগা হোৱাত তেওঁৰ অন্তৰে গুমৰি উঠিছিল। গান্ধীয়ে আকৌ ঘৈণীযেকৰ ওপৰত শাসনৰ কঠোৰতা প্রযোগ কৰিবলৈ গৈ বিধান দিছিল যে এই কাম মানবতাৰ সেৱা বুলি কৰিব লাগিব আৰু অন্তৰত কোনো ক্ষোভ নোহোৱাকৈ সন্তুষ্ট চিত্তে আৰু প্রফুল্ল মনেৰে কৰিব লাগিব আৰু এই কাম কৰি আনন্দ পাব লাগিব। সৰলচিতীযা কস্তুৰবাঈ হ'লে এইবোৰ বিশেষ একো নুবুজিছিল আৰু সামাজিক পৰম্পৰাই শিকোৱা আচৰণৰ বহির্গত কাম হিচাবেই ইয়াক জ্ঞান কৰিছিল। এদিন কস্তুৰবাঈ এহাতে সেই মানুহজনে ব্যৱহাৰ কৰা চৰিয়াটো লৈ খটখটিৰে নামি আহোতে গান্ধীয়ে দেখিলে যে, খঙত তেওঁৰ চকুহাল ৰঙা, দুচকুৰেদি লো বৈ গাল তিয়াই পেলাইছে আৰু মুখেৰে ভোৰ-ভোৰাই গান্ধীক বকি আহিছে। গান্ধীয়ে কর্তৃত্বৰ সুৰত কৈ উঠিল—"এই ঘৰত এইবোৰ নচলিব।" এই কথাষাৰ কস্তুৰবাঈৰ কাণত শেলে বিন্ধাদি বিন্ধিলে। তেওঁৰ খং আৰু চৰিল আৰু চিঞৰি দিলে—"তোমাৰ ঘৰ তুমিয়ে চলোৱা, মোক যাব দিযা।"

ঘৈণীযেকৰ কথাত গান্ধীৰ ধৈর্য্যচ্যুতি হ'ল আৰু ঘৈণীয়েকৰ হাতত ধৰি টানি উলিযাই নি সদৰ দুৱাৰখন খুলি বাহিৰৰ ৰাস্তালৈ ঠেলি দিবৰ উপক্রম কৰিলে। কস্তুৰবাঈৰ চকুৰপৰা ধাৰাসাৰে চকুৰ পানী বৈছিল। তেওঁ থোকাথুৰি মাতেৰে কলে, "তুমি লাজ-লজ্জাৰ মুৰ খালা নেকি? তুমি নিশ্চয় সকলো পাহৰি গৈছা। মই ক'লৈ যাব লাগে? ইযাত মোৰ আই-বোপাই, ইষ্ট-কুটুম কোনো নাই, কোনে মোক আশ্রয দিব? তোমাৰ তিৰোতা হ'লো বুলিয়েই লাথি,

কিল খাই সকলো অত্যাচাৰ সহ্য কৰিব লাগিব নেকি ? মোৰে শপত, আৰু আগ নাবাঢ়িবা, দুৱাৰখন জপাই দিয়া। ইয়াত এনে কুকাণ্ড কৰি অঘটন নঘটাবা।”

গান্ধী অন্তৰেৰে লাজ পালেও মুখখন গোমোঠা কৰি থাকিল আৰু দুৱাৰখন জপাই দিলে। গান্ধীয়ে জীৱনত এই ঘটনাৰ পৰা শিক্ষা পালে আৰু ঘৈণীয়েকৰ ধৈৰ্য্যই সকলো পৰিস্থিতিতে জয়ী হোৱা বুলি তেওঁ স্বীকাৰ কৰিলে। ইয়াৰ পিছৰ পৰাই তেওঁ ঘৈণীয়েকক সন্মানৰ চকুৰে চোৱা আৰম্ভ কৰিলে।

গান্ধী যুদ্ধলৈ গ’ল

দক্ষিণ আফ্ৰিকাত ১৮৯৯ চনৰ পৰা ১৯০২ চনলৈ দক্ষিণ আফ্ৰিকাত থকা ওলন্দাজ অধিবাসী আৰু বৃটিছসকলৰ মাজত যুদ্ধ হয়। এই যুদ্ধই ‘বুৱাৰ’ যুদ্ধ নামে জনাজাত। গান্ধীৰ ব্যক্তিগত সহানুভূতি বুৱাৰ সকলৰ প্ৰতি থাকিলেও বৃটিছ সাম্ৰাজ্যৰ নাগৰিক হিচাবে গান্ধীয়ে বুৱাৰ যুদ্ধত বৃটিছ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি যুদ্ধত আহত লোকসকলক যুদ্ধক্ষেত্ৰৰ পৰা কঢ়িযাই চিকিৎসাৰ বাবে হাস্পতাললৈ নিযা আৰু হাস্পতালত চিকিৎসকসকলৰ যোগনীযা হিচাবে কাম কৰিবলৈ প্ৰাথমিক সামৰিক প্ৰশিক্ষণ দি এটা স্বেচ্ছা-সেৱক বাহিনী সংগঠন কৰিলে। এই বাহিনীৰ ১১০০ স্বেচ্ছাসেৱক আছিল। এই স্বেচ্ছাসেৱকসকলে গান্ধীজীৰ নেতৃত্বত সমৰ ক্ষেত্ৰৰ সকলো বিপদ আৰু কষ্টৰ সন্মুখীন হৈ অসীম সাহসেৰে আৰু অতি নিষ্ঠাৰে কাম কৰি সকলোৰে সমাদৰ লাভ কৰিছিল আৰু ভাৰতীযসকলৰ মৰ্য্যাদা বঢ়াইছিল। এই বাহিনীয়ে ছয় সপ্তাহ অবিৰাম ভাবে কাম কৰিছিল আৰু কোনো কোনো সময়ত আহত সৈনিককে কঢ়িয়াই দিনে ২০।২৫ মাইলমান নিব যাবলগা হৈছিল। জেনেৰেল উদগেট্ প্ৰমুখ্যে খ্যাতনামা সৈনিকসকলক আহত অৱস্থাত যুদ্ধক্ষেত্ৰৰ পৰা কঢ়িয়াই নিযাৰ গৌৰৱ এই স্বেচ্ছাসেৱক বাহিনীয়ে পাইছিল।

১৯০০ চনত বৃটিছ সামৰিক শক্তি বৃদ্ধি হোৱাত যুদ্ধত ইংৰাজ

পক্ষৰ অৱস্থা ভাললৈ অহাত ভাৰতীয় স্বেচ্ছাসেৱক বাহিনীক অবসৰ দিয়া হয়। গান্ধীক আৰু তেওঁৰ সহকৰ্ম্মী কেইজনক উৎকৃষ্ট সেৱাৰ বাবে যুদ্ধৰ পদক দিয়া হয়।

বহুমূলীয়া উপহাৰ

যুদ্ধৰ কামৰ পৰা অবসৰ লৈ গান্ধীয়ে ভাৰতলৈ উভতি আহিবলৈ ইচ্ছা কৰিলে। দক্ষিণ আফ্রিকাত তেওঁৰ বাবে তেতিয়া বিশেষ কামো নাছিল। ভাৰতৰ পৰা বন্ধু-বান্ধৱ আৰু আত্মীয় লোকসকলে গান্ধীক ভাৰতলৈ উভতি আহিবলৈ জোৰ কৰিছিল। গান্ধীযেও ভাৰতত বেচি কাম কৰিব পাৰিব বুলি ভাবি দক্ষিণ আফ্রিকা এৰাটোকে ঠিক কৰিলে।

দক্ষিণ আফ্রিকাৰ ভাৰতীয লোকসকলে গান্ধীৰ দক্ষিণ আফ্রিকা এৰি আহিবলৈ লোৱা কথাত প্ৰথমতে মুঠেই সন্মতি দিয়া নাছিল। তেওঁলোকে গান্ধীক এৰি দিবলৈ বৰ টান পাইছিল। অৱশেষত তাৰ লোকসকলে এটা চৰ্ত্তত গান্ধীক ভাৰতলৈ আহিবলৈ সন্মতি দিলে; সেই চৰ্ত্ত আছিল যে যেতিয়াই দক্ষিণ আফ্রিকাত থকা ভাৰতীয লোকৰ সন্থাৰ প্ৰযোজনৰ বাবে গান্ধীক মাতি পঠালে গান্ধী এবছৰৰ ভিতৰতে দক্ষিণ আফ্রিকালৈ আহিব লাগিব। গান্ধী দক্ষিণ আফ্রিকাত অলপ দিনৰ ভিতৰতে সমগ্ৰ ভাৰতীয় লোকসকলৰ অবিসম্বাদী আৰু অতি প্ৰিয নেতা হৈ পৰিছিল, আৰু তেওঁৰ অনুপস্থিতিত ভাৰতীয় লোকসকলে অসহায় যেন বোধ কৰিছিল।

গান্ধীজী ভাৰতলৈ আহিব ওলোৱাত সমগ্ৰ দক্ষিণ আফ্রিকাৰ কিছু সংখ্যক ভাৰতীয় লোক থকা সকলো ঠাইতে বিদায় সভাৰ আয়োজন কৰিলে আৰু প্ৰত্যেক সভাতে কৃতজ্ঞতাৰ চিনস্বৰূপে অতি মূল্যবান উপহাৰ গান্ধীক দিলে। এই উপহাৰবিলাকৰ ভিতৰত টকা, সোণ, ৰূপ আৰু আনকি হীৰা খটোৱা অলঙ্কাৰ আদিও আছিল। ১৮৯৬ চনত গান্ধীয়ে দক্ষিণ আফ্রিকাৰ পৰা ভাৰতলৈ যাওঁতেও দক্ষিণ আফ্রিকাৰ ভাৰতীয় লোকসকলে তেওঁক কিছু উপহাৰ দিছিল। কিন্তু

সেই বস্তুবিলাক্ এইবাৰ দিয়াৰ দৰে বহুমূলীয়া বস্তু বা মূল্যবান অলঙ্কাৰ আদি নাছিল। সেইবাৰৰ বস্তুবোৰ মৰমৰ চিনস্বৰূপে দিয়া সৰুসুৰা ব্যক্তিগত বস্তু আছিল। গতিকে সেইবোৰ গ্ৰহণ কৰাত গান্ধীৰ মনত কোনো খোকোজা লগা নাছিল। যিদিনা ৰাতি গান্ধীক উপহাৰ দিয়া বস্তুবোৰ তেওঁৰ ঘৰলৈ আনি দি গ'লহি, সেই ৰাতি গান্ধীয়ে শুব নোৱাৰিলে। বিচনাৰ পৰা উঠি তেওঁ মজিয়াত আৰু কাঠিত ঘূৰাঘূৰি কৰি এই অলঙ্কাৰৰ কথাকে চিন্তা কৰিব ধৰিলে। ব্যক্তিগত সা-সম্পত্তি আহৰণ কৰা সম্পৰ্কে তেওঁ ইতিমধ্যে নতুন মত পোষণ কৰিছে। ধন-সম্পত্তিৰ প্ৰাচুৰ্য্যৰ বিপদ ইতিমধ্যে তেওঁ লক্ষ্য কৰিব শিকিছে আৰু ধন-সম্পত্তি অত্যধিক আহৰণৰ বিৰুদ্ধে বুজনি দি মানুহক অতি লোভ ত্যাগ কৰিবলৈ তেওঁ কৈ ফুৰিছে। এনে পৰিস্থিতিত ইমানবোৰ মূল্যবান সম্পত্তি আৰু অলঙ্কাৰ তেওঁ কেনেকৈ গ্ৰহণ কৰে—এই সমস্যা লৈ তেওঁ মহা চিন্তাত পৰিল। এই উপহাৰ প্ৰত্যাখ্যান কৰা যিমান টান, গ্ৰহণ কৰা তেওঁৰ পক্ষে তাতোকৈ কঠিন যেন লাগিল। ঘৈণীয়েক আৰু ল'ৰাহঁতক তেওঁ সদায় শিকাই আহিছে যে, সেৱাই সেৱাৰ পুৰস্কাৰ, মানুহক সেৱা কৰাৰ বিনিময়ে কোনো স্বীকৃতি বা পুৰস্কাৰ আশা কৰিলে সেই সেৱা স্বাৰ্থত পৰিণত হয়। এইদৰে ঘৈণীয়েক আৰু ল'ৰাহঁতৰ আগত গান্ধীয়ে নিঃস্বাৰ্থ মানৱ সেৱাৰ মহত্ত্বৰ আদৰ্শ ডাঙি ধৰি সেইদৰে জীৱন আদৰ্শ গঢ়িবলৈ চেষ্টা কৰি আহিছে। অপ্ৰয়োজনীয় আৰু প্ৰচুৰ ধন-সম্পত্তি নিঃস্বাৰ্থ সেৱাৰ অন্তৰায়। ই মানুহৰ লোভ বঢ়ায়, লোভে মানুহক স্বাৰ্থপৰ কৰে, স্বাৰ্থৰ আতিশয্যই মানুহৰ হিতাহিত জ্ঞান বিপৰ্য্যস্ত কৰে আৰু নিজ স্বাৰ্থৰ প্ৰতিপাদনৰ বাবে যুক্তিকো আওবাটে নিয়ে।

গান্ধীজীৰ ঘৰত কোনো বহুমূলীয়া আ-অলঙ্কাৰ নাছিল। সকলো প্ৰকাৰৰ লাহ-বিলাহ ত্যাগ কৰি সহজ-সৰল জীৱনযাপন কৰাৰ পথ গান্ধীয়ে লৈছিল। এনে পৰিস্থিতিত সোণৰ হাতঘড়ী, হীৰা খটোৱা সোণৰ হাৰ, হীৰাৰ আঙুঠি আদি বিলাসৰ সামগ্ৰী আৰু অলঙ্কাৰ তেওঁ কি যুক্তিৰে গ্ৰহণ কৰে? অৱশেষত গান্ধীয়ে সিদ্ধান্ত কৰিলে যে তেওঁ এই বস্তুবোৰৰ একোকে নিজৰ বাবে গ্ৰহণ নকৰে আৰু এই উপহাৰ বিলাক দাতাসকলক ঘূৰাইও নিদিয়ে। দক্ষিণ আফ্ৰিকাৰ

ভাৰতীয় লোকসকলৰ যি সংঘ তেওঁ সংগঠন কৰিছিল তাৰ কাম-কাজ চলোৱাৰ সহায়ৰ বাবে যি পুঁজি গঠন কৰিছিল সেই পুঁজি টনকিয়াল কৰিবৰ বাবে এই সম্পত্তি ব্যৱহাৰ কৰিব লাগিব। এই উদ্দেশ্যে তেওঁ এটা ট্ৰাস্ট বোৰ্ড বা ন্যাস কমিটি গঠন কৰিলে আৰু পাৰ্চী সদাগৰ ৰুস্তমজী প্ৰমুখ্যে কেইজনমান বিশিষ্ট ব্যক্তিক এই ন্যাস কমিটিৰ সদস্য মনোনীত কৰি এখন দলিল প্ৰস্তুত কৰিলে।

ৰাতিপুৱা ঘৈণীযেক আৰু ল'ৰাহঁতৰ লগত এই সিদ্ধান্ত সম্পৰ্কে গান্ধীয়ে আলোচনা কৰিলে। উপহাৰবিলাক অকল গান্ধীকেই দিয়া হোৱা নাছিল; গান্ধীৰ পৰিয়ালৰ প্ৰায় সকলোকেই কিবা নহয় কিবা একোটা দিয়া হৈছিল আৰু কস্তুৰবাঈৰ বাবে এডাল বহুমূলীয়া সোণৰ হাৰ, হীৰাৰ আঙুঠি আদিও দিয়া হৈছিল। গান্ধীৰ প্ৰস্তাবত ল'ৰাহঁতে আনন্দেৰে সন্মতি দিলে। কিন্তু কস্তুৰবাঈ প্ৰথমতে খঙতে জ্বলি উঠিল। তেওঁ গান্ধীক ক'লে, "তোমাক একো নালাগিব পাৰে। তোমাৰ ল'ৰাহঁতকো একো নালাগিব পাৰে। সিহঁতক যিদৰে কৰা সিহঁতে সেইদৰেই নাচিব। মোক যদি অলঙ্কাৰ পিন্ধিব নিদিয়া মই নিপিন্ধো। কিন্তু মোৰ বোৱাৰীহঁতে কি কৰিব? সিহঁতক নিশ্চয় অলঙ্কাৰ লাগিব। কোনে জানে আমাৰ অৱস্থা কালি কি হব? মানুহবোৰে ইমান মৰমেৰে দিয়া উপহাৰবোৰ মই কেতিয়াও ঘূৰাই নিদিওঁ। নিদিও বুলিছো নিদিওঁ।" গান্ধীৰ যুক্তিত কস্তুৰবাঈ যথাযথ উত্তৰ দিব নোৱাৰি খঙে অভিমানে কান্দিব ধৰিলে আৰু অৱশেষত গান্ধীৰ ইচ্ছামতে কাম কৰিবলৈ সন্মতি দিলে। গান্ধীৰ আদৰ্শ লাহে লাহে কস্তুৰবাঈও উপলব্ধি কৰিব শিকিলে আৰু ক্ৰমাৎ গান্ধীৰ ব্যক্তিত্ব আৰু আদৰ্শই তেওঁৰ জীৱন-দৰ্শনো ৰূপায়িত কৰিলে। গান্ধীয়ে ৰাতিযেই প্ৰস্তুত কৰি থোৱামতে ন্যাসপত্ৰ সম্পাদন কৰি ১৮৯৬ চনত আৰু ১৯০১ চনত পোৱা উপহাৰৰ বস্তুবোৰ ভাৰতীয় সমাজৰ হিতাৰ্থে ব্যৱহাৰ কৰিবলৈ ন্যাস কমিটিক অৰ্পণ কৰিলে। গান্ধীয়ে মনত বৰ তৃপ্তি পালে। "সমাজকৰ্ম্মীয়ে কোনো মূল্যবান উপহাৰ নিজৰ বাবে গ্ৰহণ কৰা উচিত নহয়"—এই মত গান্ধীয়ে দৃঢ়তাৰে পোষণ কৰিছিল আৰু গোটেই জীৱনতে তেওঁ এই সত্য মানি চলিছিল।

ভাৰতলৈ প্ৰত্যাবৰ্ত্তন

কংগ্ৰেছ মহাসভাৰ প্ৰথম অভিজ্ঞতা

দক্ষিণ আফ্ৰিকাৰ পৰা আহি ভাৰতবৰ্ষ পাই গান্ধীয়ে কিছুদিন দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ সমস্যা সম্পৰ্কে দেশৰ নেতাসকলৰ লগত আলোচনা কৰি ভাৰতবৰ্ষৰ কেইবা ঠাইতো ভ্ৰমণ কৰিলে। ১৯০১ চনত জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন শ্ৰীদীনশ্ব ওৱাচাৰ সভাপতিত্বত কলিকতাত বহিছিল। গান্ধীয়ে কংগ্ৰেছৰ সেই অধিবেশনত যোগ দিবলৈ কলিকতালৈ গ'ল। গান্ধীয়ে প্ৰথমবাৰৰ বাবে কংগ্ৰেছ মহাসভাৰ এই অধিবেশনত যোগ দিছিল।

বোম্বাইৰপৰা ছাৰ ফিৰোজচাহ মেহটা, শ্ৰীদীনশ্ব ওৱাচা, শ্ৰীচিমনলাল শীতলঁবাদ আদি খ্যাতনামা নেতাসকল অহা গাড়ীখনতেই গান্ধীও কলিকতালৈ আহিছিল আৰু বাটত আগেয়ে অনুমতি লৈ এই নেতাসকল অহা আছুতীয়া ছেলুনটোলৈ গৈ গান্ধীয়ে তেওঁলোকৰ লগত দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ সমস্যা লৈ তেওঁ উত্থাপন কৰিব খোজা প্ৰস্তাৱটো সম্পৰ্কেও আলোচনা কৰিলে আৰু এই প্ৰস্তাৱটো অধিবেশনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছিল। কলিকতাত আহি গান্ধী কলৈ যাব একো উৱাদিহ নোপোৱা হ'ল। সভাপতি আৰু আন নেতাসকলক অভ্যৰ্থনা সমিতিৰ লোক আহি আড়ম্বৰেৰে আগবঢ়াই লৈ গ'ল। গান্ধীয়ে এতিয়া কলৈ যাব ষ্টেচনত স্বেচ্ছাসেৱক এজনক সুধিলে, স্বেচ্ছাসেৱকজনে প্ৰতিনিধিসকলৰ এটা শিবিৰ থকা ৰিপন কলেজলৈ তেওঁক লৈ গ'ল। ৰিপন কলেজত পতা প্ৰতিনিধি শিবিৰত প্ৰতিনিধিসকলৰ সাহায্যাৰ্থে থকা স্বেচ্ছাসেৱকসকলৰ খেলি-মেলি দেখি গান্ধীৰ বেয়া লাগিল। এই যুৱকসকলৰ কোনো সংগঠন নাই। এজনক কিবা এটা কামৰ বাবে পাচিলে তেওঁ আন এজনক কয়, সেইজনে আকৌ তৃতীয় এজনক কয় আৰু বেচেৰা প্ৰতিনিধিজনে মুৰকত কাৰো পৰা সহায় নাপায়। প্ৰতিনিধিসকলো বৰ বিবেচক যেন নালাগিল। কথায় কথায় হে—ভলন্টিয়াৰ, এইটো কৰা, সেইটো কৰা, এইটো আনি দিয়া, সেইটো কিয় ন'হল—এনেধৰণে চিঞৰ-বাখৰ কৰি

থাকিছিল আৰু নিজে যেন একোকে নকৰিব এনে এটা ভাব তেওঁ লক্ষ্য কৰিছিল।

প্ৰতিনিধি শিবিৰটোৰ লেতেৰাও যেন সীমাহীন আছিল। য'তে ত'তে পানী ডোঙা বান্ধি আছিল। তাত অলপ কেইটামান পায়খানাৰ ব্যৱস্থা আছিল আৰু অতিপাত দুৰ্গন্ধৰ বাবে তাৰ কাষকে চাপিব নোৱাৰা হৈছিল। গান্ধীয়ে স্বেচ্ছাসেৱক কেইজনমানক মাতি আনি তাৰ কিবা সুব্যৱস্থা কৰিব পাৰি নেকি সুধিলে। তেওঁলোকে উত্তৰ দিলে, "ই আমাৰ কাম নহয়, জমাদাৰৰহে কাম।" গান্ধীয়ে বাঢ়নী এটা খুজিলে। মানুহজনে আচৰিত হৈ ভেবা লাগি চাই থাকিল। গান্ধীয়ে বাঢনী এটা জোগাৰ কৰি পায়খানাটো পৰিষ্কাৰ কৰিলে। কিন্তু তেওঁৰ নিজৰ বাবেহে কৰা যেন হ'ল। পাযখানাৰ সংখ্যা ইমান কম আছিল আৰু পাযখানা ব্যবহাৰকাৰীৰ সংখ্যা সেই অনুপাতে ইমান বেচি আছিল যে তাক ঘনাই চাফ কৰি নাথাকিলে ব্যৱহাৰ কৰিবৰ উপায নাই। গান্ধীযে অকলে এই কাম কৰাৰ উপায় নাছিল। গতিকে তেওঁ পাযখানালৈ যোৱাৰ আগতে পাযখানা এটা পৰিষ্কাৰ কৰি লৈছিল, কিন্তু কোনোৱে এই কামত তেওঁৰ লগ নললে।

কংগ্ৰেছ মহাসভাৰ অধিবেশন আৰম্ভ হবলৈ তেতিযাও দুদিন বাকী আছিল। গান্ধীযে কংগ্ৰেছৰ অফিচত কাম কৰি দি লগতে কিছু অভিজ্ঞতাও অৰ্জ্জন কৰিবলৈ ইচ্ছা কৰিলে। বাবু ভূপেন্দ্ৰনাথ বসু আৰু শ্ৰীঘোষাল সম্পাদক আছিল। গান্ধীযে ভূপেন্দ্ৰবাবুৰ ওচৰলৈ গৈ তেওঁ কিবা কামত লাগিব পাৰে নেকি সুধিলে। তেওঁ গান্ধীৰ ফালে প্ৰশ্নসূচক ভঙ্গীৰে চাই তেওঁৰ তাত কোনো কাম নাই বুলি কৈ ঘোষাল বাবুৰ কিবা কাম আছে নেকি খবৰ লবলৈ ক'লে। গান্ধী ঘোষালৰ ওচৰলৈ যোৱাত তেওঁ কেৰাণীৰ কাম কৰিব পাৰে বুলি গান্ধীক জনালে। গান্ধীযে তেওঁৰ শক্তি অনুসৰি যি কোনো কামকে কৰিবলৈ সাজু আছে বুলি কোৱাত ঘোষালে বৰ ভাল পালে আৰু দম খাই থকা চিঠি-পত্ৰবোৰৰ উত্তৰ দিয়া কামত তেওঁক লগালে।

কংগ্ৰেছৰ কাৰ্য্যালয়ৰ নিয়মীয়া কাম-কাজৰ বাহিৰেও গান্ধীয়ে শ্ৰীঘোষালৰ ব্যক্তিগত কাম-কাজ কিছুমানো আনন্দেৰে কৰি দিছিল।

ঘোষালৰ কামিজৰ বুটাম তেওঁৰ লগুৱাই লগাই দিব লাগিছিল। গান্ধীয়ে লগুৱাই কৰি দিব লগা এনে ধৰণৰ কাম-কাজ বিলাকো কৰি দিছিল। গান্ধীয়ে কংগ্ৰেছৰ ওখ খাপৰ নেতৃবৃন্দৰ ঘনিষ্ঠ সান্নিধ্যত অহাৰ এইদৰে সুযোগ পাইছিল।

অলপ কেইদিনমানৰ ভিতৰতে গান্ধীয়ে কংগ্ৰেছৰ কাৰ্য্যনিৰ্ব্বাহক কমিটিৰ সদস্যসকলৰ লগত পৰিচিত হৈ পৰিল আৰু প্ৰায়বিলাক নেতাকে তেওঁ লগ ধৰি দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ সমস্যা সম্পৰ্কে জনাইছিল। গান্ধীয়ে কংগ্ৰেছৰ মুকলি অধিবেশনত দক্ষিণ আফ্ৰিকা সম্পৰ্কীয় প্ৰস্তাব এটা আনুষ্ঠানিকভাবে উত্থাপন কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক কমিটিত দাখিল কৰিছিল। কিন্তু বিষয়-বাচনি সভাত তেওঁৰ প্ৰস্তাৱটো কোনে আৰু কেতিয়া উত্থাপন কৰিব আৰু সমৰ্থন কৰিব তাৰবাবে চিন্তিত হৈছিল। বিষয়-বাচনি সভাত আলোচনা কৰা প্ৰতিটো প্ৰস্তাৱতে দীঘলীয়া বক্তৃতাৰ উজাৰ উঠিছিল আৰু একো একোজন বিশিষ্ট নেতাই প্ৰতিটো প্ৰস্তাৱৰ উত্থাপক বা সমৰ্থক আছিল। শ্ৰীফিৰোজচাহ মেহটাই গান্ধীৰ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ দিয়া হব বুলি আশ্বাস দিলেও সময়ৰ অভাবত প্ৰস্তাৱটো বিষয়-বাচনি সভাত নুঠিবই বুলি গান্ধীৰ আশংকা জন্মিল। তেতিয়া ৰাতি প্ৰায় এঘাৰ বাজি গৈছে আৰু সকলোৱে সভা ভাঙি যাবলৈ ইচ্ছুক। এনে অৱস্থাত গান্ধীয়ে শ্ৰীগোখেলক তেওঁৰ প্ৰস্তাৱটোৰ কিবা এটা কৰিবলৈ খাটনি ধৰিলে। ইতিমধ্যে শ্ৰীফিৰোজচাহ মেহটাই অধিবেশনৰ কাম শেষ হ'ল বুলি ক'লে। গোখেলে তেতিয়াও আৰু এটা প্ৰস্তাৱ বাকী আছে বুলি কৈ গান্ধীৰ প্ৰস্তাৱটোৰ কথা ক'লে আৰু গান্ধীয়ে ৰৈ আছে বুলি জনালে। প্ৰস্তাৱটো সম্পৰ্কে গান্ধীয়ে ফিৰোজচাহ মেহটাকো কৈ গৈছিল। গতিকে প্ৰস্তাৱটো বাদ দিব পৰা ন'গল। কিন্তু গোখেলে উত্থাপন কৰাত লৰালৰিকৈ ইয়াক সামৰি থোৱাৰ ইচ্ছাৰে মেহটাই গোখেলক প্ৰস্তাৱটো তেওঁৰ মনত লাগিছেনে নাই সুধিলে। গোখেলে প্ৰস্তাৱটো আৱশ্যকীয় আৰু সমৰ্থনযোগ্য বুলি কোৱাৰ লগে লগেই প্ৰস্তাৱটো গান্ধীক উত্থাপন কৰিব দিলে আৰু গান্ধীয়ে কোনোমতে প্ৰস্তাৱৰ পাঠটো পঢ়ি দিয়াত কোনো আলোচনা নোহোৱাকৈ সৰ্ব্বসন্মতিক্ৰমে গৃহীত হ'ল বুলি সকলোৱে গ্ৰহণ কৰিলে। সভাপতি শ্ৰীওৱাচাই

গান্ধীয়ে মুকলি সভাত পাচ মিনিট কব পাৰিব বুলি কৈ বিষয়-বাচনি সভাৰ সামৰণি পেলালে।

কোনো আলোচনা নোহোৱাকৈ আৰু সদস্যসকলে পৰিস্থিতিৰ প্ৰকৃত বিৱৰণ নোপোৱাকৈ হুৰমুৰকৈ প্ৰস্তাৱটো গ্ৰহণ কৰাৰ প্ৰণালীটো গান্ধীয়ে বৰ ভাল নাপালে। মুকলি অধিবেশনতো প্ৰস্তাৱটো উত্থাপন কৰাৰ লগে লগেই সেইদৰেই পাছ হৈ গ'ল। দক্ষিণ আফ্ৰিকাৰ সমস্যাৰ বিস্তৃত বিৱৰণ দিব নোৱাৰিলেও কংগ্ৰেছ মহাসভাৰ দৰে অনুষ্ঠানে প্ৰস্তাৱটো গ্ৰহণ কৰাত গান্ধীযে সন্তুষ্টি লাভ কৰিলে। সেই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভা মানেই সমগ্ৰ দেশ আছিল আৰু কংগ্ৰেছে গ্ৰহণ কৰা মানেই সমগ্ৰ দেশে গ্ৰহণ কৰা যেন হৈছিল।

কংগ্ৰেছৰ অধিবেশনৰ সামৰণিৰ পিছতো দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলৰ উপকাৰৰ বাবে কিছু কাম কৰিবলৈ গান্ধী কলিকতাত কিছুদিন থাকিব লগাত পৰে। গোখেলে তেওঁৰ ঘৰত থাকিবলৈ জোৰ কৰাত গান্ধী কলিকতাত থকা কালচোৱা গোখেলৰ ঘৰতে থাকিল আৰু গোখেলৰ লগত হোৱা ঘনিষ্ঠ সম্বন্ধই তেওঁৰ জীৱনত বিৰাট প্ৰভাব পেলাছিল। গোখেলৰ ইচ্ছা অনুসৰি গান্ধীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছৰ কামত সক্ৰিয়ভাবে লাগে আৰু ভাৰতীয় ৰাজনীতিত লাহে লাহে সোমাই পৰে।

গোখেলৰ কথামতে গান্ধীয়ে বোম্বাইত নিগাজীকৈ বসবাস কৰি ওকালতি কৰিবলৈ ল'লে আৰু ৰাজহুৱা কাম-কাজত গোখেলক সহায় কৰাত লাগিল। গান্ধীৰ ওকালতি ব্যৱসায় ভালদৰেই চলিব আৰম্ভ কৰিলে। দক্ষিণ আফ্ৰিকাত থকা সদাগৰ মহাজনসকলেও গান্ধীক তেওঁলোকৰ ব্যৱসায সম্পৰ্কীয় কাম-কাজ দি সহায় কৰিব ধৰিলে।

বৃটিছ চৰকাৰৰ 'চেক্ৰেটৰী অৱ ষ্টেটচ ফৰ কলোনিজ' মিষ্টাৰ চেম্বাৰ-লেনে ইতিমধ্যে দক্ষিণ আফ্ৰিকালৈ যাব স্থিৰ কৰিলে। এই খবৰ পাই তাত থকা ভাৰতীয়সকলে তেওঁলোকৰ প্ৰতি কৰা অবিচাৰ আৰু সমস্যাবোৰ ডাঙি ধৰি প্ৰতিকাৰ পোৱাৰ আশাৰে গান্ধীৰ নেতৃত্বত মিষ্টাৰ চেম্বাৰলেনৰ ওচৰত এটা সজাতি দল পাঠোৱাৰ চিন্তা কৰি তৎক্ষণাৎ দক্ষিণ আফ্ৰিকালৈ আহিব লাগে বুলি কেবোল যোগে গান্ধীক

মাতি পঠিয়ালে। দক্ষিণ আফ্ৰিকা এৰাৰ সময়ত মাতিলেই আহিব বুলি গান্ধীয়ে কথা দি আহিছিল। গতিকে নিজৰ কথা ৰাখি ওকালতি ব্যৱসায় বন্ধ কৰি দক্ষিণ আফ্ৰিকালৈ পুনৰ যাত্ৰা কৰিলে।

আকৌ দক্ষিণ আফ্ৰিকাত

গান্ধী মুৰামুৰি সময়তহে ডাৰ্বান পালেহি। মিষ্টাৰ চেম্বাৰলেনক সজাতিদলে লগ ধৰা দিন ইতিমধ্যে ঠিক কৰা হৈছে। চেম্বাৰলেনৰ ওচৰত দিব লগা স্মাৰকপত্ৰ লিখা আৰু সজাতি দলৰ নেতৃত্ব কৰাৰ ভাৰ গান্ধীয়ে লব লগা হ'ল। গতিকে দিনে-ৰাতি খাটি কাগজ-পত্ৰবোৰ তৈয়াৰ কৰি লৈ চেম্বাৰলেনক সাক্ষাৎ কৰিলে।

সজাতি দলৰ বক্তব্য শুনি চেম্বাৰলেনে কোনো প্ৰতিকাৰ বিধান নিদিলে আৰু গা এৰাই নিৰুৎসাহজনক ভাবেহে কথা-বতৰা পাতিলে। তেওঁ ক'লে, "আপোনালোকে জানে যে সাম্ৰাজ্যক চৰকাৰৰ স্বায়ত্ত-শাসিত উপনিৱেশবিলাকৰ ওপৰত বেচি ক্ষমতা আৰু নিয়ন্ত্ৰণ নাই। আপোনালোকৰ অভিযোগবোৰ সঁচা যেন লাগিছে। মই যি পাৰো কৰিম। কিন্তু আপোনালোকে যদি ইয়োৰোপীয়সকলৰ মাজত থাকিব খোজে তেন্তে তেওঁলোকক তোষামোদ কৰি থাকিব লাগিব।"

এই উত্তৰে সজাতি দলৰ সদস্যসকলক হতাশ আৰু নিৰুৎসাহ কৰি পেলালে। গান্ধী নিজেও বৰ হতাশ হ'ল। এই সাক্ষাতে দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলৰ চকু মেল খুৱালে। যুদ্ধত সহায় কৰাকে আদি কৰি কৰা কামবোৰ যেন সকলো অথলে গ'ল। তেওঁ-লোকৰ ন্যায্য অধিকাৰ আৰু সুবিচাৰ পাবলৈ আকৌ গুৰিৰে পৰা কাম আৰম্ভ কৰিব লগাত পৰিল। গান্ধীয়ে পৰিস্থিতিটো ভালকৈ বুজাই দি কৰিবলগীয়া কামৰ আঁচনি প্ৰস্তুত কৰিলে। ভাৰতলৈ সোন-কালে উভটি যোৱা আশা এৰি ট্ৰান্সভালত সম্প্ৰতি নিগাজীকৈ থাকি ভাৰতীয় লোকসকলৰ সমস্যা সমাধানৰ বাবে চিন্তাত লাগিল। তেওঁ নাটাললৈকো যোৱাৰ চিন্তা বাদ দি ট্ৰান্সভালৰ উচ্চতম ন্যায়ালয়ত বেৰিষ্টাৰ হিচাবে ভৰ্ত্তি হ'ল আৰু জোহান্সবাৰ্গত অফিচ পাতি ওকালতি আৰম্ভ কৰি ভাৰতীয়সকলৰ সেৱাত আত্মনিয়োগ কৰিলে।

গীতা অধ্যয়ন

গীতাশাস্ত্ৰখনৰ ওপৰত গান্ধীৰ অসীম শ্ৰদ্ধা আগৰে পৰাই আছিল। তেওঁ গীতাখন আৰু গভীৰভাবে অধ্যয়ন কৰাত লাগিল। মূল সংস্কৃত শ্লোকবিলাক বুজিবলৈ তেওঁ দুই-তিনিখন অনুবাদ লগত ৰাখিছিল। গীতাৰ শ্লোকবিলাক যিমানেই পঢ়ে সিমানেই আৰু পঢ়িবলৈ আৰু প্ৰতিটো শ্লোকৰ তাৎপৰ্য্য বুজিবলৈ তেওঁৰ প্ৰবল আগ্ৰহ জন্মিল। প্ৰত্যেকদিনে গীতাৰ এটা বা দুটা শ্লোক মুখস্থ কৰি যাবলৈ তেওঁ সংকল্প ল'লে। ইয়াৰ বাবে তেওঁ ৰাতিপুৱা গা ধোৱা সময়খিনি কামত লগালে। দাঁত ঘহোঁতে পোন্ধৰ মিনিট আৰু গা ধোওঁতে কুৰি মিনিট মুঠ পয়ত্ৰিশ মিনিট সদায় গান্ধীক প্ৰাতঃকৃত্য কৰোতে লাগিছিল। এই সময়খিনিত তেওঁ গীতাৰ শ্লোক মুখস্থ কৰাত লগাইছিল। দাঁতঘহা আৰু গা ধোৱা ঠাইৰ বিপৰীতে বেৰাত সৰু সৰু কাগজৰ টুকুৰাত আওৰাব লগা শ্লোক কেইটা লিখি নিতৌ মাৰি লৈছিল আৰু ভুল হ'লে বা মুখস্থ কৰাৰ প্ৰয়োজন হ'লেই শ্লোককেইটা পঢ়িছিল। আগে মুখস্থ কৰা শ্লোককেইটা মনত আছেনে নাই চাবৰ বাবে মাতি গৈছিল আৰু ভুল লাগিলে বেৰত মাৰি থোৱা কাগজলৈ চাইছিল আৰু তাৰ লগত সিদিনা আওৰাব-লগা শ্লোক এটা বা দুটা লগতে মুখস্থ কৰিছিল। এইদৰে অলপদিনৰ ভিতৰতে গান্ধীয়ে গীতাৰ ত্ৰয়োদশ অধ্যায়লৈ মুখস্থ কৰি পেলাইছিল।

গান্ধীৰ বাবে গীতা হৈ পৰিছিল চৰিত্ৰ আৰু আচৰণৰ পথ-প্ৰদৰ্শক। সকলো কথাতেই গীতাখনেই আছিল তেওঁৰ আলোচ্য অভিধান। অপৰিগ্ৰহ, সমভাব আদি শব্দই তেওঁক অভিভূত কৰি পেলাইছিল। সকলোৰে প্ৰতি সমভাব কেনেকৈ জন্মাব পাৰি আৰু কি উপায়ে এই ভাব মনত সংৰক্ষণ কৰিব পাৰি এয়ে আছিল তেওঁৰ দৈনন্দিন চিন্তা আৰু সাধনা। ভগবানক পাব লাগিলে সকলো ত্যাগ কৰিব লাগে নেকি, ত্যাগ নকৰাকৈ ভগবামক পাব নোৱাৰি নেকি—এনেবোৰ প্ৰশ্ন তেওঁৰ মনত অনবৰত জাগিব ধৰিলে। ইয়াৰ উত্তৰ পাবলৈ তেওঁৰ বেচি সময় নালাগিল। তেওঁ দৃঢ়ভাবে উপলব্ধি কৰিলে, সৰ্ব্বস্ব ত্যাগ নকৰিলে ভগবানক পাব নোৱাৰি। এই সত্য উপলব্ধি কৰিয়েই

গান্ধীয়ে তৎক্ষণাৎ ৰেবাশঙ্কৰ ভাইলৈ তেওঁ কৰা জীৱনবীমা খিলাপী বা বাতিল কৰিবলৈ লিখিলে। তেতিয়ালৈকে দিয়া প্ৰিমিয়ামৰ বিনিময়ত যদি কিবা পাব পাৰে তাক দিবলৈ আৰু নহ'লে দিয়া প্ৰিমিয়াম হেৰোৱা ধন হিচাবে ধৰিবলৈ তেওঁ লিখিলে। তেওঁৰ এই বিশ্বাস দৃঢ় হৈ পৰিছিল যে ভগবানে তেওঁৰ ল'ৰা-তিৰোতা আৰু নিজকো সৃজন কৰিছে যেতিয়া প্ৰতিপালনৰো বিধান নিশ্চয় কৰিব। সদায় পিতৃজ্ঞান কৰি মানি অহা ককায়েকলৈ গান্ধীয়ে মনৰ কথা সকলো বুজাই লিখিলে আৰু সেই মুহূৰ্ত্তলৈ তেওঁ যি ধন-সম্পত্তি বচাব পাৰিছে সকলো তেওঁক দিলে আৰু তেওঁৰ হাতত একো নাই আৰু নাথাকিব বাবে যেন তেওঁৰ পৰা একো পাবলৈ আশা নকৰে। যদি তেওঁৰ কিবা আয় হয়, সেই আৰ্জ্জন সমাজ সেৱাত নিযোজিত হব আৰু তেওঁৰ কোনো ব্যক্তিগত সম্পত্তি নাথাকিব। গীতাৰ অপৰিগ্ৰহৰ বাণী গান্ধীয়ে জীৱনৰ আদৰ্শ কৰি ল'লে আৰু বিষয়-বাসনা ত্যাগ কৰি নৈতিক আৰু আধ্যাত্মিক জীৱনৰ সোপানত অগ্ৰসৰ হ'ল।

কিতাপ এখনৰ যাদুকৰী প্ৰভাব

দক্ষিণ আফ্ৰিকাত মিষ্টাৰ হেনৰি পোলক নামেৰে এজন ইহুদী গান্ধীৰ বিশিষ্ট বন্ধু আছিল। ডাৰ্বানৰ পৰা জোহান্সবাৰ্গলৈ যাবলৈ ওলোৱাত এই বন্ধুজনে গান্ধীক বিদায় সম্ভাষণ জনাবলৈ ডাৰ্বান ষ্টেচনলৈ আহিছিল। গাড়ীত পঢ়ি সময় কটাবলৈ মিষ্টাৰ পোলকে গান্ধীক ৰাস্কিনে লিখা 'আনটু দি লাষ্ট' নামৰ কিতাপখন দি গ'ল। এই কিতাপখন পঢ়ি ভাল পাব বুলিও তেওঁ গান্ধীক ক'লে।

গান্ধীয়ে কিতাপখন আৰম্ভ কৰি এৰিব নোৱাৰা হ'ল। তেওঁ তন্ময় হৈ পৰিল। জোহান্সবাৰ্গৰ পৰা ডাৰ্বানলৈ যাওঁতে চবিবশঘণ্টা লাগিছিল। গাড়ী গৈ সন্ধিয়া জোহান্সবাৰ্গ পালে। গোটেই ৰাতি গান্ধীৰ টোপনি নাহিল। ৰাস্কিনৰ কিতাপখনত বৰ্ণিত কথাবোৰ তেওঁ কোনোমতেই মনৰ পৰা গুছাব নোৱাৰা হ'ল। এই কিতাপখনত বৰ্ণিত আদৰ্শ তেওঁৰ জীৱনৰ আদৰ্শ হিচাবে ৰূপায়িত কৰিবলৈ গান্ধীয়ে দৃঢ় সংকল্প ল'লে।

ৰাস্কিনৰ কিতাপখনত গান্ধীয়ে যেন তেওঁ পোষণ কৰি অহা বিশ্বাস আৰু মতৰ বাস্তৱ ৰূপ দেখিলে আৰু সেই কাৰণেই এই কিতাপখনে তেওঁৰ অন্তৰত গভীৰ প্ৰভাৱ পেলাব পাৰিছিল। এই কিতাপখনৰ আদৰ্শই গান্ধীৰ জীৱনত বহুত পৰিবৰ্ত্তন আনিলে। কিতাপখনৰ শিক্ষা গান্ধীয়ে এইদৰে বুজিছিল—

(১) ব্যক্তিৰ মঙ্গল সামাজিক মঙ্গলৰ লগত জড়িত। সকলোৰে মঙ্গলতহে ব্যক্তিৰ মঙ্গল নিহিত থাকে।

(২) নিজৰ কৰ্ম্মৰ জৰিয়তে জীৱিকা উপাৰ্জ্জনৰ সকলোৰে সমান অধিকাৰ আছে। গতিকে আইনজীবি এজনৰ আৰু নাপিত এজনৰ কামৰ মূল্য সমান।

(৩) শ্ৰমিকৰ জীৱনহে প্ৰকৃত জীৱন। মাটি চহাই জীৱিকা অৰ্জ্জন কৰা শ্ৰমিক আৰু নিজহাতে শ্ৰম কৰা বাঢৈ বা হস্তশিল্পীৰ জীৱনেই প্ৰকৃত শ্ৰমিকৰ জীৱন আৰু সেই জীৱনেইহে প্ৰকৃত জীৱন।

এই সাৰগৰ্ভ শিক্ষা কেইটা গান্ধীৰ অন্তৰত আগৰ পৰাই অব্যক্ত অৱস্থাত আছিল। ৰাস্কিনৰ কিতাপখনত তেওঁ যেন নিজকেই পুনৰ বিচাৰি পালে আৰু এই কথাকেইটা বিশেষভাবে প্ৰণিধান কৰিলে। গান্ধীয়ে সংক্ষিপ্ত কৰি উলিওৱা কথা তিনিটাৰ দ্বিতীয় আৰু তৃতীয়টো প্ৰথমটোতেই নিহিত হৈ আছে। প্ৰথমটো নিজৰ জীৱনত পালন কৰিবলৈ দ্বিতীয় আৰু তৃতীয সত্য দুটাৰ অনুশীলন হব। গান্ধীয়ে ৰাতিপুৱা উঠিয়েই এই সত্যৰ আদৰ্শ ব্যৱহাৰিক জীৱনত পালন কৰিবলৈ সংকল্প ললে। গান্ধীযে এই কিতাপখন গুজৰাটিলৈ অনুবাদ কৰি সৰ্বোদয় নাম দি প্ৰকাশ কৰে।

ফিনিক্স পাম

গান্ধীয়ে ডাৰ্বানৰ পৰা 'ইণ্ডিয়ান অপিনিয়ন' বা 'ভাৰতীয় মত' নামেৰে এখন সাপ্তাহিক বাতৰি কাকত উলিয়াইছিল। এই সাপ্তাহিক বাতৰি কাকতখন ছপোৱাৰ ভাৰ মিষ্টাৰ ওৱেষ্ট নামে মানুহ এজনৰ ওপৰত আছিল। গান্ধীয়ে ৰাস্কিনৰ 'আনটু দি লাষ্ট' নামৰ কিতাপখন

পঢ়াৰ পিছত হোৱা তেওঁৰ মনৰ পৰিবৰ্ত্তন আৰু সিদ্ধান্তৰ সকলো কথা মিষ্টাৰ ওৱেষ্টক জনালে। এই সাপ্তাহিক বাতৰি কাকতখন চহৰৰ পৰা পাৰিলে খেতি-বাতি কৰিব পৰা কোনো এখন ঠাইলৈ নিয়াৰ চিন্তা কৰাৰ কথা তেওঁ ওৱেষ্টক জনালে। এই প্ৰস্তাৱত ওৱেষ্ট সন্মত হ'ল।

গান্ধীয়ে ৰুস্তমজী আৰু ওৱেষ্টৰ সহায়ত ডাৰ্বানৰ পৰা চৈধ্য মাইল আঁতৰত ফিনিক্স ৰেলওৱে ষ্টেচনৰ ওচৰত ১০০ একৰ অৰ্থাৎ তিনিশ বিঘাৰ জমি একখণ্ড কিনিলে। এই ঠাইডোখৰ এক প্ৰকাৰ হাবিযনি আছিল। অতি কম সময়ৰ ভিতৰতে ঠাই খণ্ড পৰিষ্কাৰ কৰি তাত অতি সাধাৰণভাবে টিনৰ চালি কৰি ইণ্ডিয়ান অপিনিয়ন কাগজৰ ছপাখানা তালৈ নিয়া হ'ল আৰু মানুহ-দুনুহ থাকিবৰ বাবে সৰু সৰু কিছুমান ঘৰ তৈয়াৰ কৰা হ'ল।

গান্ধীয়ে এই পামখনৰ নাম 'টলষ্টয় পাম' ৰাখিলে। ৰাস্কিনৰ কিতাপখনত বৰ্ণিত শ্ৰমৰ মৰ্য্যাদাৰ আদৰ্শ আগত ৰাখি গান্ধীয়ে সেই পামত ছপাখানাৰ কাম আৰু মাটিত শ্ৰমেৰে উৎপাদনৰ কাম কৰা সম্পৰ্কে এখন আঁচনি তৈযাৰ কৰি সেইমতে কাম কৰিব আগ্ৰহ প্ৰকাশ কৰা সহকৰ্ম্মীসকলক সেই পামত থাকিবলৈ দিহা কৰি দিলে। প্ৰত্যেকে নিজৰ শক্তি আৰু কৰ্ম্মকুশলতা অনুসাৰে ছপাখনাত আৰু খেতিত কাম কৰিব আৰু সকলোৱে জীৱিকা নিৰ্ব্বাহৰ বাবে মাহে তিনি পাউণ্ডকৈ বানচ পাব। ওৱেষ্ট, ছগনলাল গান্ধী, গোবিন্দস্বামী, মগনলাল গান্ধী আদি কৰি 'ইণ্ডিযান অপিনিয়ন' কাগজত বিভিন্ন পদত কাম কৰা লোকসকলে গান্ধীৰ পৰামৰ্শ মতে সেই অতি অলপীয়া দৰমহা লৈযে ফিনিক্স পামত থাকি কাম কৰিবলৈ লাগি গ'ল। যিসকল লোকে গান্ধীৰ এই আদৰ্শ অবাস্তৱ বুলি ভাবি ফিনিক্সৰ দৰে আওহতীয়া আৰু নগৰৰ কোনো সা-সুবিধা নথকা কষ্টকৰ ঠাইলৈ ইমান কম দৰমহাত ইমান কষ্ট কৰি থাকিবলৈ ইচ্ছা নকৰিলে তেওঁলোকক আগৰ দৰমহাতে ডাৰ্বানতে থাকি কাম-কাজ চলাই যাবলৈ দিয়া হ'ল। গান্ধীয়ে বিশ্বাস কৰিছিল যে যদি নিজ ইচ্ছা আৰু আগ্ৰহেৰে ফিনিক্সত থাকি কায়িক শ্ৰমেৰে জীবিকা নিৰ্ব্বাহ কৰা লোকসকলে সন্তোষেৰে জীৱন নিয়াব পাৰে তেন্তে সম্প্ৰতি অনিচ্ছা

কৰা লোকসকলৰো মতৰ পৰিবৰ্ত্তন হব আৰু আগ্ৰহেৰে তেওঁলোকেও কায়িক শ্ৰমৰ মূল্য বুজিব আৰু জাতি, ধৰ্ম্ম, বৰ্ণ আৰু কৰ্ম্মকুশলতা নিৰ্বিবশেষে সমান বানচ লৈ জীবিকা নিৰ্ব্বাহ কৰিব।

এইদৰে ১৯০৪ চনত ফিনিক্স পাম স্থাপিত হ'ল আৰু তাৰ পৰাই 'ইণ্ডিয়ান অপিনিয়ন' সাপ্তাহিক বাতৰি কাকত নিয়মীয়া ভাবে প্ৰকাশিত হৈ থাকিল। প্ৰথম অৱস্থাত আৰু বিশেষকৈ ফিনিক্স পামৰ পৰা প্ৰকাশিত হোৱা প্ৰথম সংখ্যাৰ বাতৰি কাকতখন ছপাওঁতে গান্ধী আৰু সহকৰ্ম্মীসকলে অশেষ কষ্ট কৰিব লগীয়া হৈছিল। ছপাখানাৰ যান্ত্ৰিক বিজুতি ঘটাত ওৰে নিশা চাৰিজন চাৰিজনকৈ পাল পাতি হাতেৰেই মেচিন ঘূৰাই কাগজখন ছপা কৰি উলিয়াব লগা হৈছিল। গান্ধীৰ লগত সকলো কৰ্ম্মীয়ে আনন্দেৰেই এই কষ্টসাধ্য কাম কৰি কাগজৰ সংখ্যা সময়মতে প্ৰকাশ কৰাত কৃতকাৰ্য্য হৈছিল। গান্ধীয়ে অদূৰ ভৱিষ্যতত ভাৰতবৰ্ষলৈ উভটি যোৱাৰ আশা কৰিব নোৱাৰা হ'ল। ভাৰতীয় সকলৰ সমস্যাই নতুন ৰূপ ল'লে আৰু আগতকৈও জটিল হৈ উঠিল। এনে অৱস্থাত দক্ষিণ আফ্ৰিকাত থকা ভাৰতবাসীসকলেও তেওঁক আহিব নিদিয়ে আৰু গান্ধীৰো কিবা এটা কূল কিনাৰা নোহোৱালৈকে উভতি আহিবৰ মন নোহোৱা হ'ল। গতিকে তেওঁ পুনৰ তেওঁৰ ঘৈণীয়েক আৰু ল'ৰাহঁতক দক্ষিণ আফ্ৰিকালৈ অনাৰ সিদ্ধান্ত কৰিলে।

গীতাৰ বাণী আৰু ৰাস্কিনৰ 'আনটু দি লাষ্ট' কিতাপৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ফিনিক্স পাম প্ৰতিষ্ঠা কৰি নতুন পৰীক্ষা আৰু অভিজ্ঞতাৰে শান্তিত কটাব বুলি জোহান্সবাৰ্গত গান্ধীয়ে থিতাপি নোলাগোতেই পুনৰ নতুন অশান্ত অৱস্থাই তেওঁক নতুন কৰ্ম্মক্ষেত্ৰলৈ টানিলে। নাটালত জুলুবিলাকে বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ কৰিলে আৰু এই বিদ্ৰোহ দমনত শ শ জুলুলোক আহত আৰু নিহত হ'ল। বৃটিছে ভাৰতীয়সকলৰ প্ৰতি কৰি থকা অবিচাৰৰ প্ৰতিকাৰ নকৰিলেও গান্ধীয়ে বৃটিছ সাম্ৰাজ্যৰ প্ৰজা হিচাবে বিপদত বৃটিছক সহায় কৰা

কৰ্ত্তব্য বুলি মানিছিল আৰু বিশ্বৰ মঙ্গলৰ বাবেই বৃটিছ-সাম্রাজ্য প্ৰতিষ্ঠিত হৈছে বুলি জ্ঞান কৰিছিল। জুলুসকলে ভাৰতীয়লোকক কেতিয়াও বেয়া ব্যৱহাৰ কৰা নাছিল আৰু কোনো অপকাৰো কৰা নাছিল। আহত জুলুসকলক শ্বেতকায়সকলে সেৱা-শুশ্রূষা কৰিবলৈ ইচ্ছা নকৰিছিল আৰু কোনো চিকিৎসা নোপোৱাকৈয়ে এই দুৰ্ভগীয়া লোকসকলে প্ৰাণ হেৰুৱাব লগাত পৰিছিল। গান্ধীয়ে বাতৰি কাকতত বিদ্ৰোহৰ বিৱৰণী পঢ়ি নাটালৰ নাগৰিক হিচাবে তাৰ চৰকাৰলৈ তেওঁৰ সেৱা আগবঢ়াই চিঠি লিখিলে' আৰু কেৱল ভাৰতীয় লোকেৰে শুশ্রূষাকাৰী দল এটা সংগঠন কৰি আহত লোকসকলক সেৱা কৰাৰ বাবে অনুমতি বিচাৰিলে। নাটালৰ গৱৰ্ণৰে গান্ধীৰ এই প্ৰস্তাৱ তৎক্ষণাৎ গ্ৰহণ কৰিলে আৰু কাম-কাজৰ সুবিধাৰ বাবে পদমৰ্য্যাদা দি গান্ধীক চাৰ্জেণ্ট-মেজৰ পদ দিলে আৰু গান্ধীৰ কথামতে আৰু তিনিজন ভাৰতীয় লোকক চাৰ্জেণ্ট পদ আৰু আন এজনক কৰ্পোৰেল পদ দিলে। গান্ধীয়ে নাটাললৈ গৈ ভাৰতীয় লোকেৰে এটা শুশ্রূষাকাৰী দল গঠন কৰিলে। এই দলৰ লোকসকলক আৰু বিষয়ববীয়া সকলক পদমৰ্য্যাদা অনুসাৰে চৰকাৰে একে চৰকাৰী পোছাক দিলে আৰু বৃটিছ শুশ্রূষাকাৰী বাহিনীৰ লোকসকলৰ দৰে পদমৰ্য্যাদা দিলে। এই দলটোৱে ছয়সপ্তাহ কাল অতি দক্ষতাৰে কাম কৰিলে। আহত জুলুসকলক সেৱা শুশ্রূষা-কৰা ঔষধ-পাতি দিয়া আদিযেই এই দলটোৰ প্ৰধান কাম আছিল। বৃটিছ নাৰ্চসকলে কৃষ্ণকায় জুলুসকলক সেৱা শুশ্ৰূষা নকৰাৰ বাবে যি পৰিস্থিতিৰ উদ্ভৱ হৈছিল, গান্ধীৰ নেতৃত্বত সংগঠিত এই শুশ্রূষাকাৰী দলে এই সমস্যাৰ সমাধান কৰিলে আৰু আহত লোকসকলেও ভগবান প্ৰেৰিত সহায় বুলি তেওঁলোকক কৃতজ্ঞতা আৰু সন্মানৰ চকুৰে চাইছিল।

জুলু বিদ্ৰোহ প্ৰকৃততে কোনো সামৰিক বিদ্ৰোহ নাছিল। জুলুসকলৰ ওপৰত লগোৱা এবিধ নতুন কৰ দিবলৈ অমান্তি হোৱাত বলেৰে জোৰ-জুলুম কৰি সেই কৰ আদায় কৰিব যোৱা এজন সামৰিক বিষয়াক যাঠিৰে মাৰিছিল। তাৰ শাস্তিমূলক ব্যৱস্থা হিচাবে জুলু বিদ্ৰোহ নাম দি জুলুসকলৰ ওপৰত আক্ৰমণ চলাইছিল আৰু জুলু-সকল থকা গাওঁ-ভূইবিলাকত নানা অত্যাচাৰ চলিছিল। আহত হোৱা লোকসকলৰ ভিতৰত সন্দেহতে ধৰি নি জেলত ভৰাই বেত্ৰাঘাত

কৰি গাৰ ছাল-চামৰা নিকটাই ঘা লগোৱা লোকেই সৰহ আছিল। বেত্ৰাঘাতত ঘা-লগোৱা লোকসকলৰ জখম হোৱা স্থানবিলাকত কোনো দৰব-পাতি নিদিয়াত ঘাবিলাক বহল হৈ গৈছিল। শ্বেতকায় পৰিচাৰক, চিকিৎসক আৰু শুশ্ৰূষাকাৰীসকলে এই লোকসকলৰ কোনো তত্ত্বাবধান লবলৈ অসম্মত হোৱাত ভাৰতীয় শুশ্ৰূষাকাৰী দলটোৰ ওপৰত এই কামৰ ভাৰ পৰিছিল। ইযোৰোপীয় সৈন্যসকলকো এই দলটোৱে ঔষধ-পাতি দিব লাগিছিল। প্ৰথম অৱস্থাত জুলুসকলক সেৱা-শুশ্ৰূষা আৰু সহায় কৰাৰ কাৰণে এই শ্বেতকায় সৈন্যসকলে গান্ধী আৰু লগৰীয়া সকলক ঠাট্টা আৰু গালি-গালাজ কৰিলেও শেষত গৈ শ্ৰদ্ধা কৰিব লগীয়াত পৰিছিল। তেওঁলোকৰ কৰ্ত্তব্যনিষ্ঠা, সেৱাৰ মনোবৃত্তি আৰু কৰ্ম্মকুশলতাই সকলোকে আপোন কৰি তুলিছিল।

কস্তুৰবাঈৰ সাহস

ডাৰ্বানত থাকোতে এবাৰ কস্তুৰবাঈৰ টান নৰিযা হয়। গান্ধীৰ বন্ধু চিকিৎসক এজনে এই অসুখৰ বাবে কস্তুৰবাঈক অস্ত্ৰোপচাৰৰ পৰামৰ্শ দিযে। প্ৰথমতে সন্মত হোৱা নাছিল যদিও বঢ়াই বুজাই কোৱাত অস্ত্ৰোপচাৰৰ বাবে কস্তুৰবাঈ সন্মতি দিলে। ভালেমান দিন অসুখত ভুগি তেওঁৰ স্বাস্থ্য হানি হৈ বৰকৈ খীণাইছিল। দুৰ্ব্বলতাৰ বাবে ক্লোৰোফৰ্ম নকৰাকৈ অস্ত্ৰোপচাৰ কৰিব লগাত পৰিল। কস্তুৰবাঈৰ মনৰ বল অসীম আছিল আৰু শাৰীৰিক দুৰ্ব্বলতা সত্বেও তেওঁ অস্ত্ৰোপচাৰৰ যন্ত্ৰণা অসীম সাহসেৰে সহ্য কৰিলে। অস্ত্ৰোপচাৰ ভালে ভালেই হৈ গ'ল। চিকিৎসকজনে আৰু তেওঁৰ ঘৈণীযেকে কস্তুৰবাঈৰ সকলো যত্ন লৈছিল আৰু সকলো সময়তে আল-পৈচান ধৰিছিল। ডাক্তৰে গান্ধীক চিন্তাৰ কোনো কাৰণ নাই বুলি কৈ তেওঁৰ কৰ্ম্মক্ষেত্ৰ জোহান্সবাৰ্গলৈ উভতি যাবলৈ ক'লে। কস্তুৰবাক ডাক্তৰৰ তত্ত্বাবধানত এৰি গান্ধীয়ে জোহান্সবাৰ্গলৈ গুছি গ'ল।

কেইদিন মান পিচতে গান্ধীয়ে ডাক্তৰৰ পৰা চিঠি এখন পালে যে কস্তুৰবাঈ ক্ৰমাৎ বেচি দুৰ্ব্বল হৈ পৰিছে। বিচনাত উঠি বহিব নোৱাৰা

হৈছে আৰু এবাৰ অজ্ঞানো হৈ পৰিছিল। গান্ধীৰ বিনা অনুমতিত কস্তুৰবাঈক ব্ৰ্যাণ্ডি বা মদ্ জাতীয় ঔষধ আৰু মাংস দিব নোৱাৰে বুলি ডাক্তৰে জানিছিল, গতিকে ডাক্তৰে জোহান্সবাৰ্গলৈ টেলিফোনেৰে ৰোগীক গৰুৰ মঙহৰ আৰক পথ্য দিয়াৰ বাবে গান্ধীৰ অনুমতি বিচাৰিলে। টেলিফোনত গান্ধীয়ে উত্তৰ দিলে, "মই অনুমতি দিব নোৱাৰো। কিন্তু যদি তেওঁ (কস্তুৰবাঈ) নিজৰ মতামত দিব পৰা অবস্থাত আছে তেন্তে এই বিষয়ত তেওঁৰ লগত আলোচনা কৰক। তেওঁৰ যেনে ইচ্ছা হয় সেই মতে কৰিব পাৰে।"

ডাক্তৰে ক'লে, "এই বিষয়ত মই কেতিযাও ৰোগীৰ মতামত বিচাৰি আলোচনা কৰিব নোৱাৰো। আপুনি নিজে আহক। মোৰ ইচ্ছামতে পথ্যাদিৰ ব্যৱস্থা কৰাৰ মুক্ত অধিকাৰ যদি মোক নিদিয়ে তেন্তে আপোনাৰ পৰিবাৰৰ জীৱনৰ বাবে মই মুঠেই দায়ী নহম।"

সেইদিনাই গান্ধী ডাৰ্বানলৈ গ'ল। ডাক্তৰক সাক্ষাৎ কৰাত ডাক্তৰে অতি শান্তভাবেই গান্ধীক ক'লে যে তেওঁলৈ টেলিফোন কৰাৰ আগতেই ৰোগীক গৰুৰ মঙহৰ আৰকৰ পথ্য দিছে। ইয়াকে শুনি গান্ধীৰ মনত বৰ বেয়া লাগিল আৰু তেওঁ ডাক্তৰক ক'লে, "ডাক্তৰ, আপুনি এইটো প্ৰতাৰণাৰ কাম কৰিলে।"

ডাক্তৰে দৃঢ়তাৰে উত্তৰ দিলে, "ৰোগীক দৰব বা পথ্যৰ ব্যৱস্থা কৰাত প্ৰতাৰণাৰ কোনো প্ৰশ্ন নাই। যদি ৰোগীক নাইবা ৰোগীৰ আত্মীয়-স্বজনক ফাঁকি দিও ৰোগীৰ প্ৰাণ বচাব পৰা যায় তেন্তে আমি চিকিৎসক হিচাবে তাক ধৰ্ম্ম বুলিহে ভাবো।"

গান্ধীয়ে অন্তৰত বৰ দুখ পালে যদিও তেওঁ শান্ত হৈ থাকিল। চিকিৎসকজন ভাল মানুহ আৰু গান্ধীৰ প্ৰিয় বন্ধু আছিল। এই ডাক্তৰজনে আৰু তেওঁৰ ঘৈণীয়েকে গান্ধী আৰু কস্তুৰবাঈৰ কাৰণে যিমান কষ্ট কৰিছে তাৰ বাবে গান্ধী কৃতজ্ঞতাৰে ঋণী, কিন্তু তেওঁ এই ডাক্তৰজনৰ চিকিৎসাৰ নৈতিকতাত হয়ভৰ দিব নোৱাৰিলে। তেওঁ ডাক্তৰজনক ক'লে, "ডাক্তৰ, আপুনি এতিয়া কি কৰে কওক। মই পৰিবাৰক কোনো মাংস বা গৰুৰ মঙহৰ পথ্য দিয়াৰ অনুমতি দিব নোৱাৰো। এই পথ্য নিদিয়াৰ বাবে যদি তেওঁৰ জীৱন ৰক্ষা পৰে তথাপি মোৰ কৰিবৰ একো উপায় নাই। অৱশ্যে তেওঁ যদি

নিজ ইচ্ছাৰে এই পথ্য গ্ৰহণ কৰিবলৈ সন্মত হয় তাত মোৰ কবলগা একো নাই।” ডাক্তৰ ক’লে, “আপোনাৰ দৰ্শনৰ প্ৰতি মোৰ ওলগ জনাইছো। কিন্তু যেতিয়ালৈকে আপোনাৰ পৰিবাৰক মোৰ চিকিৎসাত ৰাখে মোৰ ইচ্ছামতে দৰব আৰু পথ্য দিয়াৰ সম্পূৰ্ণ অধিকাৰ মোক দিব লাগিব। যদি আপুনি ইয়াত সন্মত নহয় মই দুঃখেৰে কব লাগিব তেওঁক ইয়াৰ পৰা লৈ যাওক। মোৰ ঘৰত তেওঁৰ মৃত্যু হোৱাটো মই ইচ্ছা নকৰো।”

গান্ধীৰ লগত তেওঁৰ এজন পুতেকো আছিল। তেওঁ গান্ধীৰ কথাতে সম্পূৰ্ণ হয়ভৰ দিলে আৰু মাকক কেতিয়াও গৰুৰ মঙহৰ পথ্য দিব নালাগে বুলি জোৰ কৰিলে। গান্ধীয়ে তাৰ পিছত কস্তুৰবাঈক এই বিষয়ে তেওঁ কি কয় সুধিলে। তেওঁৰ শৰীৰ অত্যন্ত দুৰ্ব্বল আছিল। ডাক্তৰে কোৱা কথাখিনিও তেওঁক ক’লে আৰু তেওঁৰ ইচ্ছা মতে কাম কৰিবলৈ তেওঁৰ সম্পূৰ্ণ অধিকাৰ আছে বুলিও তেওঁক জনালে। কস্তুৰবাঈ দৃঢ়তাৰে উত্তৰ দিলে, “মই গৰুৰ মঙহৰ তৈয়াৰী পথ্য কেতিয়াও নাখাওঁ। এই সংসাৰত মানুহ হৈ জন্ম পোৱাটোৱেই দুৰ্ল্লভ। অখাদ্য খাই দেহাটো অশুচি কৰাতকৈ বৰং মই আপোনাৰ বাহুত মূৰ থৈ মৃত্যুকেই বৰণ কৰিম।”

গান্ধীয়ে তেওঁক বুজালে। মাংস আৰু মদ ঔষধ হিচাবে ব্যৱহাৰ কৰাত আপত্তি নকৰা তেওঁৰ হিন্দু বন্ধু কেইজনমানৰ দৃষ্টান্ত দিও গান্ধীয়ে কস্তুৰবাঈক ক’লে, আৰু তেওঁৰ নিজৰ আচৰণ মানিবলৈ তেওঁ বাধ্য নহয় বুলিও আশ্বাস দিলে। কিন্তু কস্তুৰবাঈ অচল-অটল হৈ থাকিল। তেওঁ কোনোমতেই অখাদ্য নাখায় আৰু তৎক্ষণাৎ তাৰ পৰা লৈ যাব লাগে বুলি দৃঢ়তাৰে গান্ধীক আৰু পুতেকক ক’লে। গান্ধীয়ে কস্তুৰবাঈক তৎক্ষণাৎ তাৰ পৰা লৈ যোৱাকে সিদ্ধান্ত কৰিলে। ফিনিক্স পামলৈ মিষ্টাৰ ওৱেষ্টক খবৰ দিলে যে কস্তুৰবাঈক তালৈ নিয়াৰ ঠিক কৰিছে আৰু ষ্টেচনলৈ কেইজনমান মানুহক অলপ গৰম গাখীৰ, অলপ গৰমপানী আৰু এখন খাটিয়া গাড়ী গৈ পোৱা সময়ত পঠাবলৈ ক’লে। ডাক্তৰৰ ঘৰৰ পৰা কস্তুৰবাঈক লৈ তেওঁলোকে ডাৰ্বান ষ্টেচনলৈ আহিল আৰু তাৰ পৰা ট্ৰেনেৰে গৈ ফিনিক্স ষ্টেচন পালে। ষ্টেচনৰ পৰা গান্ধীৰ ফিনিক্স পামলৈ প্ৰায় আঢ়ৈমাইল আৰু ৰাস্তাখিনিও বৰ

বেযা আছিল। তাত কোনো যান-বাহন নচলে। গতিকে কস্তুৰবাঈক তেনে শয্যাগত নৰিয়া আৰু অতি দুৰ্ব্বল অৱস্থাত সেইদৰে লৈ অহা বৰ দুঃসাহসিকতাৰ কামেই হৈছিল। ষ্টেচনৰ পৰা খাটিয়াত শুৱাই কস্তুৰবাঈক ফিনিক্স পামলৈ নিয়া হ'ল। শাৰীৰিক দুৰ্ব্বল হলেও কস্তুৰবাঈৰ মনৰ বল অটুত আছিল আৰু গান্ধী অলপ চিন্তাযুক্ত হ'লেই তেওঁ কৈছিল—"মোৰ বাবে চিন্তা নকৰিব, মই ভাল হৈ যাম, মোৰ একো নহয়।"

ফিনিক্স পোৱাৰ লগে লগেই কস্তুৰবাঈৰ মনৰ বল আৰু বাঢ়িল। গান্ধীয়ে ডাক্তৰী চিকিৎসা বাদ দি পানী আৰু মাটিৰ প্ৰলেপেৰে প্ৰাকৃতিক চিকিৎসা আৰম্ভ কৰিলে আৰু অতি কম দিনতে কস্তুৰবাঈ আৰোগ্য হৈ উঠিল।

কিছুদিন সুস্থ অৱস্থাত থকাৰ পিছত কস্তুৰবাঈৰ পুনৰ অসুখ আৰম্ভ হ'ল। গান্ধীয়ে ব্যৱস্থা দিয়া চিকিৎসা পদ্ধতিত বৰ আস্থা নাথাকিলেও তেওঁ তাত অসন্মতি জনোৱা নাছিল। তেওঁ বাহিৰা কোনো দৰব-জাতি বা সহায় বিচৰা নাছিল। গান্ধীৰ চিকিৎসা প্ৰণালী গুণ নিদিয়াত তেওঁ কস্তুৰবাক নিমখ আৰু ডালি খোৱা বন্ধ কৰিবলৈ অনুৰোধ কৰিলে। নিমখ আৰু ডালি খোৱা এৰাৰ পৰা শৰীৰৰ কিমান উপকাৰ হয় তাকো গান্ধীয়ে নানা উদাহৰণেৰে বুজালে। কিন্তু কস্তুৰবাঈ কোনোমতেই সন্মত নহ'ল। অৱশেষত তেওঁ গান্ধীক কৈ উঠিল "নিমখ আৰু ডালি এৰিব ক'লে আপুনি জানো এৰিব পাৰিব? আপুনিও নিশ্চয় এৰিব নোৱাৰে।" কথাষাৰ শুনি গান্ধীৰ মনত দুখো লাগিল আৰু আনন্দও লাগিল। কস্তুৰবাঈক তেওঁ কিমান ভাল পায় তাক আকৌ এবাৰ দেখুৱাবৰ সুযোগ পোৱা বাবে তেওঁ আনন্দ পালে। তেওঁ কস্তুৰবাঈক ক'লে, "তুমি ভুল কৰিছা। মোৰ যদি অসুখ হয় আৰু যদি ডাক্তৰে মোক এই দুটা বা আন কিবা বস্তু খাবলৈ বাধা কৰে মই বিনাবাক্যে তাক পালন কৰিম। কিন্তু চোৱা, ডাক্তৰৰ কোনো উপদেশ নোহোৱাকৈয়ে মই আজিৰে পৰা এবছৰলৈ নিমখ আৰু ডালি খোৱা বন্ধ কৰিলো। তুমি এতিয়া কৰিবা নে নকৰা?"

কস্তুৰবাঈৰ অন্তৰত বৰ আঘাত লাগিল, আৰু কান্দি কান্দি ক'লে, "মই কাবৌ কৰিছো, মোক ক্ষমা কৰক। জানি শুনিও আপোনাৰ

খং তোলাব নালাগিছিল। এই দুটা বস্তু নাখাবলৈ মই প্ৰতিজ্ঞা কৰিলো, কিন্তু ভগবানৰ দোহাই, আপোনাৰ সংকল্প প্ৰত্যাখ্যান কৰক। মই ইয়াক কোনোমতেই সহিব নোৱাৰিম।” গান্ধীয়ে ক'লে, “এই বস্তু দুটা এৰিলে তোমাৰ বৰ উপকাৰ হব। ইয়াক নোখোৱাৰ পৰা তোমাৰ ভালহে হব। মই লোৱা সংকল্প পৰিত্যাগ কৰিব নোৱাৰো। ই নিশ্চয় মোৰো ভাল কৰিব। অন্তৰেৰে গ্ৰহণ কৰা সকলো সংযমেই মানুহৰ ভালকেহে কৰে। গতিকে তুমি মোৰ কথা নাভাবিবা। ই মোৰ কাৰণেও পৰীক্ষাই হব আৰু তোমাৰ সংকল্প মানি চলাত নৈতিক সমৰ্থন যোগাব।”

কস্তুৰবাঈয়ে গান্ধীক আৰু পীড়াপীড়ি কৰিব এৰিলে। কাৰণ তেওঁ জানে যে গান্ধীয়ে যি কয় ভাবি-চিন্তি কয় আৰু যি কৰিব বুলি সংকল্প কৰে তাৰ কেতিয়াও কোনো পৰিস্থিতিতে ব্যতিক্ৰম নহয়। গতিকে তেওঁ চকুৰ পানী বোৱাই গান্ধীক ক'লে, “আপুনি অত্যন্ত গোঁৱাৰ। আপুনি কাৰো কথা নুশুনে।”

গান্ধীয়ে এই ঘৰুৱা ঘটনাটো সত্যাগ্ৰহৰ নমুনা হিচাবে পিছত গ্ৰহণ কৰিছিল। কস্তুৰবাঈযে গান্ধীৰ কথামতে খোৱা-লোৱা কৰি এইদৰে চলাত অতি কম সময়ৰ ভিতৰতে ভাল পালে আৰু সুস্থ হৈ উঠিল।

সত্যাগ্ৰহৰ আৰম্ভণি

১৯০৬ চনৰ ২২ আগষ্টত ট্ৰান্সভাল চৰকাৰে বিশেষ সংখ্যাৰ গেজেটত ট্ৰান্সভালত থকা ভাৰতীয় লোকসকলৰ তাত বসবাস কৰাৰ অধিকাৰ আৰু বিধি-নিষেধ সম্পৰ্কে প্ৰণয়ন কৰিব খোজা আইনৰ খচৰা এটা প্ৰকাশ কৰিলে। এই সম্পৰ্কে ভাৰতীয় লোকৰ প্ৰায় সকলোৰেই একো উমান পোৱা নাছিল।

জুলু বিদ্ৰোহত শুশ্ৰূষাকাৰী দলৰ নেতৃত্বৰ দায়িত্বৰ পৰা অব্যাহতি পাই গান্ধী ফিনিক্স পামলৈ আহিল আৰু তাত সহকৰ্মীসকলৰ লগত কথা-বতৰা হৈ জোহান্সবাৰ্গলৈ আহিল। জোহান্সবাৰ্গলৈ আহি খবৰৰ কাগজত এই কুখ্যাত অৰ্ডিনান্স খনৰ খচৰা গান্ধীয়ে পঢ়িবলৈ পালে

আৰু ভাৰতীয় লোকৰ ওপৰত ইয়াৰ পৰিণতিৰ কথা ভাবি তেওঁৰ শৰীৰ শিঞৰি উঠিল। এই আইনে দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় লোকৰ সৰ্ব্বনাশ আনয়ন কৰিব। ইয়াৰ বিধান মতে আঠ বছৰৰ ওপৰ বয়সৰ ল'ৰা-ছোৱালীকে ধৰি মুনিহ-তিৰোতা নিৰ্ব্বিশেষে প্ৰত্যেকজন ভাৰতীয় লোকে ট্ৰান্সালত বসবাস কৰাৰ অধিকাৰ পাবলৈ এচিয়া-বাসী লোকৰ ৰেজিষ্টাৰত নামভুক্ত কৰিব লাগিব আৰু প্ৰত্যেকে নাম ৰেজিষ্টাৰ হোৱাৰ প্ৰমাণ-পত্ৰ আনিব লাগিব। ৰেজিষ্টাৰত নামভুক্ত কৰিবলৈ আবেদন কৰোতে প্ৰত্যেকজন আবেদনকাৰীয়ে আগৰ পাৰপত্ৰ ৰেজিষ্ট্ৰাৰক জমা দিব লাগিব আৰু আবেদনত নাম, থকা ঠাই, জাতি, ধৰ্ম্ম আদি উল্লেখ কৰিব লাগিব। ৰেজিষ্টাৰে আবেদনকাৰীৰ শৰীৰৰ কোনো বিশেষ চিহ্ন চাই চিনাক্ত কৰণৰ চিহ্ন হিচাবে আবেদনত টোকা ৰাখিব আৰু ৰেজিষ্টাৰ বহীত আৰু আবেদনত চহী বা বুঢ়া আঙুলিৰ টিপচহী ৰাখিব। নিৰ্দ্ধাৰিত তাৰিখৰ ভিতৰত ৰেজিষ্টাৰ নকৰা বা ৰেজিষ্টাৰ কৰিবলৈ অক্ষম হোৱা ভাৰতবাসীয়ে ট্ৰান্সভালত থকাৰ অধিকাৰ ত্যাগ কৰিব লাগিব। ৰেজিষ্টাৰ কৰিবলৈ আবেদন দাখিল নকৰাটোৱেই আইনমতে অপৰাধ বুলি গণ্য কৰা হব আৰু তেনে লোকক আইনৰ বিধানমতে জৰিমনা, ফাটেক নাইবা দেশৰ পৰা বহিষ্কাৰৰ দণ্ড বিহা হব। প্ৰত্যেকজন ভাৰতবাসীয়ে ৰেজিষ্টাৰ কৰাৰ প্ৰমাণ-পত্ৰ লগত লৈহে বাহিৰত ফুৰা-চকা কৰিব পাৰিব আৰু অধিকাৰপ্ৰাপ্ত চৰকাৰী বিষয়াই চাওঁ বুলিলেই প্ৰমাণ-পত্ৰ দেখুৱাব লাগিব। পুলিচ কৰ্ম্মচাৰী সকলে প্ৰমাণ-পত্ৰ পৰিদৰ্শন কৰিবলৈ যিকোনো মানুহৰ বাসস্থানতে সোমাব পাৰিব। গান্ধীয়ে এই খচৰা অৰ্ডিনেন্সৰ বিধান বিলাক পঢ়ি ভাৰতীয় লোকসকলৰ ওপৰত হব লগা সম্ভাব্য অবিচাৰ আৰু অত্যাচাৰৰ কথা ভাবি অত্যন্ত বিচলিত হৈ পৰিল। পৃথিবীত ক'তো মানুহৰ ওপৰত এনে জঘন্য আচৰণ আইনৰ বলত হোৱা নাই। ইয়াক প্ৰতিৰোধ কৰিবই লাগিব বুলি গান্ধীয়ে সংকল্প ল'লে।

পিচদিনা ভাৰতীয় নেতৃস্থানীয় লোকসকলক মাতি আনি গান্ধীয়ে এই প্ৰস্তাবিত আইনৰ প্ৰতিটো শব্দ বুজাই দি তাৰ পৰিণাম কি হব সকলো ব্যাখ্যা কৰি দিলে। সেই সভাত যোগ দিয়া লোকসকলে গান্ধীৰ ভাষণ শুনি বিস্মিত আৰু আতঙ্কিত হৈ উঠিল। সকলোৱে

ইয়াৰ গুৰুত্ব উপলব্ধি কৰিলে আৰু এখন বিৰাট ৰাজহুৱা সভা পাতিবৰ সিদ্ধান্ত ল'লে।

চেপ্টেম্বৰ মাহৰ ১১ তাৰিখে দক্ষিণ আফ্ৰিকাত থকা আৰু বিশেষকৈ ট্ৰান্সভালত থকা ভাৰতীয় লোকসকলৰ এখন বিৰাট সভা বহিল। প্ৰস্তাবিত আইনৰ দ্বাৰা ভাৰতীয় লোকৰ ওপৰত জাপি দিব খোজা অমানবীয়, অবমাননাকাৰী আৰু লজ্জাজনক ব্যৱস্থাৰ প্ৰতিৰোধ কৰিবলৈ সমগ্ৰ জনতা উত্তেজিত হৈ উঠিল। সেই সভাত সিদ্ধান্ত লোৱা হ'ল যে এই অৰ্ডিনেন্স আইনত পৰিণত হ'লেও কোনো ভাৰতীয় লোকে এই আইন নামানে। এই আইন অমান্য কৰা হব আৰু আইন অমান্য কৰা বাবে যিমানেই কঠোৰ শাস্তি বা নিৰ্য্যাতন ভোগ কৰিব লগীয়া নহওক লাগে তাৰ বাবে প্ৰতিজন ভাৰতীয় লোক প্ৰস্তুত। ভগবানক সাক্ষী কৰি দৃঢ়মনেৰে সকলোৱে এই সংকল্প গ্ৰহণ কৰিলে। এই সিদ্ধান্ত লোৱাৰ আগতে গান্ধীয়ে সকলো দিশ বুজাই দিছিল আৰু যাতে হুজুগত কোনো সিদ্ধান্ত গ্ৰহণ নকৰে তাৰ বাবে বাৰে বাৰে সকিয়াই দিছিল। ভাৰতীয়সকলে সকলো সম্ভাব্য পৰিণতি আৰু নিৰ্য্যাতনৰ স্পষ্ট ছবি আগত ৰাখিয়েই ভগবানক সাক্ষী কৰি এই সিদ্ধান্ত লৈছিল আৰু একগোট হৈ মৃত্যুপণ কৰি কাম কৰি যাবলৈ সংকল্প লৈছিল।

এই আন্দোলনৰ নাম কি দিয়া হব সেই সম্পৰ্কে আলোচনা চলিল। মগনলাল গান্ধীয়ে 'সদাগ্ৰহ' নামটো ৰখাৰ পৰামৰ্শ দিলে। সদাগ্ৰহ শব্দৰ অৰ্থ হ'ল উচিত কথাত মনৰ দৃঢ়তাৰে কৰা কাম। গান্ধীয়ে শব্দটো ভাল পালে যদিও তেওঁৰ মনৰ ভাবটো এই শব্দই সম্পূৰ্ণকৈ প্ৰতিফলিত কৰিব নোৱাৰা যেন লাগিল। গতিকে এই শব্দটো সামান্য ভাবে শুধৰাই সত্যাগ্ৰহ কৰিলে। সত্যাগ্ৰহ শব্দই মনৰ দৃঢ়তা আৰু কৰ্ত্তব্য নিষ্ঠাৰ উপৰিও সত্য আৰু প্ৰেমৰ ভাব আবৰি লয় আৰু সত্য কথাত আৰু সত্য আচৰণত বিশেষ দৃঢ়তা আৰু নিষ্ঠাৰ একান্ত প্ৰয়োজন হয়। সেই ভাবে ভাবি চিন্তি তেওঁ ভাৰতীয় সকলৰ এই আন্দোলনক সত্যাগ্ৰহ নামেৰে অভিহিত কৰিলে। সত্য, প্ৰেম আৰু অহিংসাৰ শক্তিত বিশ্বাসী গান্ধীয়ে 'নিষ্ক্ৰিয় প্ৰতিৰোধ' (Passive Resistance) শব্দৰ সলনি সত্যাগ্ৰহ শব্দটোহে ললে। আন্দোলনৰ

হাত সাৰিবলৈ গান্ধীজীয়ে এটা সজাতি দল লগত লৈ বিলাতলৈ গ'ল —যাতে সম্রাটে এই জঘন্য আইনত সন্মতি নিদিয়ে তাৰ বাবে চেষ্টা কৰিলে। কিন্তু ১৯০৭ চনত গান্ধীজীৰ সকলো শান্তিৰ চেষ্টা ব্যৰ্থ কৰি সেই অৰ্ডিনেন্স আইনত পৰিণত কৰিলে।

কাৰাবাস আৰু নিৰ্য্যাতন

ৰাজহুৱা সভাৰ সিদ্ধান্ত মতে ট্ৰান্সভালত থকা ভাৰতীয় লোকসকলে তেওঁলোকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰিবলৈ আন্দোলন আৰম্ভ কৰিলে। ট্ৰান্সভালৰ এচিয়াটিক বিভাগৰ নিৰ্দ্দেশমতে কোনো ভাৰতীয়ই ৰেজিষ্টাৰ কৰিবলৈ আবেদন কৰিবলৈ সন্মত নহ'ল। এচিয়াটিক বিভাগে চিন্তা কৰিলে যে ভাৰতীয় সকলৰ আন্দোলনৰ বল কমাবলৈ হ'লে নেতৃস্থানীয় লোকসকলক আটক কৰিব লাগিব। এই সিদ্ধান্ত মতে গান্ধী প্ৰমুখ্যে ভাৰতীয়সকলৰ নেতা কেইজন-মানক গ্ৰেপ্তাৰ কৰি জেলত ৰাখিলে। গান্ধীক আটক কৰাৰ লগে লগে আন্দোলনৰ তীব্ৰতা বাঢ়িলহে। জাকে জাকে ভাৰতীয় লোক জেললৈ যাবলৈ ওলাল আৰু গান্ধীক গ্ৰেপ্তাৰ কৰাৰ কেইদিনমানৰ পিছতে জেলত ভাৰতীয় লোক ভৰি পৰিল।

ট্ৰান্সভাল চৰকাৰে আপোষ মীমাংসা কৰাৰ চেষ্টা কৰা বুলি গান্ধীয়ে পিছত জেললৈ অহা লোকসকলৰ পৰা জানিব পাৰিলে। এই সম্পৰ্কে আলোচনা চলি থকা বুলিও গান্ধীয়ে তেওঁলোকৰ পৰা জানিব পাৰিলে। এই আপোষ আলোচনাৰ ভিত্তি আছিল যে ভাৰতীয় লোকসকলে স্বইচ্ছাই নাম ৰেজিষ্টাৰ কৰিব আৰু যদি সৰহ সংখ্যক ভাৰতীয় লোকে স্বইচ্ছাই নাম ৰেজিষ্টাৰ কৰে তেন্তে চৰকাৰে এই আইন প্ৰত্যাহাৰ কৰিব। ভাৰতীয় লোকৰ বাধ্যতামুলকভাবে ৰেজিষ্টাৰ কৰিবলগা এচিয়াটিক বিভাগৰ এই আইন খনক 'ব্লেক একট' বা ক'লা আইন বোলা হৈছিল। চৰকাৰে গান্ধীক জেলৰ পৰা প্ৰিটোৰিয়ালৈ লৈ গ'ল আৰু জেনেৰেল স্মাটসৰ লগত এই সম্পৰ্কে আলোচনা চলালে। গান্ধীয়ে দিয়া এটা সংশোধনীৰে আপোষ মীমাংসাৰ

খৰচা তৈয়াৰ হ'ল। মূলকথা হ'ল ভাৰতীয় লোকে স্বইচ্ছাই নাম ৰেজিষ্টাৰ কৰিব। ইয়াত বাধ্যতামূলক চৰ্ত্ত একো নাথাকিব। পুলিচ বা কোনো চৰকাৰী বিষয়াই নাম ৰেজিষ্টাৰ কৰা নকৰালৈ কোনো জোৰ-জুলুম কৰিব নোৱাৰিব। চৰকাৰে এই ক'লা আইন প্ৰত্যাহাৰ কৰিব। জেনেৰেল স্মাটসে প্ৰতিশ্ৰুতি দিয়াত গান্ধীয়ে বিশ্বাস কৰিলে আৰু আইন অমান্য আন্দোলন স্থগিত ৰখাৰ সিদ্ধান্ত কৰিলে। আইন অমান্য কৰাৰ বাবে আটক কৰা লোকসকলক মুক্তি দিয়া হ'ল। গান্ধীয়ে আপোষ মীমাংসাৰ এই কথাখিনি ভাৰতীয় সকলক বুজাই ফুৰিবলৈ ধৰিলে।

গান্ধীজীয়ে আইন অমান্য আন্দোলন বন্ধ কৰাত আৰু ভাৰতীয় লোকসকলক স্বইচ্ছাই নাম ৰেজিষ্টাৰ কৰিবলৈ পৰামৰ্শ দিয়াত কিছু সংখ্যক ভাৰতীয় লোকে তেওঁৰ এই কাৰ্য্যক সমৰ্থন কৰিব পৰা নাছিল। বিশেষকৈ ট্ৰান্সভালত থকা পাঠানসকলে গান্ধীজীৰ এনে ওলোটা-ওলটি কথাত বৰ অসন্তুষ্ট হৈছিল। আপোষ সূত্ৰ মতে প্ৰথমদিনাই নেতৃস্থানীয় ভাৰতীয় লোকসকলে নাম ৰেজিষ্টাৰ কৰি প্ৰমাণপত্ৰ উলিয়াব লাগিছিল। গান্ধীয়ে নাম ৰেজিষ্টাৰ কৰাৰ উদ্দেশ্যে তেওঁৰ অফিচৰ পৰা ৰেজিষ্ট্ৰেচন অফিচলৈ যাব ওলাওঁতে তেওঁৰেই মোক্কেল মীৰ আলাম নামৰ পাঠান এজনে আৰু কেইজনমান পাঠান লগত লৈ গান্ধীক আগছি ধৰিলে। মীৰ আলামে গান্ধীক সুধিলে, "কলৈ যায়?"

গান্ধীয়ে উত্তৰ দিলে—"মই দহো আঙুলিৰ টীপচহী দি নাম ৰেজিষ্টাৰ কৰি প্ৰমাণপত্ৰ এখন লব যাওঁ। আপুনি যদি মোৰ লগত যায় তেন্তে আপোনাক কেবল দুই বুঢ়া অঙুলিৰ টীপচহী লৈয়েই প্ৰথমে প্ৰমাণপত্ৰ এখন লোৱাই দিম, বলক। মই হ'লে আটাই কেইটা আঙুলিৰেই টীপচহী দিম।" গান্ধীজীয়ে কথাষাৰ শেষ কৰিব নৌ-পাওঁতে পিচৰপৰা গান্ধীৰ মূৰত মোটা লাঠি এডালৰ কোব পৰিল আৰু গান্ধী 'হে ৰাম' বুলি থিতাতে মূৰ্চ্ছা গ'ল। তেওঁৰ শৰীৰ তেজেৰে ৰাঙলি হৈ পৰিল। মীৰ আলমে আৰু তেওঁৰ লগৰীয়াসকলে পৰি থোৱাতো গান্ধীক আৰু কোবালে আৰু ভৰিৰে লঠিয়ালে। গান্ধীৰ লগত যোৱা ইয়ুচুক মিঞাঁ আৰু থম্বি নাইডুই গান্ধীক আগুৰিব চেষ্টা কৰোতে তেওঁলোকেও মাৰ আৰু গোৰ খালে। ইতিমধ্যে

চিঞৰ-বাখৰ লগাত মানুহে জুম বান্ধিলে আৰু পুলিচো আহিল। পলাব খোজোঁতেই মীৰ আলাম আৰু তেওঁৰ লগৰীয়াসকল জনতা আৰু পুলিচৰ হাতত বন্দী হ'ল। গান্ধীজীক লৰালৰিকৈ গিবছনৰ অফিচলৈ লৈ যোৱা হ'ল আৰু প্ৰাথমিক চিকিৎসা কৰা হ'ল। জ্ঞান আহোতেই প্ৰথমেই গান্ধীয়ে মীৰ আলাম আৰু পাঠান কেইজন ক'ত আছে সুধিলে। তেওঁলোক গ্ৰেপ্তাৰ হোৱা শুনি গান্ধীয়ে তৎক্ষণাৎ তেওঁলোকক এৰি দিবলৈ অনুৰোধ কৰিলে। এচিয়াটিক সকলৰ ৰেজিষ্ট্ৰাৰ মিষ্টাৰ চামেৰীও তালৈ আহিল। তেওঁক দেখিয়েই গান্ধীয়ে ৰেজিষ্ট্ৰেচনৰ কাগজপত্ৰবোৰ তালৈ আনি তেওঁৰ নাম ৰেজিষ্টাৰ কৰিবলৈ অনুৰোধ কৰিলে। চামেৰীয়ে ইমান লৰালৰিৰ প্ৰয়োজন নাই বুলি কৈ তেওঁক সান্ত্বনা দিব বিচাৰিলে। তেওঁ আৰু ক'লে, "ডাক্তৰ এতিয়াই আহিব। আপুনি বিশ্ৰাম লওক আৰু আৰোগ্য হৈ উঠিব। মই আন আন লোকৰ নাম ৰেজিষ্টাৰ কৰিম আৰু প্ৰথম নামটো আপোনাৰ বাবে এৰি থম।" গান্ধীজীয়ে ক'লে— "সেইদৰে নালাগে। যদি বাচি থাকো আৰু যদি ভগবানে অনুগ্ৰহ কৰে প্ৰথম প্ৰমাণ-পত্ৰখন মই লম বুলি সংকল্প কৰিছিলো। গতিকে আপোনাক পুনৰ অনুৰোধ কৰিছো, কাগজখিনি ইয়ালৈ এতিয়াই অনাওক।" গান্ধীজীৰ ইচ্ছামতে মিষ্টাৰ চামেৰী কাগজপত্ৰবোৰ তালৈ আনি গান্ধীৰ নাম ৰেজিষ্টাৰ কৰিলে।

তাৰ পিচতে গান্ধীজীয়ে মীৰ আলাম আৰু তেওঁৰ লগৰীয়া পাঠান কেইজনক তেওঁক প্ৰহাৰ কৰাৰ বাবে দোষী নকৰে বুলি আৰু তেওঁলোকৰ বিৰুদ্ধে কোনো গোচৰ উত্থাপন নকৰে বুলি এড্‌ভোকেট জেনেৰেললৈ তাৰবাৰ্ত্তা পঠালে। কিন্তু ট্ৰান্সভালৰ ইয়োৰোপীয় নাগৰিক কেইগৰাকীমানে গান্ধীয়ে যিয়েই নকৰক বা নকওক, ৰাজহুৱা ঠাইত শান্তিভঙ্গ কৰা আৰু হত্যাৰ উদ্দেশ্যে মাৰপিট কৰা দোষীৰ বিচাৰ হবই লাগিব বুলি এটৰ্ণি জেনেৰেললৈ আবেদন কৰাত মীৰ আলম আৰু লগৰীয়া কেইজনক পুনৰ গ্ৰেপ্তাৰ কৰি বিচাৰ কৰা হ'ল আৰু তিনিমাহৰ সশ্ৰম কাৰাদণ্ড দিয়া হ'ল। গান্ধীজীক সাক্ষ্য দিবলৈকো নামাতিলে।

ভাৰতীয়সকলে নিজ ইচ্ছাৰে নাম ৰেজিষ্টাৰ কৰাৰ পিচতো আগৰ

প্ৰতিশ্ৰুতি মতে স্মাটস্ চৰকাৰে এই জঘন্য আইনখন উঠাই নল'লে। চৰকাৰৰ এনে বিশ্বাসঘাতকটাত গান্ধীজী মৰ্ম্মাহত হ'ল। ভাৰতীয় সকলে পুনৰ সত্যাগ্ৰহ আন্দোলন চলাবলৈ স্থিৰ কৰিলে। ৰাজহুৱা সভা পাতি ইতিমধ্যে স্বইচ্ছাৰে নাম ৰেজিষ্টাৰ কৰি লোৱা প্ৰমাণ-পত্ৰবোৰ সেই সভাতে দম কৰি জুই লগাই পুৰি পেলোৱা হ'ল। ভাৰতীয়সকলৰ একতা আৰু দৃঢ়তা দেখি সকলোৱে বিস্ময় মানিলে।

জুলুসকলৰ বিদ্ৰোহত গান্ধী আৰু ভাৰতীয়সকলৰ সমৰ্থন আৰু সহযোগ থকা বুলি সন্দেহ কৰি চৰকাৰে ভাৰতীয়সকলক ট্ৰান্সভালৰ পৰা পাকে প্ৰকাৰে বহিষ্কাৰ কৰাৰ কথা আগত ৰাখি আপোষৰ চুক্তি ভঙ্গ কৰিছিল আৰু যাতে কোনো ভাৰতীয় নতুনকৈ তালৈ আহিব নোৱাৰে তেনে ব্যৱস্থা ৰাখি এই আইন বিধান সভাত পাছ কৰাই ল'লে আৰু তিনি পাউণ্ড টেক্স পুনৰ প্ৰবৰ্ত্তন কৰিলে।

গান্ধীজীৰ নেতৃত্বত ভাৰতীয়সকলে এই আইনৰ প্ৰতিবাদ কৰি অহিংস সত্যাগ্ৰহ আৰম্ভ কৰিলে আৰু হাজাৰে হাজাৰে লোক গ্ৰেপ্তাৰ হবলৈ ধৰিলে। ভাৰতীয় লোকেৰে কাৰাগাৰ ভৰি পৰিল।

ভাৰতবৰ্ষৰ স্বনামধন্য গোপালকৃষ্ণ গোখেল ১৯১২ চনত সত্যাগ্ৰহী আৰু তাৰ চৰকাৰৰ লগত এটা মীমাংসা কৰাৰ উদ্দেশ্যে দক্ষিণ আফ্ৰিকালৈ গ'ল। জেনেৰেল বোথাই গোখেলৰ আগত এই আইন আৰু তিনি পাউণ্ডৰ টেক্স উঠাই লব বুলি প্ৰতিশ্ৰুতি দিও পিচত সেই প্ৰতিশ্ৰুতি ভঙ্গ কৰিলে। আন্দোলন আৰু তীব্ৰতৰ হৈ উঠিল। তেতিয়ালৈকে গান্ধীজীয়ে তিৰোতাসকলক সত্যাগ্ৰহত যোগ দি আটক হুবলৈ নিদিযাকৈ ৰাখিছিল। কিন্তু ইতিমধ্যে চৰকাৰে আৰু এখন আইন প্ৰবৰ্ত্তন কৰিলে। এই আইনমতে খৃষ্টিয়ান ধৰ্ম্মৰ ৰীতি-নীতি অনুসৰি নোহোৱা আৰু বিয়া ৰেজিষ্টাৰ কৰা বিষয়াই ৰেজিষ্টাৰ নকৰা সকলো বিয়া অবৈধ বুলি ঘোষণা কৰা হ'ল। এটা কলমৰ খোচত হিন্দু, মুছলমান আৰু জৰোৱাষ্ট্ৰ ধৰ্ম্ম অনুসৰি পতা বিয়া-বাৰু বেআইনী হৈ গ'ল, তিৰোতাসকলে ধৰ্ম্মপত্নীৰ মৰ্য্যাদা হেৰুৱাই উপপত্নীৰ পৰ্য্যায়ত পৰিল আৰু সন্তান-সন্ততিসকল অবৈধ মিলনজাত হৈ মাক-বাপেকৰ সা-সম্পত্তিৰ উত্তৰাধিকাৰী হব নোৱাৰাত পৰিল। এনে অমানুষিক আৰু জঘন্য আইন কোনো মুনিহ-তিৰোতাই সহ্য কৰিব নোৱাৰা কথা আৰু

ই জুইত ঘিউ ঢলা ব্যৱস্থাৰ দৰে হ'ল। নাৰীজাতিৰ প্ৰতি কৰা অপমানজনক ব্যৱস্থা কোনোমতে সহিব নোৱাৰা হ'ল। তিৰোতাসকল জেলত যোৱা কথাটোৱেই গোটেই দেশতে ভাৰতীয়সকলৰ ওপৰত মন্ত্ৰৰ দৰে কাম কৰিলে। কৃষি পাম, কুঁহিয়াৰ খেতি, কয়লাৰ খনিত কাম কৰা, ৰবৰ বাগিছাত কাম কৰা বনুৱাসকল উত্তেজিত হ'ল আৰু সকলোৱে ধৰ্ম্মঘট কৰিলে। গান্ধীজী ফিনিক্সৰ পৰা নিউকাচেললৈ গ'ল আৰু তাৰ বনুৱাসকলক সংগঠিত কৰি পাঁচ হেজাৰ সত্যাগ্ৰহীৰ দল এটা ট্ৰান্সভাললৈ লৈ আহিল। ইতিমধ্যে ট্ৰান্সভালৰ সকলোবোৰ কাৰাগাৰ সত্যাগ্ৰহীৰে সম্পূৰ্ণকৈ ভৰি পৰিছিল আৰু নতুন বন্দীক থবলৈ ঠাই নাইকিয়া হৈ পৰিছিল। গান্ধীজীয়ে লৈ অহা এনে এটা বিৰাট দলক ছত্ৰভঙ্গ কৰাবও নোৱাৰে আৰু জেলত আটক কৰি ৰাখিব নোৱাৰা পৰিস্থিতিত পৰিল। তদুপৰি আটাইবোৰ সত্যাগ্ৰহী অহিংস আছিল আৰু সকলো কঠোৰ নিৰ্য্যাতন নীৰৱে সহিছিল। চৰকাৰ বিমোৰত পৰিল। ভাৰতবৰ্ষতো ইয়াৰ প্ৰতিক্ৰিয়া হ'ল আৰু জনমতৰ হেঁচাত ভাৰত চৰকাৰে গিৰমিট বনুৱা দক্ষিণ আফ্ৰিকালৈ পঠোৱা বন্ধ কৰি দিলে। এনে অৱস্থাত পৰি চৰকাৰে এই গোটেই সমস্যাটোৰ সমাধান কল্পে এটা আয়োগ গঠন কৰি তদন্ত কৰাৰ ব্যৱস্থা কৰিলে। এই তদন্ত আযোগে ভাৰতীয় লোকৰ সকলোবিলাক দাবী সমৰ্থন কৰি প্ৰতিবেদন দিলে আৰু উপায়ান্তৰ হৈ দক্ষিণ আফ্ৰিকাৰ যুক্তৰাজ্য চৰকাৰে ৰেজিষ্ট্ৰেছন আইন, তিনি পাউণ্ড টেক্স প্ৰবৰ্ত্তন, ভাৰতীয় লোকৰ বিবাহ আইন, আদি সকলো আইন প্ৰত্যাহাৰ কৰিলে। ভাৰতীয়-সকলৰ সম্পূৰ্ণ অধিকাৰ প্ৰতিষ্ঠিত হ'ল। মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা সত্যাগ্ৰহ আন্দোলনে বিৰাট সফলতা লাভ কৰিলে। দক্ষিণ আফ্ৰিকাত থকা সকলো শ্ৰেণীৰ ভাৰতীয় লোকৰ মৰ্য্যাদা বাঢ়িল আৰু সকলোৱে শান্তিৰে বসবাস কৰাৰ অধিকাৰ পালে। দক্ষিণ আফ্ৰিকাত পুনৰ শান্তি বিৰাজ কৰিলে।

১৯১৪ চনৰ ১৮ জুলাই, গান্ধীজীয়ে দক্ষিণ আফ্ৰিকা ত্যাগ কৰি ভাৰত অভিমুখে যাত্ৰা কৰিলে। গোপালকৃষ্ণ গোখেলৰ লণ্ডনত টান নৰিয়া শুনি গান্ধী পোনতে ইংলণ্ডলৈ বুলি ৰাওনা কৰিলে আৰু তাৰ পৰা ভাৰতলৈ গ'ল। গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাত সুদীৰ্ঘ ২১ বছৰ

কটালে আৰু এই সময়ছোৱাত তাত থকা ভাৰতীয়সকলৰ প্ৰতি কৰা অবিচাৰ, অন্যায় আৰু অসৎ আচৰণৰ বিৰুদ্ধে যুঁজি তাৰ যথাযথ প্ৰতিকাৰ কৰোঁতে তেওঁ আত্মনিয়োগ কৰিব লগাত পৰিছিল। এই আন্দোলনে গান্ধীজীক ভাৰতৰ স্বাধীনতা যুদ্ধৰ নেতৃত্বৰ বাবে প্ৰস্তুত কৰিছিল বুলি কব পাৰি।

১৯১৪ চনৰ ৪ আগষ্টত ইংৰাজে জাৰ্ম্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এই যুদ্ধই প্ৰথম মহাসমৰ নামে জনাজাত। গান্ধীজীয়ে ইংৰাজৰ বিপদৰ সময়ত সকলো প্ৰজাই সহায় কৰা কৰ্ত্তব্য বুলি মানি ল'লে আৰু যুদ্ধত সহায় কৰিবলৈ লণ্ডনত ভাৰতীয় লোকেৰে সংগঠিত এটা 'এম্বুলেন্স কোৰ' গঠন কৰিলে। এই শুশ্ৰূষাকাৰী বাহিনীয়ে নিষ্ঠাৰে কৰ্ত্তব্য পালনত ব্ৰতী হ'ল আৰু যথেষ্ট সুনাম অৰ্জ্জন কৰিলে। অতিপাত পৰিশ্ৰমৰ ফলত গান্ধীজী অসুস্থ হৈ পৰিল আৰু কিছুদিনৰ বাবে হাস্পতালত চিকিৎসাধীন হৈ থাকিব লগাত পৰিল। আৰোগ্য হোৱাৰ লগে লগে গান্ধীজী ভাৰতবৰ্ষলৈ আহিবলৈ স্থিৰ কৰিলে আৰু ভাৰতলৈ অহাৰ বাটত ভাৰতীয় লোকেৰে ফ্ৰান্সতো এটা 'এম্বুলেন্স কোৰ' গঠন কৰিলে। যুদ্ধত আহত হোৱা সৈনিকসকলক সেৱা-শুশ্ৰূষা কৰাই এই বাহিনীৰ কাম আছিল। গান্ধীজীৰ সেৱাৰ স্বীকৃতি হিচাবে বৃটিছ চৰকাৰে তেওঁক 'কাইজাৰ-ই-হিন্দ' সোণৰ পদক উপহাৰ দিছিল।

স্বদেশলৈ প্ৰত্যাবৰ্ত্তন

আশ্ৰম প্ৰতিষ্ঠা

দক্ষিণ আফ্ৰিকাত ভাৰতীয় লোকসকলৰ ন্যায্য অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ গান্ধীজীয়ে কৰা আন্দোলন আৰু তাৰ ফলাফলৰ প্ৰতি ভাৰতৰ লোকে আগ্ৰহেৰে লক্ষ্য কৰিছিল। অভিনৱ পন্থাৰে গান্ধীজীৰ নেতৃত্বত এই আন্দোলনে লাভ কৰা বিৰাট সাফল্যই সকলোকে আনন্দিত আৰু বিস্মিত কৰিছিল।

গান্ধীজী ভাৰতবৰ্ষ পোৱাৰ লগে লগেই সকলো ঠাইতে সভা-সমিতি

পাতি তেওঁক অভ্যাৰ্থনা আৰু সন্মান দেখুৱা হ'ল। বোম্বাইত গান্ধীজীৰ অভ্যৰ্থনাৰ বাবে হোৱা বিৰাট সভাত স্বয়ং মহামতি গোখেলে সভাপতিত্ব কৰিছিল। ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতি অধ্যয়নৰ বাবে গোপালকৃষ্ণ গোখেলৰ পৰামৰ্শমতে গান্ধীজীয়ে ভাৰতৰ প্ৰায় সকলো ঠাইতে ভ্ৰমণ কৰিলে আৰু সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সমস্যাসমূহ উপলব্ধি কৰিলে।

দক্ষিণ আফ্রিকাত ফিনিক্সৰ টলস্টয় পামৰ আৰ্হিত ভাৰতবৰ্ষতো গান্ধীজীয়ে আশ্ৰম এখন প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত কৰে। গোখেলে এই আশ্ৰম প্ৰতিষ্ঠাৰ কামত আৰু তাৰ পৰিচালনাত আৰ্থিক সাহায্য আদিৰ প্ৰতিশ্ৰুতি দি সকলো প্ৰকাৰে সহায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰি গান্ধীজীক উৎসাহিত কৰে।

১৯১৫ চনৰ ২৫ মে তাৰিখে আহমেদাবাদত গান্ধীজীয়ে সত্যাগ্ৰহ আশ্ৰম নাম দি এখন আশ্ৰম প্ৰতিষ্ঠা কৰে। তাত প্ৰথমতে ২৫ জন আশ্ৰমবাসী আছিল আৰু এই আশ্ৰমবাসীসকলে ৰন্ধা-বঢ়া, চাফাই, পায়খানা পৰিষ্কাৰ কৰা ইত্যাদি সকলো আৱশ্যকীয় কাম নিজে নিজে পালপাতি কৰিব লাগিছিল। স্বাৱলম্বিতা, দেশসেৱা, পৰোপকাৰ, আত্মত্যাগ, সত্যপালন, বাকসংযম, অহিংসাৰ অনুশীলন আদিয়েই এই আশ্ৰমৰ শিক্ষাৰ আৰু আদৰ্শৰ সাৰমৰ্ম্ম আছিল। এই আশ্ৰম জাতিধৰ্ম্ম নিৰ্ব্বিবশেষে সকলোৰে কাৰণে মুক্ত আছিল। এটা দুখীয়া হৰিজন পৰিয়ালক আশ্ৰমত স্থান দিয়া সম্পৰ্কত আশ্ৰমবাসীসকলে আৰু গান্ধীজীয়ে নানা সমস্যাৰ সন্মুখীন হবলগীয়াত পৰিছিল। সেই সময়ত অস্পৃশ্যতা আৰু জাতিভেদৰ আচৰণ হিন্দুসমাজত বৰ কঠোৰ আছিল আৰু গান্ধীজীয়ে এই সামাজিক ব্যাধিটোৰ বিৰুদ্ধে কঠোৰ সামাজিক সংগ্ৰাম চলাব লগা হৈছিল। এই হৰিজন পৰিয়ালটোক আশ্ৰমত ঠাই দি আশ্ৰমবাসী কৰি লোৱাত আশ্ৰমৰ প্ৰতি সহায় সমৰ্থন আৰু সহানুভূতি দেখুৱাই অহা বহু লোকেই সাহায্য বন্ধ কৰিছিল আৰু আশ্ৰমত আৰ্থিক সঙ্কটে দেখা দিছিল। এনে সময়তে এজন শেঠে তেওঁৰ কোনো পৰিচয় নিদি মহাত্মাৰ হাতত ১৩,০০০ (তেৰ হাজাৰ) টকাৰ টোপোলা এটা আশ্ৰমৰ সহায়ৰ বাবে দি গুচি যায়। এই টকা আশ্ৰমৰ এবছৰৰ খৰছতকৈও বেচিহে আছিল। এই আশ্ৰমত গান্ধীজীৰ

লগত থাকি শিক্ষা পোৱা লোকসকলৰ প্ৰায় আটাইবোৰেই ভাৰতবৰ্ষৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নেতৃত্ব দি দেশ গঠনত বিপুল অৰিহনা যোগাইছে।

চম্পাৰণ

নীলৰ দাগ

গান্ধীজীয়ে ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সমস্যাবোৰ ভালদৰে বুজিবলৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰিব ধৰিলে। ভাৰতৰ জনসাধাৰণে সকলো সৰু ডাঙৰ সমস্যাতে গান্ধীজীৰ পৰামৰ্শ আৰু নেতৃত্ব বিচাৰিবলৈ ধৰিলে। ইতিমধ্যেই গান্ধীজী জনগণৰ লোক হিচাবে প্ৰখ্যাত হৈ উঠিল। ১৯১৭ চনৰ আগভাগতে গান্ধীজী বিহাৰৰ চম্পাৰণলৈ যাব লগাত পৰে। বিহাৰত কেইবা-ঠাইতো নীল-খেতি হৈছিল। এই নীল খেতি ব্যৱসায়িক ভিত্তিত হৈছিল। কৃষকসকলে জমিদাৰৰ মাটি পট্টন লৈ খেতি কৰিছিল আৰু প্ৰতি বিঘা মাটিৰ তিনি কঠাত কৃষকসকলে মাটিৰ মালিকৰ বাবে নীল-খেতি কৰি দিব লাগিছিল। এই ব্যৱস্থাই তিনি-কঠিয়া প্ৰথা নামে জনাজাত আছিল। মাটিৰ মালিকসকলৰ পৰা আকৌ এই নীল ইংৰাজ ব্যৱসায়ীসকলে নি নীল উৎপাদন কৰিছিল। ইংৰাজ ব্যৱসায়ী-সকলৰ নিজা নীল-খেতিও আছিল।

চম্পাৰণত ইংৰাজ ব্যৱসায়ীসকলে নীল-খেতি কৰা প্ৰজাসকলৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল। আনকি সময়মতে নীল-কৰ সোধাব নোৱাৰিলে হাতী লগাই কৃষকসকলৰ ঘৰ-দুৱাৰো ভাঙি দিয়া হৈছিল। চম্পাৰণৰ কৃষকসকলে তেওঁলোকৰ দুখ-দুৰ্গতি মোচনৰ বাবে সকলো কথা জনাই চম্পাৰণলৈ আনিবৰ বাবে ৰাজকুমাৰ শুক্লা নামে কৃষক এজনক মহাত্মা গান্ধীৰ ওচৰলৈ পঠালে। ৰাজকুমাৰ শুক্লাইও গান্ধীজীৰ পিছত নেৰা-নেপৰাকৈ লাগিল আৰু গান্ধীজী যলৈ যায় ৰাজকুমাৰো তালৈ গৈ চম্পাৰণলৈ যাবৰ বাবে কাতৰ নিবেদন জনাবলৈ ধৰিলে। বিহাৰৰ কৃষকসকলৰ অৱস্থা নিজ চকুৰে চাবৰ

বাবে আৰু বিশেষকৈ চম্পাৰণৰ নীল-খেতিয়কসকলৰ অবস্থা জানিবৰ বাবে গান্ধীজী ১৯১৭ চনৰ আগভাগতে চম্পাৰণলৈ গ'ল। গান্ধীজীয়ে কৃষক আৰু ব্যৱসায়ী দুয়োপক্ষৰ লগত আলোচনা কৰি প্ৰকৃত কথাটো জানিবলৈ ইংৰাজ নীল ব্যৱসায়ীসকলক আৰু জিলাধিপতিক লগ পাবলৈ বিচাৰিলে। নীল খেতিয়ক সন্থাৰ সম্পাদকজনে খোলাখুলি-ভাবে গান্ধীজীক জনাই দিলে যে তেওঁ এজন বাহিৰৰ লোক আৰু নীল-খেতিয়ক আৰু ৰায়তসকলৰ মাজৰ কথা লৈ মূৰ ঘমাবৰ তেওঁৰ কোনো অধিকাৰ নাই। যদি তেওঁৰ কিবা কবলগীয়া আছে তেন্তে তেওঁ লিখিত ভাবে তাক জনাব পাৰে। ইয়াৰ উত্তৰত গান্ধীয়ে বিনীতভাবে ক'লে যে তেওঁ কেতিয়াও নিজক বাহিৰৰ লোক বুলি স্বীকাৰ নকৰে আৰু কৃষক আৰু ৰায়তসকলৰ হকে কথা কোৱাৰ সম্পূৰ্ণ অধিকাৰ আছে।

কমিচনাৰ চাহাবক দেখা কৰোতে তেৱোঁ গান্ধীজীক তৎক্ষণাৎ তিৰহুট এৰি যাবলৈ পৰামৰ্শ দিলে। ইংৰাজ নীল ব্যবসায়ী আৰু ইংৰাজ শাসকৰ লগত আলোচনা কৰি গান্ধীজীয়ে তেওঁলোকৰ মনোভাব সম্পূৰ্ণকৈ বুজিলে। গান্ধীজীয়ে তেওঁৰ সহকৰ্ম্মী সকলক সকলো কথা বুজাই দিলে আৰু তেওঁক অতি সোনকালেই গ্ৰেপ্তাৰ কৰা হব পাৰে বুলিও আভাস দিলে। গতিকে তেওঁ সোনকালে চাব লগা ঠাইবিলাক চাই লবলৈ মন কৰিলে।

ৰাজকুমাৰ শুক্লাৰ ঘৰৰ ওচৰতে নিৰীহ প্ৰজাসকলৰ ওপৰত কৰা অত্যাচাৰৰ নিদৰ্শন চাবলৈ গান্ধীজী মতিহাৰি অভিমুখে পিচদিনা পুৱাই হাতী এটাত উঠি যাত্ৰা কৰিলে। কিন্তু অলপ বাট যোৱাৰ পিচতেই পুলিচ চাহাবে পঠোৱা বিষয়া এজনে আগবাঢ়ি আহি গান্ধীজীলৈ পুলিচ চাহাবে নমস্কাৰ পঠাইছে বুলি জনালে। গান্ধীয়ে ইয়াৰ তাৎপৰ্য্য বুজি পালে। তেওঁ হাতীৰ পৰা নামি লগত যোৱা দলটো এৰি পুলিচ চাহাবে পঠোৱা গাড়ীত উঠিল। সেই বিষয়াজনে গান্ধীজীক চম্পাৰণ এৰি যাবলৈ দিয়া পৰোৱানা খন দিলে আৰু গান্ধী শিবিৰ পাতি থকা ঠাইলৈ ঘূৰাই লৈ আহিল। সেই পৰোৱানা প্ৰাপ্তি স্বীকাৰ কৰি গান্ধীজীয়ে লিখি জনালে যে কৃষক আৰু ৰায়তসকলৰ অৱস্থাৰ বুজ নোপোৱালৈকে তেওঁ চম্পাৰণ এৰি যাবলৈ অপাৰগ। ইয়াৰ পিচত

চৰকাৰৰ আদেশ অমান্য কৰা দোষৰ বিচাৰৰ বাবে আদালতত হাজিৰ হবলৈ তেওঁক চমন কৰা হ'ল।

কৃষকসকলৰ দুখ-দুৰ্গতি চোৱাত বাধা দি বাটতে গান্ধীজীক আটক কৰি নি তেওঁৰ বিৰুদ্ধে গোচৰ দিয়াৰ কথা তৎক্ষণাৎ গোটেই চম্পাৰণ জিলাতে ৰাষ্ট্ৰ হৈ পৰিল আৰু হাজাৰ হাজাৰ লোক গান্ধীজী থকা ঠাইলৈ গৈ অভূতপূৰ্ব্ব জনতাৰ সমাবেশ কৰিলে। গান্ধীজীৰ কথামতে সকলো লোক শান্ত হৈ থাকিল আৰু গান্ধীজীৰ জনতাৰ ওপৰত থকা প্ৰভাবে প্ৰশাসনীয় বিষয়াসকলক বিস্মিত কৰিলে। শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ বাবে আৰু পুলিচ আৰু প্ৰশাসনীয় বিষয়াসকলে গান্ধীজীৰ সৌহাৰ্দ্দ্য লাভ কৰিলে যদিও তেওঁলোকৰ কৰ্ত্তৃত্ব ম্লান হৈ পৰিল। জনতাই শাস্তি আৰু অত্যাচাৰলৈ ভয় নকৰা মনোভাব প্ৰদৰ্শন কৰি চৰকাৰক বিব্ৰত কৰি তুলিলে।

যথাসময়ত বিচাৰ আৰম্ভ হ'ল। আদালতত জনতাই ভৰি পৰিল। কিন্তু আনুষ্ঠানিক ভাবে বিচাৰ আৰম্ভ হবলৈ নৌপাওঁতেই বিহাৰৰ লেফটেনেণ্ট গভৰ্ণৰে গান্ধীজীৰ বিৰুদ্ধে গোচৰ তুলি লোৱা বুলি দিয়া হুকুম আদালতলৈ পঠিয়াই দিয়া হ'ল। গান্ধীজী কৃষক আৰু ৰায়তসকলৰ অৱস্থা সম্পৰ্কে তদন্ত কৰিবলৈ সম্পূৰ্ণ মুক্ত বুলি ঘোষণা কৰি গান্ধীজীক মুক্তি দিলে। এই ঘোষণাত সকলো আনন্দিত হ'ল।

গান্ধীজী কৃষক আৰু ৰায়তসকলৰ সকলো অভিযোগ শুনিলে আৰু সেইবোৰৰ সত্যতা সম্পৰ্কে নিজে তদন্ত কৰিলে। ইংৰাজ নীল ব্যবসায়ীসকল অতিশয় বিক্ষুব্ধ হৈ পৰিল।

লেফটেনেণ্ট গবৰ্ণৰ চাৰ এডোৱাৰ্ড গেইটে এই অভিযোগবিলাক তদন্ত কৰিবলৈ এটা তদন্ত আয়োগ গঠন কৰিবলৈ সন্মতি প্ৰকাশ কৰিলে আৰু গান্ধীজীক সেই আয়োগৰ এজন সদস্য হবলৈ অনুৰোধ জনালে। গান্ধীজী তদন্ত আয়োগৰ সদস্য হবলৈ সন্মতি জনালে। তদন্ত আয়োগে সকলো গোচৰ আৰু অভিযোগ তদন্ত কৰি ৰায়ত-সকলৰ পক্ষ সমৰ্থন কৰি প্ৰতিবেদন দাখিল কৰিলে। তিনিকঠিয়া প্ৰথা বিলোপ কৰিবলৈ পৰামৰ্শ দিলে আৰু ইংৰাজ আৰু দেশীয় ব্যৱসায়ী-সকলে জোৰ-জুলুম কৰি আদায় কৰা কৰ ৰায়তসকলক ঘুৰাই দিবলৈ পৰামৰ্শ দিলে। এইদৰে মহাত্মা গান্ধীৰ নেতৃত্বত চম্পাৰণ সত্যাগ্ৰহ

আন্দোলন সম্পূৰ্ণ কৃতকাৰ্য্য হ'ল আৰু সত্য, অহিংসা আৰু ন্যায়ৰ স্থান প্ৰতিষ্ঠিত হ'ল। চম্পাৰণত নীল খেতিয়কবাজৰ শোষণৰ অন্ত পৰিল।

আহমেদাবাদ শ্ৰমিক ধৰ্ম্মঘট আৰু খেদা সত্যাগ্ৰহ

চম্পাৰনৰ কাম শেষ হবলৈ নৌপাওঁতেই আহমেদাবাদত শ্ৰমিক আৰু মিল মালিকসকলৰ বিবাদৰ মীমাংসা সম্পৰ্কে পৰামৰ্শ বিচাৰি শ্ৰীমতী অনসূয়া বহিনে গান্ধীজীলৈ প্ৰাৰ্থনা জনালে। একে সময়তে গুজৰাটৰ খেদা জিলাত কৃষকসকলৰ ওপৰত অন্যায়ভাবে খাজনা লগাই অত্যাচাৰ কৰি আদায় কৰাৰ চেষ্টা লৈ চৰকাৰ আৰু কৃষক-সকলৰ মাজত এটা আন্দোলনাত্মক পৰিবেশ গঢ়ি উঠিছিল। এই কৃষকসকলক সংগঠিত কৰি অন্যায়ৰ প্ৰতিৰোধ কাৰ্য্যৰ নেতৃত্ব দিবলৈ গান্ধীজীক নিবেদন জানালে। গান্ধীজীয়ে পৰিস্থিতিৰ সম্যক বুজ নোলোৱাকৈ কোনো পৰামৰ্শ নিদিছিল আৰু প্ৰথমে আহমেদাবাদৰ শ্ৰমিকসকলৰ অবস্থা আৰু দাবী সম্পৰ্কে ভু-ভা লবলৈ তেওঁ আহমেদাবাদলৈ যাত্ৰা কৰিলে।

আহমেদাবাদৰ কাপোৰৰ মিলবিলাকত কামকৰা মজদুৰসকলৰ মজুৰী বৰ কম আছিল। মজদুৰসকলে আৰু বেচি মজুৰীৰ বাবে কৰি অহা আবেদন নিবেদনত মিলৰ মালিকসকলে কাণযাৰ নিদিয়াত দাবী পূৰণৰ বাবে আন্দোলন কৰিবলৈ থিৰ কৰিছিল। এই আন্দোলনৰ গুৰি ধৰিছিল শ্ৰীমতী অনসূয়া সাৰাভাই। মিল-মালিকসকলে মজদুৰসকলৰ দাবী অন্যায় আৰু অযুক্তিকৰ বুলি মত পোষণ কৰিছিল। শ্ৰীমতী সাৰাভাইৰ আপোন ককায়েক শ্ৰীঅম্বালাল সাৰাভাই মজদুৰসকলৰ দাবীৰ বিৰুদ্ধে মিল-মালিকসকলৰ নেতৃত্ব কৰিছিল। মহাত্মা গান্ধী আহমেদাবাদলৈ আহি এই বিবাদৰ মীমাংসা কৰাত বৰ বিমোৰত পৰিছিল। মিল-মালিকসকল তেওঁৰ বন্ধু আছিল। আইনতঃ মিল-মালিকসকলৰ আচৰণ আৰু লোৱা ব্যৱস্থাৰ বিৰুদ্ধে কবলগা বিশেষ নাছিল। আনহাতে মজদুৰসকলৰ অৱস্থাও অতি শোচনীয় আছিল।

গতিকে মহাত্মাজীয়ে দুয়োপক্ষৰ লগত আলোচনা কৰি বিবাদটোৰ মীমাংসাৰ কাৰণে মধ্যস্থলোকৰ বিচাৰলৈ সম্মতি দিয়াৰ কাৰণে অনুৰোধ কৰিলে। মিলৰ মালিকসকলে নীতিৰ প্ৰশ্নত এই মধ্যস্থ-লোকৰ বিচাৰৰ বাবে সম্মতি নিদিলে কাৰণ তেওঁলোকৰ মতে বিচাৰ কৰিবলগীয়া কোনো বিবাদেই তেওঁলোকৰ নাছিল।

গতিকে মহাত্মা গান্ধীয়ে শ্ৰমিকসকলক ধৰ্ম্মঘট কৰিবলৈ পৰামৰ্শ দিলে। সবৰমতীৰ পাৰৰ বিশাল গছ এজোপাৰ ছাঁত মহাত্মাজীয়ে হাজাৰ হাজাৰ শ্ৰমিকৰ আগত ভাষণ দি ধৰ্ম্মঘট আৰম্ভ কৰাৰ আগতে শ্ৰমিকসকলৰ পৰা এই কেইটা চৰ্ত্ত সম্পূৰ্ণকৈ পালন কৰিব বুলি প্ৰতিশ্ৰুতি বিচাৰিলে—

(১) কেতিয়াও কোনো পৰিস্থিতিত হিংসাত্মক কাৰ্য্য কৰিব নোৱাৰিব।

(২) ধৰ্ম্মঘট কৰিব নোখোজা শ্ৰমিকক কোনো অত্যাচাৰ কৰিব নোৱাৰিব।

(৩) ভিক্ষা বা আনৰ সাহায্যৰ ওপৰত কেতিয়াও নিৰ্ভৰ কৰিব নোৱাৰিব।

(৪) ধৰ্ম্মঘট যিমান দীঘলীয়া নহওক লাগে দৃঢ়ভাবে ইয়াক চলাই যাব লাগিব আৰু ধৰ্ম্মঘট চলি থকা সময় চোৱাত আন কোনো সদুপায়ে শ্ৰম কৰি জীবিকা অৰ্জ্জন কৰিব লাগিব।

শ্ৰমিক নেতাসকলে গান্ধীজীৰ চৰ্ত্তাৱলীৰ তাৎপৰ্য্য বুজি তাক গ্ৰহণ কৰিলে আৰু ধৰ্ম্মঘট কৰিব ওলোৱা শ্ৰমিকে দাবী পূৰণ নোহোৱালৈকে নাইবা এই বিবাদ নিষ্পত্তিৰ বাবে মধ্যস্থলোকৰ বিচাৰ মালিকসকলে মানি নোলোৱালৈকে ধৰ্ম্মঘট চলাই যাব বুলি সেই বিৰাট সভাস্থলীতে প্ৰতিজ্ঞা কৰিলে।

প্ৰথম দুসপ্তাহলৈকে ধৰ্ম্মঘটকাৰী মজদুৰসকলে অপূৰ্ব্ব সাহস আৰু সংযম প্ৰদৰ্শন কৰিছিল আৰু নিতৌ বিৰাট সভা পাতি সেই সংকল্প পুনৰ দোহাৰিছিল। কিন্তু দিন যোৱাৰ লগে লগে মজদুৰসকলৰ কিছুমানৰ মনৰ বল কমি আহিছিল আৰু তেওঁলোকৰ মাজত বিভেদৰ সূচনা গান্ধীজীয়ে দেখিবলৈ পালে। এই ধৰ্ম্মঘট ব্যৰ্থ হব লাগিলে মজদুৰসকলে লোৱা সংকল্পৰ মূল্য নাথাকিব আৰু শ্ৰমিকসকলৰ সংগঠন

দুৰ্ব্বল হৈ পৰিলে তেওঁলোকৰ প্ৰতি কৰা অন্যায় আৰু অবিচাৰৰ প্ৰতিকাৰ কৰাৰ কোনো উপায় নাথাকিব। গান্ধীজী বৰ চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিল। এনে পৰিস্থিতিত এদিন পুৱা মিলৰ শ্ৰমিকসকলৰ এখন সভাত মহাত্মাজীয়ে অন্তৰৰ নিৰ্দ্দেশ পাই হঠাতে ঘোষণা কৰিলে "যদি শ্ৰমিকসকল একগোট নহয় আৰু বিবাদৰ মীমাংসা নোহোৱালৈকে যদি ধৰ্ম্মঘট চলাই নাথাকে নাইবা একেবাৰেই মিলৰ কাম পৰিত্যাগ কৰি গুচি নাযায় তেন্তে মই কোনো আহাৰ স্পৰ্শ নকৰো।"

এই ঘোষণা শুনি শ্ৰমিকসকল বজ্ৰাহতৰ দৰে হ'ল। অনসূয়া সাৰাভাই কান্দি পেলালে। শ্ৰমিকসকলে একবাক্যে চিঞৰি উঠিল, "আপুনি অনশন কৰিব নোৱাৰে আমি অনশন কৰিম। আপুনি অনশন কৰিলে সাংঘাতিক কথা হব। আমাক ক্ষমা কৰক। আমাৰ ভুল হৈছিল। আজি আমাৰ সংকল্প আৰু প্ৰতিজ্ঞা সম্পূৰ্ণকৈ পালন কৰিম।"

গান্ধীজীয়ে কলে—"তোমালোকে অনশন কৰাৰ কোনো প্ৰয়োজন নাই। যদি তোমালোকৰ সংকল্প সঁচাকৈ মানি চলা সেয়ে যথেষ্ট হব। আমাৰ হাতত থকা সম্বল শেষ হৈ আহিছে আৰু আমি আনৰ দয়াৰ ওপৰত নিৰ্ভৰ কৰি আন্দোলন চলাবলৈ ইচ্ছা নকৰোঁ। তোমালোকে সদুপায়ে আন কোনো প্ৰকাৰৰ শ্ৰম কৰি সাধাৰণভাবে জীবিকা নিৰ্ব্বাহ কৰিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহলেহে তোমালোকে যিমানদিনেই ধৰ্ম্মঘট নচলক কিয় নিশ্চিন্তভাবে আন্দোলন চলাই যাব পাৰিবা। এই ধৰ্ম্মঘট সংঘটিত বিবাদ নিষ্পত্তি হলেহে মোৰ অনশন ভাঙিব।"

মহাত্মাৰ সিদ্ধান্ত অলৰ অচৰ; তাৰ ব্যতিক্ৰম নাই। অনসূয়া সাৰাভাই, সহকৰ্ম্মী আৰু শ্ৰমিকসকলৰ সকলোৱে মহাত্মাজীৰ লগত প্ৰথমদিনা অনশন্ কৰিলে। গান্ধীজীয়ে বঢ়াই বুজাই তেওঁলোকক আৰু অনশন পালনৰ পৰা বিৰত ৰাখিলে। মহাত্মাজীৰ অনশনে সকলোৰে অন্তৰ স্পৰ্শ কৰিলে। মিল-মালিকসকলে কোনো এক প্ৰকাৰে এই বিবাদ মীমাংসাৰ বাট বিচাৰিব ধৰিলে। অনসূয়া বহিনৰ ঘৰত দিনেৰাতি আলোচনা চলিল। তৃতীয়দিনৰ অনশনৰ লগে লগে মধ্যস্থ লোক এজনৰ বিচাৰত মিলমালিকসকলে সন্মতি জনালে আৰু

ধৰ্ম্মঘট প্ৰত্যাহাৰ কৰা হয়। গান্ধীজীয়ে অনশন ভঙ্গ কৰিলে আৰু মজদুৰসকলৰ দাবীও পূৰণ হ'ল। মিল-মালিকসকলে মনৰ আনন্দত আটাইবিলাক শ্ৰমিকক মিঠাই খুৱালে। এইদৰেই মহাত্মা গান্ধীৰ নেতৃত্বত আহমেদাবাদ শ্ৰমিকসকলৰ ২১ দিনীয়া ধৰ্ম্মঘটৰ সন্তোষজনক ভাবে অবসান ঘটে।

আহমেদাবাদৰ মিল শ্ৰমিকৰ ধৰ্ম্মঘট সম্পূৰ্ণকৈ শেষ হবলৈ নৌপাওঁতেই মহাত্মা গান্ধীয়ে খেদা জিলাৰ কৃষক আন্দোলনৰ গুৰি ধৰিব লগা হয়। খেদা জিলাত খেতি নষ্ট হোৱা বাবে কৃষকসকল প্ৰায় ত্বৰ্ভিক্ষৰ সম্মুখীন হব লগা হৈছিল। সেই বছৰৰ বাবে পট্টাদাৰসকলৰ পৰা খাজনা আদায় নকৰিবলৈ চৰকাৰক আবেদন কৰা হৈছিল। গুজৰাটৰ ৰাজহ আইনৰ নিয়মমতে কোনো বছৰত খেতি টকাত চাৰি অনাতকৈ কম পৰিমাণৰ হলে কৃষকসকলে সেই বছৰত দিয়া খাজনা স্থগিত ৰাখিব পাৰিছিল। চৰকাৰী বিষযাসকলে তথ্য-পাতি যোগাৰ কৰি খেতি টকাত চাৰি অনা বা চাৰিভাগৰ এভাগতকৈ বেচি হোৱা বুলি স্থিৰ কৰিছিল। আনহাতে খেতিযকসকলে খেতিৰ চাৰিভাগৰ এভাগতকৈ বহুত কম হোৱা বুলি দাবী কৰিছিল। কিন্তু চৰকাৰে খেতিযকসকলৰ দাবী কোনোমতেই মানিব খোজা নাছিল। আবেদন-নিবেদন কৰিও কোনো ফল নধৰাত মহাত্মা গান্ধীয়ে কৃষকসকলক সত্যাগ্ৰহ কৰিবলৈ পৰামৰ্শ দিছিল। খেতিয়কসকলে খাজনা দিবলৈ অস্বীকাৰ কৰিলে আৰু সভা-সমিতি পাতি সকলো কৃষকক একগোট কৰি সকলো সম্ভাব্য পৰিণতিৰ বাবে সাজু হ'ল। প্ৰথম অৱস্থাত চৰকাৰে এই আন্দোলন দমন কৰিবলৈ কঠোৰ ব্যৱস্থা লোৱা নাছিল। কিন্তু সংগঠন দৃঢ় হোৱাৰ লগে লগে চৰকাৰে আন্দোলন দমন কৰিবলৈ আৰু খাজনা আদায় কৰিবলৈ সকলো ব্যৱস্থা অবলম্বন কৰিলে। খেতিযকসকলৰ গৰু গাই, স্থাবৰ সম্পত্তি ক্ৰোক কৰিলে, খাজনা নিদিয়া বাবে শাস্তিৰ বিধান কৰিলে আৰু পথাৰত হৈ থকা খেতি-বাতিও জব্দ কৰিলে।

খেতিয়কসকলৰ যাতে সংগঠন আৰু মনৰ দৃঢ়তা নকমে, যাতে দমন আৰু শাস্তিৰ বাবে ভয় নাখায় তাৰ বাবে মহাত্মাই নতুন বুধি সাজিলে। মোহনলাল পাণ্ডে নামে এজন কৃষকক চৰকাৰে খাজনা

নিদিয়া দোষত ক্ৰোক কৰি জব্দ কৰি থোৱা তেওঁৰ খেতিৰ পিঁয়াজবোৰ তেওঁক তুলি আনিবলৈ ক'লে। তেওঁ কৰা খেতি চৰকাৰে জব্দ কৰি ৰখাটো সম্পূৰ্ণ অন্যায়। মোহনলালে লগত আৰু আঠজন লোকক লৈ তেওঁৰ খেতিৰ পিঁয়াজবোৰ তুলি আনিলে। চৰকাৰৰ আইন তেওঁ অমান্য কৰিলে। মোহনলালৰ কাৰ্য্যৰ দ্বাৰাই মহাত্মাজী আন কৃষকবোৰৰ অন্তৰত জেল, জৰিমনা আদিৰ প্ৰতি হোৱা ভয় নাশ কৰি গ্ৰেপ্তাৰ হোৱা, জৰিমনা আৰু নানাবিধ শাস্তি বিধান কৰা চৰকাৰৰ দমনাত্মক কাৰ্য্যৰ আনন্দে সমুখীন হবলৈ সাহপিত যোগালে। মানুহবোৰৰ সঁচাকৈ সকলো ভয় ভাঙিল। আইন অমান্য কৰাত চৰকাৰে চকু মুদি থাকিব নোৱাৰাত পৰিল। মোহনলাল আৰু লগৰীয়াসকলক গ্ৰেপ্তাৰ কৰা হ'ল। মানুহবোৰে শোভাযাত্ৰা কৰি এই আচামীসকলক জেললৈ লৈ গ'ল। জেললৈ যোৱাটো আনন্দৰ কথা যেন হ'ল। খাজনা বন্ধ আন্দোলন পূৰাদমেই চলিল। চৰকাৰেও আন্দোলন দমন কৰি আইনৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ লাগি গ'ল।

মহাত্মাজীয়ে সত্যাগ্ৰহীসকলে সন্তোষজনকভাবে গ্ৰহণ কৰিব পৰা আপোচৰ কথা চিন্তা কৰিব ধৰিলে। সুযোগ তেওঁ সোনকালেই পালে। নাদিয়াদ তালুকৰ মামলাতদাৰজনে গান্ধীজীলৈ এটা প্ৰস্তাৱ পঠিয়ালে যে যদি ধনী আৰু দিব পৰা লোকসকলে খাজনা দিয়ে তেন্তে দুখীয়াসকলে খাজনা নিদিলেও হব। এই প্ৰস্তাৱ গান্ধীজীয়ে লিখিতভাবে লৈ জিলাধিপতিৰ পৰাও তেনে লিখিত প্ৰতিশ্ৰুতি ল'লে। মামলাতদাৰসকল আমাৰ মৌজাদাৰসকলৰ দৰে খাজনা আদায় কৰা লোক আৰু জিলাধিপতিয়ে গোটেই জিলাৰে মামলাতদাৰসকললৈ এই আদেশ জাৰি কৰিলে। খেদা সত্যাগ্ৰহৰ উদ্দেশ্য পূৰণ হ'ল আৰু এই আন্দোলনৰ জৰিয়তেই সত্যাগ্ৰহৰ মৰ্ম্মকথা দৃঢ়ভাবে গুজৰাটত প্ৰতিষ্ঠিত হ'ল।

এইদৰেই মহাত্মা গান্ধী জনগণৰ মৰমৰ, আদৰৰ, ভক্তিৰ আৰু আৰাধনাৰ লোক হৈ উঠিল। খেদা সত্যাগ্ৰহে নেতাসকলক উপলব্ধি কৰালে যে জনগণৰ স্বাৰ্থৰ লগত এক হৈ যাব নোৱাৰিলে তেওঁলোকৰ অকৃত্ৰিম সঁহাৰি লাভ কৰিব নোৱাৰি।

আহমেদাবাদ শ্ৰমিক আন্দোলন, চম্পাৰণ কৃষক আন্দোলন আৰু

খেদা ৰাজহ অনাদায় আন্দোলনত মহাত্মা গান্ধীয়ে বল্লভভাই পেটেল, দীনবন্ধু এণ্ড্ৰুজ, ডাক্তৰ এনি বেছেণ্ট, বাবু ৰাজেন্দ্ৰপ্ৰসাদ, ব্ৰজকিশোৰ বাবু, অধ্যাপক কৃপালনী আদি কৰি বিশিষ্ট লোকসকলক সহকৰ্মী হিচাবে পায় আৰু এই নেতাসকলে ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত দিয়া বৰঙণি ইতিহাসৰ পাত জিলিকাই ৰাখিছে।

মৃত্যুৰ দুৱাৰ দলিত

খেদা আন্দোলনৰ সময়ত ইয়োৰোপৰ মহাসমৰে তীব্ৰ ৰূপ ধাৰণ কৰিছিল আৰু বৃটিছ সামৰিক বাহিনী সঙ্কটপূৰ্ণ পৰিস্থিতিৰ সমুখীন হবলগাত পৰিছিল। গোটেই বৃটিছ সাম্ৰাজ্যতে যুদ্ধৰ বাবে ততাতৈয়া প্ৰস্তুতি চলিছিল আৰু ভাৰতবৰ্ষতো যুদ্ধৰ বাবে সামৰিক বাহিনীত লোক ভৰ্ত্তি কৰা, যুদ্ধৰ বাবে পুঁজি সংগ্ৰহ কৰা আদি কাম চলি আছিল। যুদ্ধৰ প্ৰস্তুতিত সকলো লোকৰ সহযোগ লাভ কৰিবৰ বাবে সেই সময়ৰ ভাইচৰয় লৰ্ড চেমচফোৰ্ডে দিল্লীত ভাৰতৰ নেতৃস্থানীয় লোকসকলক আহ্বান কৰি এখন সভা পাতিলে। সেই সভালৈ মহাত্মা গান্ধীকো আমন্ত্ৰণ জনোৱা হৈছিল।

সেই সময়ত ভাৰতবৰ্ষৰ ৰাজনৈতিক আন্দোলনে ক্ৰমে গা কৰি আহিছিল। লোকমান্য তিলকৰ নেতৃত্বত ভাৰতবৰ্ষৰ স্বায়ত্ব শাসনৰ বাবে 'হোম ৰুল' আন্দোলন সংগঠিত হয়। শ্ৰীমতী এনি বেছাণ্ট ৰামস্বামী আয়াৰ, মহম্মদ আলি জিন্না আদি নেতাসকলে লোকমান্য তিলকৰ এই আন্দোলনত সম্পূৰ্ণ সহযোগ কৰি দেশত বৃটিছ চৰকাৰৰ বিৰুদ্ধে আন্দোলনাত্মক পৰিবেশ গঢ়ি তুলিছিল। খিলাফত আন্দোলনেও ভাৰতৰ মুছলমানসকলক বৃটিছ চৰকাৰৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিছিল আৰু ভাৰতীয় মুছলমানসকলৰ অবিসম্বাদী নেতা আলি ভাতৃদ্বয়, মৌলানা মহম্মদ আলি আৰু চৌকত আলিক জেলত আবদ্ধ কৰি ৰখা হৈছিল। মহাত্মা গান্ধী খিলাফত আন্দোলনত সমৰ্থন দিছিল আৰু আলি ভাতৃদ্বয়ক অতি সোনকালে মুক্তি দিবলৈ ভাইচৰয়লৈ লিখিছিল।

মহাত্মা গান্ধীয়ে ভাইচয়ৰে যুদ্ধ প্ৰস্তুতিৰ বাবে সহায় বিচাৰি আহ্বান কৰা সভাখনত যোগ দিলে। গান্ধীজীয়ে সেই সভাত বক্তৃতা ইংৰাজীত নিদি হিন্দুস্থানীত দিছিল আৰু এয়ে প্ৰথমবাৰৰ কাৰণে তেনে সভাত ভাৰতীয় ভাষাত বক্তৃতা আছিল। সেই সভালৈ লোকমান্য তিলক, আলি ভাতৃদ্বয় আদি নেতাসকলক আহ্বান নকৰাত তেওঁ অসন্তোষ প্ৰকাশ কৰিলে আৰু বৃটিছ সাম্ৰাজ্যৰ বিপদৰ সময়ত বৃটিছ সাম্ৰাজ্যৰ প্ৰজা হিচাবে এই যুদ্ধ প্ৰচেষ্টাত সহায় সহযোগ কৰাৰ বাবে আহ্বান কৰি লোৱা প্ৰস্তাৱ সমৰ্থন কৰিছিল।

সামৰিক বাহিনীৰ বাবে লোকসংগ্ৰহ অভিযান আৰম্ভ কৰি মহাত্মা গান্ধী প্ৰথমে খেদালৈ গ'ল। ৰাজহ অনাদায আন্দোলনৰ সময়ত যি খেদাত মহাত্মা গান্ধীক কৃষকসকলে আশাতীতভাবে সহায় সহযোগ দি অভিভূত কৰিছিল, সেই খেদাতে সামৰিক বাহিনীৰ বাবে লোকসংগ্ৰহ অভিযানত গান্ধীজীযে কোনো সঁহাৰি নাপালে। আনকি ভাৰালৈকে গৰুগাড়ী এখন দিবলৈও লোক প্ৰস্তুত নাছিল। অবশ্যে অৱশেষত তাত কিছুসংখ্যক লোক সংগ্ৰহ কৰিব পাৰিলে। এই অভিযানত দিনে প্ৰায় ২০ মাইলৈকে খোজকাঢ়ি ফুৰিবলগীয়া হোৱাত আৰু খোৱা-থকাৰ ভীষণ অনিয়ম হোৱাত মহাত্মা গান্ধীৰ স্বাস্থ্য ভাগি পৰিল। আহাৰৰ ওপৰত নানা পৰীক্ষা চলোৱাৰ ফলত সেই সময়ত গান্ধীজীৰ প্ৰধান খাদ্য বস্তু আছিল বাদাম, মাখন আৰু নেমুটেঙা। ইযাৰ বাহিৰে আন কোনো বস্তু তেওঁৰ খাদ্যৰ তালিকাত নাছিল। মাখন খাবলৈ ভাল যদিও বেচিকৈ খালে সি অপকাৰী হৈ উঠে এই কথা জানিও গান্ধীজীয়ে মাখন বেচিকৈ খাইছিল। ক্ৰমাৎ অগ্নিমান্দ্য হৈ তেওঁ গ্ৰহণী ৰোগত আক্ৰান্ত হ'ল। তেওঁ কোনো দৰব নাখাইছিল আৰু অসুস্থ হোৱা বাবে কামৰ হেঁচাত জিৰণি লবও নোৱাৰিছিল। এদিন এনে অসুখীয়া অবস্থাৰে গোটেই দিনটো ঘূৰি আহি ৰাতি আশ্ৰম পালেহি। সেইদিনা কিবা এটা উৎসৱ আছিল আৰু গান্ধীজীৰ বাবে তৈয়াৰ কৰি থোৱা কিবাকিবি উপাদেয় বস্তু ভালেখিনি কস্তুৰবাঈৰ খাটনিত গান্ধীজীয়ে খাই পেলালে। সেইদিনা তেওঁৰ পেটৰ অৱস্থালৈ চাই গান্ধীজীয়ে একো নোখোৱাহে উচিত আছিল। এনে অৱস্থাত সেই আহাৰে তেওঁৰ ভীষণ অপকাৰ কৰিলে আৰু তেওঁ সাংঘাতিক ভাবে

তেজ গ্ৰহণীত আক্ৰান্ত হ'ল। দিনে ৩০।৪০ বাৰকৈ শৌচ হব ধৰিলে আৰু তেওঁ একেবাৰে শয্যাশায়ী হৈ পৰিল। ডাঃ কানুগা নামে এজন বিশিষ্ট চিকিৎসকে গান্ধীক ঔষধ খাবৰ বাবে বৰকৈ বুজালে, গান্ধীজী কোনোমতেই মান্তি নহল। তেওঁ ঔষধও নাখায় আৰু বেজীও নলয়। ডাক্তৰসকলোৰো এনে ৰোগীৰ বাবে কৰিবৰ একো নাই। গ্ৰহণীৰ লগতে জ্বৰ আৰম্ভ হ'ল। তেওঁ প্ৰলাপ বকিব আৰম্ভ কৰিলে। আশ্ৰমবাসী আৰু মহাত্মাৰ অনুৰক্ত লোকসকল অতি বিমোৰত পৰিল। আশ্ৰমৰ পৰা তেওঁক আহমেদাবাদৰ অম্বালাল শেঠৰ ঘৰলৈ স্থানান্তৰ কৰা হ'ল। তাত তেওঁ সকলো প্ৰকাৰৰ পৰিচৰ্য্যা পালে। কিন্তু ঔষধ প্ৰয়োগ কৰিব নিদিয়াত জ্বৰ আৰু গ্ৰহণী কিছু কমিলেও যন্ত্ৰণাৰ উপশম নহ'ল। গান্ধীজীৰ নিৰ্দ্দেশত তেওঁক পুনৰ আশ্ৰমলৈ লৈ অহা হ'ল।

এইদৰে যন্ত্ৰণাত কষ্ট ভুগি আশ্ৰমত থাকোতে এদিন বল্লভভাই পেটেল গান্ধীজীক জনালে যে যুদ্ধত জাৰ্ম্মান সম্পূৰ্ণকৈ পৰাস্ত হৈছে আৰু কমিচনাৰে কৈ পঠাইছে যে যুদ্ধৰ বাবে আৰু লোক সংগ্ৰহ কৰাৰ প্ৰয়োজন নাই। এই বাতৰিয়ে গান্ধীজীৰ কষ্ট ভালেখিনি উপশম কৰিলে।

গ্ৰহণী আৰু জ্বৰৰ বাবে গান্ধীজীয়ে প্ৰাকৃতিক চিকিৎসা কৰাইছিল। পানী আৰু মাটিৰ প্ৰলেপ লৈ লৈযেই তেওঁৰ অসুখ লাহে লাহে কমাই আনিছিল। চিকিৎসক সকলে দিনে-নিশাই উপদেশ আৰু পৰামৰ্শ দিয়েই থাকিছিল, কিন্তু গান্ধীজীয়ে প্ৰকৃতিৰ আৰোগ্য তত্ত্বৰ ওপৰত অটল বিশ্বাস ৰাখি নিজৰ মতেই চলিছিল। খাদ্য সম্পৰ্কেও নানা উপদেশ পৰামৰ্শ শুনি থাকিছিল, কিন্তু নিজৰ বিশ্বাস এৰি কাৰো মত গ্ৰহণ নকৰিছিল। পৰিচাৰক, শুশ্ৰূষাকাৰী, আপোনজন, বন্ধু-বান্ধৱ, চিকিৎসক সকলো বিব্ৰত হৈ পৰিছিল আৰু জীৱন-মৰণৰ সমস্যাতো গান্ধীজীৰ এনে আকোৰ-গজালি মনোভাবৰ বাবে বহুতৰে লাহে লাহে বিৰক্তি উপজিবলৈ আৰম্ভ কৰিছিল।

এদিন ৰাতি গান্ধীজীৰ অৱস্থা ক্ৰমাৎ বেয়া হৈ আহিল। মৃত্যু যেন আসন্ন এনে এটা আশঙ্কাই সকলোকে ম্ৰিয়মান কৰিলে। মহাৰাষ্ট্ৰৰ পৰা এজন চিকিৎসক আহি তেওঁৰ গোটেই শৰীৰতে বৰফৰ প্ৰলেপ দিলে। ঔষধ খাবলৈ যেতিয়া কোনোমতেই মান্তি নহ'ল, বাহিৰা

চিকিৎসাৰ বাহিৰে উপায় নাছিল। মনোবলৰ বাবেই হওক বা প্ৰলেপৰ বাবেই হউক, মহাত্মাজী অলপ সুস্থ বোধ কৰিলে আৰু শৰীৰৰ উত্তাপ কমিল। চিকিৎসকজনে গান্ধীজীক গাখীৰ খাবৰ বাবে জোৰ কৰিলে আৰু ক'লে যে গাখীৰ নাখালে তেওঁৰ শৰীৰে কোনো-মতেই বল পাব নোৱাৰে। গান্ধীজীয়ে গাখীৰ নাখাবলৈ সংকল্প কৰি-ছিল। ফুকা প্ৰথাৰে গৰু আৰু ম'হৰ পৰা গাখীৰ বেচিকৈ উলিয়াই জন্তুটোক অপকাৰ কৰা লৈ গাখীৰৰ প্ৰতি তেওঁৰ বিতৃষ্ণা উপজিছিল আৰু গাখীৰ মানুহৰ পুষ্টিৰ বাবে অপৰিহাৰ্য্য বুলি তেওঁ বিশ্বাস নকৰি-ছিল। গতিকে চিকিৎসকৰ বুজনিতো গান্ধীজী তেওঁৰ সংকল্প ভাঙিব নোৱাৰে বুলি গাখীৰ খাবলৈ মান্তি হোৱা নাছিল। এনেতে দুৱাৰৰ কাষত অপেক্ষা কৰি থকা কস্তুৰবাঈ কৈ উঠিলে, "আপুনি গৰু আৰু ম'হৰ গাখীৰ নাখাওঁ বুলিহে প্ৰতিজ্ঞা কৰিছে, ছাগলীৰ গাখীৰ খোৱাত্তিটো কোনো আপত্তি উঠিব নোৱাৰে ?"

ডাক্তৰজনেও তাতেই সমৰ্থন দি কৈ উঠিল, "আপুনি যদি ছাগলীৰ গাখীৰ খায় তেতিয়াও বাৰু হব।"

গান্ধীজীয়ে সন্মতি দিলে। এই সম্পৰ্কে গান্ধীজীয়ে এইদৰে কৈছে, "মই সন্মত হ'লো। সত্যাগ্ৰহত যোগ দিবলৈ থকা প্ৰবল আগ্ৰহে মোক জীয়াই থকাৰ প্ৰবল আকাঙ্খা আনি দিছিল, গতিকে মই মোৰ প্ৰতিজ্ঞাৰ মৰ্ম্মতকৈ আখৰ কেইটা পালনতে সন্তুষ্ট থাকিব লগাত পৰিলো। যদিও মই গৰু আৰু ম'হৰ গাখীৰ নাখাও বুলিছিলো, প্ৰকৃততে গৰু আৰু ম'হে সকলো জন্তুকে আবৰি লৈছিল। গতিকে ধৰ্ম্মতঃ মই কোনো গাখীৰকে খাব নালাগিছিল। তথাপি সকলো জানিও আৰু বুজিও মই ছাগলীৰ গাখীৰ খাবলৈ সন্মতি দিছিলো। এই কথা সুঁৱৰিলে মনটোত অনুতাপ আহে আৰু এতিয়াও ছাগলীৰ গাখীৰ খাবলৈকে যেন এৰি দিম এনে এটা ভাব আহে। কিন্তু মই বাচি থকা আৰু দেশবাসীক সেৱা কৰা মোহত পৰিছো আৰু এই প্ৰলোভনে মোক এৰি দিয়া নাই।"

ছাগলীৰ গাখীৰ খাবলৈ আৰম্ভ কৰাৰ লগে লগে গান্ধীজীৰ স্বাস্থ্য উন্নতি হবলৈ ধৰিলে আৰু অলপ দিনৰ ভিতৰতে তেওঁ সম্পূৰ্ণ সুস্থ হ'ল।

ৰাওলাট আইন

প্ৰথম মহাসমৰত মিত্ৰপক্ষৰ জয় হোৱাত ভাৰতবৰ্ষই আশা কৰিছিল যে বৃটিছ চৰকাৰে প্ৰতিশ্ৰুতি দিয়া মতে শাসন ব্যৱস্থাৰ পৰিবৰ্ত্তন হব আৰু ভাৰতবাসীক স্বাযত্ব শাসনত আগুৱাই নিব। কিন্তু যুদ্ধৰ সামৰণি পৰাৰ লগে লগে বৃটিছ চৰকাৰে আগৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে সমৰকালীন জৰুৰী পৰিস্থিতিক নিগাজী আইনৰ বিধান হিচাবে প্ৰবৰ্ত্তন কৰিবলৈ ৰাওলাট আইন পাছ কৰিলে। এই আইনৰ বিধান মতে চৰকাৰৰ বিৰুদ্ধে কৰা আন্দোলন দমন কৰিবলৈ চৰকাৰক বিশেষ ক্ষমতা দিয়া হ'ল। চৰকাৰৰ বিৰুদ্ধে কাম কৰিছে বুলি সন্দেহ কৰা লোকক বিনা বিচাৰে আটক কৰি ৰখাৰো ক্ষমতা দিয়া হ'ল।

মহাত্মা গান্ধীৰ শৰীৰ সুস্থ হবলৈ নৌপাওঁতেই এই ৰাওলাট আইনৰ চমু বিৱৰণী বাতৰি কাকতত প্ৰকাশ পায় আৰু তেওঁ ইয়াৰ মৰ্ম্ম বুজি উদ্বিগ্ন হৈ পৰিল। বল্লভভাই পেটেল, ৰাজাগোপাল আচাৰি, বিজয় ৰাঘবাচাৰীয়াৰ, শ্ৰীনিবাস শাস্ত্ৰী আদি নেতৃস্থানীয় লোকৰ লগত আলোচনা কৰি এই আইনৰ প্ৰতিবাদ কৰিবলৈ গোটেই দেশতে ১৯১৯ চনৰ ৩০ মাৰ্চ্চ আৰু পিচত ৬ এপ্ৰিলত হৰতাল পালন কৰা হয়। মহাত্মা গান্ধী পুনৰ এই আন্দোলনত নেতৃত্ব কৰে আৰু সমগ্ৰ ভাৰতবাসী মহাত্মা গান্ধীৰ নেতৃত্বত সহাঁৰি দি এই হৰতাল অভূতপূৰ্ব্ব সাফল্যেৰে পালন কৰে। সকলো সম্প্ৰদায়ৰ লোকে একগোট হৈ আন্দোলনত যোগ দিলে।

মহাত্মা গান্ধীয়ে এই হৰতাল সম্পূৰ্ণ অহিংসভাবে পালন কৰিবলৈ আহ্বান দিছিল যদিও কোনো কোনো ঠাইত চৰকাৰৰ প্ৰৰোচনাত আৰু পুলিচৰ আতিশায্যত সকুসুৰা হিংসাত্মক কাৰ্য্যও সংঘটিত হৈছিল। দিল্লী আৰু পঞ্জাবৰ দুই এঠাইত হিংসাত্মক কাৰ্য্যৰ বাতৰি পাই মহাত্মা অতিশয় দুঃখিত হয় আৰু ৭ এপ্ৰিলৰ দিনাই তেওঁ দিল্লীলৈ যাত্ৰা কৰে। কিন্তু পুলিচে তেওঁক বাটতে গ্ৰেপ্তাৰ কৰি পুনৰ বোম্বাইলৈ লৈ আহে। মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰা বাতৰিয়ে সমগ্ৰ দেশতে বিক্ষোভৰ জুই জ্বলালে আৰু মহাত্মাৰ আদেশমতে স্বাধীনতা সংগ্ৰামত সকলো ত্যাগ স্বীকাৰ কৰিবলৈ দেশবাসী প্ৰস্তুত

হ'ল। মহাত্মা গান্ধী ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত সৰ্ব্বতোভাৱে সোমাই পৰিল আৰু দেশে তেওঁৰ হাতত ভাগ্য নিয়ন্ত্ৰণৰ নেতৃত্ব তুলি দিলে।

মহাত্মা গান্ধীক গ্ৰেপ্তাৰ আৰু আটক কৰা বাতৰিত সমগ্ৰ দেশতে আৰু বিশেষকৈ দিল্লী আৰু পঞ্জাবত তীব্ৰ বিক্ষোভে দেখা দিলে। কোনো কোনো ঠাইত বৃটিছ নাগৰিক আৰু বিষয়াক মাৰধৰ আৰু হত্যা কৰাও হ'ল, অমৃতচৰ চহৰত গণ্ডগোল অলপ বেচি ধৰণৰেই হৈছিল। জেনাৰেল ওডায়াৰে ১৩ এপ্ৰিলৰ দিনা জালিয়ানওৱালাবাগ নামে ঠাইত হোৱা সভা এখনত সমবেত জনতাৰ ওপৰত নিৰ্ম্মম ভাবে গুলি চালনাৰ আদেশ দি হাজাৰ হাজাৰ নিৰীহ শান্ত মানুহক হত্যা আৰু আহত কৰিলে। এই অমানুষিক হত্যাকাণ্ডকে জালিয়ানওৱালাবাগ হত্যাকাণ্ড বোলা হয়। সমগ্ৰ দেশতে বিদ্ৰোহৰ অগ্নি জ্বলি উঠিল। ৰাওলাট আইনৰ কথা তল পেলাই এই ঘটনাই স্বাধীনতা সংগ্ৰামৰ বাবে দেশবাসীৰ চকু সম্পূৰ্ণভাবে মুকলি কৰি দিলে।

মহাত্মা গান্ধী পোনেই অমৃতচৰলৈ গ'ল আৰু তাৰ সকলো ঘটনা বুজি দিল্লীলৈ আহি হিন্দু-মুছলমানৰ মিলিত বিৰাট সভা এখনত অসহযোগ আন্দোলনত যোগ দিবলৈ দেশবাসীক আহ্বান জনালে। ভাৰতবৰ্ষৰ গবৰ্ণৰ জেনেৰেল আৰু ভাইচৰয়ক আগতীয়াকৈ সকলো জনাই মহাত্মা গান্ধী ১৯২০ চনৰ বিখ্যাত অসহযোগ আন্দোলনৰ গুৰি ধৰিলে। আন্দোলনৰ বাবে দেশবাসীক প্ৰস্তুত কৰিবলৈ মহাত্মাই গোটেই দেশতে ব্যাপক প্ৰচাৰ কাৰ্য্য চলালে আৰু আন্দোলনাত্মক কাৰ্য্যসূচীৰ লগতে সাংগঠনিক আৰু গঠনমূলক কাৰ্য্যসূচীৰ ওপৰতো গুৰুত্ব দিলে। চৰকাৰী উপাধি, অবৈতনিক চাকৰি, মনোনীত সভ্যপদ বৰ্জ্জন, চৰকাৰী স্কুল-কলেজ বৰ্জ্জন, আইন-আদালত বৰ্জ্জন, চৰকাৰী চাকৰি ত্যাগ, বিলাতী বস্ত্ৰ বৰ্জ্জন, খদ্দৰ প্ৰচলন, মাদকদ্ৰব্য বৰ্জ্জন আদি কাৰ্য্যসূচী তেওঁ দেশবাসীক দিলে। ভাৰতবৰ্ষৰ জনতাই এই কাৰ্য্যসূচী অন্তৰেৰে গ্ৰহণ কৰি স্বাধীনতা সংগ্ৰামৰ সৈনিক হিচাবে সকলো নিৰ্য্যাতন আৰু কষ্ট ভোগ কৰিবলৈ প্ৰস্তুত হ'ল।

অসহযোগ আন্দোলন

১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছৰ অধিবেশনত সৰ্ব্বসম্মতিক্ৰমে মহাত্মা গান্ধীৰ অহিংস অসহযোগ আন্দোলনৰ প্ৰস্তাব গৃহীত হ'ল। এই আন্দোলনৰ বাবে প্ৰস্তুত কৰা কাৰ্য্যসূচী কংগ্ৰেছে গ্ৰহণ কৰিলে। বিপুল উৎসাহেৰে ভাৰতবৰ্ষৰ এচাম লোকে এই কাৰ্য্যসূচী পালনত যোগ দিলে। ছাত্ৰসকলে স্কুল-কলেজ বৰ্জ্জন কৰিলে, উকীলে আদালত বৰ্জ্জন কৰিলে, বহুতে চৰকাৰী চাকৰি আৰু চৰকাৰে দিয়া উপাধি ত্যাগ কৰিলে, ছাত্ৰসকলৰ বাবে জাতীয় স্কুল-কলেজ প্ৰতিষ্ঠা কৰা হ'ল। বিবাদ গোচৰ আদি পঞ্চায়তৰ জৰিয়তে মীমাংসা কৰাৰ ব্যৱস্থা কৰা হ'ল। বিলাতী কাপোৰ বৰ্জ্জন কৰি হাতে কটা সূতাৰ কাপোৰ বৈ লবলৈ চেষ্টা চলিল। খদ্দৰ প্ৰচলন, বিলাতী কাপোৰ বৰ্জ্জন আৰু মাদকদ্ৰব্য বৰ্জ্জন—এই তিনিটা কথাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ল আৰু ৰাইজে এই কাৰ্য্যসূচী পালনত অভূতপূৰ্ব্ব সঁহাৰি দিলে। স্বৰাজৰ বাবে দেশবাসীৰ অন্তৰত বিৰাট আলোড়নৰ সৃষ্টি হ'ল। মহাত্মা গান্ধীৰ কথাই যাদুৰ দৰে দেশবাসীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে। মদ, ভাং, কানিৰ দোকানত অহিংস পিকেটিং চলিল আৰু হাজাৰ হাজাৰ লোকক চৰকাৰে গ্ৰেপ্তাৰ কৰি জেলত ভৰালে। চৰকাৰৰ দমন-নীতি তীব্ৰ হৈ উঠিল। কিন্তু মহাত্মাৰ বাণীত অনুপ্ৰাণিত স্বেচ্ছাসেৱক বাহিনী একোলৈ ভ্ৰূক্ষেপ নকৰি আন্দোলন তীব্ৰতৰ কৰি তুলিলে।

সেই বছৰতে যুৱৰাজ প্ৰিন্স অৱ ওৱেলচ ভাৰতলৈ আহে। মহাত্মা গান্ধীৰ নিৰ্দ্দেশত ভাৰতবৰ্ষই যুৱৰাজৰ ভাৰত ভ্ৰমণৰ কাৰ্য্যসূচীত যোগ নিদি অহিংসভাৱে হৰতাল পালন কৰিলে। ভাৰতৰ জনগণে যুৱৰাজক ক'তো কোনো সম্বৰ্দ্ধনা নজনালে আৰু তেওঁ যি ঠাইলৈ যায় তাত সিদিনা হৰতাল পালন কৰা হ'ল। বোম্বাইৰ কোনো কোনো ঠাইত এই হৰতাল শান্তিপূৰ্ণ আৰু অহিংস নহ'ল। ট্ৰাম-বাছ জ্বলাই দিয়া, দোকান লুটপাট কৰা, চাহাবী পোছাক পিন্ধা মানুহক মাৰধৰ কৰা আদি কিছুমান ঘটনা ঘটিল। এই ঘটনাবোৰৰ সুযোগ লৈ চৰকাৰে সামৰিক বাহিনীৰ সহায় লৈ ঠায়ে ঠায়ে গুলি চলালে আৰু বহুত

লোক হতাহত হ'ল। চৰকাৰে হিন্দু-মুছলমানৰ মাজত ভেদনীতি উদ্ভাৱন কৰিবলৈ উৎকট চেষ্টা চলালে আৰু কোনো কোনো ঠাইত কৃতকাৰ্য্যও হ'ল।

এই ঘটনাবিলাকৰ বাবে মহাত্মা গান্ধী বৰ আঘাত পালে আৰু হতাহত লোকৰ দায়িত্ব নিজে মূৰ পাতি লৈ জনতাৰ হৃদয় পৰিবৰ্ত্তন কৰিবলৈ আমৰণ অনশন আৰম্ভ কৰিলে। মহাত্মাৰ আমৰণ অনশনৰ সংকল্পত দেশবাসী চঞ্চল হৈ উঠিল আৰু হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ নেতৃস্থানীয় লোকসকলৰ প্ৰতিশ্ৰুতিত অনশন ভঙ্গ কৰিলে।

অসহযোগ আন্দোলন চলি থাকিল। অনশনৰ পিচত জনসাধাৰণ সংযত হ'ল আৰু অহিংসভাবেই আন্দোলন চলাবলৈ সচেষ্ট হ'ল। কিন্তু নানা প্ৰৰোচনাত আৰু কঠোৰ দমন-নীতিত চম্ভালি ৰাখিব নোৱাৰিলে। ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীত চৌৰিচৌৰাত এটা তীব্ৰ হিংসাত্মক ঘটনা ঘটিল। উন্মত্ত জনতাৰ লগত কিছুমান স্বেচ্ছাসেৱক মিলিত হৈ পুলিচ থানা আক্ৰমণ কৰি থানাঘৰ পুৰি পেলালে আৰু তাত থকা পুলিচ কৰ্ম্মচাৰীসকলৰ বাইশ জনক মাৰি পেলালে। এই নিৰ্ম্মম হত্যাকাণ্ডৰ কথা শুনি মহাত্মাই মৰ্ম্মান্তিক বেজাৰ পালে। দেশবাসী অসহযোগ আন্দোলনৰ উপযুক্ত হোৱা নাই বুলি কৈ তেওঁ অসহযোগ আন্দোলন ঘপৰাই বন্ধ কৰি দিলে। নেতৃস্থানীয় লোক-সকলৰ বহুতেই গান্ধীজীক আন্দোলন বন্ধ নকৰিবলৈ জোৰ দিয়াতো তেওঁ কাৰো কথা নামানিলে। আন্দোলন স্থগিত হ'ল। ইমানখিনি আগবাঢ়ি আন্দোলন বন্ধ কৰিব লগা হোৱাত দেশত অবসাদৰ ভাবে দেখা দিলে আৰু কৰ্ম্মীসকলৰ বহুতৰে মনত অসন্তোষৰ সৃষ্টি হ'ল।

হিংসাত্মক কাৰ্য্যকলাপৰ বাবে মহাত্মা গান্ধী অসহযোগ আন্দোলন স্থগিত ৰাখি গঠনমূলক কাৰ্য্যসূচীৰে দেশবাসীক স্বাৱলম্বী হবলৈ আৰু স্বাধীনতা সংগ্ৰামৰ বাবে অহিংস নীতিত প্ৰস্তুত কৰিবলৈ মন দিলে। সাম্প্ৰদায়িক সম্প্ৰীতি আৰু একতা, জাতীয়তাবোধ, অস্পৃশ্যতা বৰ্জ্জন, হৰিজন সকলৰ উন্নয়ন, খদ্দৰ প্ৰচলন, মাদকদ্ৰব্য বৰ্জ্জন, বিদেশী কাপোৰ বৰ্জ্জন আদি গঠনমূলক কাম-কাজত তেওঁ মনপুতি লাগিল।

চৌৰিচৌৰাত আৰু আন আন ঠাইত হোৱা হিংসাত্মক কাৰ্য্যৰ সুযোগ লৈ বৃটিছ চৰকাৰে জাতীয় আন্দোলন মৰিমূৰ কৰিবলৈ সকলো

প্ৰকাৰ দমন-নীতি কঠোৰ ভাৱে ল'লে আৰু মহাত্মা গান্ধীক দোষী সাব্যস্ত কৰি ৬ বছৰ ফাটেক দিলে। কিন্তু কাৰাগাৰত আবদ্ধ হৈ শৰীৰ অসুস্থ হৈ পৰাত দুবছৰৰ পাছত ১৯২৪ চনৰ ফেব্ৰুৱাৰী মাহত মহাত্মাক মুক্তি দিয়া হল।

বৃটিছ চৰকাৰে ভেদ-নীতিৰে শাসন কৰি ভাৰতবৰ্ষত সাম্প্ৰদায়িক অবিশ্বাস আৰু ঘৃণাৰ বীজ সিঁচিলে। বিশেষকৈ জাতীয়তাবাদী হিন্দুসকলৰ বিৰুদ্ধে মুছলমান সম্প্ৰদায়ৰ একশ্ৰেণী নেতাক সকলো প্ৰকাৰে উচটনি দি হিন্দু-মুছলমান সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰিলে। ১৯২৪ চনৰ চেপ্টেম্বৰ মাহত ভাৰতবৰ্ষৰ কেইবাঠাইতো হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক অশান্তি আৰু উন্মত্ততাত উভয় সম্প্ৰদায়ৰে বহুত লোক হতাহত হয়, সা-সম্পত্তি ধ্বংস হয় আৰু মান-মৰ্য্যাদা হানিকৰ নানা ব্যভিচাৰ ঘটে। মহাত্মা গান্ধী ইয়াৰ সুদূৰ পৰিণাম লক্ষ্য কৰি অতিশয় বিচলিত হৈ পৰে আৰু উভয় সম্প্ৰদায়ৰ মাজত পুনৰ সম্প্ৰীতি ঘূৰাই আনিবলৈ পাপৰ প্ৰায়শ্চিত্ত হিচাবে ২১ দিনীয়া অনশন আৰম্ভ কৰিলে। মহাত্মাৰ জীৱন ৰক্ষা কৰিবলৈ সকলো উদ্বিগ্ন হৈ পৰিল আৰু উভয় সম্প্ৰদায়ৰ নেতৃস্থানীয় লোকসকলে সাম্প্ৰদায়িক সম্প্ৰীতিৰ হকে কাম কৰিবলৈ লিখিত প্ৰতিশ্ৰুতি দিয়াত মহাত্মাই অনশন ভঙ্গ কৰিলে।

ভাৰতবৰ্ষক স্বায়ত্ত-শাসনৰ প্ৰতি আগুৱাই নিয়াৰ কথা কৈ অধিক পৰিমাণৰ কিমানদূৰ শাসন ক্ষমতা দিব পাৰি তাৰ তদন্ত কৰিবলৈ চাইমন কমিচন গঠন হয়। সেই কমিচনত কোনো ভাৰতীয় সদস্য নোলোৱা বাবে কংগ্ৰেছে সেই কমিচনৰ লগত সহযোগ নকৰি “চাইমন উভটি যোৱা”—ধ্বনিৰে এই কমিচন বৰ্জ্জন কৰে। ১৯২৮ চনত দেশজুৰি শ্ৰমিকসকলৰ ধৰ্ম্মঘট হয় আৰু এই আন্দোলনে শ্ৰমিকসকলৰ মাজত একতা আৰু জাতীয়তাবোধ আনি দিয়ে, এনেবিলাক আন্দোলনৰ মাজেদি ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ প্ৰস্তুতি অপৰোক্ষভাবে চলি থাকিল।

আইন অমান্য আন্দোলন

(ডাণ্ডি যাত্ৰা)

ভাৰতবৰ্ষৰ জাতীয় আন্দোলনত পণ্ডিত জৱাহৰলাল নেহেৰু আৰু সুভাষচন্দ্ৰ বসুৱে সক্ৰিয় অংশ গ্ৰহণ কৰাৰ লগে লগে এই আন্দোলনে সম্পূৰ্ণ বেলেগ ৰূপ ল'লে। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছত সভাপতিত্ব কৰি জৱাহৰলাল নেহেৰুৱে পূৰ্ণ-স্বাধীনতা কংগ্ৰেছৰ লক্ষ্য বুলি ঘোষণা কৰিলে আৰু এবছৰৰ ভিতৰত ভাৰতবৰ্ষৰ ক্ষমতা হস্তান্তৰ নকৰিলে প্ৰত্যক্ষ অহিংস সংগ্ৰামেৰে ভাৰতে স্বাধীনতা লাভ কৰিব বুলি সংকল্প গ্ৰহণ কৰিলে। পিচৰ বছৰৰে পৰা ২৬ জানুৱাৰী স্বাধীনতা দিবস হিচাবে পালন কৰি পূৰ্ণ-স্বাধীনতাৰ সংকল্প প্ৰতি বছৰে দোহৰা হৈছিল। মহাত্মা গান্ধীযে জৱাহৰলাল নেহেৰুৰ প্ৰতিভা, কৰ্ম্মশক্তি আৰু দেশপ্ৰেমৰ সন্ধান পাই জাতীয় আন্দোলনৰ নেতৃত্বৰ দায়িত্ব দিলে তেওঁৰ ওপৰত। স্বাধীনতা সংগ্ৰাম পৰিচালনাৰ সকলো কৰ্ত্তৃত্ব কংগ্ৰেছে মহাত্মাৰ ওপৰত ন্যস্ত কৰিলে আৰু তেওঁৰ নিৰ্দ্দেশ মতে জাতীয় সংগ্ৰামৰ সৈনিক হিচাবে কাম কৰিবলৈ দেশবাসী সংকল্প গ্ৰহণ কৰিলে।

১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ সিদ্ধান্ত অনুসৰি বৃটিছ চৰকাৰে কোনো সঁহাৰি নিদিয়াত ১৯৩০ চনৰ ভিতৰতে স্বাধীনতা সংগ্ৰাম আৰম্ভ কৰিবলৈ লোৱা হ'ল আৰু ১৯৩০ চনৰ ৪ মাৰ্চ্চত মহাত্মা গান্ধীয়ে সেই সময়ৰ ভাইচৰয় লৰ্ড আৰুইনলৈ আন্দোলনৰ সকলো প্ৰস্তুতিৰ কথা জনাই চৰমপত্ৰ দিলে। বিপক্ষক নজনোৱাকৈ মহাত্মাই কোনো কাৰ্য্যপন্থা গ্ৰহণ নকৰিছিল। এই চৰমপত্ৰত কোৱা হৈছিল যে যদি ১১ মাৰ্চ্চৰ ভিতৰত সন্তোষজনক উত্তৰ নাপায় তেন্তে আন্দোলনৰ প্ৰথম পৰ্য্যায় হিচাবে ১২ মাৰ্চ্চ তাৰিখে মহাত্মাই লোণ কৰৰ প্ৰতিবাদ কল্পে ডাণ্ডি উপকূললৈ গৈ লোণ তৈয়াৰ কৰিব। কিন্তু বৃটিছ চৰকাৰৰ গা নলৰিল।

১২ মাৰ্চ্চ তাৰিখে মহাত্মা গান্ধী সবৰমতী আশ্ৰমৰ পৰা লগৰ ৭৯ জন স্বেচ্ছাসেৱক লৈ ডাণ্ডি উপকূললৈ যাত্ৰা কৰিলে। ডাণ্ডি

উপকূল সবৰমতীৰপৰা প্ৰায় ২০০ মাইল আছিল। এই বাটছোৱা মহাত্মা আৰু সঙ্গীবৃন্দই খোজকাঢ়ি গৈছিল আৰু দিনে ১০।১২ মাইলতকৈ বেচি যাব নোৱাৰিছিল। এইদৰে খোজকাঢ়ি যোৱাৰ উদ্দেশ্য আছিল জনতাক আন্দোলনৰ তাৎপৰ্য্য বুজাই দিয়া আৰু আগন্তুক সংগ্ৰামৰ বাবে প্ৰস্তুত কৰা। এইদৰে গৈ মহাত্মা গান্ধী ৫ এপ্ৰিলৰ দিনা ডাণ্ডিৰ সাগৰৰ পাৰত উপস্থিত হ'ল, ৬ এপ্ৰিলৰ দিনা পুৱাই সদলবলে গৈ ডাণ্ডি উপকূলৰ পৰা তেওঁ লোণ তুলিলে আৰু আইন অমান্য কৰা বুলি ঘোষণা কৰিলে। এই ঘোষণা মতে মাদ্ৰাজ, বঙ্গদেশ আৰু উৰিষ্যাৰো সাগৰ উপকূলত লোণ তৈয়াৰ কৰিবলৈ ধৰিলে। মহাত্মাই ঘোষণা কৰিলে যে ৬ মেই তাৰিখে ধৰ্ষণাত থকা চৰকাৰী লোণ গুদামৰ পৰা সকলো লোণ উলিয়াই আনিবলৈ সত্যাগ্ৰহ কৰিব। ৫ মেই তাৰিখে দুপৰ ৰাতি সকলো টোপনিত পৰাত সুৰাট সত্যাগ্ৰহী শিবিৰত শুই থকা অৱস্থাত পুলিচে মহাত্মাক গ্ৰেপ্তাৰ কৰি ইয়াৰবাদা জেললৈ লৈ যায়। মহাত্মাক গ্ৰেপ্তাৰ কৰাৰ ফলত সত্যাগ্ৰহ আৰু তীব্ৰ ৰূপত চলিব ধৰিলে, চৰকাৰৰো দমন-নীতি কঠোৰ হৈ পৰিল। ডাণ্ডি আৰু আন আন ঠাইত সত্যাগ্ৰহীসকলক নিৰ্ম্মম ভাবে প্ৰহাৰ কৰা হ'ল, খাৱৈৰ পানীত পেলাই জুবুৰিয়ালে, লাঠি চালনা কৰি অসংখ্য লোকক আহত কৰিলে, হাজাৰ হাজাৰ লোকক গ্ৰেপ্তাৰ কৰি জেললৈ নিলে, কিছুমানক গ্ৰেপ্তাৰ কৰি নি ২০।৩০ মাইল দূৰৈত ৰাতি এৰি দি আহে আৰু অশেষ কষ্ট কৰি পুনৰ এই সত্যাগ্ৰহীসকলে শিবিৰলৈ ঘূৰি আহে। এইদৰে নানা অত্যাচাৰ চলিলেও সত্যাগ্ৰহ আন্দোলন পূৰাদমেই চলিল। শ্ৰীমতী সৰোজিনী নাইডুৱে ধৰ্ষণা সত্যাগ্ৰহৰ নেতৃত্ব কৰিছিল আৰু তেওঁৰ অগ্নিবৰষা বক্তৃতাত স্বেচ্ছাসেৱকসকল দুগুণ উৎসাহেৰে মৰণপণ কৰি আগুৱাই গৈছিল।

এইদৰে আন্দোলন চলি থাকোতে আপোচ-মীমাংসাৰো চেষ্টা চলি আছিল। অৱশেষত তেজবাহাদুৰ চাপ্ৰু, জয়াকৰ আদি একশ্ৰেণী মধ্য-পন্থী নেতাৰ চেষ্টাত ভাইচৰয আৰুইন আৰু মহাত্মা গান্ধীৰ মাজত চুক্তি সম্পাদিত হয় আৰু এয়েই বিখ্যাত 'গান্ধী-আৰুইণ পেক্ট' নামে জনাজাত হয়। এই চুক্তি অনুসৰি সকলো ৰাজনৈতিক বন্দীক মুক্তি দিয়া হ'ল, লোণ কৰ আইনৰ কঠোৰতা দূৰ কৰিবলৈ প্ৰতিশ্ৰুতি

দিয়া হ'ল আৰু ভাৰতৰ ৰাজনৈতিক সমস্যাৰ সমাধানৰ বাবে বিলাতত বহিব লগা যুৰণীয়া মেজ-মেজত গান্ধী যোগ দিব বুলি সন্মতি জনালে। আন্দোলন স্থগিত ৰখা হ'ল।

পুনৰ আন্দোলন

'গান্ধী-আৰুইন' চুক্তি মতে মহাত্মা গান্ধী যুৰণীয়া মেজ-মেলত যোগ দিবলৈ ১২ চেপ্টেম্বৰ তাৰিখে পণ্ডিত মদনমোহন মালব্য আৰু শ্ৰীমতী সৰোজিনী নাইডুক লগত লৈ লণ্ডনত উপস্থিত হ'ল। বিলাতত গান্ধীজীয়ে কংগ্ৰেছৰ আদৰ্শ, ভাৰতবাসীৰ আশা-আকাঙ্খা, বৃটিছ-চৰকাৰৰ ভাৰত শাসনৰ ক্ৰটি বিচ্যুতি আদি প্ৰচাৰ কৰিবৰ সুযোগ পালেও যুৰণীয়া মেজ-মেলত একো সিদ্ধান্ত ন'হল। মহাত্মা গান্ধীয়ে ভাৰতৰ জননেতা আৰু অহিংসাৰ পূজাৰী হিচাবে বিলাতত সকলোৰে সমাদৰ লাভ কৰিছিল। ল'ৰা-ছোৱালী আৰু বনুৱাসকলে তেওঁক নিজৰ কৰি লৈছিল। ৰাণীমাতাৰ আগ্ৰহত ৰাজপ্ৰাসাদলৈকো তেওঁ আমন্ত্ৰিত হৈছিল আৰু গোটেই লণ্ডন চহৰতে তেওঁ 'ফ্ৰীমেন' মৰ্য্যাদা পাইছিল। অৰ্থাৎ তেওঁ যোৱা গাড়ী বাহন আদিক সন্মান দেখুৱাই সকলোৱে বাট এৰি দিব লাগিছিল। কিন্তু ভাৰতৰ ৰাজনৈতিক সমস্যাৰ সমাধানত অকণো আগবাঢ়িব নোৱাৰিলে। বৃটিছ চৰকাৰে ভেদ-নীতিৰে ভাৰতৰ শাসন নিগাজী কৰিবলৈ মুছলীম লীগৰ নেতাসকলক, দেশীয় ৰাজ্যৰ ৰজাসকলক আৰু অনুন্নত সম্প্ৰদায়ৰ লোকসকলক জাতীয় আন্দোলনৰ বিৰুদ্ধে নানাপ্ৰকাৰে উচটনি দি সমস্যা সমাধানত হেঙাৰ দিলে। মহাত্মা গান্ধী শুদা হাতেৰে ভাৰতলৈ উভটি আহিল।

'গান্ধী-আৰুইন' চুক্তি মতে প্ৰতিশ্ৰুতি দিয়া চৰ্ত্ত পালনত বৃটিছ চৰকাৰে কোনো সহাৰি নিদিলে। হিংসাত্মক কাৰ্য্যত লিপ্ত বুলি বিচাৰ কৰি ভগৎ সিং, ৰাজগুৰু, শুকদেব আদি উগ্ৰপন্থী লোকসকলক ইতিমধ্যে ফাঁচী দিয়া হ'ল। দমন-নীতি চলি থাকিল। লোণকৰ উঠাই লোৱা নহ'ল; বৰং দমন-নীতি আৰু কটকটীয়া কৰিবলৈ নতুন নতুন আইন অৰ্ডিনেন্স প্ৰবৰ্ত্তন কৰিলে। ১৯৩২ চনৰ ১ তাৰিখে

কংগ্ৰেছ ওৱাৰ্কিং কমিটিয়ে পুনৰ আইন অমান্য আন্দোলন কৰিবলৈ প্ৰস্তাব ল'লে আৰু মহাত্মা গান্ধীক এই আন্দোলন পৰিচালনাৰ সম্পূৰ্ণ কৰ্ত্তৃত্ব দিলে। বৃটিছ চৰকাৰে ৪ জানুৱাৰী তাৰিখে মহাত্মা গান্ধীক বোম্বাইত ততালিকে গ্ৰেপ্তাৰ কৰি ইয়াৰবাদা জেলত আটক কৰি ৰাখিলে।

মহাত্মাজীক গ্ৰেপ্তাৰ কৰাৰ লগে লগে সমগ্ৰ দেশতে তীব্ৰ আন্দোলনৰ জোঁৱাৰ উঠিল। চৰকাৰেও দমন-নীতি অতি কঠোৰ ভাবে প্ৰবৰ্ত্তন কৰিলে। প্ৰায় ১ লাখ লোক জেললৈ গ'ল। নানা ঠাইত পুলিচৰ লাঠি চালনা, গুলিয়াগুলি, মাৰপিট আদিত বহুলোক নিহত আৰু আহত হ'ল। পাইকাৰী জৰিমনা আৰু ব্যাপক সা-সম্পত্তি বাজেয়াপ্তত বহুলোক নিৰ্য্যাতিত হ'ল। কিন্তু ইমান অত্যাচাৰ আৰু উৎপীড়ন কৰিও ৰাইজৰ মনোবল আৰু স্বাধীনতা আন্দোলনৰ প্ৰতিৰোধ শক্তিয়ে স্বাধীনতা আন্দোলন তীব্ৰ কৰি তুলিলে।

মহাত্মাজী কাৰাগাৰত আবদ্ধ হৈ থকা অৱস্থাতে বৃটিছ চৰকাৰে হিন্দু সম্প্ৰদায়ৰ মাজতো সাম্প্ৰদায়িক বিদ্বেষ স্থায়ী কৰাৰ উদ্দেশ্যে 'কমুনেল এৱাৰ্ড' বা সাম্প্ৰদায়িক বাটোৱাৰা ব্যৱস্থা প্ৰবৰ্ত্তন কৰাৰ খচৰা প্ৰকাশ কৰিলে। এই ব্যৱস্থাৰ ভৱিষ্যত পৰিণাম উপলব্ধি কৰি মহাত্মা অত্যন্ত বিচলিত হৈ পৰিল। এই ব্যৱস্থাৰ প্ৰতিবাদত কাৰাগাৰতে মহাত্মা গান্ধীয়ে ২০ চেপ্টেম্বৰ তাৰিখৰ পৰা আমৰণ অনশন আৰম্ভ কৰিলে। সমগ্ৰ দেশতে হাঁহাকাৰ লাগিল। উচ্চবৰ্ণ হিন্দু আৰু তপশীলভুক্ত সম্প্ৰদায়ৰ নেতৃস্থানীয় লোকসকলৰ চেষ্টাত আপোছ মীমাংসাক্ৰমে এই বাটোৱাৰা ব্যৱস্থা বাতিল কৰা হয় আৰু ২৬ চেপ্টেম্বৰ তাৰিখে মহাত্মাজীয়ে অনশন ভঙ্গ কৰে। ইয়েই বিখ্যাত 'পুণা' চুক্তি। এই চুক্তিমতে শাসন সংক্ৰান্ত বিষয়ত আইন সভাত আসনৰ সংখ্যা বিতৰণৰ মীমাংসা আপোছে কৰি লোৱা হয়। বৃটিছ চৰকাৰৰ কূট বুদ্ধিয়ে পৰাজয় মানিলে।

১৯৩৩ চনৰ ৮ মে তাৰিখে মহাত্মাজী কাৰাগাৰৰ ভিতৰতে নিজৰ আৰু সহকৰ্ম্মীসকলৰ আত্মশুদ্ধিৰ বাবে ২১ দিনীয়া অনশন পালন কৰিবলৈ লয়। চৰকাৰে জেলৰ ভিতৰত অনশন কৰিব দিয়াৰ দায়িত্ব লবলৈ টান পাই মহাত্মাক ৮ মেই তাৰিখেই মুক্তি দিয়ে। মহাত্মাই ডাঃ আনচাৰীৰ ঘৰত এই একৈশ দিনীয়া অনশন উদযাপন কৰে।

সেই বছৰতে ১৯৩৩ চনৰ ১ আগষ্টত চৰকাৰে সবৰমতী আশ্ৰমৰ ৩২ জন সভ্যৰে সৈতে মহাত্মাক পুনৰ গ্ৰেপ্তাৰ কৰে। কস্তুৰবাঈ গান্ধী, মহাদেৱ দেশাই, ৰাজাগোপালাচাৰীকো সবৰমতী আশ্ৰমত মহাত্মাৰ লগতে গ্ৰেপ্তাৰ কৰি জেলত থয়। কিন্তু কাৰাগাৰত স্বাস্থ্যৰ অবনতি হোৱাত অলপ দিনৰ পিচতে মহাত্মাক মুক্তি দিয়া হয়। কাৰাগাৰৰ পৰা মুক্তি লাভ কৰি মহাত্মা গান্ধী পুনৰ গঠনমূলক কাৰ্য্যসূচীত আৰু বিশেষকৈ হৰিজনসকলৰ সামাজিক প্ৰতিষ্ঠা আৰু উন্নয়নৰ কামত আত্মনিযোগ কৰে। হৰিজনসকলৰ উন্নয়নৰ বাবে মহাত্মা গান্ধীয়ে পুঁজি সংগ্ৰহ কৰে আৰু আ-অলঙ্কাৰকে আদি কৰি তিৰোতা পুৰুষ নিৰ্ব্বিশেষে মহাত্মাক বৰঙণি দিযে।

১৯৩৭ চনৰ নিৰ্ব্বাচনত কেইবাখনো ৰাজ্যত কংগ্ৰেছ চৰকাৰ গঠিত হয। মহাত্মাই এই ৰাজ্যিক চৰকাৰবিলাকক হৰিজন উন্নয়ন, অস্পৃশ্যতা বৰ্জ্জন আদি সংস্কাৰমূলক কামত জোৰ দিবলৈ নিৰ্দ্দেশ দিছিল। সেই অনুযাযী কেইবাখন আইনো প্ৰণযন কৰি এই সামাজিক অসমতা দূৰ কৰিবলৈ সক্ৰিয ব্যৱস্থা লোৱা হৈছিল।

দ্বিতীয় মহাসমৰ

(ব্যক্তিগত সত্যাগ্ৰহ)

১৯৩৯ চনত দ্বিতীয মহাসমৰ আৰম্ভ হ'ল। বৃটিছ চৰকাৰে ভাৰতীয় লোকৰ কোনো মতামত নোলোৱাকৈয়ে ভাৰতবৰ্ষক যুদ্ধৰত দেশ বুলি ঘোষণা কৰিলে। মহাত্মা গান্ধীয়ে এই যুদ্ধত ভাৰতৰ কোনো সম্পৰ্ক নাই বুলি এই ঘোষণাৰ প্ৰতিবাদ জনালে আৰু কংগ্ৰেছ মহাসভাই বিভিন্ন ৰাজ্যত প্ৰতিষ্ঠিত হোৱা কংগ্ৰেছী মন্ত্ৰীমণ্ডলীক পদত্যাগ কৰিবলৈ নিৰ্দ্দেশ দিলে। কংগ্ৰেছে পদত্যাগ কৰা ৰাজ্যৰ বেচিভাগতেই মুছলীম লীগ মন্ত্ৰীসভাই শাসনৰ দাযিত্ব ল'লে আৰু চৰকাৰে হিন্দু-মুছলমানৰ সাম্প্ৰদাযিক বিদ্বেষ বঢ়োৱাত উচটনি দিলে।

সাম্প্ৰদাযিক বিদ্বেষৰ মনোভাব দূৰ কৰিবলৈ মহাত্মা গান্ধী, জৱাহৰলাল নেহেৰু আৰু জিন্নাৰ লগত দুদিনীয়া আলোচনা চলিল। কিন্তু জিন্নাৰ

আঁকোৰ-গজালি মনোভাবৰ কাৰণে আলোচনা ব্যৰ্থ হ'ল। সাম্প্ৰদায়িক বিদ্বেষ বাঢ়িবহে ধৰিলে। ১৯৪৩ চনত মহাত্মা গান্ধীয়ে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ প্ৰতিশ্ৰুতি বৃটিছ চৰকাৰৰ পৰা বিচাৰিলে আৰু প্ৰতিশ্ৰুতি পালে দেশৰ প্ৰতিৰক্ষাৰ কামত কংগ্ৰেছে সহযোগ কৰিব বুলি জনালে। কিন্তু চৰকাৰে কোনো প্ৰতিশ্ৰুতি নিদিলে।

কংগ্ৰেছ পুনৰ প্ৰত্যক্ষ সংগ্ৰাম চলাবলৈ সিদ্ধান্ত কৰিলে। আন্দোলন পৰিচালনাৰ নেতৃত্ব মহাত্মা গান্ধীৰ ওপৰত ন্যস্ত হ'ল। মহাত্মা গান্ধী এইবাৰ জনসাধাৰণৰ ব্যাপক সত্যাগ্ৰহ নকৰি ব্যক্তিগত সত্যাগ্ৰহ চলাবলৈ সিদ্ধান্ত কৰিলে। গান্ধীজীয়ে নিজে সত্যাগ্ৰহী মনোনীত কৰাৰ দায়িত্ব ল'লে। সত্যাগ্ৰহীয়ে আগেয়ে চৰকাৰক জাননী দি নিৰ্দ্দিষ্ট ঠাইত নিৰ্দ্দিষ্ট সময়ত যুদ্ধবিৰোধী প্ৰচাৰ চলাব। এই যুদ্ধ সাম্ৰাজ্য-বাদী যুদ্ধ। এই যুদ্ধত ভাৰতীয় লোকৰ কোনো সম্পৰ্ক নাই। ভাৰতক বলেৰে যুদ্ধত লিপ্ত কৰোৱা হৈছে। ভাৰতীয় লোকে ধনেজনে যেন কোনো যুদ্ধ-প্ৰস্তুতিত সহায় নকৰে। এয়ে আছিল ব্যক্তিগত সত্যাগ্ৰহৰ কাৰ্য্য প্ৰণালী।

১৯৪০ চনৰ ১৭ অক্টোবৰত মহাত্মাৰ প্ৰিয় শিষ্য সন্ত বিনোৱা ভাবে প্ৰথম ব্যক্তিগত সত্যাগ্ৰহ কৰে। তাৰ পিচত নামৰ তালিকামতে সমগ্ৰ ভাৰতবৰ্ষতে নেতৃস্থানীয় লোকসকলক ব্যক্তিগত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ হবলৈ পঠিওৱা হয়। আমাৰ অসমতো লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰথম সত্যাগ্ৰহী হয়। এইদৰে প্ৰায় পাঁচ হাজাৰ নেতৃস্থানীয় লোকে সত্যাগ্ৰহ কৰি জেললৈ যায়। তাৰ পিচত অৱশ্যে সত্যাগ্ৰহীসকলক গ্ৰেপ্তাৰ নকৰা হ'ল। গ্ৰেপ্তাৰ নকৰা সত্যাগ্ৰহীক ঘৰলৈ উভটি নগৈ নিজ নিজ জিলাত যুদ্ধত সহায় নকৰিবলৈ যুদ্ধবিৰোধী ধ্বনি কৰি প্ৰচাৰকাৰ্য্য চলাবলৈ নিৰ্দ্দেশ দিয়া হৈছিল।

১৯৪২ চনত যুদ্ধৰ গতি মিত্ৰপক্ষৰ বিপৰীতে যোৱা যেন হ'ল। ভাৰতবৰ্ষৰ সহযোগ লাভ কৰিবলৈ ভাৰতীয় নেতাসকলৰ লগত ভাৰতবৰ্ষৰ ভৱিষ্যৎ শাসন ব্যৱস্থা সম্পৰ্কে আলোচনা কৰিবলৈ বৃটিছ পাৰ্লামেণ্টৰ নিৰ্দ্দেশত মিঃ ক্ৰিপচ্ ভাৰতলৈ আহিল। সত্যাগ্ৰহী বন্দীসকলক বিনা চৰ্ত্তে মুক্তি দিয়া হ'ল। কিন্তু ক্ৰিপচ্ চাহাবে অনা খচৰাত মহাত্মা গান্ধী পতিয়ন নগ'ল। তেওঁ ক্ৰিপচ চাহাবৰ প্ৰস্তাৱক 'পাচৰ তাৰিখ দি

আগতীয়াকৈ দিয়া চেক' বুলি আখ্যা কৰিলে। কংগ্ৰেছে ক্ৰিপচ্ চাহাবৰ প্ৰস্তাব প্ৰত্যাখ্যান কৰিলে আৰু ক্ৰিপচ্ উভটি গ'ল।

বিয়াল্লিছৰ আন্দোলন

ব্যক্তিগত সত্যাগ্ৰহ চলি থাকিলেও বৃটিছ চৰকাৰে ভাৰতত যুদ্ধ প্ৰচেষ্টাত বিশেষ একো অসুবিধা নাপালে। মুছলীম লীগে যুদ্ধ প্ৰচেষ্টাত সৰ্ব্বতোভাবে সহায় কৰিলে। ভাৰতৰ আন দুই এক ৰাজনৈতিক দলেও যুদ্ধ প্ৰচেষ্টাত পূৰ্ণ সহযোগ কৰিলে। চৰকাৰে প্ৰয়োজনতকৈও অধিক ৰছদ-পাতি মজুত কৰিব ধৰিলে। দেশত খাদ্যবস্তুৰ নাটনি পৰিল। বঙ্গদেশত দুৰ্ভিক্ষত প্ৰায় ৩০ লাখ লোক খাবলৈ নাপাই মৰিল। জাপানৰ হাতত পূব প্ৰান্তত যুদ্ধৰ গতি বিপৰ্য্যস্ত হোৱাৰ লগে লগে গোটেই ভাৰতবৰ্ষকে যুদ্ধৰ ছাউনিত পৰিণত কৰাৰ দৰে কৰি পেলালে। যানবাহন, ৰেলগাড়ী, সকলো যুদ্ধৰ কামত নিযোজিত হ'ল। নাগৰিকৰ জীৱন-যাপন সকলোপিনৰ পৰাই বিপদাপন্ন হৈ পৰিল। এনে পৰিস্থিতিত ১৯৪২ চনৰ আগষ্ট মাহৰ ৭ আৰু ৮ তাৰিখে বোম্বাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মহাত্মা গান্ধীৰ ঐতিহাসিক 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰিলে। বৃটিছ চৰকাৰে স্বইচ্ছাৰে ভাৰত ত্যাগ কৰি উভতি যাব লাগে। ভাৰতবাসীয়ে ভাৰতৰ শাসনকাৰ্য্য চলাব আৰু প্ৰতিৰক্ষাৰ ব্যৱস্থা লব।

এই প্ৰস্তাৱ গ্ৰহণ কৰি কংগ্ৰেছে মহাত্মা গান্ধীক আন্দোলন পৰিচালনাৰ ভাৰ দিলে। মহাত্মা গান্ধীৰ দূৰদৰ্শিতাই বুজিব পাৰিছিল যে বৃটিছ চৰকাৰে তেওঁক আন্দোলন পৰিচালনাৰ সুযোগ নিদিব।

'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহীত হোৱাৰ পিচতেই মহাত্মা গান্ধীয়ে এই আন্দোলন পৰিচালনা কৰিবলৈ কোনো নেতা জেলৰ বাহিৰত নাথাকিলেও নিজৰ বিবেকৰ নিৰ্দ্দেশ মানি চলিবলৈ দেশবাসীক নিৰ্দ্দেশ দিলে। 'কৰিম বা মৰিম' (Do or die) এই মহামন্ত্ৰ মহাত্মা গান্ধী বোম্বাইৰ সেই ঐতিহাসিক অধিবেশনত উদ্দীপ্ত কণ্ঠে দেশবাসীক ধ্বনি হিচাবে দিলে।

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভা সামৰণি পৰাৰ পিচতে ৰাতি

পুৱাবলৈ নৌ পাওঁতেই বোম্বাইত মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ সদস্য আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলক গ্ৰেপ্তাৰ কৰা হ'ল। সমগ্ৰ দেশতে বিপ্লৱৰ বহ্নি জ্বলি উঠিল। মহাত্মাই দি যোৱা 'কৰিম বা মৰিম' মহামন্ত্ৰৰ ধ্বনি তুলি অগণন জনতাই বৃটিছৰ সকলো নিৰ্য্যাতন আৰু নিৰ্ম্মম উৎপীড়ন আওকাণ কৰি ব্যাপক আন্দোলন গঢ়ি তুলিলে। ঠায়ে ঠায়ে মৃত্যু-বাহিনী গঠিত হ'ল। হাতত ত্ৰিৰঙ্গ জাতীয় পতাকা লৈ হাজাৰ হাজাৰ নৰনাৰী বৃটিছ চৰকাৰৰ পুলিচ আৰু সামৰিক বাহিনীৰ গুলিত শ্বহীদ হ'ল। চৰকাৰে কঠোৰ দমন-নীতি প্ৰবৰ্ত্তন কৰিলে। ঠায়ে ঠায়ে আন্দোলনে হিংসাত্মক ৰূপ ল'লে। জনতাক পৰিচালিত কৰিবলৈ কোনো নেতা নথকাত জনতাই নিজে নেতৃত্ব ললে। ভাৰতীয় লোকে সকলো উৎপীড়ন আওকাণ কৰি বৃটিছ শক্তিক প্ৰতিৰোধ কৰিলে।

ব্যাপক হিংসাত্মক কাৰ্য্য সংঘটিত হোৱাত মহাত্মা গান্ধী কাৰাগাৰতে বিচলিত হৈ পৰিল। কংগ্ৰেছে হিংসাত্মক কাৰ্য্য কৰোৱা বুলিও চৰকাৰ আৰু কংগ্ৰেছ-বিৰোধী দলে প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰাত মহাত্মাই বিষম দুখ পালে। ইযাৰ প্ৰতিবাদকল্পে আৰু হিংসাত্মক কাৰ্য্যৰ প্ৰায়শ্চিত্ত হিচাবে ২১ দিনীয়া অনশনৰ সংকল্প লৈ ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰীৰ পৰা মহাত্মাই অনশন আৰম্ভ কৰিলে। বৃটিছ চৰকাৰে মহাত্মাক এইবাৰ কোনোমতেই মুক্তি নিদিলে। মহাত্মাজী ২১ দিনীয়া অনশত ব্ৰত উদযাপন কৰিলে। অনশন ভালে ভালে অন্ত পৰাত সমগ্ৰ দেশবাসীয়ে শান্তিৰ নিশ্বাস পেলালে।

বন্দী অৱস্থাত থাকোতেই ১৯৪৪ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে মহাত্মাৰ সহধৰ্ম্মিণী কস্তুৰবাঈ গান্ধীৰ মৃত্যু হয়। কস্তুৰবাঈ গান্ধীৰ মৃত্যুৰ কিছুদিন পিচতেই মহাত্মা গান্ধীৰ প্ৰিয় সহচৰ আৰু ব্যক্তিগত সচিব মহাদেৱ দেশাইৰো বন্দী অৱস্থাতে কাৰাগাৰত মৃত্যু হয়। মহাত্মা গান্ধীয়ে দেশৰ এনে বিপদৰ সময়ত এই দুটা ডাঙৰ শোক পালে। অৱশেষত ১৯৪৫ চনৰ ৬ মেই তাৰিখে মহাত্মা গান্ধীক বিনা চৰ্ত্তে মুক্তি দিয়া হ'ল। ইয়াৰ পিচত মহাত্মাজী আৰু কাৰাবাসী হবলগা হোৱা নাছিল। মহাত্মা গান্ধী ভাৰতবৰ্ষত ২০৮৯ দিন আৰু দক্ষিণ আফ্ৰিকাত ২৪৯ দিন, মুঠতে ২৩৩৮ দিন কাৰাগাৰত বন্দী অৱস্থাত কটায়।

যুদ্ধৰ সামৰণি পৰিল। মিত্ৰপক্ষ জয়ী হ'ল। ১৯৪৬ চনত ভাৰত-সচিব পেথিক লৰেন্সৰ নেতৃত্বত পুনৰ কেবিনেট মিছন ভাৰতলৈ আহিল। যুদ্ধৰ অন্তত ভাৰতত সাম্প্ৰদায়িক বিদ্বেষ তীব্ৰতৰ হৈ উঠিছিল। বৃটিছ চৰকাৰৰ সমৰ্থন আৰু উচটনিত মুছলীম লীগে কোনোমতেই কংগ্ৰেছৰ লগত আপোছ আলোচনালৈ নাহিল। কেবিনেট মিছনে গ্ৰুপিঙৰ প্ৰস্তাৱ আগবঢ়ালে। অসমৰ কাৰণে এই প্ৰস্তাৱ মাৰাত্মক আছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ মহাত্মা গান্ধীৰ আশীৰ্ব্বাদ শিৰত লৈ অসমৰ হৈ এই গ্ৰুপিং প্ৰস্তাৱৰ তীব্ৰ প্ৰতিবাদ কৰে। অবশেষত কেবিনেট মিছনৰ প্ৰস্তাৱ ব্যৰ্থ হয়। অসমে ভাৰতৰ নতুন বুৰঞ্জী ৰচনা কৰিলে। বৃটিছ চৰকাৰে ঘোষণা কৰিলে যে ১৯৪৮ চনৰ জুন মাহত ভাৰতৰ শাসন ক্ষমতা ভাৰতবাসীৰ হাতত হস্তান্তৰ কৰিব। শাসন ক্ষমতা লবলৈ ভাৰত প্ৰস্তুত হব লাগিব।

১৯৪৬ চনৰ হত্যাকাণ্ড

মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে ভাৰতৰ অখণ্ডতা ৰক্ষাৰ কাৰণে চেষ্টা কৰি আহিছিল। মুছলীম লীগে মুছলমান সংখ্যাগৰিষ্ঠ ৰাজ্য কেইখনক লৈ ভাৰত বিভাজন কৰি পাকিস্তান গঠনৰ বাবে আঁকোৰ-গজালি মনোভাব লৈ আহিছিল। কেবিনেট মিছনৰ প্ৰস্তাৱ ব্যৰ্থ হোৱাত মুছলীম লীগে পাকিস্তানৰ দাবীত প্ৰত্যক্ষ সংগ্ৰাম চলাবলৈ সিদ্ধান্ত ল'লে। হঠাতে ১৯৪৬ চনৰ ১৬ আগষ্টত কলিকতাত মুছলীম লীগৰ প্ৰৰোচনাত হিন্দুসকলৰ ওপৰত ব্যাপক হত্যাকাণ্ড আৰম্ভ হ'ল। দিল্লী, পঞ্জাব, কানপুৰ আদি চহৰতো ব্যাপক আৰু বীভৎস হত্যাকাণ্ড চলিল। হিন্দুসকলেও মুছলমানৰ ওপৰত প্ৰতিশোধ লবলৈ হত্যাকাণ্ড আৰম্ভ কৰিলে। উভয় সম্প্ৰদায়ৰ হাজাৰ হাজাৰ লোক মৰিল। ব্যাপক অগ্নিকাণ্ডত লাখ লাখ লোক গৃহহীন হ'ল। হত্যা, অগ্নিসংযোগ, লুটপাতত এই চহৰবোৰ উচ্ছন্ন হোৱাৰ পৰিস্থিতি দেখা দিলে। সামৰিক বাহিনী চহৰ অঞ্চলত অশান্তি দমন কৰিলে যদিও এই হত্যাকাণ্ড ক্ৰমে গাওঁবিলাকলৈ বিয়পিল। অক্টোবৰ মাহৰ ১০ তাৰিখে পূৰ্ব্ববঙ্গৰ

নোৱাখালিত মুছলমান সকলে সংখ্যালঘু হিন্দুসকলক আক্ৰমণ কৰি ব্যাপক হত্যাকাণ্ডৰ সৃষ্টি কৰিলে। অনেক হিন্দুক বলেৰে মুছলমান কৰিলে। তিৰোতাৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে। পূৰ্ব্ববঙ্গৰ হিন্দুৰ আৰ্ত্তনাদত দেশ কঁপি উঠিল।

নোৱাখালিৰ প্ৰতিশোধ বিহাৰত আৰম্ভ হ'ল। হিন্দুসকলে ব্যাপক ভাবে মুছলমানৰ ওপৰত আক্ৰমণ চলালে। দেশত তেজৰ নদী বৈ গ'ল।

মহাত্মা গান্ধী অতিশয় বিচলিত হৈ পৰিল। শান্তিৰ বাণী বহন কৰি মহাত্মাই নোৱাখালিত ঘৰে ঘৰে খোজকাঢ়ি ফুৰিলে। নোৱাখালিত ত্ৰিশখন গাৱঁত খোজকাঢ়ি শান্তিৰ বাণী প্ৰচাৰ কৰি মহাত্মা বিহাৰলৈ গ'ল। বিহাৰতো তেওঁৰ শান্তিৰ বাণীৰে উন্মত্ত জনতাক শান্ত কৰিলে। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ নেতাসকলে যি কোনো উপায়ে সাম্প্ৰদায়িক শান্তি ঘূৰাই আনিবলৈ উদ্বিগ্ন হৈ উঠিল। দেশৰ স্বাধীনতা লাভৰ আশা যিমানেই ওচৰ চাপি আহিল ভাৰতৰ হিন্দু আৰু মুছলমান নেতাসকলে মিলিজুলি বৃটিছ চৰকাৰৰ পৰা ক্ষমতা লবলৈ কোনোমতেই একমত হব নোৱাৰিলে। কংগ্ৰেছ হিচাবে ভাৰতৰ অখণ্ডতা, সাম্প্ৰদায়িক শান্তি, জাতীয়তাবোধ বিচাৰিলে আৰু মুছলীম লীগে পোষণ কৰিলে দ্বিজাতীয় নীতি, ভাৰত বিভাজন আৰু পাকিস্তান। এই তীব্ৰ মতদ্বৈধৰ বাবে ১৯৪৬ চনত ভাৰতবৰ্ষ সাম্প্ৰদাযিক বিষত আকৌ ৰক্তপ্লাবিত হ'ল; অথচ কোনো মীমাংসা নহ'ল। মহাত্মা গান্ধী নোৱাখালি আৰু বিহাৰত উন্মত্ত জনতাৰ হৃদযত মানবতা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ দুৱাৰে দুৱাৰে শান্তি আৰু মৈত্ৰীৰ বাণী প্ৰচাৰ কৰি ফুৰা সমযতে কংগ্ৰেছে মহাত্মাৰ অনুমোদন সাপেক্ষে উপায়ান্তৰ হৈ ভাৰতবৰ্ষৰ বিভাজনত সন্মতি দিলে। মহাত্মাই ভাৰত বিভাজনৰ প্ৰস্তাৱৰ কথা শুনি মৰ্ম্মান্তিক দুখ পালে। পবিত্ৰ ভাৰতভূমিৰ স্বাধীনতাৰ বাবে সংগ্ৰাম কৰি আহি ধৰ্ম্মৰ ভিত্তিত ভাৰতবৰ্ষ দ্বিখণ্ডিত হব লগা হোৱাত তেওঁৰ অন্তৰ বেজাৰত উপচি পৰিল। মহাত্মাই কৈছিল ভাৰতবৰ্ষৰ বিভাজনে হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক অশান্তি চিৰস্থায়ীহে কৰিব। এই প্ৰস্তাৱ দুয়ো সম্প্ৰদায়ৰ বাবেই পাপকাৰ্য্য হব। কিন্তু যেতিয়া তেওঁ দেখিলে প্ৰায় সকলোৱেই উপায়ন্তৰ হৈ এই প্ৰস্তাৱত

সম্মতি দিছে তেওঁ ইয়াত বাধা দিয়া উচিত নহব বুলি ভাবিলে। তেওঁ দুখেৰে কৈছিল, "হিন্দু আৰু মুছলমান উভয়ে একে ভাই বন্ধুৰ দৰে একেলগে বসবাস কৰিব—ভগবানে যেন মোৰ এই সপোন চৰিতাৰ্থ কৰে। ভাৰতৰ এক অংশত হিন্দুৱে বাস কৰিব আৰু একে ভাৰতবৰ্ষৰে আন এক অংশত মুছলমানসকলে বাস কৰিব—এনে শোকাবহ অৱস্থা দেখাৰ আগতে ঈশ্বৰে যেন মোক মাৰি নিয়ে।" মহাত্মাৰ সপোনৰ ভাৰত নাথাকিল। ভাৰত খণ্ডিত হ'ল।

১৯৪৭ চনৰ পোন্ধৰ আগষ্ট

মহাত্মা গান্ধী ভাৰত বিভাজনৰ প্ৰস্তাৱত কোনো দিনেই সন্মতি দিয়া নাছিল। ভাৰতবাসীৰ দ্বিজাতীয় সূত্ৰ তেওঁ কোনো দিনেই মানি লব পৰা নাছিল। হিন্দু পৰিয়ালৰ লোক এজনে ইছলাম ধৰ্ম্ম গ্ৰহণ কৰিলেই ভাৰতীয় হৈ থাকিব নোৱাৰে জিন্নাৰ এনে অদ্ভুত আৰু উদ্‌ভ্ৰান্ত যুক্তি তেওঁ মানি লব নোৱাৰিছিল। কিন্তু জাতীয়তাবাদ জিন্নাৰ তীব্ৰ সাম্প্ৰদায়িকতাবাদত পৰাভূত হ'ল। বৃটিছ চৰকাৰে পোষণ আৰু তোষণ কৰি অহা ভেদনীতিৰেই জয় হ'ল। বৃটিছ চৰকাৰৰ প্ৰতিনিধি হিচাবে চতুৰ লৰ্ড মাউণ্টবেটেন ভাৰতৰ ভাইচৰয় হৈ আহিল। ইংলণ্ডৰ প্ৰধান মন্ত্ৰী লৰ্ড এটল ১৯৪৮ চনৰ জুনৰ মাহৰ ভিতৰতে ভাৰতক ক্ষমতা হস্তান্তৰ কৰাৰ ঘোষণা কৰি থৈছে। মাউণ্টবেটেনে কংগ্ৰেছৰ নেতৃবৃন্দ আৰু জিন্নাৰ লগত অহৰ্নিশে আলোচনা কৰি ক্ষমতা হস্তান্তৰৰ দিহা কৰিলে। পঞ্জাব, বঙ্গ আৰু অসম প্ৰদেশৰ মুছলমান সংখ্যাগৰিষ্ঠ অংশ আৰু সিন্ধু প্ৰদেশৰ বৃটিছ বেলুচিস্থান লৈ পাকিস্তান গঠিত হব আৰু বাকী অংশ ভাৰতবৰ্ষ হৈ থাকিব। দেশীয় ৰাজ্যবিলাকে নিজ ইচ্ছা অনুসৰি ভাৰত বা পাকিস্তানত যোগ দিব পাৰিব। সেই সূত্ৰমতে ভাৰত খণ্ডিত হ'ল।

মহাত্মা গান্ধীয়ে প্ৰাৰ্থনা সভাত কৈছিল, ভাৰত ভিভাজন বা কোনো প্ৰদেশ বিভাজন নিৰ্জলা পাপ আৰু গৰ্হিত ব্যৱস্থা। ই কেতিয়াও শান্তি প্ৰবৰ্ত্তন কৰিব নোৱাৰে। মহাত্মাই মাউণ্টবেটেনক দেখা কৰি

ভাৰত বিভাজন হোৱাৰ আগতে অৰাজক অৱস্থাত ভাৰতক এৰি তেওঁক গুছি যাবলৈকো পৰামৰ্শ দিছিল। গান্ধীৰ কথা কোনোৱে নুশুনিলে। তেওঁ আক্ষেপ কৰি কৈছিল—"মই এতিয়া অচল টকা।"

১৯৪৭ চনৰ পোন্ধৰ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। ভাৰতবৰ্ষ পাকিস্তান আৰু ভাৰতবৰ্ষত বিভক্ত হ'ল। ১৪ আগষ্টৰ মাজনিশা বৃটিছ চৰকাৰে ভাৰত আৰু পাকিস্তানক শাসন ক্ষমতা অৰ্পণ কৰিলে। সমগ্ৰ দেশ আনন্দত মতলীয়া হৈ উঠিল। সমগ্ৰ দেশতে উৎসবমুখৰ অনুষ্ঠানেৰে স্বাধীনতাক আদৰণি জনোৱা হ'ল।

কিন্তু মহাত্মা গান্ধী স্বাধীনতা লাভৰ কোনো উৎসবত যোগ নিদিলে। ভাৰত বিভাজন তেওঁৰ মতে আছিল নৈতিক শোকাবহ ঘটনা। তেওঁৰ বত্ৰিশ বছৰীয়া সংগ্ৰামৰ এই পৰিণতি অপযশ আৰু লজ্জাজনক বুলি প্ৰতীয়মান হৈছিল। তেওঁ কৈছিল—"মই ১৫ আগষ্টৰ কোনো উৎসবত যোগদান কৰিব নোৱাৰো।" স্বাধীনতাই স্বাধীনতা সংগ্ৰামৰ প্ৰধান সেনানায়কলৈ আনিলে গভীৰ হতাশা আৰু অবসাদ। দিল্লীৰ উৎসবত নাথাকি মহাত্মা গান্ধী কলিকতাৰ সাম্প্ৰদায়িক অশান্তিত বিধ্বস্ত হোৱা ঠাইলৈ গুছি আহিল। ১৫ আগষ্টৰ গোটেই দিনটো মহাত্মাই অনশন কৰিলে আৰু প্ৰাৰ্থনা কৰি কটালে।

জীৱন বন্তি নুমাল

১৯৪৫ চনত কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ পিছৰে পৰাই মহাত্মা গান্ধী সদায় আবেলি প্ৰাৰ্থনা সভাত সমবেতভাবে প্ৰাৰ্থনা কৰিছিল। প্ৰাৰ্থনাৰ অন্তত উপস্থিত ৰাইজক সম্বোধন কৰি নানা বিষয়ত ভাষণ দিছিল। মহাত্মা য'লৈকে যায় তাতে প্ৰাৰ্থনা সভাত জনতাই দৰ্শন পাবৰ বাবে যোগ দিছিল।

১৯৪৭ চনৰ পোন্ধৰ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা পালেও সাম্প্ৰদায়িক অশান্তিৰ ওৰ নপৰিল। পশ্চিম পঞ্জাবত অমুছলমান লোকৰ ওপৰত ব্যাপক হত্যাকাণ্ড চলিল আৰু ফলত পাকিস্তানৰ ভাগত পৰা পশ্চিম পঞ্জাবত অমুছলমান লোক নিশ্চিহ্ন কৰি পেলোৱা হ'ল। হয়

তেওঁলোক নিহত হ'ল নাইবা শৰণাৰ্থী হিচাবে পশ্চিম পঞ্জাব ত্যাগ কৰি ভাৰতলৈ গুচি আহিল। সাম্প্ৰদায়িক অশান্তি পুনৰ দেখা দিলে। সাম্প্ৰদায়িক সম্প্ৰীতি প্ৰবৰ্ত্তনৰ বাবে মহাত্মা গান্ধী ১৯৪৮ চনৰ ১৩ জানুৱাৰী তাৰিখে দিল্লীত পুনৰ আমৰণ অনশন ব্ৰত আৰম্ভ কৰিলে। এইবাৰো উভয় সম্প্ৰদায়ৰ লোকে সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে সকলো চেষ্টা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়াত মহাত্মা গান্ধী অনশন ভঙ্গ কৰিলে।

মহাত্মা গান্ধী আছিল সত্য আৰু অহিংসাৰ পূজাৰী। অন্তৰতম প্ৰদেশৰ বাণী সাৰোগত কৰি মহাত্মাই কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিছিল। সাম্প্ৰদায়িক সম্প্ৰীতি, বিশেষকৈ ভাৰতৰ হিন্দু আৰু মুছলমানসকলৰ মাজত দেখা দিয়া তীব্ৰ সাম্প্ৰদায়িক বিৰোধ নাশ কৰিবৰ বাবে মহাত্মাই আজীৱন চেষ্টা কৰিছিল। নিৰপেক্ষভাবে মহাত্মাই বেয়া কামৰ বাবে হিন্দু মুছলমান উভয় সম্প্ৰদায়কে প্ৰয়োজন বুজি গৰিহণা দিছিল।

মুছলমানসকলৰ ওপৰত প্ৰতিশোধমূলক আচৰণ ললেই মহাত্মাই মুছলমানসকলক ৰক্ষা কৰিবলৈ অনশন কৰি হিন্দুসকলক বিমোৰত পেলোৱা বুলি আৰু সকলো কথাতে হিন্দুৰ স্বাৰ্থলৈ নাচাই মুছলমান সকলক তোষণ কৰা বুলি একশ্ৰেণীৰ উগ্ৰপন্থী হিন্দু সাম্প্ৰদায়িকতা-বাদী লোকে মহাত্মা গান্ধীক দোষাৰোপ কৰি আহিছিল। পাকিস্তানে ভাৰতক দিবলগা টকাৰ অংশ পৰিশোধ নকৰাকৈ মহাত্মা গান্ধীৰ পৰামৰ্শত পাকিস্তানক বিনাচৰ্ত্তে ৫৫ কোটি টকা ভাৰত চৰকাৰে দিয়াত সেই শ্ৰেণীৰ হিন্দু সাম্প্ৰদায়িকতাবাদী লোকসকল মহাত্মাৰ প্ৰতি আৰু ক্ৰোধান্বিত হৈ উঠিল। ইয়াক তেওঁলোকে মহাত্মাৰ মুছলীম প্ৰীতি বুলি অভিযোগ কৰিলে। মহাত্মাৰ প্ৰাণ নাশৰ বাবে গোপন ষড়যন্ত্ৰ চলিব ধৰিলে। সত্য আৰু অহিংসাৰ পূজাৰী মহামানব মহাত্মা গান্ধীক যে কোনোবাই হত্যা কৰাৰ কথা ভাবিব পাৰে ভাৰতৰ জনসাধাৰণে এই কথা কল্পনাই কৰিব নোৱাৰিছিল। ১৯৪৮ চনৰ জানুৱাৰীত মহাত্মাৰ প্ৰাৰ্থনা সভাত এটা বোমা ফুটিল, কিন্তু কাৰো একো অনিষ্ট নহ'ল। এইটো আকস্মিক ঘটনা বুলি তাত কোনোৱে একো গুৰুত্ব নিদিলে। মহাত্মাই এই কথাটো হাঁহি উকৱাই দিছিল।

সদায় আবেলি নিয়মিতভাবে দিল্লীত প্ৰাৰ্থনা সভা চলি আছিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ দিনা আবেলি বিৰলা ভৱনৰ প্ৰাঙ্গনত বহা প্ৰাৰ্থনা সভাত নিয়মিতভাবে যোগ দিবলৈ আহোতে প্ৰাৰ্থনা সভাৰ ভিতৰতে সোমাই অহা বাটত নাথুৰাম গড্‌ছে নামৰ মাৰাঠী হিন্দু ডেকা এজনে মহাত্মাক প্ৰণাম কৰাৰ ছলতে এটা স্বয়ংক্ৰিয় পিস্তলেৰে মহাত্মাৰ বক্ষস্থল ভেদ কৰি তিনি জাই গুলি মাৰিলে। মহাত্মা গান্ধী "হে ৰাম" বুলি মাটিত ঢলি পৰিল। আচম্বিতে হোৱা এই ঘটনাই সকলোকে স্তম্ভিত কৰি তুলিলে। মহাত্মাক লৰালৰিকৈ বিৰলা ভৱনলৈ তুলি নিয়া হ'ল। এই আকস্মিক ঘটনাত জগত কঁপি উঠিল। জাতিৰ জনক বাপুজী, সত্য আৰু অহিংসাৰ একনিষ্ঠ সেৱক মহামানৱ মহাত্মা গান্ধীৰ জীৱন বন্তি নিৰ্ব্বাপিত হ'ল। সমগ্ৰ পৃথিবী শোকত অধীৰ হৈ পৰিল।

বন্তি নুমাল।

মহাত্মাৰ অশৰীৰি জ্যোতিয়ে পৃথিবীক চিৰকাল পোহৰাই ৰাখিব।

সমাপ্ত